আত্মশিকন সামগ্ৰী

# সমাজতত্ত্ব
# SOCIOLOGY

(SOCG : 401)

ভাৰতীয় সমাজ
(SOCIETY IN INDIA)

খণ্ড - ১ আৰু ২
(BLOCKS - 1 & 2)

খণ্ড - ১ ঃ ভাৰতীয় সমাজৰ প্ৰকাৰ
(Types of Indian Society)

খণ্ড - ২ ঃ স্বজন পদ্ধতি, পৰিয়াল আৰু জাতি ব্যৱস্থা
(Kinship, Family and Caste System)

দূৰশিক্ষা সঞ্চালকালয়
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪
ডিব্ৰুগড় ঃ অসম

# স্নাতক প্ৰথম বৰ্ষ (কলা)
## সমাজতত্ত্ব (প্ৰথম পাঠ্যসূচী)
## সমাজতত্ত্বৰ নীতি

**খণ্ড নম্বৰ-১ মৌলিক অৱধাৰণা**

**গোট নম্বৰ ১**

## সমাজ আৰু সম্প্ৰদায়

---

**গঠন-বিন্যাস**

---

১.০ উদ্দেশ্য
১.১ প্ৰস্তাৱনা
১.২ সমাজ
    ১.২.১ সমাজৰ সংজ্ঞা
    ১.২.২ সমাজৰ বৈশিষ্ট্য
    ১.২.৩ সমাজৰ মূল উপাদান
    অগ্ৰগতি নিৰীক্ষণ
১.৩ সম্প্ৰদায়ৰ সংজ্ঞা
    ১.৩.১ সম্প্ৰদায়ৰ বৈশিষ্ট্য
    ১.৩.২ সম্প্ৰদায়ৰ মূল উপাদান
    অগ্ৰগতি নিৰীক্ষণ
১.৪ সামৰণি
    (১) ঘাই শব্দসমূহ
    (২) পাঠ্য নিৰ্দেশনা
    (৩) সম্ভাৱ্য উত্তৰ
    (৪) আৰ্হি প্ৰশ্ন
    (৫) প্ৰসঙ্গ পুথি

## খণ্ড নম্বৰ ১ সমাজতত্ত্বৰ মৌলিক অৱধাৰণাসমূহ

## গোট নম্বৰ ১ সমাজ আৰু সম্প্ৰদায়

### উদ্দেশ্য

- এই গোটটি পঢ়িলে তোমালোকে সমাজ আৰু সম্প্ৰদায়ৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য আৰু উপাদানসমূহ চিনাক্ত কৰিব পাৰিবা।
- সমাজ আৰু সম্প্ৰদায়ৰ বিষয়ে কৌশলগত জ্ঞান ক্ষেত্ৰ-অধ্যয়নৰ দ্বাৰা বিশেষ ভাবে বুজিব পাৰিবা।
- প্ৰস্তুত গোটটি পঢ়িলে তোমালোকে তোমালোকৰ ওচৰত থকা সমাজ আৰু সম্প্ৰদায়ৰ বৈশিষ্ট্যসমূহ সহজে তুলনা কৰি চাব পাৰিব।
- সমাজ আৰু সম্প্ৰদায়ৰ বিষয়ে প্ৰাৰম্ভিক জ্ঞান তোমালোকে উচ্চতৰ শ্ৰেণীত ইতিমধ্যে পাই আহিছা। প্ৰস্তুত গোটটিত বৰ্ণনা কৰা সমাজ আৰু সম্প্ৰদায়ৰ বিশেষ অংগ আৰু উপাদানৰ বিষয়ে বুজিব পাৰিবা।

### ১.১ প্ৰস্তাৱনা

স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে ইতিমধ্যে উচ্চতৰ শ্ৰেণীত সমাজ আৰু সম্প্ৰদায়ৰ বিষয়ে পঢ়ি আহিছে আৰু এই গোটটিত উক্ত পাঠকেই অলপ বহলাই ব্যখ্যা কৰিবলৈ চেষ্টা কৰা হৈছে। এই গোটটিৰ জৰিয়তে সমাজতত্ত্বৰ মৌলিক অৱধাৰণাসমূহ বাখ্যা কৰা হৈছে। লগতে সমাজ আৰু সম্প্ৰদায়ৰ মুখ্য সংজ্ঞা সমূহ দিয়া হৈছে। সমাজতত্ত্বৰ অগ্ৰণী সমাজতত্ত্ববিদ ...... সকলৰ পৰিভাষা দুয়োটাতে দিয়া হৈছে। এই সকলোখিনি প্ৰস্তুত গোটটিৰ সহায়ত পঢ়িব পাৰিবা।

যিহেতু সমাজতত্ত্ববিদ সকলৰ বাবে পৃথিৱীয়েই হ'ল অধ্যয়নৰ স্থলী গতিকে ক্ষেত্ৰ নিৰীক্ষণ, অৱলোকন, আৰু আন্তঃক্ৰিয়াৰ দ্বাৰা সমাজ আৰু

সম্প্ৰদায়ৰ বিশ্লেষণ কৰাত উদ্‌গণি দিব পৰাকৈ তোমালোকে ব্যৱহাৰিক অধ্যয়নত নিজকে লগাব পাৰিবা।

তোমালোকে পূৰ্ববৰ্তী শ্ৰেণীত পঢ়া অৱধাৰণা সমূহৰ আৰু বিশদ বিৱৰণ পঢ়িবলৈ পাবা আৰু ইয়াৰ সহায়ত তোমালোকে পূৰ্বতে পাই অহা অৱধাৰণা সমূহ বিশ্লেষণ কৰিব পাৰিবা।

---

## ১.২ সমাজ

---

### ১.২.১ সমাজৰ সংজ্ঞা

সাধাৰণ অৰ্থত পাৰস্পৰিক সম্বন্ধৰ দ্বাৰা বান্ধখাই থকা ব্যক্তিৰ সমষ্টিয়েই হ'ল সমাজ। সমাজতত্ত্ববিদ গিন্সবাৰ্গ (Ginsberg)ৰ মতে এখন সমাজ কিছুমান নিৰ্দিষ্ট সম্পৰ্ক আৰু আচৰণ বিধিৰ বান্ধোনেৰে বন্ধা ব্যক্তি বিশেষৰ সমষ্টি মাত্ৰ। মেক্ আইভাৰ আৰু পেজ (Mac Iver & Page) য়ে সমাজক সামাজিক সম্বন্ধৰ জালগোঁঠনি মাথোঁ বুলি কৈছে। আচল অৰ্থত এই জালখন কিছুমান প্ৰতিমান (Norms) আৰু মূল্যবোধ (Value)ৰ দ্বাৰা গোঁথা হয়। ইমাইল দুৰখেইম (Emile Durkheim) এ সমাজক স্বভাৱজাত (Suigeneris) সত্তা বুলি কৈছে। গতিকে সমাজক মানুহৰ এক স্বাভাৱিক সামূহিক গোট বা সত্তা বুলি ধৰি ল'ব পাৰি। এই গোটটোৰ ভিতৰত মানুহৰ অন্যান্য সন্থা বা সংস্থা বিলাক অন্তৰ্ভূক্ত হৈ থাকে। জি-ডি কল (G.D. Cole) য়ে দিয়া সংজ্ঞাত সমাজক সংগঠিত সন্থাসমূহৰ আৰু সম্প্ৰদায়কে ধৰি সংস্থা আদিৰ এক সংস্থাপিত সত্তা (The complex of organized association and institutions with a community) হিচাপে পৰিভাষিত কৰা হৈছে।

**অগ্ৰগতি নিৰীক্ষণ**

মেক আইভাৰ আৰু পেজৰ মতে সমাজৰ সংজ্ঞা দিয়া।

ইমাইল দুৰখেইমে সমাজক কি বুলি কৈছে?

সমাজ দুই বা ততোধিক ব্যক্তিৰ সমষ্টি হয় নে নহয় ?

### ১.২.২ সমাজৰ বৈশিষ্ট্য

সমাজৰ কিছুমান বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল

(১) **ব্যক্তিৰ সমষ্টি** ঃ যিকোনো মানৰ সমাজ গঠনত এজনতকৈ অধিক ব্যক্তি থাকিবই লাগিব। কোনো এটি পৰিস্থিতিত হয়তো এজন অকলশৰীয়া মানুহে জীৱন যাপন কৰিব পাৰে। কিন্তু সেই অকলশৰীয়া এজন মানুহে কোনো সমাজ গঠন কৰিব নোৱাৰে।

(২) **সমাজিক সম্বন্ধ** ঃ সমাজত ব্যক্তিসকলৰ মাজত সামাজিক সম্বন্ধ থাকিব লাগিব। সামাজিক সম্বন্ধ সমাজখনৰ প্ৰকৃতি অনুসৰি বিভিন্ন ধৰণৰ হ'ব পাৰে। সমাজ যিমানেই জটিল হয়, সম্বন্ধৰ প্ৰকৃতিও ভিন্ন হয়। বন্ধুৰ সৈতে বন্ধুৰ সম্বন্ধ, মাক বাপেকৰ সৈতে সন্তানৰ, ডাক্তৰৰ সৈতে ৰোগীৰ, প্ৰাৰ্থীৰ সৈতে ভোটদাতাৰ, মালিকৰ লৈতে কৰ্মচাৰীৰ সামাজিক সম্বন্ধৰ কথা উল্লেখ কৰিব পাৰি। সমাজত এনেধৰণৰ সম্বন্ধ বহুতো পোৱা যায়। এই সম্পৰ্কত মানসিক সতৰ্কতা (Psychological awareness) অন্তনিৰ্হিত থকা দেখা যায়। ভাৰতীয় সমাজ বহুধৰ্মী, বহু ভাষা-ভাষী আৰু ভিন্ন সম্প্ৰদায়ৰ ব্যক্তিৰ দ্বাৰা গঠিত। মানসিক সতৰ্কতা অনুসৰি এই বিভিন্ন ধৰণৰ ব্যক্তিসকলে আমি সকলো ভাৰতীয় বুলি ভবা কাৰণেহে ভাৰতীয় সমাজ এখন গঠিত হ'ব পাৰিছে। সমাজ অনুযায়ী কিছুমান প্ৰতিমান, মূল্যবোধ আৰু ৰীতি-নীতি আদিৰে সামাজিক সম্বন্ধ সৃষ্টি কৰে।

(৩) **সামাজিক সম্বন্ধৰ প্ৰকাৰ** ঃ সমাজত ব্যক্তিৰ সম্বন্ধ বিভিন্ন ধৰণৰ দেখা যায়। সমাজৰ জটিলতাৰ ওপৰত নিৰ্ভৰ কৰি এই সম্বন্ধবোৰ গঢ়ি উঠে। সমাজত যেনেকৈ স্নেহ, মমতা, প্ৰেম আৰু বন্ধুত্ব আছে ঠিক তেনেকৈয়ে ঈৰ্ষা, স্বাৰ্থ, ঘৃণা আৰু শত্ৰুতাও আছে। সমাজৰ সম্বন্ধবোৰ প্ৰতিমান, মূল্য আৰু ৰীতি-নীতিয়ে পৰিচালিত কৰে, যাৰ ফলত বেলেগ বেলেগ সম্বন্ধ অনুযায়ী আচাৰ ব্যৱহাৰৰো পাৰ্থক্য দেখা যায়। সমাজত থকা প্ৰতিজন ব্যক্তিয়ে বিভিন্ন

সম্বন্ধ আনুযায়ী স্বকীয় পিতা, এজন মালিক, এজন সভাপতি, এজন ক্রেতা আদি নানা ভূমিকা বিভিন্ন সময়ত একেলগে পালন কৰিবলগীয়া হয়।

(৪) **সমাজ অমূৰ্ত্ত** ঃ সমাজ সৃষ্টিৰ বাবে স্থান আৰু জনসংখ্যাৰ প্ৰয়োজন। ই পৰিদৃশ্যমান। এডোখৰ নিৰ্দিষ্ট ঠাইৰ ঘৰ-দুৱাৰ, আলি-পদূলি, দোকান-পোহাৰ দেখিবলৈ পোৱা যায়, কিন্তু তাত বাস কৰা মানুহখিনিৰ মাজত থকা সমাজখনক দেখিবলৈ পোৱা নাযায়। তাত বাস কৰা, মানুহৰ, জাতি, বৰ্ণ, সহৃদয়তা, সহযোগ ইত্যাদি অমূৰ্ত্ত। সমাজখন কোনো এটি ঘৰ নাইবা কাৰ্য্যালয়ৰ দৰে নহয়। সেইবাবেই সমাজ অমূৰ্ত্ত। সামাজিক সম্বন্ধ আৰু সমাজৰ সদস্যসকলৰ মাজত যি আনুভূতিক ঐক্য () দেখা যায় সিয়ো চাক্ষুস নহয়। সেই বাবেই সমাজৰ লক্ষণবোৰ নিখুঁত ভাবে উপলি  কৰিব পৰা যায় যদিও ই মূৰ্ত্তভাৱে প্ৰকাশ নহয়।

এইচ. এম. জনচন (H.M. Johnson)এ সমাজৰ বিশ্লেষণ অতি বিস্তৃতভাবে কৰিছে। সমাজৰ বিশ্লেষণৰ ক্ষেত্ৰত জনচনৰ ব্যাখ্য একান্ত দৰকাৰী। জনচনে সমাজ বিশ্লেষণ কৰাৰ ক্ষেত্ৰত চাৰিটা বিশেষ লক্ষণৰ কথা উল্লেখ কৰিছে

(ক) **ভৌগোলিক সীমাঃ** জনচনৰ মতে সমাজৰ বাবে এডোখৰ বিশেষ স্থানৰ প্ৰয়োজন। তোমালোকে যেতিয়া ভাৰতীয় সমাজৰ কথা উল্লেখ কৰা, তেতিয়া ভাৰতৰ সীমা ৰেখাত বাস কৰা মানুহৰ সমাজখনকে বুজা। এই বৃহত সমাজখনৰ মাজতে আকৌ আন কিছুমান গোটৰ উমান পোৱা যায়, যেনে নগৰৰ সমাজ, গাঁৱৰ সমাজ ইত্যাদি।

(খ) **প্ৰজননঃ** সমাজ গঠনত সদায় সদস্যৰ প্ৰয়োজন। সমাজত সদস্য কেইবা ধৰণেও পাব পাৰি। যেনে– উপনিবেশেৰে, বাহিৰা দেশৰ সদস্যৰ (Immigrants) আৰু সাম্ৰাজ্য বিস্তাৰ ইত্যাদি। কিন্তু সমাজৰ প্ৰকৃত উত্তৰাধিকাৰী সকল সন্তানেৰেহে গঠিত হব পাৰে।

(গ) **ব্যাপক সংস্কৃতিঃ** ইংৰাজ নৃতত্ববিদ (Anthropologist) Edward Tylor এ দিয়া সংস্কৃতিৰ সংজ্ঞা মতে সংস্কৃতিৰ ভিতৰত মানুহৰ জ্ঞান, বিশ্বাস, কলা-বিজ্ঞান, ৰীতি-নীতি সকলো অন্তৰ্নিহিত হৈ থাকে। তেওঁৰ মতে মানুহৰ সামাজিক জীৱনেই তেওঁলোকৰ সংস্কৃতি স্বৰূপ। এই দৃষ্টিকোনৰ পৰা যিকোনো সমাজৰ বিশেষত্বতাই ব্যপক সংস্কৃতি।

টাইলৰে উল্লেখ কৰা অনুসৰি সংস্কৃতি ইমান ব্যাপক হব লাগে যাতে সেই সমাজৰ ভিতৰতে থকা আন আন সমূহবিলাকেও নিজে তাৰ অংশ বিশেষ আৰু উমৈহতীয়া বুলি অনুভৱ কৰিব পাৰে। দৃষ্টান্ত স্বৰূপে ভাৰতীয় সংস্কৃতি বুলিলে স্বকীয় বৈশিষ্ট্যপূৰ্ণ ইয়াৰ সমূহ (প্ৰাদেশিক সমাজ) বোৰ ইয়াৰ অংগ বুলি ধৰিলেহে বুজা যায়। সমূহবিলাকক বাদ দি ভাৰতীয় সংস্কৃতিৰ কল্পনা অসম্ভৱ।

(ঘ) **স্বাধীনতা ঃ** সমাজ বুলিলে এটি বিশাল স্বতন্ত্ৰ সমূহকে বুজায়। ই কেৱল এটি সমূহৰ অংশ বিশেষ হ'ব নোৱাৰে। এখন সমাজৰ অন্তৰ্গত শাখাসমূহ থকাটো সম্ভৱপৰ বাবেই সেই স্বতন্ত্ৰ সমাজখনৰ স্বাধীনতা নিহিত থাকে।

(৫) **বৈসাদৃশ্য** ঃ সমাজ এহাতে যেনেকৈ সাদৃশ্যৰ ওপৰত নিৰ্ভৰ কাৰ সেইদৰে বৈসাদৃশ্যও সমাজৰ বাবে বিশেষ দৰকাৰী। যদিহে সমাজ কেৱল সাদৃশ্যৰ ওপৰত নিৰ্ভৰ কৰিলেহেঁতেন, তেতিয়া হ'লে সামাজিক সম্বন্ধবোৰ অতি সীমাবদ্ধ হোৱা দেখা গলহেতেঁন। বিবাহৰ মূল যদিও যৌন সম্বন্ধবোৰ তথাপি বিবাহৰ যোগেদি বিভিন্ন ধৰণৰ সম্বন্ধই গঢ় লৈ উঠে; যেনেকৈ এটি পৰিয়ালৰ সদস্যৰ মাজত শাৰীৰিক বৈসাদৃশ্য থকা সত্বেও পৰিয়াল গঢ় লৈ উঠে। অৰ্থাৎ পুৰুষ-নাৰী ল'ৰা-বুঢ়া ইত্যাদিৰ শাৰীৰিক বৈসাদৃশ্য পৰিয়ালত সদায় পোৱা যায়। তাৰ উপৰিও সমাজৰ জটিলতাৰ ওপৰত ভিত্তি কৰি শ্ৰম-বিভাজনৰ লগে লগে বিশেষীকৰণৰ ফালৰ পৰাও বেলগ বেলেগ ভূমিকাসমূহৰ মাজত বৈসাদৃশ্য বেছি প্ৰকট হোৱা দেখা যায়।

(৬) **চিৰ পৰিৱৰ্ত্তনশীল সম্বন্ধঃ** সমাজ সদায় পৰিৱৰ্তশীল। সমাজ পৰিৱৰ্তন হোৱাৰ লগে লগে সামাজিক সম্বন্ধবোৰৰো পৰিৱৰ্তন ঘটে। এই পৰিৱৰ্তন বহুতো কাৰণত হোৱা দেখা যায়। সময়ৰ লগে লগে নতুন ভাৱধাৰা নতুন পৰিস্থিতি আৰু নতুন ব্যক্তিৰে সমাজ গঠিত হয়। এই পৰিৱৰ্তনৰ লগে লগে সেই সমাজৰ ব্যক্তিসকলৰ সম্বন্ধৰ মাজতো পৰিৱৰ্তন আহে। উদাহৰণ স্বৰূপে ভাৰতীয় পৰম্পৰাগত সমাজৰ যি স্বৰূপ আৰু স্বতন্ত্ৰ তা আছিল, আজি সেইটো বহু পৰিমাণে হ্ৰাস পাইছে। প্ৰাচীন ভাৰতীয় হিন্দু সমাজত স্বামী-স্ত্ৰীৰ বাবে দেৱতা স্বৰূপ; কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে সেই আদৰ্শও পৰিৱৰ্তন হৈ জীৱন সংগীৰূপেহে প্ৰকট হয়।

(৭) **পাৰস্পৰিক নিৰ্ভৰশীলতা ঃ** মানুহৰ সামাজিক গুণৰাশিৰ প্ৰধান বৈশিষ্ট্য হ'ল পাৰস্পৰিক নিৰ্ভৰশীলতা। সেইবাবে এই পাৰস্পৰিক নিৰ্ভৰশীলতাৰ মাজেদি সমাজত বিভিন্ন ধৰণৰ সম্বন্ধ স্থাপন হোৱা দেখা যায়। সহযোগ, শ্ৰম-বিভাজন ইত্যাদিবোৰ দৃষ্টান্ত হিচাপে ধৰিব পাৰি।

(৮) **সমাজ গতিশীলঃ** পৰিৱৰ্তনশীল অৱস্থাও হ'ল সমাজৰ বৈশিষ্ট্য। এনে কোনো সমাজ নাই, যিখন সমাজত পৰিৱৰ্তন হোৱা নাই। সমাজ স্থৱিৰ নহয়, ই গতিশীল।

(৯) **ব্যক্তি আৰু গোট সমূহৰ মাজত সহযোগিতাঃ** পাৰস্পৰিক সহযোগিতা সামাজিক সম্পৰ্কৰ আন এটা বৈশিষ্ট্য। সমাজত নিয়ম আৰু অস্তিত্ব বৰ্ত্তাই ৰাখিবৰ বাবে ব্যক্তি আৰু গোটসমূহৰ মাজত সহযোগিতাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি।

(১০) **সংস্কৃতিঃ** সমাজস্থিত মানুহৰ জীৱন পদ্ধতিয়েই হ'ল সংস্কৃতি। মানুহে নিজৰ জীৱন সংচালন কৰিবৰ বাবে যি নীতি-নিয়ম আৰু অনুশাসন গঢ়িছে সেই সকলোবোৰেই হ'ল সংস্কৃতিৰ অংগ স্বৰূপ। সংক্ষেপত সংস্কৃতি হ'ল মানুহে সমাজত আয়ত্তকৰা নীতি-নিয়মৰ মাজেদি জীৱন সুচাৰু ৰূপে আগবঢ়াই

নিয়া এটি পদ্ধতি। প্ৰত্যেক সমাজৰে নিজাকৈ সুকীয়া সংস্কৃতি থকাটো মনকৰিবলগীয়া। সেয়েহে ইংৰাজ নৃতত্ববিদ ই.বি. টাইলৰৰ সংস্কৃতিৰ সংজ্ঞা, ‘‘সংস্কৃতি এক জটিল মিশ্ৰণ, যি মিশ্ৰণত জ্ঞান, কলা, নৈতিকতা, আইন, আচাৰ-ব্যৱহাৰ আদি সোমাই থাকে আৰু সমাজৰ সদস্য ৰূপে মানুহে আহৰণ কৰিলবলগীয়া অন্যান্য সকলোখিনি সামৰি লয়।’’ উল্লেখযোগ্য।

(১১) **সংঘাত ঃ** বিশ্বৰ সকলোবোৰ সমাজতেই কম বেছি পৰিমাণে সংঘাত থকাটো স্বাভাৱিক। যৌথ পৰিয়ালত সংঘাত হোৱা দেখিবলৈ পোৱা যায়। আনকি একক পৰিয়ালতো সংঘাত বিদ্যমান। গতিকে সংঘাত সমাজৰ এটা সাৰ্বজনীন বৈশিষ্ট্য। সংঘাতে যেতিয়া অত্যন্ত গুৰুত্বৰ ৰূপ ধাৰণ কৰে তেতিয়া সমাজৰ ঐক্যৰ বন্ধন শিথিল হৈ পৰে আৰু ই সমাজৰ বাবে বৰ ক্ষতিকাৰক হিচাপে প্ৰামাণিত হয়। কিন্তু যি কি নহওক সমাজ সদায় সকলো সংঘাতৰ উৰ্দ্ধত। ইয়াৰ অৰ্থ হ’ল সামাজিক সংঘাত সামাজিক সম্পৰ্কৰ এক গুৰুত্বপূৰ্ণ দিশ স্বৰূপ।

(১২) **সামাজিক নিয়ন্ত্ৰণঃ** সমাজত সংঘাতে কিছু সমস্যাৰ সৃষ্টি কৰে। গতিকে এই সমস্যাসমূহ ৰোধ কৰিবলৈ কিছুমান ঔপচাৰিক আৰু অনৌপচাৰিক নীতি নিয়মৰ দ্বাৰা সমাজ পৰিচালিত হয়। পৰিয়াল, ধৰ্ম, লোকাচাৰ আদি অনৌপাচাৰিক সমাজিক নিয়ন্ত্ৰণ ব্যৱস্থা আৰু আইন, পুলিচ, ৰাষ্ট্ৰ আদি হ’ল ঔপচাৰিক সামাজিক নিয়ন্ত্ৰণ ব্যৱস্থা। সমাজত এই দুই ধৰণৰ সামাজিক নিয়ন্ত্ৰণে সমাজক নিয়ন্ত্ৰিত কৰি ৰাখে।

(১৩) **পৰিৱৰ্তনশীল সম্বন্ধঃ** সমাজ সদায় পৰিৱৰ্তনশীল হোৱা হেতুকে সামাজিক সম্বন্ধবোৰো পৰিৱৰ্তন স্বাভাৱিক। ইয়াৰ বহু কাৰণ থাকিব পাৰে। সময়ৰ চলমান গতিয়ে সমাজত নতুন নতুন ভাৱধাৰা, নতুন পৰিস্থিতি আৰু নতুন ব্যক্তিৰে সমাজ গঠন কৰাত বিশ্বায়ন বা গোলকীকৰণৰ জৰিয়তে সমাজক বেলেগ বেলেগ দিশত প্ৰভান্বিত নকৰাকৈ থকা নাই।

সেয়েহে গোলোকীকৰণে সামাজিক পৰিৱৰ্তনৰ পথ আৰু পৰিসৰ অধিক ব্যাপক কৰি তুলিছে বুলি ক'ব পাৰি।

(১৪) **সাদৃশ্য আৰু পাৰ্থক্যঃ** সমাজৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াৰ সাদৃশ্য আৰু পাৰ্থক্য। এই দুয়োটা গুণ প্ৰত্যেক সমাজত দেখিবলৈ পোৱা যায়। ভাৰতবৰ্ষত বিবিধতাৰ মাজত ঐক্য বিৰাজ কৰা দেশ বুলি কোৱা হয়। ইয়াৰ কাৰণ হ'ল ভাৰতবৰ্ষত বিভিন্ন জাতি, জনজাতি, উপজাতি, ধৰ্ম আৰু সংস্কৃতি থাকিলেও এই সকলৰ মাজত অনেক উমৈহতীয়া উপাদান দেখিবলৈ পোৱা যায়, আৰু একেখন সমাজতে বৈসাদৃশ্যও পৰিলক্ষিত হয়। ইয়াৰ ফলস্বৰূপে কেতিয়াবা সমাজত সৰু সৰু সামাজিক বিৰোধ সৃষ্টি হয়।

এইদৰে সমাজত এহাতে যেনেকৈ সাদৃশ্য বিদ্যমান ঠিক তেনেকৈ বৈসাদৃশ্যও দেখা যায়। সমাজৰ বাবে বৈসাদৃশ্যও প্ৰয়োজনীয়। যদি সমাজে মাথোঁ সাদৃশ্যৰ ওপৰত নিৰ্ভৰশীল হ'লহেতেঁন তেন্তে সামাজিক সম্বন্ধবোৰ অতি সীমাবদ্ধ হ'লহেতেঁন। শাৰীৰিক বৈসাদৃশ্য থকা স্বত্বেও পৰিয়ালৰ সদস্যসমূহৰ মাজত সম্বন্ধ থকাটো উল্লেখযোগ্য। শ্ৰম বিভাজন হ'ল সমাজৰ বৈসাদৃশ্যৰ উল্লেখযোগ্য আধাৰ। শ্ৰম বিভাজনে সমাজস্থিত মানুহক বিভাজিত কৰে। শ্ৰমৰ উন্নত আৰু প্ৰসাৰিত বিভাজনৰ বাবে বৈসাদৃশ্যৰ পৰিধি ক্ৰমাত বাঢ়ি যোৱা দেখা যায়।

---

### ১.২.৩ সমাজৰ উপাদানসমূহ

---

মেক আইভাৰৰ মতে সমাজ এক জটিল পদ্ধতি। এই জটিল পদ্ধতিটো বিভিন্ন উপাদানৰ দ্বাৰা গঠিত হৈছে। উপাদান বিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল –

(১) **জনসংখ্যাঃ** সমাজতাত্ত্বিক প্ৰসংগত মানৰ সমাজৰ বিষয়ে আলোচনা কৰা হৈছে। মানুহ হ'ল সমাজৰ প্ৰথম উপাদান। মানুহৰ অবিহনে সমাজৰ কল্পনাও কৰিব নোৱাৰি। সামাজিক সম্বন্ধৰ জাল-গোঁঠনি বুলি কওঁতে

মানুহৰ মাজত গঢ়ি উঠা সম্বন্ধৰ কথাকে কোৱা হৈছে। সমাজ বুলিলে এক বিশাল জনসমষ্টিৰ অস্তিত্ব অনুভৱ হয়। সাধাৰণ অৰ্থত সমাজক বাদ দি মানুহ আৰু মানুহক বাদ দি সমাজ হ'ব নোৱাৰে। ইয়াৰ পাৰস্পৰিক সম্বন্ধ অতি গুৰুত্বপূৰ্ণ অৰ্থাৎ জন সমষ্টিৰ অবিহনে সমাজ সৃষ্টি নহয়। সেইবাবে জনসংখ্যা হ'ল সমাজৰ প্ৰথম উপাদান।

(২) **ভূখণ্ডঃ** এক নিৰ্দিষ্ট ভূখণ্ড হ'ল সমাজৰ দ্বিতীয় উপাদান। প্ৰতিখন সমাজৰ বাবে এটি নিৰ্দিষ্ট ভৌগোলিক সীমা থকাটো নিতান্ত প্ৰয়োজন। ভূখণ্ডই সমাজস্থিত মানুহৰ প্ৰয়োজনীয়তাখিনি পূৰ্ণ কৰাত সহায় কৰে। ভূখণ্ডৰ নাম অনুসৰি একোখন সমাজে পৰিচয় লাভ কৰে। উদাহৰণস্বৰূপে অসমীয়া সমাজ বুলিলে সাধাৰণতে অসম ৰাজ্যৰ ভূখণ্ডত সৃষ্টি হোৱা সমাজখনকে বুজা যায়। গতিকে ই সমাজৰ এটা প্ৰধান উপাদান।

(৩) **সংস্কৃতিঃ** প্ৰতি সমাজৰে একোটা সংস্কৃতি আছে। এই সংস্কৃতি হ'ল সমাজত থকা সদস্যসকলৰ জীৱনধাৰণৰ কিছুমান ধৰণ-কৰণ আৰু পদ্ধতি। এই সকলো মিলি সমাজৰ বাবে এক উমৈহতীয়া সংস্কৃতিৰ সৃষ্টি হয়। মানুহৰ ৰীতি-নীতি, মূল্যবোধ, বিশ্বাস, আদৰ্শ, ধৰ্ম, কলাকৌশল, আইন, জীৱন দৰ্শন, জীৱনধাৰণৰ ব্যৱহাৰিক সামগ্ৰী, অৰ্থনীতি আৰু শাসন আদিক একেলগে সামৰি সংস্কৃতিৰ সৃষ্টি হয়। মানুহৰ আচাৰ ব্যৱহাৰৰ আৰ্হি গঢ়ি তোলাত সংস্কৃতি পৰম সহায়ক হয়। সমাজৰ সদস্য সকলে পাৰস্পৰিক আচৰণ ব্যৱহাৰৰ মাজেদি সম্পৰ্ক গঢ়ি তুলি একেলগে বাস কৰে। শৃংখলিত আৰু অৰ্থপূৰ্ণ জীৱন অবিবাহিত কৰাত সংস্কৃতিৰ ওপৰত প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱ পৰে। অৰ্থাৎ সমাজৰ ভৌগোলিক পবিৱেশ অনুসৰি সংস্কৃতিও বেলেগ বেলেগ হয়। সংস্কৃতি বিহীন সমাজ পৃথিৱীৰ কোনো ঠাইতে দৃষ্টিগোচৰ নহয়। আদিম অৱস্থাত থকা মানুহৰো সুকীয়া সংস্কৃতি থকাটো মনকৰিবলগীয়া।

(৪) **সামাজিক সম্বন্ধঃ** সমাজৰ সদস্যসকলৰ পাৰস্পৰিক স্থিতিৰ প্ৰতি থকা সজাগতাই মানুহক ভূমিকা আৰু প্ৰস্থিতি সম্পৰ্কে সজাগ হ'বলৈ অনুপ্ৰাণিত কৰে আৰু তাৰ ফল স্বৰূপে ইজনে সিজনৰ লগত সম্পৰ্ক গঢ়ি তোলে আৰু পাৰস্পৰিক ক্ৰিয়া সম্পাদন কৰে। মানুহ নিজৰ প্ৰয়োজনীয়তা পূৰণৰ জৰিয়তে আনৰ সংস্পৰ্শলৈ আহে আৰু এই সংস্পৰ্শ কালক্ৰমত পাৰস্পৰিক সম্বন্ধলৈ সলনি হয়। এনেধৰণৰ পাৰস্পৰিক সম্বন্ধই মানুহক ঐক্যবদ্ধ হৈ জীয়াই থকাৰ প্ৰেৰণা দিয়ে। ফলত মানুহে সামাজিক দায়িত্ব, আনৰ প্ৰতি আচৰণ-ব্যৱহাৰ, নিজৰ অধিকাৰ, নিজৰ ওপৰত সমাজৰ অনুশাসন আৰু সামাজিক বিধি ব্যৱস্থা আদি উপলব্ধি কৰে। সামাজিক সজাগতাৰ অবিহনে মানুহ সমাজ পাতি থাকিব নোৱাৰে। ই সমাজৰ গঠনত এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

(৫) **সহযোগিতাঃ** সামাজিক নিয়ন্ত্ৰণৰ এটি গুৰুত্বপূৰ্ণ অংগ হ'ল সহযোগিতা। ই সমাজৰ এটি লাগতিয়াল উপাদান। সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰি সামাজিক পদ্ধতিটো চলি আছে। গতিকে ইয়াক সামাজিক জীৱনৰ প্ৰাথমিক আধাৰ বুলি ক'ব পৰা যায়। জীৱন ধাৰণৰ ক্ষেত্ৰত মানুহৰ মাজত থকা সৰহখিনি স্বাৰ্থই উমৈহতীয়া। এই কথাটো উপলব্ধি কৰি মানুহে নিজৰ স্বাৰ্থ পুৰণ কৰিবলৈ ইজনে সিজনৰ লগত সহযোগ কৰে। সহযোগিতা আৰু পাৰস্পৰিক নিৰ্ভৰশীলতা মানুহৰ স্বাৰ্থ পূৰণৰ বাবে সৃষ্টি হয়, আৰু মানুহক যৌথ প্ৰেচেষ্টাৰ জৰিয়তে কাম সমাধা কৰিবলৈ উদ্‌গণি দিয়ে। এই যুটীয়া প্ৰচেষ্টা প্ৰত্যক্ষ আৰু পৰোক্ষ দুই ধৰণৰ সহযোগিতাৰ মাজেদি সম্পাদিত হয়।

(৬) **পাৰস্পৰিক নিৰ্ভৰশীলতাঃ** সকলোবিলাক প্ৰয়োজনীয়তা মানুহে অকলে পুৰণ কৰিব নোৱাৰে। সেই কাৰণে জীৱন নিৰ্বাহৰ বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰয়োজনীতাখিনি পূৰ কৰিবলৈ মানুহে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইজনে সিজনৰ ওপতৰ নিৰ্ভৰ কৰি চলে। শ্ৰমবিভাজনৰ যোগেদি মানুহে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকাৰ ব্যৱস্থা সামাজিকভাবে কৰি লয়। আৰ্থিক, সামাজিক, শাৰীৰিক আৰু মানসিক আদি মানুহৰ প্ৰাথমিক আৱশ্যকতাবিলাক পূৰ কৰিবলৈ

ক্ষেত্ৰ বিশেষে পৰিয়ালৰ পুৰুষ, মহিলা, ওচৰ-চুবুৰীয়া, সম্বন্ধীয়া লোক আৰু অন্যান্য ব্যক্তিৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতাৰ সৃষ্টি হয়। ই সমাজৰ এক অন্যতম উপাদান।

**অগ্ৰগতি নিৰীক্ষণ**

(১) সমাজৰ প্ৰধান উপাদান সমূহ কি কি?

(২) সহযোগিতা সামাজিক নিয়ন্ত্ৰণৰ এটি অংগ, হয়/নহয়?

(৩) সংস্কৃতিৰ গ্ৰহণযোগ্য সংজ্ঞা দিয়া।

(৪) সমাজৰ বৈশিষ্ট্য সমূহৰ বিষয়ে আলোচনা কৰা।

(৫) সমাজৰ প্ৰথম উপাদান হ'ল মানুহ, হয়/নহয়?

---

## ১.৩ সম্প্ৰদায়

---

### ১.৩.১ সম্প্ৰদায়ৰ সংজ্ঞা

---

সম্প্ৰদায়ৰ ইংৰাজী প্ৰতিশব্দ (Community)। ই ইংৰাজী শব্দ Commnne ৰ পৰা আহিছে। সাধাৰণতে সম্প্ৰদায় এটা সামাজিক সমূহ। বহু ব্যক্তিৰ সমষ্টিৰে একোটা সম্প্ৰদায় গঠিত হয়। মনকৰিবলগীয়া যে বহু সময়ত 'সম্প্ৰদায়' শব্দটো শিথিলভাৱে ব্যৱহাৰ কৰা হয়। কাৰণ কেতিয়াবা জাতি ভিত্তিক, ভাষাভিত্তিক বা ধৰ্মভিত্তিক বা ক্ষত্ৰিয়, ব্ৰাহ্মণ আদি জাতিভিত্তিক সম্প্ৰদায়, হিন্দু বা মুছলমান সম্প্ৰদায় আদি নামেৰে কোনো জনসমূহ বা জনসংখ্যাক বুজোৱা হয়। কিন্তু সমাজতত্ত্বত তেনে  জনসমষ্টিক সম্প্ৰদায় আখ্যা দিয়া নহয়। সম্প্ৰদায়ৰ সমাজতাত্ত্বিক সংজ্ঞা নিম্নলিখিত ধৰণৰ–

(১) সমাজতত্ত্ববিদ কিংচলে ডেভিচে 'সামাজিক জীৱনৰ সকলো দিশ সামৰিব পৰা সকলোতকৈ সৰু আঞ্চলিক সমূহেই সম্প্ৰদায়' বুলি কৈছে।

(২) ইমৰি এচ্ বগাৰডাচৰ মতে ''সম্প্ৰদায় কিছু পৰিমাণৰ 'আমি'

বা আপোনভাব থকা আৰু এক নিৰ্দিষ্ট অঞ্চলত বাস কৰা এটা সামাজিক সমূহ''।

(৩) আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমাজতত্ত্ববিদ মেক আইভাৰ আৰু পেজে সম্প্ৰদায়ৰ সংজ্ঞা এনেদৰে আগবঢাইছে– ''যিকোনো এটা সৰু নাইবা ডাঙৰ সমূহৰ লোকসকলে যিকোনো কাৰ্য্যত অংশ গ্ৰহণ কৰোঁতে ব্যক্তিগত স্বাৰ্থৰ পৰিৱৰ্তে যদি উমৈহতীয়া স্বাৰ্থৰে বাস কৰে, তেনেহ'লে তাকেই সম্প্ৰদায়ৰ আখ্যা দিয়া হয়।''

(৪) আগৰাৰ্ণ আৰু নিমকফৰ মতে ''সম্প্ৰদায় হৈছে কোনো এক সীমিত অৱস্থানৰ ভিতৰত সামাজিক জীৱনৰ পৰিপূৰ্ণ সংগঠন।''

(৫) স্মেলচাৰৰ মতে, ''সম্প্ৰদায় হ'ল য'ত এটা সম্প্ৰদায়ৰ (স্থায়ী সামাজিক সমূহৰ) সদস্যসকল সাধাৰণতে আত্মনিৰ্ভৰশীল। সম্প্ৰদায়ে কিছুমান বিশেষ ক্ৰিয়া কলাপ সমাপন কৰে। এই ক্ৰিয়া কলাপৰ যোগেদি দৈনন্দিন জীৱনৰ সামগ্ৰী আৰু সেৱা যোগান ধৰি এটি সামাজিক আৰু অৰ্থনৈতিক গোট হিচাপে ধাৰাবাহিকতা ৰক্ষা কৰে।''

---

## ১.৩.২ সম্প্ৰদায়ৰ বৈশিষ্ট্য

---

সম্প্ৰদায়ৰ নিম্নলিখিত কেইটামান প্ৰধান বৈশিষ্ট্য দিয়া হ'ল–

(১) **জনসমূহঃ** এখন সমাজ যিদৰে ব্যক্তিৰ দ্বাৰা গঠিত হয়, সম্প্ৰদায় এটাৰ কথা কওঁতেই তেনেদৰে পোনপ্ৰথমে ব্যক্তিৰ সমূহৰ কথাই বুজিব লাগিব। কিছুমান ব্যক্তিৰ সমষ্টিত অৱস্থাৰ মাজেদিহে সম্প্ৰদায় এটা গঠন হয়। গতিকে সম্প্ৰদায়ৰ প্ৰথম বৈশিষ্ট্য হিচাপে জনসমূহৰ কথা উল্লেখ কৰিব পাৰি।

(২) **নিৰ্দিষ্ট ভূখণ্ডঃ** সম্প্ৰদায়ৰ আন এটা বৈশিষ্ট্য হ'ল ভূখণ্ড। সম্প্ৰদায়ৰ নিৰ্দিষ্ট ভূখণ্ডত বসবাস কৰি থকা চৰিত্ৰই একে সম্প্ৰদায়ভূক্ত লোকসকলৰ মাজত ঐক্য-সম্প্ৰীতি সুদৃঢ় কৰে। একোটা সম্প্ৰদায় হিচাপে

পৰিচিত লোকসকলে মিলিজুলি সম উদ্দেশ্যেৰে বসবাস কৰে। অৱশ্যে আধুনিক যোগাযোগ আৰু সংমিশ্ৰিত ব্যৱস্থাই সম্প্ৰদায়ৰ আঞ্চলিক ঐক্যক বহু পৰিমানে ম্লান কৰি পেলাইছে বুলি কলেও অত্যুক্তি কৰা নহয়।

(৩) **সাম্প্ৰদায়িক মনোভাৱঃ** উমৈহতীয়া বাসস্থান, উমৈহতীয়া উদ্দেশ্য আৰু উমৈহতীয়া ভাৱে মিলিজুলি জীৱন-ধাৰণ কৰা সম্প্ৰদায়ৰ ব্যক্তিসকলৰ মাজত সাম্প্ৰদায়িক বা সামুহিক মনোভাৱ পৰিলক্ষিত হয়। সাম্প্ৰদায়িক মনোভাৱ গঢ় লোৱাৰ ক্ষেত্ৰত সামুহিকভাৱে উদযাপন কৰা উৎসৱ-পাৰ্বন, বিয়া-বাৰু, ধৰ্ম-বিশ্বাস, পূজা-অৰ্চনা, ৰীতি-নীতি, চাল-চলন, সুখ-দুখৰ সমভাগী হ'ব পৰা উপাদান ইত্যাদি বিলাকে বিশেষ ভাৱে সহায় কৰে।

(৪) **স্থায়িত্বতাঃ** সম্প্ৰদায়ৰ আন এটা বৈশিষ্ট্য হ'ল স্থায়িত্বতা। সম্প্ৰদায় এটা স্থায়ী জনসমূহ। এডোখৰ নিৰ্দিষ্ট ভূখণ্ডত স্থায়ীভাৱে বসবাস কৰি সমূহীয়া জীৱনৰ পৰিচয় প্ৰকাশ কৰি থকাটো সম্প্ৰদায়ৰ প্ৰধান চৰিত্ৰ। সেইবাবে যিকোনো ধৰণৰ জনসমূহৰ দৰে একোটা সম্প্ৰদায় অস্থায়ী নহয়। স্থায়িত্বতা গুণ সম্প্ৰদায়ৰ জীৱন প্ৰক্ৰিয়াৰ বাবে অপৰিহাৰ্য।

(৫) **সমজাতীয়তাঃ** সমজাতীয়তা বা সাদৃশ্যতা সম্প্ৰদায়ৰ এটা প্ৰধান চৰিত্ৰ। একে ধৰণৰ উদ্দেশ্য, বিশেষকৈ 'আমি ভাৱ'ৰ ধাৰণা, একে ধৰণৰ ভাব-ভাষা, ৰীতি-নীতি, ধৰ্ম বিশ্বাস, আদৰ্শ পৰম্পৰা, চাল-চলন, ধ্যান-ধাৰণা তথা জীৱন-নিৰ্বাহ প্ৰাণালীৰ সাদৃশ্যতাৰ জৰিয়তে সম্প্ৰদায় একোটাৰ পৰিচয় পোৱা যায়।

(৬) **ভৌগোলিক অৱস্থাঃ** সমুদায় বা সম্প্ৰদায় বুলিলে এটা নিৰ্দিষ্ট স্থানীয় সমূহক বুজিব লাগে। ওচৰা ওচৰিকৈ বসবাস কৰি থকা পৰিয়ালসমূহক বা জনসংখ্যাক লৈ এটা সম্প্ৰদায় গঠিত হয়। যেনে এখন গাঁও বা চহৰ বা নগৰ চহৰৰ এটা চুবুৰীক আঞ্চলিক সম্প্ৰদায় বুলি ধৰা হয়। অৱশ্যে কেইবা কিলোমিটাৰো বিস্তৃত হৈ থকা এখন গাঁওৰ মাজত দুটা বা ততোধিক সমুদায় থাকিব পাৰে। প্ৰকৃত অৰ্থত এটা সম্প্ৰদায়ৰ নিজা এক ভূখণ্ড থাকে।

(৭) **বিশেষ নামঃ** সম্প্ৰদায়ৰ আন এটা বৈশিষ্ট্য হ'ল সম্প্ৰদায়ৰ বিশেষ নাম থকাটো। পৃথিৱীৰ সকলো সম্প্ৰদায়ক তেওঁলোকৰ বিশেষ নামেৰে চিনিব পাৰি। সম্প্ৰদায় অনুযায়ী একোটা নাম থকাৰ কাৰণে এটা সম্প্ৰদায়ক আন এটা সম্প্ৰদায়ৰ পৰা বেলেগে বুজাত সহায় হয়।

(৮) **জীৱন যাপনৰ বাবে উমৈহতীয়া অৱস্থাঃ** এটা সমুদায়ত অন্তৰ্ভুক্ত পৰিয়াল বৰ্গ তথা ব্যক্তিসমূহ কিছুমান অৱস্থাৰ ওপৰত সমূহীয়াভাৱে নিৰ্ভৰশীল হ'বলগীয়া হয়। যেনে– বাটপথ, দৈনন্দিন জীৱনযাত্ৰাৰ বাবে প্ৰয়োজনীয় যোগান ব্যৱস্থা, স্বাস্থ্য ৰক্ষাৰ সা-সুবিধা ইত্যাদি। এই অৱস্থা বোৰৰ ওপৰত প্ৰত্যেকেই সমানেই নিৰ্ভৰশীল নহ'লেও সমুদায়ৰ সৰহ সংখ্যক লোকে সেইবোৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে গাঁৱৰ এটা পৰিয়ালৰ ল'ৰা-ছোৱালীক নগৰীয়া স্কুল এখনত পঢ়াব পাৰে; কিন্তু সৰহ সংখ্যক পৰিয়ালৰ ল'ৰা-ছোৱালীক গাঁৱৰ বা চুবুৰীয়া স্কুলত পঢ়াব লগীয়া হয়। এইদৰে অন্যান্য অৱস্থাৰ ক্ষেত্ৰতো কম বেছি পৰিমানে সৰহ সংখ্যক লোক নিৰ্ভৰশীল হ'বলগীয়া হয়।

(৯) **সামূহিক আত্মবোধঃ** সমূদায়ৰ সকলো ব্যক্তিৰ মাজতে সামূহিক আত্মীয়ভাব থাকে। সকলো ক্ষেত্ৰতেই এই মনোভাৱ প্ৰকাশ নহ'ব পাৰে, কিন্তু সামূহিক বিপদ-আপদ, উৎসৱ, সদনাম-বদনাম আদি বিষয়ত সামূহিক আত্মীয় ভাৱবোধ প্ৰকাশ পায়। এই ভাৱ যেনে আমাৰ গাঁৱ, আমাৰ গাঁৱৰ নামঘৰ, আমাৰ সমস্যা ইত্যাদি। এইধৰণৰ মনোভাৱ সদস্য সকলে প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়। এনে আত্মীয় মনোভাৱে যিকোনো জনসংখ্যাক সমুদায় হিচাপে পৰিচয় দি জীয়াই ৰখাত সহায় কৰে।

(১০) **সম্বন্ধৰ নিয়ন্ত্ৰণঃ** সময়ৰ পৰিপ্ৰেক্ষিতত পৃথিৱীৰ প্ৰত্যেক সম্প্ৰদায়ৰ বা সমূদায়ৰ পৰম্পৰা, প্ৰথা, নৈতিকতা, অভ্যাস, নীতি নিয়ম কিছু পৰিবৰ্তন হ'লেও সম্প্ৰদায়ৰ সদস্য সকলৰ পাৰম্পৰিক সম্বন্ধ নিয়ন্ত্ৰিত হৈ আহিছে। সম্প্ৰদায়ৰ নামেই সম্বন্ধৰ প্ৰতি সদস্য সকলক সজাগ কৰি ৰাখে।

### ১.৩.৩ সম্প্ৰদায়ৰ মূল উপাদানঃ

এটা সম্প্ৰদায় সৃষ্টি হ'বলৈ কিছুমান উপাদানৰ প্ৰয়োজন হয়।

এই উপাদানসমূহ সকলো সম্প্ৰদায়ত দেখা যায়। সম্প্ৰদায়ৰ উপাদান সমূহ তলত উল্লেখ কৰা হৈছে–

(১) **স্থানঃ** সম্প্ৰদায়ৰ একোটা নিজা বাসস্থান বা বসতি অঞ্চল থাকে। সেইবাবে সম্প্ৰদায়ক আঞ্চলিক সমূহ বুলি কোৱা হয়। কোনো এক নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত বাস কৰিলেহে জনসমূহ একোটাক সম্প্ৰদায় বুলি ক'ব পাৰি। অৱশ্যে কিছুমান সম্প্ৰদায় আছে যিবিলাকে সময়ে সময়ে বাসস্থান সলনি কৰি বাস কৰে। তেনে সম্প্ৰদায়ক অঘৰী সম্প্ৰদায় বোলা হয়। ভাৰতত গুজৰ সম্প্ৰদায় অঘৰী সম্প্ৰদায়ৰ ভিতৰত পৰে।

একেলগে বসবাস কৰি থকা বাবে সদস্য বিলাকৰ মাজত পাৰস্পৰিক সম্বন্ধ গঢ়ি উঠে আৰু লগে লগে দৃঢ় ঐক্যৰ সৃষ্টি হয়। বিপদে আপদে ইজনে সিজনক সহায় কৰে আৰু সমূহত থাকি সদস্যসকলে বিভিন্ন ক্ষেত্ৰত নিৰাপত্তা লাভ কৰে আৰু নিজৰ স্বাৰ্থ সমূহ পূৰণ কৰে।

সম্প্ৰদায়ৰ সদস্যসকল বাস কৰি থকা অঞ্চলৰ ভৌগোলিক পৰিবেশৰ লগত তেওঁলোকৰ নিবিড় সম্পৰ্ক দেখা যায়। অঞ্চলটোত থকা অৰণ্য, নদ-নদী, শস্য, খনিজ সম্পদ, জলবায়ু আৰু মাটিৰ গুণাগুণে সম্প্ৰদায়ৰ লোকসকলৰ খাদ্যাভাস, সাজ-পাৰ, অৰ্থনীতি, ব্যৱসায় আদি জীৱন-নিৰ্বাহৰ সকলো দিশতে প্ৰভাৱ পেলায়।

আধুনিক সময়ত যানবাহন আৰু যোগাযোগৰ ব্যাপকতাই সম্প্ৰদায়ৰ সদস্যসকলৰ মাজত স্থানীয় বান্ধোন কিছু পৰিমাণে শিথিল কৰিলেও সম্প্ৰদায় হিচাপে স্থানীয় পৰিচয় থাকে। সেইবাবে স্থায়ী বসতি অঞ্চল সম্প্ৰদায়ৰ এটা প্ৰধান উপাদান হিচাপে ল'ব পাৰি।

(২) **জনসমূহঃ** একোটা বৃহৎ জনসমূহৰ দ্বাৰা সম্প্ৰদায় গঠিত হয়। সাধাৰণতে সম্প্ৰদায়ৰ লোকসকলে একেলগে বাস কৰি তেঁওলোকৰ মৌলিক

আৰশ্যকতাখিনি পুৰ কৰি থাকে আৰু বিপদ আপদ আদি সমস্যা বিলাকত সমভাগী হয়। তেওঁলোকক এক বিশেষ সংস্কৃতি আৰু আপোনভাৱে বান্ধি ৰাখে।

(৩) সাম্প্ৰদায়িক অনুভূতি ঃ সম্প্ৰদায়ৰ সদস্যসকলৰ মাজত এক আবেগিক ভাৱ থাকে। কোনো সদস্য কাৰণবশতঃ আন সদস্যসকলৰ পৰা দূৰত থাকিব লগা হ'লেও সম্প্ৰদায়ৰ প্ৰতি থকা আনুভূতিক ভাৱে তেওঁক প্ৰভাৱান্বিত কৰে। বৰ্তমান যুগত বিশাল নগৰ-মহানগৰৰ সামাজিক সম্প্ৰদায় আদিত ব্যস্ততাৰ বাবে ওচৰতে বাস কৰা পৰিয়ালৰ লগত মানুহে পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰিব নোৱাৰা হৈ আহিছে। সেইবাবে তেওঁলোকৰ মাজত সৰৱ আনুভূতিক ভাৱ গঢ় লৈ নুঠে। তথাপিও এনে সমূহ বিলাকৰ মাজতো আৰশ্যকতা অনুসৰি সম্প্ৰদায়ৰ আৱেগ ফুটি উঠা দেখা যায়। একেলগে বাস কৰা বাবে গঢ় লোৱা আবেগিক ভাৱৰ ভেটিত মানুহে সম্প্ৰদায় গঢ়ি তোলে। লগ লাগি বসতি কৰাৰ মনোবৃত্তি এক স্বাভাৱিক প্ৰক্ৰিয়াতেই সৃষ্টি হয়। এই উপাদান বিলাকৰ উপৰিও সম্প্ৰদায়ৰ কিছুমান বিশেষ চৰিত্ৰ দেখা যায়। (সম্প্ৰদায়ৰ বৈশিষ্ট্য আগতেই উল্লেখ কৰা হৈছে)।

---

**অগ্ৰগতিৰ নিৰীক্ষণ**

---

(১) সম্প্ৰদায়ৰ সংজ্ঞা দিয়া।

(২) সম্প্ৰদায়ৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(৩) সম্প্ৰদায়ৰ মূল উপাদান কেইটা? প্ৰত্যেকৰ বিষয়ে লিখা।

(৪) ভাৰতৰ অঘৰী সম্প্ৰদায়ৰ নাম লিখা।

(৫) 'অসমীয়া জাতি এটি সম্প্ৰদায়', ইয়াৰ সম্পৰ্কত তোমাৰ মতামত দিয়া।

(৬) তোমাৰ অঞ্চলৰ বিভিন্ন সম্প্ৰদায়ৰ সমূহৰ বৈশিষ্ট্য সমূহৰ এটি তালিকা প্ৰস্তুত কৰা।

---

## ১.৪ সামৰণি

---

খণ্ড নং ১ৰ গোট নং ১ৰ অন্তৰ্গত মৌলিক অৱধাৰণাসমূহৰ ভিতৰত সমাজ আৰু সম্প্ৰদায়ৰ বিষয়ে বিশদ আলোচনা কৰা হৈছে। তোমালোকৰ

জ্ঞাতার্থে, সমাজৰ সংজ্ঞা, বৈশিষ্ট্য আৰু মূল উপাদান সমূহ সৰল ভাষাত তোমালোকে বুজিব পৰাকৈ প্ৰস্তুত কৰা হৈছে। সম্প্ৰদায়-অৱধাৰণাৰ সংজ্ঞা, বৈশিষ্ট্য আৰু মূল উপাদান সমূহ উজু ভাষাত দিয়া হৈছে, পঢ়িলে বুজি পাবা। এই গোটৰ পাঠ পঢ়িলে তোমালোকৰ মনত উদয় হোৱা প্ৰশ্নসমূহৰ সমাধান পোৱাত কষ্ট নহ'ব।

---

## ঘাই শব্দ সমূহ

---

প্ৰতিমান, মূল্য, স্বভাৱজাত, মানসিক, সতৰ্কতা, মূৰ্ত্ত-অমূৰ্ত্ত, আনুভৌতিক ঐক্য, সাদৃশ্য, বৈসাদৃশ্য, সংস্কৃতি, সংঘাত, নিয়ন্ত্ৰণ, ভূখণ্ড, সহযোগিতা, জনসমূহ, স্থায়িত্বতা। (অৰ্থ বিলাক নিজে বিচাৰি ল'বা)।

---

## পাঠ্য নিৰ্দেশনা

---


- C.N. Shankar Rao, "Sociology", S. Chand & Company Ltd. New Delhi, 2005.
- T. Bottomore, "Sociology" Unwin Hyman Ltd. London, (also avaialbile in India)
- Haralambos & Holbone "Sociology' Themes & Perspecptive" Harper Collins Publishers Ltd. London (www.friedanwaler.com) The book lovers website
- Verghese, K.E. "General Sociology" McMillon India Ltd.
- Johnson, Harry, M. "Sociology : A systemataic Introduction, Allied Publisers Private Ltd. New Delhi. 1940.


---

## সম্ভাৰ্য্য উত্তৰ

---

- আমেৰিকান সমাজতত্ত্ববিদ দ্বয় মেক্ আইভাৰ আৰু পেজৰ মতে 'সমাজ হৈছে সামাজিক সম্বন্ধৰ জালগোঁথনি স্বৰূপ' (Society is the web of social relationship)

- ফৰাচী সমাজতত্ত্ববিদ ইমাইল দুৰখেইম (১৮৫৮-১৯১৭) ৰ মতে সমাজ হ'ল স্বভাৱজাত (Suigeneris)।

- এজন ব্যক্তিয়ে সমাজ সৃষ্টি কৰিব নোৱাৰে। কাৰণ আন্তঃক্ৰিয়া হ'বলৈ হ'লেও দুই বা ততোধিক ব্যক্তিৰ দৰকাৰ। গতিকে সমাজ দুই বা ততোধিক ব্যক্তিৰ সমষ্টিৰ দ্বাৰা গঠিত হয়।

- গোট নং ১.৩ সমাজৰ উপাদান সমূহৰ বিস্তৃত বৰ্ণনা দিয়া হৈছে। যেনে (ক) জনসংখ্যা (খ) ভূখণ্ড (গ) সংস্কৃতি (গ) সামাজিক সম্বন্ধ (৫) সহযোগিতা (৬) পাৰস্পৰিক নিৰ্ভৰশীলতা।

- সামাজিক নিয়ন্ত্ৰণৰ বিভিন্ন প্ৰকাৰসমূহৰ অন্তৰ্গত সহযোগিতা অন্যতম, গতিকে সহযোগিতা সামাজিক নিয়ন্ত্ৰণৰ এটি অংগ।

- ইংৰাজ নৃতত্ত্ববিদ এড্ৱাৰ্ড টাইলৰৰ মতে "সংস্কৃতি এক জটিল মিশ্ৰন, যি মিশ্ৰণত জ্ঞান, কলা, নৈতিকতা, আইন, আচাৰ-ব্যৱহাৰ, আদি সোমাই থাকে আৰু সমাজৰ সদস্যৰূপে মানুহে আহৰণ কৰা অন্যান্য সকলোখিনি বস্তুক সামৰি লয়। টাইলৰৰ এই সংজ্ঞা গ্ৰহণযোগ্য।

- সমাজৰ বৈশিষ্ট্যসমূহ হ'ল— ব্যক্তি সমষ্টি, সামাজিক সম্বন্ধ, সামাজিক সম্বন্ধৰ প্ৰকাৰ- অমূৰ্ত্ত, বৈসাদৃশ্য, চিৰ পৰিৱৰ্তশীল সম্বন্ধ, পাৰস্পৰিক নিৰ্ভৰশীলতা, গতিশীলতা, সহযোগিতা, সংস্কৃতি, সংঘাত, সামাজিক নিয়ন্ত্ৰণ, পৰিৱৰ্তনশীল সম্বন্ধ, সাদৃশ্য আৰু পাৰ্থক্য।

---

**আৰ্হি প্ৰশ্ন**

---

- সমাজৰ অৱধাৰণাৰ বিষয়ে আঠোটা বাক্যত লিখা।

  .............................................................................................................

  .............................................................................................................

  .............................................................................................................

- জি.ডি. ক'ল (G.D. Cole) ৰ সমাজৰ সংজ্ঞা লিখা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

- জিনচবার্গে আগবঢ়োৱা সমাজৰ সংজ্ঞা কি?

.......................................................................................................

.......................................................................................................

.......................................................................................................

- সমাজৰ প্ৰধান বৈশিষ্ট্য সমূহৰ বিষয়ে আলোচনা কৰা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

- সমাজৰ প্ৰধান উপাদান সমূহ কি কি? প্ৰত্যেকৰ বিষয়ে চমুকৈ লিখা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

- সংস্কৃতিৰ গ্ৰহণযোগ্য সংজ্ঞা কোনে আগবঢ়াইছে? সংজ্ঞাটো লিখা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

- সম্প্ৰদায়ৰ ইংৰাজী প্ৰতিশব্দ কি? ই কি শব্দৰ পৰা আহিছে?

.......................................................................................................

.......................................................................................................

.......................................................................................................

- কিংচলে ডেভিচে দিয়া সজ্ঞা মতে ‘সম্প্ৰদায়’ কাক কোৱা হয়?

......................................................................................................................

......................................................................................................................

......................................................................................................................

- সম্প্ৰদায়ৰ প্ৰধান বৈশিষ্ট্য সমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

......................................................................................................................

......................................................................................................................

......................................................................................................................

- সম্প্ৰদায়ৰ মূল উপাদান সমূহৰ বিষয়ে এটি টোকা লিখা।

......................................................................................................................

......................................................................................................................

......................................................................................................................

- অসমত অঘৰী সম্প্ৰদায় আছে নে? যদি আছে তেনেকুৱা সম্প্ৰদায়ৰ এটি তালিকা প্ৰস্তুত কৰা।

......................................................................................................................

......................................................................................................................

......................................................................................................................

---

**প্ৰসঙ্গ পুথি**

---


- IGNOU, 'Understanding Sociology' ESO-01. "The Study of Society, Page 14. Oct. 2003, Reprint.
- Rao, C.N. Shankar, "Sociology" S.Chand & Co. Ltd. New Delhi, 2005, page 103.
- নাথ, গুণমণি, ‘‘সমাজশাস্ত্ৰৰ চমু পৰিচয়’’ বনলতা, ১৯৯২, পৃষ্ঠা৩০।

- শৰ্মা, শৰৎ, উচ্চতৰ মাধ্যমিক সমাজতত্ত্ব, ষ্টুডেন্টচ ষ্টোৰচ, ২০০৬, পৃঃ ২৫-৩৫।
- গগৈ, চন্দ্ৰকান্ত আৰু বৰদলৈ প্ৰশান্ত, সমাজতত্ত্ব পৰিচয়, অসম বুক হাইভ, পাণবজাৰ, গুৱাহাটী, পৃঃ৫২-৫৩।
- শইকীয়া, দুৰ্গেশ্বৰ আৰু গিয়াচউি ন আহমদ, উচ্চতৰ মাধ্যমিক সমাজশাস্ত্ৰ, ষ্টুডেন্টচ এম্প্ৰৰিয়াম, ডিব্ৰুগড়, ১৯৯৩, পৃঃ ৩৫।
- KKHSOU, Sociology (Assamese) BSo (F) 01-01 1st Part, 2008, page 14-15.
- Ahmed, Gyasuddhin, Himanta Borghain et.al. 'An Introduction to Sociology, Banalanta, Guwahati, Dibrugarh, 2005-2006,1st edition, for general look over.

# গোট নম্বৰ ২

## সংস্থা আৰু সমিতি

গঠন বিন্যাস

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ সংস্থা

২.২.১ সংস্থাৰ সংজ্ঞা

২.২.২ সংস্থাৰ বৈশিষ্ট্য

২.২.৩ সংস্থাৰ উপাদান

অগ্ৰগতিৰ নিৰীক্ষণ

২.৩ সমিতি

২.৩.১ সমিতিৰ সংজ্ঞা

২.৩.২ সমিতিৰ বৈশিষ্ট্য

২.৩.৩ সমিতিৰ উপাদান

অগ্ৰগতিৰ নিৰীক্ষণ

২.৪ সামৰণি

ঘাই শব্দ সমূহ

পাঠ্য নিৰ্দেশনা

সম্ভাৱ্য প্ৰশ্ন

আৰ্হি প্ৰশ্ন

প্ৰসংগ পুথি

### ২.০ উদ্দেশ্য

প্ৰস্তুত গোটটি সমাজতত্ত্বৰ অৱধাৰণা সমাজ আৰু সম্প্ৰদায়ৰ পাছত সংস্থা আৰু সমিতিৰ দৰে গুৰুত্বপূৰ্ণ অৱধাৰণা সমূহৰ বিষয়ে তোমালোকক অৱগত

কৰোৱা হৈছে। সংস্থা আৰু সমিতি উভয়ৰ সংজ্ঞা, বৈশিষ্ট্য, উপাদান আদি সৰল আৰু বুজিব পৰাকৈ লিখা হৈছে যাতে শিক্ষকৰ অভাৱ মনলৈ নাহে। এই গোটৰ দ্বাৰা সমাজতত্ত্বৰ অৱধাৰণা সমূহৰ বিষয়ে তোমালোকে সম্যক জ্ঞান লাভ কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

খণ্ড নম্বৰ ১ৰ গোট নম্বৰ ২ পাঠ প্ৰস্তুত কৰোতে তোমালোকক মনত ৰাখি লেখাবিলাক যথাসাধ্য উজু আৰু বোধগম্য কৰাত গুৰুত্ব দিয়া হৈছে। প্ৰসংগ পুথিৰ বাহিৰেও পাঠ্য নিৰ্দেশনাৰ শিতানত কিছুমান গুৰুত্বপূৰ্ণ গ্ৰন্থৰ তালিকা প্ৰস্তুত কৰা হৈছে, তোমালোকে পঢ়িবা।

পাঠ প্ৰস্তুত কৰোঁত তোমালোকে উচ্চতৰ মাধ্যমিক স্তৰত পঢ়ি অহা অৱধাৰণা সমূহকে বহল আৰু বিস্তৃত ভাবে আলোচনা কৰাৰ চেষ্টা কৰা হৈছে; তোমালোক নিশ্চয় উপকৃত হ'বা।

সমাজতত্ত্ব জন্মৰ অৱধি ইমান বেছি নহ'লেও সমাজতত্ত্ব এটি গুৰুত্বপূৰ্ণ বিষয় হিচাপে গোটেই পৃথিৱীত প্ৰতিস্থিত হৈছে। এনে সময়ত সমাজতত্ত্বৰ সম্যক জ্ঞানৰ দ্বাৰা সমাজৰ দিশসমূহৰ আলোচনাৰ জৰিয়তে জ্ঞানো টনকিয়াল কৰিব লাগে। এই বিভিন্ন ধৰণৰ বিষয় আগত ৰাখি এই গোটটি প্ৰস্তুত কৰা হৈছে।

## ২.২ সংস্থা

### ২.২.১ সংস্থাৰ সংজ্ঞাঃ

সমাজৰ সদস্যসকলৰ মাজত পাৰস্পৰিক সম্বন্ধ থাকে। এই সদস্যসকলৰ মাজত এটি সাংস্কৃতিক সমতা দেখা যায় যি সকলোকে একতাৰ দোলেৰে বান্ধে। সমাজৰ দ্বাৰা স্বীকৃত বিশেষ ধৰণৰ আচাৰ-ৰীতি অনুসৰি এখন সমাজৰ সদস্যসকল চলে আৰু থকা-মেলা, খোৱা-বোৱা, শিক্ষা-দীক্ষা, আচাৰ-ব্যৱহাৰ ইত্যাদি সকলো

সমাজ অনুসৰি নির্ধাৰিত হয় আৰু সিয়ে এখন সমাজৰ অস্তিত্ব অটুট ৰাখে। এই সকলোবোৰ অটুট ৰাখিবৰ বাবে সেই সমাজৰ সদস্যসকলৰ ব্যৱহাৰো এটি নির্দ্ধাৰিত প্রণালীত পৰিস্ফুট হয়, যাক সংস্থা বুলি কোৱা হয়। সংস্থা এবিধ বিধি-প্রণালী যাৰ মতে সমাজ, সমিতি, সমূহ আদিয়ে কাম কৰি যায়।

সমাজ শাস্ত্রত সংস্থা শব্দৰ দুর্ব্যৱহাৰ হোৱা দেখা গৈছিল। আগবার্ণ আৰু নিমকফে সংস্থা শব্দৰ অর্থৰ লগত সমিতিৰ পার্থক্য ৰাখিবলৈ নিবিচাৰিছিল। অৱশ্যে সাধাৰণ ভাষাত সমিতি শব্দৰ ঠাইত সংস্থা ব্যৱহাৰ হোৱা দেখা যায়। সেইবাবে পঢ়াশালি, চিকিৎসাকেন্দ্র ইত্যাদিক সংস্থা বুলি সাধাৰণ অর্থত ব্যৱহাৰ কৰে। সমাজ শাস্ত্রত এইবোৰক সমিতি শব্দেৰে বুজোৱা হয়।

প্রত্যেক সমিতিৰো কিছুমান নির্দ্ধাৰিত নিয়ম-বিধি, উপবিধি আৰু আদান-প্রদানৰ ব্যৱস্থা থাকে। উদাহৰণস্বৰূপে ক'ব পৰা যায় যে পত্নী-সন্তানেৰে এটি পৰিয়াল গঠন হয় আৰু ইয়াৰ মাজতো কিছুমান সুসংগঠিত নীতি-নিয়ম, আদান-প্রদান থকা দেখা যায়, যেনে - স্বামীয়ে উপার্জন কৰে আৰু পত্নীয়ে ঘৰুৱা কাম-কাজ সুচাৰুৰূপে চলায়। সন্তানৰ প্রতি দায়িত্ব স্বামী-স্ত্রী উভয়ৰে সমানে থকা দেখা যায়। আনহাতে, শিক্ষানুষ্ঠানৰ পিনে লক্ষ্য কৰিলে দেখা যায়ে যে শিক্ষক আৰু বিদ্যার্থীৰদ্বাৰা গঠিত এই সমিতিত কিছুমান নিয়ম উপনিয়ম আছে যিবোৰৰদ্বাৰা শিক্ষক শিক্ষার্থীৰ সম্বন্ধ পঢ়াশালীৰ সৈতে জড়িত থাকে আৰু সূচাৰুৰূপে পৰিচালিত হয়। সমিতিৰ পৰিচালনাৰ বাবে নীতি-নিয়ম গঢ় লয়। তাকেই সংস্থা বুলি কোৱা হয়। পৰিয়ালৰ বাবে নৈতিক দায়িত্ববোধ আৰু বিদ্যালয়ৰ নীতি-নিময় সমূহেই সংস্থা।

মেক আইভাৰৰ মতে ''সংস্থা পদ্ধতিৰ সংস্থাপিত ৰূপ''।

কুলেৰ মতে, ''সংস্থা এটা প্রয়োজনীয়তা সমাধান কৰা আৰু সামাজিক উত্তৰাধিকাৰৰ ওপৰত প্রতিষ্ঠিত ব্যৱহাৰৰ জটিল সংগঠন।''

চামনাৰে বর্ণনা কৰোঁতে কৈছে, ''অৱধাৰণা (বিচাৰ, মত, সিদ্ধান্ত, স্বার্থ, আৰু সংৰচনা) সংস্থাৰ অন্তর্গত''।

আর্নল্ড গ্রীণৰ মতে, ''কিছুমান জনৰীতি আৰু লোকাচাৰ একোটি গোটত

সংগঠিত হৈ কেইটিমান সামাজিক কাৰ্য সমাপন কৰাকে সংস্থা বুলি কোৱা হয়।''

হৰ্টন আৰু হান্টৰ মতে, ''ব্যক্তিৰ প্ৰধান প্ৰয়োজনীয়তাবোৰক কেন্দ্ৰ কৰি সংগঠিত হোৱা কিছুমান জনৰীতি আৰু লোকাচাৰকে সংস্থা বুলি কোৱা হয়।

ইয়ং আৰু মেক্‌ৰ মতে, ''সমাজৰ এটা প্ৰধান কাৰ্যক কেন্দ্ৰ কৰি সংঘটিত হোৱা এলানি জনৰীতি আৰু লোকাচাৰকে সংস্থা বুলি কোৱা হয়।''

কিংছ্‌লে দেভিচৰ মতে, '' কোনো এটি বা ততোধিক সামাজিক কাৰ্যকলাপ সমাপন কৰিবৰ কাৰণে যি এলানি জনৰীতি, লোকাচাৰ আৰু নিয়ম আন্তঃসম্পৰ্কৰে গঠিত হয়, তাকেই সংস্থা বোলে।''

এইচ, ই. বাৰ্ণচৰ মতে, ''সংস্থা হ'ল সামাজিক সংৰচনা আৰু কাৰ্যৰ বিধি যাৰ দ্বাৰা মানৱ সমাজ সংগঠিত হয় আৰু সমাজৰ বিভিন্ন ধৰণৰ কাৰ্যকলাপৰ বাবে নিৰ্দেশ কাৰ্যত পৰিণত কৰি সমাজ স্থিত মানুহৰ আৱশ্যকতাসমূহ পূৰ কৰাত সহায় কৰে।''

এ, এইচ, গিছিংচৰ মতে, ''সংস্থা এনেকুৱা এটা অংগ যিয়ে মানুহৰ অতীতৰ কিছুমান উৎকৃষ্ট দিশসমূহৰ সংৰক্ষণ কৰি ৰখাত সহায় কৰে।''

আলফ্ৰেদমেক ক্লাৰ্ণে সংস্থাৰ সংজ্ঞা আগবঢ়াই কৈছে যে, ''প্ৰতিমান যেতিয়া সংগঠনৰ স্থান লাভ কৰে আৰু স্থিৰতা পায় তেতিয়াই তাক সামাজিক সংস্থা হিচাপে ধাৰ্য্য কৰা হয়।''

---

### ২.২.২ সংস্থাৰ বৈশিষ্ট্যঃ

---

সংস্থা একোটাৰ বহুতো বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইসমূহ তলত উল্লেখ কৰা ধৰণৰ-

**(ক) সংস্থাই মানুহৰ আৱশ্যকতা পূৰ্ণ কৰে ঃ**

সামাজিক সংস্থাৰ প্ৰধান কাৰ্য তথা বৈশিষ্ট্য হ'ল যে ই মানুহৰ আৱশ্যকতাসমূহ পূৰ্ণ কৰাত সহায় কৰে। এই বিষয়ে মেকআইভাৰে লিখিছে,

“সামাজিক সংস্থা মানুহক উলাই কৰি নিজৰ অস্তিত্ব ৰাখিবৰ বাবে নাথাকে। ই যেতিয়া মানুহৰ সেৱা কৰিবলৈ অপৰাগ হয়, তেতিয়া কোনো প্ৰাচীনত্ব আৰু পৱিত্ৰতাই ইয়াক জীৱিত কৰি ৰাখিব নোৱাৰে।” এই উক্তিৰ পৰা বুজিব পাৰি যে সংস্থাই মানুহৰ উ শ্য সাধনত সহায় কৰে; কিন্তু ইয়াক মানুহৰ দ্বাৰাই খণ্ডন কৰা হয়।

**(খ) সংস্থাই মানৱ আচৰণ নিয়ন্ত্রিত কৰেঃ**

মানুহে নিজৰ আৱশ্যকতাবোৰ পূৰ কৰব পৰাকৈ সংস্থাই নিৰ্দেশিত বিধি প্ৰস্তুত কৰে। সংস্থা অনুসাৰে ব্যক্তিয়ে নিজৰ ব্যৱহাৰ ব্যক্ত কৰে। সংস্থাৰ মতবাদৰ ব্যতিক্ৰম ঘটিলে সংস্থাই দণ্ড বিধান কৰিব পাৰে; কিয়নো সংস্থাৰ অন্তৰালত সামাজিক মান্যতা থাকে। এই শক্তিৰ আধাৰতে সংস্থাই মানুহৰ আচৰণকো নিয়ন্ত্রিত কৰা দেখা যায়।

**(গ) সংস্থা পথ-প্ৰদৰ্শক স্বৰূপ ঃ** বিভিন্ন পৰিস্থিতিত সংস্থাই মানুহক পথৰ নিৰ্দেশণা দিয়ে। পৰিস্থিতি অনুযায়ী মানুহৰ গতিবিধি, আচাৰ-ব্যৱহাৰ, সংস্থাৰ দ্বাৰা পৰিচালিত হয়।

**(ঘ) সংস্থাই দৃঢ়তা সৃষ্টি কৰেঃ** সংস্থাই মানুহৰ আচৰণত দৃঢ়তা সৃষ্টি কৰে। এইবাবেই মানুহে নিজৰ নিজৰ আৱশ্যকতা নিৰ্ধাৰিত বিধিৰদ্বাৰা পূৰ্ণ কৰে। মানুহৰ ব্যৱহাৰতো কিছু পৰিমাণে সমজাতীয় ভাৱৰ সৃষ্টি হয়।

**(ঙ) সংস্থা সংস্কৃতিৰ বাহক স্বৰূপঃ** সংস্থাই সংস্কৃতিৰ উপাদান সমূহ পুৰুষানুক্ৰমে চলি থকাত সহায় কৰে। যিকোনো সংস্কৃতি সংস্থাৰে মূল আধাৰ স্বৰূপ।

সংস্থাৰ উপৰোক্ত বৈশিষ্ট্যসমূহৰ উপৰিও আন কিছুমান বৈশিষ্ট্যও পৰিলক্ষিত হয়। সেইসমূহ তলত উল্লেখ কৰা ধৰণৰ -

**(ক) সামাজিক প্ৰকৃতিৰঃ** সংস্থা প্ৰকৃতিগতভাৱে সামাজিক। অৰ্থাৎ ব্যক্তিৰ সমূহীয়া কাৰ্য আৰু উদ্দেশ্যৰ ফলতে সংস্থাৰ উদ্ভৱ হয়। ব্যক্তিৰ সামাজিক সম্বন্ধৰ নিৰপেক্ষ আৰু পুনৰপৰিস্ফুট স্বৰূপৰ উৎপাদনেই হৈছে সংস্থা। গতিকে ক’ব পাৰি যে সংস্থা স্বতঃস্ফুৰ্ত।

**(খ) সংস্থা উদ্দেশ্যমূলকঃ** সামাজিক সংস্থাৰ কিছুমান উদ্দেশ্য থাকে। উদাহৰণস্বৰূপে বিবাহ, পৰিয়াল, শিক্ষা আদিৰ কথা উল্লেখ কৰিব পাৰি। শিক্ষাই ব্যক্তিৰ মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰে।

**(গ) সংস্থা বিশ্বজনীনঃ** সামাজিক সংস্থা বিশ্বব্যাপি থাকে। ই সকলোবোৰ সমাজতে বিদ্যমান। তদুপৰি সমাজ বিকাশৰ প্ৰতিটো স্তৰতে সামাজিক সংস্থাই গুৰুত্বপূৰ্ণ ভূমকা পালন কৰে।

**(ঘ) সংস্থা অমূৰ্তঃ** সামাজিক সংস্থা অমূৰ্ত। ই বাহ্যিক দৃশ্যমান আৰু স্পৰ্শ কৰিবপৰা বস্তু নহয়। সেয়ে সংস্থাক 'অৰধাৰণা' হিচাপে বিবেচনা কৰা হয়। 'বিবাহ' এটা সংস্থা হিচাপে স্বীকৃত। ইয়াক কেতিয়াও 'যাদুঘৰ'ত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। একেদৰে ধৰ্মীয় ৰীতি-নীতি আদিও অমূৰ্ত্ত।

## ২.৩ সমিতি বা সন্থা

### ২.৩.১ সমিতিৰ সংজ্ঞা

সমাজ শাস্ত্ৰত সমিতিৰ উল্লেখ অতি সঘনে পোৱা যায়। মেক্ আইভাৰ আৰু পেজে সমাজত তিনি ধৰণৰ মহান সমিতিৰ নাম উল্লেখ কৰিছে। এই তিনিবিধ সমিতি হৈছে- ৰাজনৈতিক, অৰ্থনৈতিক, আৰু সাংস্কৃতিক। কিন্তু অগ্‌বাৰ্ণ আৰু নিমকফে এই সমিতিকেই সন্থা বুলি অভিহিত কৰিছে। গিলিনেও সমিতিক সন্থা নামেৰে ব্যাখ্যা কৰিব বিচাৰিছে। কিন্তু অৰধাৰণা হিচাপে দুয়োটাৰে অৰ্থ একেই। বিখ্যাত সমাজতত্ত্ববিদ মেকআইভাৰ আৰু পেজে পোন প্ৰথমবাৰৰ বাবে সমাজতত্ত্বত সমিতিৰ ব্যাখ্যা পৃথকভাৱে আগবঢ়াইছে। ব্যক্তিসকল জীয়াই থাকিবৰ বাবে যিবিলাক সমস্যা সমাধান কৰিব লাগে, সেই সমস্যাবোৰ ব্যক্তিগতভাৱে সমাধান কৰাটো স ৱ নহয়। প্ৰত্যেক ব্যক্তিয়েই আন ব্যক্তিৰ সহায় সহযোগিতা গ্ৰহণ কৰিব লাগিব। এনে পৰিস্থিতিতে সমিতি বা সন্থাৰ সৃষ্টি হয়। কেইবাগৰাকীমান

ব্যক্তিয়ে যেতিয়া এটা বা তাতকৈ অধিক নিৰ্দিষ্ট লক্ষ্য সাধৰণৰ বাবে সংঘবদ্ধ হয় আৰু কিছুমান নিৰ্দ্ধাৰিত নীতি-নিয়মৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি কাম কৰে, তেনে সংগঠনকে সমিতি বুলি কোৱা হয়। অৰ্থাৎ সদস্যসকলৰ ইচ্ছানুযায়ী গঠিত হোৱা সমূহ আৰু সংগঠকেই সমিতি বুলি ক'ব পাৰি। কিন্তু এই সমিতিৰ প্ৰধান লক্ষণ হৈছে ই সংগঠন হওঁতে এটা বিশেষ উদ্দেশ্য লৈ সংগঠিত হয় আৰু ইয়াৰ যোগেদি সদস্যসকলে এই উদ্দেশ্য সাধন কৰিবলৈ চেষ্টা কৰে। উদাহৰণস্বৰূপে ৰাজনৈতিক দল, খেলাৰ সমিতি, বাণিজ্য-সমিতি ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি।

কিছুমান ব্যক্তিৰ ইচ্ছানুযায়ী একোখন সমিতি গঠন কৰা হয়। এই সমিতিৰ সদস্যসকলে এই নিয়ম মানি চলিব লাগে। অন্যথা যিসকল ব্যক্তিয়ে সেই নিয়মবোৰ মানি নচলে, সমিতিৰ নিয়ম অনুযায়ী সেই ব্যক্তিসকলক শাস্তি বিহা হয় আৰু সমিতিৰ পৰা বহিষ্কাৰ কৰা হয়। যিহেতু এই সমিতি ব্যক্তিৰ ইচ্ছানুযায়ী গঠিত হয়, সেইবাবে ইয়াৰ সদস্য হ'বৰ বাবে কোনো ধৰা-বন্ধা নিয়ম নাই। মাথোন যিসকল ব্যক্তিয়ে এই সমিতিৰ নিয়ম আৰু উ শ্যৰে সৈতে একমত হয় আৰু ইয়াৰ লক্ষ্য সাধন কৰিবৰ বাবে ইচ্ছা প্ৰকাশ কৰে সেইসকল ব্যক্তিয়েহে এই সমিতিৰ সদস্য হয়। তেওঁলোকৰ ইচ্ছা অনুযায়ী সভ্যপদ উঠাই ল'ব পাৰে। সমিতিৰ সকলো সদস্যৰে উমৈহতীয়া উ শ্য থাকে। এই সমিতি সুকলমে চলাবৰ বাবে সাধাৰণতে কেইজনমান কাৰ্য্যবাহক বাছি লোৱা হয়। আন সদস্য সকলে সেই কাৰ্য্যবাহক কেইজনক সৰ্বতোপ্ৰকাৰে সহায় কৰে।

বহু কেইজন সমাজতত্ত্ববিদে সমিতিৰ সংজ্ঞা আগবঢ়াইছে। তাৰে কেইটামান তলত উল্লেখ কৰা ধৰণৰ-

গিন্সবাৰ্গে সমিতিৰ ব্যাখ্যা কৰোঁতে লিখিছে যে এটা বিশেষ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰে এটা উমৈহতীয়া সংগঠনত পাৰস্পৰিক সম্বন্ধৰে বান্ধখোৱা সামাজিক প্ৰাণীৰ ই (সমিতি) এটি সমূহ।

মেক্‌আইভাৰ আৰু পেজৰ মতে সমিতি ''এটা বা ততোধিক উমৈহতীয়া উদ্দেশ্যেৰে গোটখোৱা এটি সমূহ।''

বগাৰছাচ্‌ৰ মতে, ‘‘কিছুমান উদ্দেশ্যৰ বাবে সংগঠিত হোৱা ব্যক্তিৰ সমষ্টিয়েই সমিতি’’।

এইচ.এম. জনচন, জি.বি. এইচ, কোল আদিৰ মতেও কোনো উদ্দেশ্য বা লক্ষ্যসমূহ পূৰ কৰিবৰ বাবে পাৰস্পৰিক সম্বন্ধৰদ্বাৰা বান্ধ খাই অস্থায়ী বা স্থায়ীভাৱে লগ হৈ সহযোগিতাৰে কাম কৰা সামাজিক সমূহকে সমিতি বুলি কোৱা হয়।

ওপৰত উল্লেখিত সংজ্ঞাকেইটাৰপৰা বুজি পোৱা যায় যে কোনো এটা বা ততোধিক উমৈহতীয়া উদ্দেশ্য লৈ একত্ৰিত হোৱা ব্যক্তিৰ সমষ্টিয়েই হৈছে সমিতি। সমিতিত সদস্য অন্তভূক্ত হ’বলৈ কিছুমান অৰ্হতাৰ প্ৰয়োজন হয়। সকলো সদস্য সমিতিৰ সদস্য হ’ব নোৱাৰে। প্ৰতিখন সমিতিৰ নিজস্ব সংবিধান তথা নিয়ম থাকে। এই নিয়মৰ ওপৰত ভিত্তি কৰিহে সদস্যপদ লাভ কৰে।

## ২.৩.২ সমিতিৰ বৈশিষ্ট্য ঃ

সমিতিৰ বিভিন্ন সংজ্ঞাবিলাক পৰ্য্যালোচনা কৰাৰ পাছত ইয়াৰ কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ তলত উল্লেখ কৰা ধৰণৰ–

**(ক) সামাজিক সমূহঃ** সমিতি এক মানৱ সমূহ। ব্যক্তিৰদ্বাৰা সমিতি গঠন কৰা হয়। ব্যক্তিৰ অবিহনে সমিতিৰ অস্তিত্ব থাকিব নোৱাৰে। অৱশ্যে সকলো মানৱ সমূহেই সমিতি নহ’বও পাৰে, যিহেতু স্বাভাৱিকতে এখন সমিতি এটা সংগঠিত সমূহ। আন্তঃগঠিত কোনো সমূহকে সমিতি হিচাপে স্বীকৃতি দিব নোৱাৰি। আকৌ উল্লেখ কৰিব পাৰি যে সমিতি এক মানৱ সমূহ হোৱাৰ বাবেই সমিতি গঠন কৰিবৰ বাবে দুই বা ততোধিক ব্যক্তিৰ প্ৰয়োজন। কেৱল এগৰাকী ব্যক্তিয়ে সমিতি গঠন কৰিব নোৱাৰে।

**(খ) উমৈহতীয়া লক্ষ্যঃ** প্ৰতি সমিতিৰে নিৰ্দিষ্ট উমৈহতীয়া লক্ষ্য থাকে। সেই লক্ষ্য বা উদ্দেশ্য পূৰণৰ বাবেহে সদস্যসকল লগ লাগে। সমূহীয়া স্বাৰ্থৰ লগতে ব্যক্তি স্বাৰ্থও সোমাই থাকে। এই লক্ষ্যসমূহ সময়ে সময়ে সুকীয়া হ’ব

পাৰে। সমিতিভেদে উদ্দেশ্যও বেলেগ বেলেগ হয়। উদাহৰণ স্বৰূপে ৰাজনীতিত আগ্ৰহ থকা ব্যক্তি ৰাজনৈতিক সমিতিত অন্তৰ্ভূক্ত হয়। ধৰ্মীয় অনুষ্ঠানৰ প্ৰতি আগ্ৰহীসকলে ধৰ্মীয় সমিতিত অন্তৰ্ভুক্ত হয়। সেয়ে দেখা যায় যে সমিতি হৈছে উদ্দেশ্য ভিত্তিক। এক বা ততোধিক উদ্দেশ্য সাধৰণৰ বাবে সমিতি গঠন হয়।

**(গ) প্ৰতিমানঃ** সকলো সমিতি নিজস্ব প্ৰতিমানৰ দ্বাৰা পৰিচালিত হয়। সমিতিৰ সকলো ধৰণৰ কাৰ্যকলাপ প্ৰতিমানে নিয়ন্ত্ৰণ কৰে। সদস্যসকলৰ আচৰণ আৰু সম্বন্ধ সুচাৰুৰূপে নিয়ন্ত্ৰণৰ বাবে সংস্থাৰ কিছুমান লিখিত বা অলিখিত বিধি-ব্যৱস্থা থাকে। সকলো সদস্যই এই বিধি বা নিয়ম-নীতি অনুসৰণ কৰি কাৰ্য সম্পাদন কৰিব লাগে। এনে বিধিৰ দ্বাৰা সংস্থাৰ সদস্যতাও নিৰূপণ কৰা হয়।

**(ঘ) প্ৰস্থিতিঃ** প্ৰস্থিতি সমিতিৰ অন্যতম বৈশিষ্ট্য। প্ৰত্যেক সমিতিৰে নিজস্ব প্ৰস্থিতি থাকে। সমিতিৰ প্ৰতিমান অনুসৰি প্ৰস্থিতি নিৰ্ণয় কৰা হয়। উদ্দেশ্য সাধনৰ বাবে আৰু সমিতি পৰিচালিত কৰিবলৈ সদস্যসকলৰ মাজত বিভিন্ন বিষয়-ববীয়াসকল থাকে। দায়িত্ব অনুসৰি বিষয়ববীয়া সকলক প্ৰস্থিতি প্ৰদান কৰা হয় আৰু প্ৰস্থিতি অনুসাৰে দায়িত্ব বা কৰ্তব্য নিৰ্ধাৰণ কৰা হয়। বিষয়ববীয়াক সমিতিয়ে কৰ্তৃত্ব প্ৰদান কৰে।

**(ঙ) নিজস্ব নামঃ** প্ৰতিটো সমিতিৰে এক নিৰ্দিষ্ট নাম থাকে। এই নাম সমাজৰ দ্বাৰা স্বীকৃত হয়। কিছুমান সমিতিৰ নিজা আৰু অৰ্থযুক্ত প্ৰতীকো থাকে। সমিতিৰ নিজস্ব সা-সম্পত্তি আৰু কাৰ্যালয় থাকে। কিছুমান সমিতিৰ স্থায়ী কাৰ্যালয়, মাটি, জমা টকা আৰু অন্যান্য সম্পত্তিৰ লগতে বৃহৎ সংখ্যক সদস্যও থাকে। অৱশ্যে কমসংখ্যক সদস্যৰদ্বাৰা গঠিত সমিতিও অনেক আছে।

**(চ) পাৰস্পৰিক সহযোগিতাঃ** সমিতিৰ সদস্যসকলে পাৰস্পৰিক সহযোগিতাৰ মাজেৰে কাম কৰিব লাগে। পাৰস্পৰিক সহযোগিতাৰ অবিহনে সমিতি গঠন অসম্ভৱ।

**(ছ) সমাজৰ প্ৰতিনিধি স্বৰূপঃ** সমিতি বিলাক সমাজৰ বিভিন্ন দিশৰ প্ৰতিনিধি স্বৰূপ। বেলেগ বেলেগ সমিতি যেনে- ৰাজনৈতিক, অৰ্থনৈতিক, আইনী, শৈক্ষিক, সাংস্কৃতিক, সামাজিক আদি সমিতি বা সংস্থাসমূহে নিজ নিজ সদস্যসকলৰ বাবে কাম কৰাৰ লগতে সামগ্ৰিকভাৱে সমাজৰ সমস্যা বিলাক সমাধানৰ বাবেও যত্ন লয়।

**(জ) সমিতিৰ সদস্যপদ বাধ্যতামূলক নহয়ঃ** সমিতি সাধাৰণতে দীৰ্ঘস্থায়ী নহয়। সমিতি এখন গঠন কৰা যিদৰে সহজ একেদৰে বিলুপ্তি ঘটোৱাও সহজ। সমিতিৰ সদস্য স্থায়ী বা অস্থায়ী হ'ব পাৰে। সদস্যতা স্ব-ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে, ই বাধ্যতামূলক নহয়।

**(ঝ) বিভিন্ন বিষয়বাবঃ** সমিতিৰ সদস্যসকলৰ বিভিন্ন বিষয়বাব থাকে। যেনে– সভাপতি, সম্পাদক, প্ৰচাৰ সচিব ইত্যাদি। বিষয়বাব অনুসৰি সদস্যকলে নিজ নিজ ভূমিকা পালন কৰে।

---

**২.৩.৩সমিতিৰ উপাদানঃ**

---

সমিতি ঘাইকৈ গঠিত হয় কিছুমান উপাদানৰ সহায়ত। ইয়াৰ মূল উপাদান সমূহ তলত উল্লেখ কৰা হৈছে-

(ক) **মানৱ সমূহঃ** ব্যক্তিৰদ্বাৰা সমিতি গঠন কৰা হয়। সমিতি গঠনত একোটা বা ততোধিক স্বাৰ্থ আৰু উদ্দেশ্য থাকে। সেইবাবে সদস্যসকলে এই সমিতিৰ যোগেদি উমৈহতীয়াভাৱে উদ্দেশ্য সাধন কৰিবলৈ বিচাৰে। সমূহ সদস্যৰ ওপৰত ভিত্তি কৰি ই গঢ় লয়।

(খ) **সহযোগঃ** সমিতি গঠনৰ কিছুমান উমৈহতীয়া স্বাৰ্থ থাকে। সেইবাবে সহযোগীভাবৰ এটি উৎসাহেৰে সদস্যসকল গোট খায়। গতিকে সহযোগিতাৰ ভাৱ সমিতি গঠনৰ এটা প্ৰধান উপাদান। ইয়াৰ অবিহনে সমিতিৰ আয়ু চমু চাপি অহাটো স্বাভাৱিক কথা।

(গ) **সংগঠনঃ** সমিতিৰ গঠন হয় মাথোন সংগঠিত সদস্যৰ দ্বাৰা আৰু তেওঁলোক কোনো বিশেষ লক্ষ্যত আগুৱাই যাবলৈ চেষ্টা কৰে। ঐক্যবদ্ধ প্ৰচেষ্টাৰ মাজেদি সমিতিয়ে লক্ষ্যসমূহ লাভ কৰিবলৈ যত্ন কৰে।

(ঘ) **সমিতিৰ নিয়মঃ** আৰ্থিক, সাংস্কৃতিক, ৰাজনৈতিক আদি যি কোনো ধৰণৰ সমিতিয়েই হওক ইয়াৰ কিছুমান লিখিত নাইবা অলিখিত নিয়ম বা বিধি আৰু উপ-নিয়ম বা উপবিধি থাকে। সমিতিৰ সদস্যসকলে এই নিয়ম মানি চলিব লাগে। অন্যথা তেওঁলোকক সমিতিৰ নিয়ম অনুযায়ী শাস্তি বিহা হয়।

**অগ্ৰগতিৰ নিৰীক্ষণঃ**

সমিতিৰ কেইটামান সংজ্ঞা দিয়া।

সমিতিৰ বৈশিষ্ট্য সমূহ চমুকৈ লিখা।

সমিতিৰ উপাদান সম্পৰ্কে আলোচনা কৰা।

সমিতিৰ দুটামান উদাহৰণ দিয়া।

---

## ২.৪ সামৰণিঃ

---

এই পাঠ গোটৰ পৰা তোমালোকে বিশেষৰূপে সমাজতত্ত্বৰ অৱধাৰণা সংস্থা আৰু সমিতিৰ সম্পৰ্কে পঢ়িবলৈ পালা। সংস্থা আৰু সমিতি কেনেকৈ গঠন হয়, সংস্থা আৰু সমিতিৰ সমাজত প্ৰাসঙ্গিতা আছে নে নাই, সমাজ যন্ত্ৰটোক সঠিক ভাবে কাৰ্য্যক্ষম কৰি ৰখাত কি ধৰণৰ ভূমিকা লয় এই সকলো বিষয়ৰ বাবে সংস্থা আৰু সমিতি উভয়ৰ সংজ্ঞা, বিশেষত্ব, উপাদান সমূহ অন্তৰ্নিহিত হৈ আছে। দূৰ শিকাৰুসকলক মনত ৰাখি এটি নিৰ্ধাৰিত দৈৰ্ঘ্যত পাঠটি লিখা হৈছে ।

---

## ঘাই শব্দসমূহঃ

---

সংস্থা, সমিতি, দৃশ্যমান, সামাজিক সমূহ, উমৈহতীয়া লক্ষ আৰু পাৰস্পৰিক সহযোগিতা।

## পাঠ্য নিৰ্দেশকঃ


- Johnson, Harry, M. "Sociology : A Systemataic Introduction, Allied Publisers Private Ltd. New Delhi. 1940.
- Verghese, K.E. "General Sociology" McMillon India Ltd. Delhi (only social institution, p. 105-203)
- KKHSOU, Sociology (Assamese) BSo (F) 01-01
- শইকীয়া, জ্যোতি প্ৰসাদ, সমাজতত্ত্ব পৰিচয়, বনলতা, ২০০৭।
- Rao, C.N. Shankar, "Sociology" S.Chand & Co. Ltd. New Delhi, 2005, page 103.


## সম্ভাৱ্য উত্তৰঃ

**সংস্থাঃ** মানৱ সমাজে বিশেষ বিশেষ কিছুমান উদ্দেশ্য সাধনৰ বাবে যিবোৰ নীতি নিয়ম এটি নিৰ্দিষ্ট ৰূপ বা গঢ় দি স্থায়ীভাৱে প্ৰৱৰ্তন কৰি লৈছে, সেইবোৰকে সামাজিক সংস্থা বুলি কোৱা হয়। উদাহৰণস্বৰূপে, শিক্ষা পদ্ধতি, চৰকাৰ, ন্যায় পদ্ধতি, বিবাহ পদ্ধতি, ধৰ্ম পদ্ধতি ইত্যাদি। এই সকলোবোৰ একো একোটা সামাজিক সংস্থা।

**সংস্থাৰ সংজ্ঞাঃ** মেক্ আইভাৰৰ মতে, ‘‘সংস্থা পদ্ধতিৰ সংস্থাপিত ৰূপ।’’ কুলেৰ মতে ‘‘সংস্থা এটা প্ৰয়োজনীয়তা সমাধান কৰা আৰু সামাজিক উত্তৰাধিকাৰীৰ ওপৰত প্ৰতিষ্ঠিত ব্যৱহাৰৰ জটিল সংগঠন।’’ ইয়ং আৰু মেক্‌ৰ মতে, ‘‘সমাজৰ এটা প্ৰধান কাৰ্যক কেন্দ্ৰ কৰি সংঘটিত হোৱা এলানি জনৰীতি আৰু লোকাচাৰকে সংস্থা বোলা হয়।’’

**সংস্থাৰ বৈশিষ্ট্যসমূহঃ**

(ক) সংস্থাই মানুহৰ আৱশ্যকতা পূৰ্ণ কৰে, (খ) ই মানৱ আচৰণ নিয়ন্ত্ৰিত কৰে, (গ) ই মানুহক পথৰ নিৰ্দেশনা দিয়ে, (ঘ) সংস্থাই দৃঢ়তা সৃষ্টি

কৰে, (ঙ) সংস্থা সংস্কৃতিৰ বাহক স্বৰূপ (চ) ই সামাজিক প্ৰকৃতিৰ (ছ) বিশ্বজনীন (জ) উদ্দেশ্যমূলক (ঝ) অমূৰ্ত্ত (ঞ) সংস্থাৰ পৰিৱৰ্তন হঠাৎ নহয়।

**উপাদানসমূহঃ** গোট নং ২ত সংস্থাৰ উপাদানসমূহৰ বিস্তৃত বৰ্ণনা দিয়া হৈছে। যেনে (ক) স্থায়িত্ব (খ) জটিলতা (গ) সদস্যৰ অভাৱ (ঘ) জনৰীতিৰ প্ৰভাৱ (ঙ) সমিতি, সামূহিক পদ্ধতি ইত্যাদি।

সংস্থা সাধাৰণতে স্থায়ী প্ৰকৃতিৰ। কিয়নো সামাজিক সংস্থাসমূহ সঘনে পৰিৱৰ্তন নহয়। ইয়াৰ পৰিৱৰ্তন ক্ৰমান্বয়ে আৰু লাহে লাহে সংঘটিত হয়। বহুতো সামাজিক সংস্থা এইক্ষেত্ৰত অতি কঠোৰ। সময়ৰ লগে লগে এইবিলাক সমাজৰ সংৰক্ষণশীল কঠোৰ উপাদানলৈ ৰূপান্তৰ হয়। উদাহৰণস্বৰূপে এইক্ষেত্ৰত ধৰ্ম আৰু জাতিৰ কথা ক'ব পাৰি। অৱশ্যে কেতিয়াবা পৰিবেশ আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সামাজিক সংস্থাৰ পৰিৱৰ্তন হ'ব পাৰে। উদাহৰণ স্বৰূপে– বিবাহৰ নীতি-নিয়মৰ পৰিৱৰ্তন হৈ আছে।

- মেক আইভাৰ আৰু পেজৰ মতে, " সমিতি এটা বা ততোধিক উমৈহতীয়া উদ্দেশ্যেৰে গোটখোৱা সদস্যৰ এটা সমূহ।"
- ব'গাৰদাচৰ মতে, " কিছুমান উ  শ্যৰ বাবে সংগঠিত হোৱা ব্যক্তিৰ সমষ্টিয়েই সমিতি।"
- গিন্সবাৰ্গৰ মতে, "এটা বিশেষ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰে এটা উমৈহতীয়া সংগঠনৰ পাৰস্পৰিক সম্বন্ধৰে বান্ধখোৱা সামাজিক প্ৰাণীৰ ই (সমিতি) এটা সমূহ।"
- গোট নং ২ত সমিতিৰ বৈশিষ্ট্যসমূহৰ বিস্তৃত বৰ্ণনা দিয়া হৈছে। যেনে– সামাজিক সমূহ, উমৈহতীয়া লক্ষ্য, নিজস্ব প্ৰতিমান, প্ৰস্থিতি, নিজস্ব নাম, পাৰস্পৰিক সহযোগিতা, বিভিন্ন বিষয়বাব ইত্যাদি।
- গোট নং ২ত সমিতিৰ উপাদানসমূহৰ বিস্তৃত আলোচনা কৰা হৈছে। উদাহৰণস্বৰূপে- মানৱ সমূহ, সহযোগী মনোভাৱ, সংগঠন, সমিতিৰ নিয়ম ইত্যাদি।

- সমিতিৰ কেইটামান উদাহৰণ এনেধৰণৰ– খেলাৰ সমিতি, বাণিজ্য সমিতি, মহিলা সমিতি ইত্যাদি।

- ডব্লিউ, জি, ছামনাৰে সংস্থা সমূহক দুটা ভাগত বিভক্ত কৰিছে। এটা হ'ল অব্যৱস্থাপিত, যাৰ অৰ্থ হ'ল বিশেষ কিছুমান ৰীতি-নীতি আৰু লোকাচাৰক ভিত্তি কৰি ই স্বতঃস্ফুৰ্তভাবে সৃষ্টি হয় আৰু বিকাশ লাভ কৰে। আনবিধ হ'ল ব্যৱস্থাপিত। অৰ্থাৎ এনে সংস্থাসমূহক ইচ্ছাকৃতভাৱে, যুক্তিগতভাৱে, চিন্তা চৰ্চ্চাৰ জৰিয়তে জন্ম দিয়া হয়।

সংস্থা সমূহক আকৌ আন প্ৰকাৰেও দুটা ভাগত বিভক্ত কৰা হয়। প্ৰাথমিক আৰু গৌণ। পৰিয়াল, বিবাহ, ধৰ্মাচৰণ, ৰাজনীতি, আৰু অৰ্থনীতিৰ ক্ষেত্ৰত প্ৰাথমিক সংস্থাসমূহ পাব পাৰি। আনহাতে গৌণ সংস্থাসমূহ প্ৰাথমিক সংস্থাসমূহৰ ওপৰত নিৰ্ভৰ কৰিহে গঢ়ি উঠে।

---

**আৰ্হি প্ৰশ্নঃ**

---

- সংস্থাৰ সংজ্ঞা দিয়া।

 ..............................................................................................................

 ..............................................................................................................

 ..............................................................................................................

- সংস্থাৰ সম্পৰ্কে কিংছলে ডেভিচে আগবঢ়োৱা সংজ্ঞাটো উল্লেখ কৰা।

 ..............................................................................................................

 ..............................................................................................................

 ..............................................................................................................

- সংস্থা মূৰ্ত্তনে? যদি নহয় কিয় যুক্তি দৰ্শোৱা।

 ..............................................................................................................

 ..............................................................................................................

 ..............................................................................................................

- সংস্থাৰ উপাদানসমূহ কি কি?

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

- সংস্থাই মানুহৰ আৱশ্যকতা কিদৰে পূৰণ কৰে উল্লেখ কৰা।

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

- সংস্থাৰ প্ৰকাৰসমূহৰ চমু আলোচনা কৰা।

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

- সমিতি বুলিলে কি বুজা? সমিতিৰ কেইটামান উদাহৰণ দিয়া।

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

- সমিতি সম্পৰ্কে এইচ. এম. জনচনে আগবঢ়োৱা সংজ্ঞাটো উল্লেখ কৰা।

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

- সমিতিৰ বৈশিষ্ট্যসমূহ কি কি?

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

- সমিতিৰ সদস্যপদ বাধ্যতামূলক হয়নে?

  ......................................................................

  ......................................................................

  ......................................................................

- সমিতিৰ নিজস্ব নাম থকাটো অপৰিহাৰ্যনে?

  ......................................................................

  ......................................................................

  ......................................................................

- সমিতিৰ উপাদানসমূহৰ সম্পৰ্কে চমুকৈ লিখা।

  ......................................................................

  ......................................................................

  ......................................................................

- সংস্থা আৰু সমিতিৰ পাৰ্থক্যসমূহ উল্লেখ কৰা।

  ......................................................................

  ......................................................................

  ......................................................................

---

**প্ৰঙ্গগ পুথিঃ**

---


- শৰ্মা, শৰৎ, উচ্চতৰ মাধ্যমিক সমাজতত্ত্ব, ষ্টুডেন্টচ ষ্টোৰচ, ২০০৬, পৃঃ ৩৮-৪০।
- দলে, দুৰ্গেশ্বৰ আৰু গিয়াচউ দ্দি ন আহমদ, উচ্চতৰ মাধ্যমিক সমাজশাস্ত্ৰ, ষ্টুডেন্টচ এন্মপ্ৰৰিয়াম, ডিব্ৰুগড়, ১৯৯৩, পৃঃ ৪৭।
- শইকীয়া, জ্যোতি প্ৰসাদ, সমাজতত্ত্ব পৰিচয়, বনলতা, ২০০৭, পৃঃ ৬৯-৭৯।
- KKHSOU, Sociology (Assamese) BSo (F) 01-01 1st Part, 2008, page 19.

# গাট নম্বৰ ৩

## সামাজিক প্ৰতিমান আৰু প্ৰমূল্য

গঠন-বিন্যাস


৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ সামাজিক প্ৰতিমান

৩.২.১ সামাজিক প্ৰতিমানৰ সংজ্ঞা

৩.২.২ সামাজিক প্ৰতিমানৰ বৈশিষ্ট্য

৩.২.৩ সামাজিক প্ৰতিমানৰ উপাদান

অগ্ৰগতি নিৰীক্ষণ

৩.৩ সামাজিক প্ৰমূল্য

৩.৩.১ সামাজিক প্ৰমূল্যৰ সংজ্ঞা

৩.৩.২ সামাজিক প্ৰমূল্যৰ বৈশিষ্ট্য

অগ্ৰগতিৰ নিৰীক্ষণ

৩.৩.৪ সামাজিক প্ৰমূল্যৰ উপাদান

অগ্ৰগতি নিৰীক্ষণ

৩.৪ সামৰণি

(১) ঘাই শব্দসমূহ

(২) পাঠ্য নিৰ্দেশনা

(৩) সম্ভাৱ্য উত্তৰ

(৪) আৰ্হি প্ৰশ্ন

(৫) প্ৰসঙ্গ পুথি

## ৩.০ উদ্দেশ্য

এই গোটত থকা পাঠ সমাজতত্ত্বৰ অৱধাৰণা সমূহ যেনে- সামাজিক প্ৰতিমান আৰু সামাজিক প্ৰমূল্যৰ বিষয়ে জানিবৰ কাৰণে তোমালোকৰ বাবে প্ৰস্তুত কৰা হৈছে। এই পাঠ মনোযোগেৰে পঢ়িলে তোমালোকে তলত উল্লেখ কৰা বিষয়ে জানিব পাৰিবা।

- সমাজতত্ত্বৰ বিভিন্ন অৱধাৰণা সমূহ যেনে তোমালোকে পূৰ্ব্বৰ্ত্তী পাঠত পঢ়ি অহা সমাজ, সম্প্ৰদায়, সংস্থা আৰু সমিতিৰ দৰে- উক্ত অৱধাৰণা সমূহ বুজিব পাৰিবা।
- প্ৰতিমান আৰু প্ৰমূল্যৰ ঘাই ঘাই বৈশিষ্ট্য আৰু উপাদানৰ বৰ্ণনা পাবা।
- প্ৰতিমান আৰু প্ৰমূল্যৰ ঘাই ঘাই সংজ্ঞা পঢ়িবলৈ পাবা।

## ৩.১ প্ৰস্তাৱনাঃ

এই গোটত আমি তোমালোকৰ অৰ্থে সামাজিক প্ৰতিমান আৰু প্ৰমূল্য কি, সেই বিলাকে কেনেদৰে সমাজত নিৰ্দিষ্ট ভূমিকা পালন কৰে, সংজ্ঞা, বৈশিষ্ট্য আৰু উপাদান সমূহৰ জৰিয়তে মূল্যায়ন কৰা হৈছে। প্ৰস্তুত পাঠৰ জৰিয়তে দূৰৱৰ্ত্তী শিকাৰু সকলক যাতে শিক্ষক অনুপস্থিতিৰ অনুভৱ নহয় তাৰ প্ৰতি বিশেষ চকু দি উক্ত পাঠ প্ৰস্তুত কৰা হৈছে। আমি আশান্বিত যে তোমালোক নিশ্চয় উপকৃত হ'বা।

## ৩.২ সামাজিক প্ৰতিমান ঃ

### ৩.২.১ সামাজিক প্ৰতিমানৰ সংজ্ঞাঃ

সমাজত ব্যক্তিয়ে সম্পাদন কৰা প্ৰতিটো কৰ্মৰে মানদণ্ড আছে। কিছুমান

নিৰ্ধাৰিত নীতি নিয়মৰ মাজেদি সম্পাদন কৰা হয় বাবেই কৰ্মৰ মানদণ্ড থকাটো স্বাভাৱিক কথা। কৰ্মৰ মানদণ্ড ৰক্ষা কৰিবৰ বাবেই কিছুমান কৰ্মক নিৰ্দেশিত আৰু কিছুমান কাৰ্যক প্ৰতিষেধ কৰা হয়। উদাহৰণ স্বৰূপে, শিক্ষকে শ্ৰেণীত প্ৰৱেশ কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে থিয় হৈ তেওঁৰ প্ৰতি সন্মান জনোৱাটো এটা বাঞ্ছনীয় নিয়ম বুলি সৰ্ব্বসাধাৰণ লোকে ধৰি লয়। সেইবাবে এই নিয়ম আমাৰ শিক্ষানুষ্ঠানবোৰত সাধাৰণতে প্ৰচলিত হৈ আহিছে। আনহাতে, ৰাগিয়াল দ্ৰব্য সেৱন কৰা, চুৰ কৰা, মিছা কথা কোৱা, নৈতিক চৰিত্ৰহীন হোৱা আদি কৰ্ম সমূহ সমাজৰ বাবে নিষেধাত্মক। সমাজৰ সদস্য হিচাপে প্ৰত্যেক ব্যক্তিয়ে নিৰ্দেশাত্মক কাৰ্যসমূহ সম্পাদন কৰাটো সমাজৰ বাবে কাম্য। সেইদৰে, পৰিয়ালৰ ভিতৰুৱা অনেক কৰ্ম আছে আৰু এই কৰ্মসমূহৰ নিজস্ব মানদণ্ড আছে। সমাজ পদ্ধতিত সামাজিক সমূহবোৰে গ্ৰহণ কৰা কৰ্মৰ এই মানদণ্ডই হৈছে সামাজিক প্ৰতিমান। ব্যক্তিসকলৰ আদান-প্ৰদান, ৰীতি-নীতি, চাল-চলন, কাৰ্য-কলাপ ইত্যাদি মাধ্যমেৰে প্ৰতিমানবোৰ সমাজত বৰ্তি থাকে।

কিছুমান প্ৰতিমান নিৰ্দ্দেশমূলক। অৰ্থাৎ কোনো এটা সামাজিক অৱস্থাত কেনে ধৰণৰ আচৰণ প্ৰদৰ্শন কৰিব লাগে অথবা কোন ধৰণৰ সামাজিক ক্ৰিয়া কেনেকৈ সম্পন্ন কৰিব লাগে এই বিষয়ে নিৰ্দ্দেশ দিয়ে। যেনে আন এজনৰপৰা বস্তু এটা গ্ৰহণ কৰোতে ‘ধন্যবাদ’ বুলি ক’ব লাগে। ঠিক তেনেদৰে সভাত ঠিয় হৈ কথা ক’ব লাগে আদি প্ৰতিমানসমূহ নিৰ্দ্দেশ মূলক।

আন কিছুমান প্ৰতিমান নিষেধমূলক। নিষেধমূলক প্ৰতিমানৰ দ্বাৰা মানুহক-কিছুমান কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হয়। যেনে সমাজত অবাস্য বাক্য ব্যৱহাৰ কৰাটো নিষেধ। সেইদৰে ৰাজহুৱা সভাত উশৃংখল আচৰণ দেখুৱাটোত নিষেধ আৰোপ কৰা হয়। এই বিলাক নিষেধমূলক প্ৰতিমান।

এইখিনি আলোচনাৰ পৰা বুজা যায় যে প্ৰতিমানৰ ভিত্তিত সমাজত ব্যক্তিয়ে পাৰস্পৰিকভাৱে বান্ধ খাই থাকি নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্যসমূহ

পালন কৰিবলৈ সমৰ্থ হয়। লোকাচাৰ, জনৰীতি, প্ৰথা আদি বিভিন্ন ৰূপত প্ৰতিমান বিলাক বৰ্তি থকা দেখা যায়। গতিকে প্ৰতিমান মানৱ সমাজ পদ্ধতিৰ জীৱনী শক্তিস্বৰূপ।

সামাজিক প্ৰতিমান অৱধাৰণা সমাজতত্ত্বৰ শব্দকোষত পোন প্ৰথমে ১৯৩৬ চনত এম. চেৰিফে তেঁওৰ গ্ৰন্থ "The Psychology of Social Norms" ত উল্লেখ কৰিছিল। এই অৱধাৰণাৰ সমাজতত্ত্বত বিশেষ স্থান আছে। কিয়নো সামাজিক সংৰচনাৰ ভেঁটি দৃঢ় কৰাত ইয়াৰ অৰিহণা যথেষ্ট। সেইবাবে প্ৰতিমানৰ সমূহীয়া আচাৰ-ব্যৱহাৰৰ মানদণ্ড বুলিও কোৱা হয়। (Standard of group behaviour)

বিভিন্ন সময়ত বেলেগ বেলেগ সমাজতত্ত্ববিদ সকলে প্ৰতিমানৰ সংজ্ঞা আগবঢ়াইছে।

ইয়ং আৰু মেকৰ মতে প্ৰতিমান হ'ল সমূহে ভাগ কৰি লোৱা আশানুৰূপ কাৰ্য।

এইচ. এম. জনচনৰ মতে, সামাজিক প্ৰতিমান মানুহৰ মস্তিষ্কত উদ্ভৱহোৱা এটি অমূৰ্ত ধাৰণা। যি ধাৰণাই নিৰ্দিষ্ট আচাৰ ব্যৱহাৰক সীমিত কৰি ৰাখে।

ডনাল লাইট জুনিয়াৰ আৰু চুজান কেলাৰৰ মতে প্ৰতিমান মানুহৰ দৈনন্দিন জীৱনক নিৰ্ ́শনা কৰা নীতি আৰু ব্যৱহাৰ যি সামাজিক প্ৰমূল্যৰ পৰা উদ্ভৱ হয়।

জি.আৰ. লেচলাই, আৰ.এফ. লাৰ্চন আৰু বি.এল. গৰমেনে সামাজিক প্ৰতিমানক ব্যক্তিৰ সমূহে নিৰ্মাণ কৰা এনে কিছুমান ৰীতি-নীতি বুলি কৈছে যিয়ে সমাজত মানুহে কি ধৰণে আৰু কেনেকৈ ব্যৱহাৰ কৰিব লাগে আৰু বিভিন্ন সময়ত, বিভিন্ন পৰিস্থিতিত এই ব্যৱহাৰ সমূহ কি ধৰণে হ'ব লাগে তাক নিৰ্দেশিত কৰে।

ওপৰত বৰ্ণনা কৰা সংজ্ঞাৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে প্ৰতিমানক বুজিবলৈ হ'লে সমাজত ব্যক্তিয়ে নিৰ্ধাৰণ কৰা ৰীতি-নীতি পৰিচালনাৰ দিশ সামৰি ল'ব লাগে। উদাহৰণ স্বৰূপে বৰ্তমান সভ্য সমাজৰ ব্যক্তিসকলৰ জীৱন-

ধাৰণাক কেন্দ্ৰ কৰি কিছুমান চৰিত্ৰ উদ্ভৱ হৈছে যাক প্ৰতিমানে উচিত ধৰণে নিয়ন্ত্ৰিত কৰি ৰখাত সহায় কৰে। গতিকে প্ৰতিমান সমাজত আন আন অৱধাৰণাৰ দৰে সমানে গুৰুত্বপূৰ্ণ।

---

### ৩.২.২ সামাজিক প্ৰতিমানৰ বৈশিষ্ট্যঃ

---

(১) সামাজিক প্ৰতিমান বিশ্বজনীন। ই সামাজিক পদ্ধতিৰ প্ৰধান ভিত্তি। প্ৰতিমানৰ অবিহনে কোনো সমাজ সুস্থিৰভাৱে বৰ্তি থাকিব নোৱাৰে। সেয়ে সমাজ এখনৰ বাবে প্ৰতিমানৰ অৱস্থিতি এক প্ৰধান চৰ্ত। আনকি আদিম, অসভ্য আৰু বৰ্ব্বৰ সমাজবিলাকতো প্ৰতিমানৰ অস্তিত্ব দেখা পোৱা যায়।

(২) প্ৰতিমানে মূল্যবোধৰ সিদ্ধান্ত নিৰ্ণয় কৰে। প্ৰতিমান হৈছে সমূহৰ সদস্যসকলে সমূহীয়াভাৱে পৰস্পৰে পৰস্পৰৰ পৰা আশা কৰা আচৰণ বিধি। প্ৰতিমানে সমাজত ব্যক্তিৰ আচৰণ নিৰ্দ্ধাৰণ কৰাৰ লগতে নিয়ন্ত্ৰণো কৰে। সেয়ে সকলো সদস্যৰে সমূহীয়া স্বাৰ্থৰ প্ৰতি ই লক্ষ্য ৰাখে। সমাজত কোনটো ভুল আৰু কোনটো শুদ্ধ বা কোনটো উচিত বা কোনটো অনুচিত এইবিলাক প্ৰতিমানে নিৰ্দেশ কৰে। এই বিচাৰ বিবেচনা কৰি সিদ্ধান্ত প্ৰদান কৰিবলৈ প্ৰতিমানে মূল্যবোধৰ ওপৰত ভিত্তি কৰে।

(৩) প্ৰতিমানে সদায় তথ্য ভিত্তিক আদেশৰ লগত জড়িত হৈ থাকে। আমি মানৰ সমাজত সদায় এনে প্ৰকাৰৰ 'আদেশ' দেখা পাওঁ।

(ক) প্ৰতিমান বিশিষ্ট আদেশ আৰু (খ) তথ্য ভিত্তিক আদেশ।

(৪) প্ৰতিমান পৰিস্থিতি আৰু সমূহৰ লগত জড়িত। প্ৰতিমান সমাজ ভেদে বা সমূহভেদে পৃথক পৃথক হ'ব পাৰে। কেতিয়াবা একেখন সমাজতে সমূহভেদে প্ৰতিমান পৃথক হয়। পৰিস্থিতিৰ প্ৰতি মানুহ দায়বদ্ধ। এই দায়ৱদ্ধতাৰ বাবে মানুহে পৰিস্থিতি অনুসৰি প্ৰতিমান গঢ় লোৱাত সহায় কৰে। প্ৰতিমান

নথকা সমাজ বা সমূহ দেখা পোৱা নাযায়।

(৫) প্ৰতিমান সদায় সকলোৰে দ্বাৰা মনা নাযায়। কেতিয়াবা যিদৰে কিছুমান প্ৰতিমান সমাজ বা সমূহৰ সদস্যসকলে মানি চলে, কেতিয়াবা কিছুমান বিশেষ কাৰণত কিছুমান প্ৰতিমান উলংঘা কৰা হয়।

(৬) প্ৰতিমানে আচৰণক পৰিচালিত কৰে। প্ৰতিমানৰ পৰিপ্ৰেক্ষিতত মানুহে কেতিয়াবা আহাৰ গ্ৰহণ কৰিব, কেনে ধৰণৰ পোছাক কোন বয়সত পিন্ধিব, সমাজত কোনবোৰ প্ৰতীক ব্যৱহাক কৰিব, এই সকলোবোৰ প্ৰতিমানৰ দ্বাৰাহে নিৰ্ধাৰণ আৰু পৰিচালিত হয়।

(৭) প্ৰতিমানে সমাজৰ সংহতি স্থাপনৰ লগতে ব্যক্তিসকলৰ আত্ম-নিয়ন্ত্ৰণত সহায় কৰে। প্ৰতিমান থকাৰ বাবেই মানুহ পথভ্ৰষ্টমূলক কাৰ্য্যত জড়িত হ'ব নোৱাৰে। যিহেতু প্ৰতিমান সমাজৰ বাবে বাঞ্ছনীয় সমাজৰ সদস্য হিচাপে কোনেও প্ৰতিমান উলংঘা কৰিব নোৱাৰে।

---

**৩.২.৩ সামাজিক প্ৰতিমানৰ উপাদানঃ**

---

সামাজিক প্ৰতিমানৰ কিছুমান উপাদান পৰিলক্ষিত হয়। সেই উপাদানসমূহ তলত উল্লেখ কৰা হ'ল-

**(১) লোকাচাৰঃ** জনৰীতিৰ জটিল ৰূপটোৱেই হ'ল লোকাচাৰ। জনৰীতি সমূহ পালন কৰাটো বাঞ্ছনীয়। পালনৰ ক্ষেত্ৰত বাধ্যবাধকতা নাই। যিবোৰ জনৰীতি পালন বাধ্যতা মূলক সেইবোৰকে লোকাচাৰ বোলা হয়। অন্য কথাত যিবোৰ জনৰীতি পালনত সমাজে গুৰুত্ব আৰোপ কৰে সেইবোৰেই হ'ল লোকাচাৰ। লোকাচাৰে সামাজিক শৃংখলা বজাই ৰখাৰ উদ্দেশ্যে ব্যক্তিক কিছুমান অধিকাৰ প্ৰদান কৰে। ফলত সমাজৰ কোনো ব্যক্তিয়ে লোকাচাৰ ভংগ কৰিলে সামাজিক প্ৰথামতে বিচাৰৰ সন্মুখীন হ'ব লাগে। নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব,

খাদ্য গ্ৰহণ আদি লোকাচাৰৰ উদাহৰণ। কোনো ব্যক্তিয়ে এই লোকাচাৰবোৰ পালন নকৰাৰ বাবে সামাজিক শাস্তি ল'ব লগা হয়।

সামাজিক ৰীতি-নীতিৰ লগত লোকাচাৰ ওতঃপ্ৰোতোভাৱে জড়িত। লোকাচাৰৰ পৰিৱৰ্তন হোৱাৰ লগে লগে সমাজতো দ্ৰুত পৰিৱৰ্তন ঘটে। সেয়েহে উইলিয়াম গ্ৰাহাম চামনাৰে কৈছে যে আধুনিক সভ্যতাৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য হৈছে লোকাচাৰৰ পৰিৱৰ্তন। বৰ্তমান সময়ত যৌনাচাৰ, সম্পত্তিৰ অধিকাৰ আদিৰ দ্ৰুত পৰিৱৰ্তন ঘটিছে। লোকাচাৰৰ লগত অধিকাৰৰ প্ৰশ্নও জড়িত হৈ থাকে। এই অধিকাৰ প্ৰয়োগ নকৰিলেও লোকাচাৰৰ সন্মুখীন হ'ব লাগে। উদাহৰণস্বৰূপে, বিবাহিতা হিন্দু তিৰোতাই কপালত সেন্দুৰ নল'লে লোকাচাৰৰ প্ৰশ্নৰ সন্মুখীন হয়। এনেদৰে সমাজত পিতৃ-মাতৃয়ে বৃদ্ধ বয়সত সন্তানৰ পৰা সন্মান আৰু প্ৰতিপালন পোৱাৰ অধিকাৰ লাভ কৰে। তেওঁলোক এই অধিকাৰৰ পৰা বঞ্চিত হ'লে সন্তানক সমাজে ভৎসনা কৰে।

**(২) জনৰীতিঃ** প্ৰতিমানৰ প্ৰকাৰ আৰু উপাদানৰ ক্ষেত্ৰত লোকাচাৰতকৈ সামাজিক ভাৱে জনৰীতি বেছি গুৰুত্বপূৰ্ণ। কিয়নো ব্যক্তিয়ে জনৰীতিৰ নিয়ম ভংগ কৰিবলৈ সাহস নকৰে। যিসকলে জনৰীতিৰ বাহিৰৰ কাৰ্য কৰে তেওঁৰ বাবে শাস্তিৰ বিধানো আছে। সমাজত এতিয়াও বৰ্তি থকা জনৰীতি সমূহ হ'ল-

মানুহে মানুহক হত্যা কৰিব নাপায়, নিজতকৈ জ্যেষ্ঠ্যজনক সন্মান কৰিব লাগে ইত্যাদি।

সমাজৰ কিছু সম্বন্ধ যেনে পিতৃ-মাতৃ, সন্তান-সন্ততি, ভাই-ভনী ইত্যাদিৰ মাজত পাৰস্পৰিক দায়িত্ব আৰু কৰ্তব্য থাকিব লাগে। জনৰীতিয়ে কিছুমান ব্যৱহাৰক নিষিদ্ধ কৰে। ইংৰাজীত ইয়াক "Taboo" বুলি কয়। ইয়াক প্ৰথাগত আইন বুলি ক'লেও অত্যুক্তি কৰা নহয়। কিন্তু এই প্ৰথাগত আইন আধুনিক ৰাষ্ট্ৰই প্ৰণয়ন কৰা আইনতকৈ বেলেগ। তথাপিও এই দুয়োটা আইনৰ উৎস

সামাজিক প্ৰমূল্যই, যাক সমাজে স্বীকৃতি দিয়ে।

**(৩) নৈতিকতাঃ** নৈতিকতাৰ ক্ষেত্ৰত আমি ন্যায়, বিশুদ্ধতা, নিকাৰ আদিৰ দৰে প্ৰমূল্যই মানৱ সমাজত অতিজৰে পৰা গুৰুত্ব লাভ কৰি আহিছে। পৃথিৱীৰ প্ৰত্যেক সমাজে কিছুমান অমূৰ্ত নীতিৰ ওপৰত ন্যস্ত নীতিক নৈতিকতা হিচাপে গ্ৰহণ কৰি আহিছে। কোনটো গ্ৰহণীয় কাৰ্য, কোনটো সমাজৰ বাবে আগ্ৰাহ্য তাৰ বিবেচনাও ব্যক্তিয়ে নৈতিকতাৰ ভেটিত স্থিৰ কৰিবলৈ বাধ্য হয়। সমাজৰ প্ৰত্যেক ব্যক্তিয়ে এই নীতি সমূহৰ প্ৰতি সজাগ হৈ সযতনে পালন কৰে।

**অগ্ৰগতি নিৰীক্ষণ**

(১) সামাজিক প্ৰতিমানৰ সংজ্ঞা দিয়া।

(২) সামাজিক প্ৰতিমানৰ উপাদান সমূহ উল্লেখ কৰা।

(৩) লোকাচাৰ সামাজিক প্ৰতিমানৰ এটি উপাদান হয়নে / নহয়?

(৪) সামাজিক প্ৰতিমানৰ বৈশিষ্ট্যসমূহ লিখা।

(৫) "The Psychology of Social Norms" গ্ৰন্থখনৰ লেখক কোন?

---

## ৩.৩ সামাজিক প্ৰমূল্যঃ

---

### ৩.৩.১ সামাজিক প্ৰমূল্যৰ সংজ্ঞাঃ

---

সামাজিক প্ৰমূল্য সমাজশাস্ত্ৰৰ এটি অপৰিহাৰ্য অৱধাৰণা। সামাজিক প্ৰমূল্যৰ অৰ্থ হ'ল সমাজৰ সৰ্বসাধাৰণ বা সামাজিক সমুহৰ সদস্যবৰ্গই যিকোনো সামাজিক পদ্ধতিৰ প্ৰয়োজনীয়তা বা শুদ্ধতাৰ বিষয়ে থকা সামূহিক ধাৰণা।ইয়াৰ কাৰ্যকলাপ বা পদ্ধতিৰ প্ৰকৃত গুণাগুণৰ প্ৰশ্ন নাই। ই কেৱল ধাৰণা বা বিশ্বাসহে। এই ধাৰণা প্ৰকৃত গুণ বা উপকাৰিতাৰ বিপৰীতো হ'ব পাৰে। উদাহৰণ স্বৰূপে

কিছুমান সমাজত এনে এটা লোকাচাৰ আছে যে মাক বা দেউতাক মৃত্যু হোৱা দিনৰ পৰা কেইবাদিনলৈকে সন্তানসকলে উপবাস কৰি থাকিব লাগে। উপবাস কৰি থকাৰ পৰা প্ৰকৃততে কি উপকাৰ হয় বা নকৰিলে কি হানি-বিঘিনি হয় এই বিষয়ে কোনো প্ৰমাণ বা সত্যতা নাই। তথাপি উপবাসে থকাটো ভাল– এনে এটা ধাৰণা লৈ সেই সমাজে এই প্ৰথা প্ৰৱৰ্তিত কৰি ৰাখিছে। এইদৰে পিতৃ মাতৃৰ বছৰেকীয়া শ্ৰাদ্ধ পতা, বিধবাৰ প্ৰতি শ্ৰদ্ধা আৰু সহানুভূতি, ব্যক্তি স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়া, সৎ পথেৰে অৰ্থ আহৰণ কৰাত গুৰুত্ব দিয়া, সৰু আকাৰৰ প্ৰাথমিক পৰিয়াল লৈ জীৱন যাপন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা ইত্যাদিবোৰ হ'ল সামাজিক প্ৰমূল্যৰ উদাহৰণ।

সামাজিক প্ৰমূল্যৰ ধাৰণাটো দৰাচলতে সময় সাপেক্ষ। উদাহৰণস্বৰূপে, আজিৰপৰা দহ বছৰৰ আগতে গ্ৰাম্য সমাজত যিবোৰ ধাৰণা বা বিশ্বাসৰ প্ৰচলন আছিল সেই ধাৰণা বা বিশ্বাসবোৰ বৰ্তমানে গ্ৰাম্য সমাজৰ পৰা আঁতৰি গৈছে। শিক্ষা-দীক্ষাৰ সম্প্ৰসাৰণ, উন্নত সমাজৰ লগত সংস্পৰ্শ সাধন ইত্যাদি কাৰণত গ্ৰাম্য সমাজতো পৰিৱৰ্তন হৈছে। আগেয়ে গ্ৰাম্য সমাজৰ ছোৱালীক শিক্ষা আহৰণৰ বাবে বিদ্যালয়লৈ যাবলৈ দিয়া হোৱা নাছিল। সম্প্ৰতি ল'ৰা-ছোৱালী আটায়ে শিক্ষা আহৰণ কৰিবলৈ সুবিধা পাইছে। এইবোৰ সময় সাপেক্ষ কথা। সামাজিকপ্ৰমূল্যৰ এইদৰে পৰিৱৰ্তন হৈ থাকে। পুৰণি মূল্যবোধৰ ঠাইত নতুন আদৰ্শ, দৃষ্টিভংগি আৰু মূল্যবোধে স্থান লাভ কৰে। এইদৰে সময় সাপেক্ষে অৱস্থাৰ ওপৰত ভিত্তি কৰি সামাজিক মূল্য নিৰূপিত হয়।

মূলতঃ সমাজতত্ত্বৰ প্ৰমূল্য শব্দটোৱে সমাজৰ সংৰচনাৰ উপাদান স্বৰূপ অংশক প্ৰতিনিধিত্ব কৰে। সামাজিক প্ৰমূল্যৰ সম্পৰ্কেও ভালেমান সমাজতত্ত্ববিদে নিজস্ব ভাৱধাৰাৰে পৃথক পৃথক সংজ্ঞা আগবঢ়াইছে। তাৰে কেইটামান সংজ্ঞা তলত উল্লেখ কৰা ধৰণৰ–

এইচ.এম. জনচনৰ মতে, ‘‘প্ৰমূল্য হৈছে সাধাৰণ মানবিশিষ্ট নিদান, আৰু ইয়াক উচ্চমানৰ প্ৰতিমান হিচাপে বিবেচনা কৰিব পাৰি।

প্ৰমূল্যৰ ইংৰাজী প্ৰতিশব্দ ‘Value’ যি ভিন্ন ভিন্ন বিষয়ৰ ক্ষেত্ৰত ভিন্ন ভিন্ন অৰ্থ বহন কৰে। অৰ্থনীতিত ইয়াৰ অৰ্থ হ’ল মূল্য (Price), দৰ্শন শাস্ত্ৰত ইয়াৰ অৰ্থ নৈতিকতা আৰু আচাৰ-সংহতি বুজা যায়। সমাজতত্ত্বত ই সমাজৰ সংস্কৃতিত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।

জি.আৰ. লেচলাই, আৰ.এফ. লাৰচন আৰু এইচ.এল.গুৰমানে যুটীয়াভাবে প্ৰমূল্যৰ সংজ্ঞা আগবঢ়াই কৈছে যে প্ৰমূল্য হ’ল যিকোনো বস্তুৰ আপেক্ষিক গুণাগুণ স্থিৰ কৰা এটা সমূহীয়া ধাৰণা।

মেইকেল হাৰালামবচৰ মতেই যিকোনো বস্তুৰ ভাল আৰু বেয়া বিবেচনা থকা এটা বিশ্বাস। প্ৰমূল্যই কোনটো ভাল আৰু কোনটো বেয়া তাৰ বিচাৰ কৰে।

পিটাৰ ওৰচলে (Peter Worsley)ৰ মতে প্ৰমূল্য হ’ল সমাজ স্থিত ব্যক্তিয়ে জীৱন জুৰি কাৰ্য-কলাপৰ বিষয়ে ভাল বেয়া বিচাৰৰ এক ধাৰণা।

এইদৰে ওপৰত ব্যাখ্যা কৰা সংজ্ঞাসমূহৰ দ্বাৰা তোমালোকে নিশ্চয় বুজি পাইছা যে প্ৰমূল্যই ব্যক্তিৰ আচাৰ-ব্যৱহাৰৰ এটি সাধাৰণ নিৰ্দেশনা প্ৰস্তুত কৰে। তোমালোকে সমাজত ভাল-বেয়া ঘটনাসমূহ ঘটি থকা নিশ্চয় দেখিবলৈ পাইছা। উদাহৰণ স্বৰূপে মানুহৰ মৰ্য্যদা ৰক্ষা কৰা, মৌলিক অধিকাৰ, ব্যক্তিগত সম্পত্তি, দেশভক্তি, পতি-পত্নীৰ সম্বন্ধত বিশ্বাস, ধৰ্মীয় ভাৱনা, বলিদানৰ ভাৱনা, সহায় কৰা প্ৰবৃত্তি, সহযোগিতা, স্বাধীন হৈ পাত্ৰ-পাত্ৰীৰ নিৰ্বাচন, ব্যক্তিবাদী, সামাজিক সাম্যতা, গণতন্ত্ৰ ইত্যাদিয়ে, আমাৰ আচাৰ-ব্যৱহাৰক বিভিন্ন প্ৰকাৰে নিৰ্দেশ কৰে আৰু নিয়ন্ত্ৰিত কৰি ৰাখে। প্ৰকৃতাৰ্থত প্ৰমূল্য হ’ল সংস্কৃতিৰ উৎসৰ উপাদান, যিয়ে সমাজৰ ব্যক্তিসকলে এটা নিৰ্দিষ্ট সীমাৰেখাত থাকি নিজৰ ব্যৱহাৰক নিয়ন্ত্ৰিত কৰি ৰাখিব পাৰে। কিন্তু ই এনেকুৱা এক বিধান যি সমাজ আৰু সমূহৰ বাবে অগ্ৰহণীয় কাৰ্য কৰিলে ব্যক্তিক শাস্তি বিহা হয়।উদাহৰণ স্বৰূপে ভাৰতীয় সমাজত কনিষ্ঠ জনে জ্যেষ্ঠজনক সন্মান কৰা পৰম্পৰাই নহয়, সমাজৰ প্ৰতি ব্যক্তিয়েই তাৰবাবে আশা কৰে। ডাঙৰক অসন্মান কৰা কাৰ্য নিন্দনীয় বুলি বিবেচনা কৰা হয়।

### ৩.৩.২ সামাজিক প্ৰমূল্যৰ বৈশিষ্ট্যঃ

সামাজিক প্ৰমূল্যৰ কাৰ্যসমূহৰ অন্তঃনিৰ্হিত ভাৱ বৈশিষ্ট্যসমূহৰ দ্বাৰা নিৰূপণ কৰিব পাৰি। যেনে– সমূহীয়া অন্তঃক্ৰিয়াত প্ৰমূল্যই স্থিৰতা আৰুএকৰূপতা আনে, আৰু সামাজিক আচৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজিক প্ৰমূল্যৰ দ্বাৰা সমাজত ব্যক্তিসকল একত্ৰিত হৈ বাস কৰে, আৰু সমাজৰ সকলো সদস্যই এনে উদ্দেশ্যৰে একে ৰীতি-নীতি অনুসৰণ কৰে। কিছুসংখ্যক সমাজতত্ত্ববিদে ক'ব বিচাৰে যে, সমূহীয়াভাৱে অংশ লোৱা প্ৰমূল্য সামাজিক ঐক্য আৰু সংহতিৰ ভেটি। এই প্ৰমূল্যবোধৰ বাবেই সামাজিক সমূহৰ প্ৰতি ব্যক্তিৰ দায়বদ্ধতা বৃদ্ধি পায়।

সামাজিক প্ৰমূল্যই পৃথক পৃথক বিধিৰ পদ্ধতিৰ মাজত একাত্মতা গঢ় লোৱাত সহায় কৰে। ব্যক্তিসকলে তেঁওলোকৰ জীৱনৰ পৃথক ক্ষেত্ৰত এই উ শ্য পূৰণৰ বাবে প্ৰচেষ্টা চলায়। সেয়ে প্ৰয়োজন সাপেক্ষে বিধিসমূহ, সংশোধন কৰাৰো সমূহীয়া আগ্ৰহ প্ৰকাশ কৰে।

সামাজিক প্ৰমূল্যই মানুহৰ আচৰণ আৰু ক্ৰিয়া কাণ্ডবোৰত বহুতো প্ৰভাৱ বিস্তাৰ কৰে। প্ৰচলিত মূল্যবোধ অনুসৰি মানুহে জীৱনৰ লক্ষ্য আৰু কৰ্ম নিৰ্ণয় কৰি লয়।

সামাজিক প্ৰমূল্য সকলো জনসাধাৰণে পালন বা উপভোগ কৰিব পাৰে। সামাজিক প্ৰমূল্য সামাজিক কল্যানৰ লগত জড়িত। সমাজৰ ৰীতি-নীতি, লোকাচাৰ, প্ৰথা, অনুবিধি আদি সামাজিক ভিত্তিতে সৃষ্টি হৈছে।

**অগ্ৰগতিৰ নিৰীক্ষণ**

(১) সামাজিক প্ৰমূল্যৰ সংজ্ঞা দিয়া।

(২) সামাজিক প্ৰমূল্য বুলিলে কি বুজা, উদাহৰণৰ দিয়া।

(৩) সামাজিক প্ৰমূল্যৰ বৈশিষ্ট্য সমূহ উল্লেখ কৰা।

---

### ৩.৩.৩ সামাজিক প্ৰমূল্যৰ উপাদানঃ

---

সামাজিক প্ৰমূল্যৰ উপাদানসমূহ তলত উল্লেখ কৰা হ'ল–

**সাধাৰণ আৰু বিশেষ প্ৰমূল্যঃ**

(১) সাধাৰণ প্ৰমূল্যঃ প্ৰমূল্য সমূহ যেনে গণতন্ত্ৰ, স্বাধীনতা, মৌলিক অধিকাৰ আদিৰ প্ৰতি সন্মান, বংশানুক্ৰমে থকা অধিকাৰ, শ্ৰমৰ মৰ্য্যাদা ইত্যাদি হ'ল প্ৰমূল্যৰ গুৰুত্বপূৰ্ণ উপাদান। প্ৰমূল্যৰ চৰিত্ৰ অমূৰ্ত হ'লেও ব্যক্তিৰ বিভিন্ন জীৱনৰ গতিক প্ৰভাৱান্বিত কৰে।

(২) বিশেষ প্ৰমূল্যঃ কিছুমান প্ৰমূল্য সময় বিশেষে মৰ্য্যদা দিয়া হয়। উদাহৰণ স্বৰূপে আমি শাৰিৰীক স্বাস্থ্যৰ আৰু স্বাচ্ছন্দতাৰ প্ৰমূল্যক উনুকিয়াব পাৰো। এইদৰে প্ৰমূল্য ক্ৰমে উচ্চতৰ অমূৰ্তৰ পৰা বিশেষ স্তৰলৈ গতি কৰে।

সামাজিক প্ৰমূল্য বিলাক গুৰুত্ব অনুসৰি বিন্যাস ঘটোৱা হয়। সকলো প্ৰমূল্যই সমানে গুৰুত্বপূৰ্ণ নহয়। এই প্ৰমূল্যবিলাকক আমি চাৰি ভাগত ভাগ কৰিব পাৰো।

(i) উপায় বোধক মূল্যবোধ (Means Values)

(ii) লক্ষ বোধক মূল্যবোধ (Ends Values)

(iii) প্ৰভাৱশালী মূল্যবোধ (Dominant Values)

(iv) পৰিসমাপ্তি মূল্যবোধ (The Ultimate Values)

সাধাৰণতে Means values বিলাক ইচ্ছাকৃত। অন্য প্ৰমূল্য আহৰণৰ বাবে সমূহীয়াভাৱে সমাজ বা সমূহৰ সদস্যসকলে কৰা প্ৰচেষ্টাৰ অংশ। Ends values বিলাক অতি সাধাৰণ হোৱাৰ লগতে অতি গুৰুত্বপূৰ্ণ। সমূহৰ দৃষ্টিকোণৰ পৰা প্ৰমূল্যগত তথা মূল্যবোধ থকা কাৰ্য কৰাৰ বাবে ইয়াৰ গুৰুত্ব বৃদ্ধি পায়। উদাহৰণ স্বৰূপে, স্বাস্থ্য যদি মূল্য বা লক্ষ্য তেন্তে শৰীৰৰ বাবে ভাল স্বাস্থ্যকৰ

খাদ্যগ্ৰহণ, বিশ্ৰাম, নিয়মীয়া ব্যায়াম আদি অতি গুৰুত্বপূৰ্ণ, যিবিলাকে এক মাধ্যম হিচাপে উ  শ্য পূৰণ কৰিব পাৰে। অন্যহাতে Dominant value হৈছে এনে কিছুমান প্ৰমূল্য যিবিলাকে বহল অৰ্থত ব্যক্তিৰ আচৰণ স্থিতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। The Ultimate values হৈছে এনেবিলাক প্ৰমূল্য যিবিলাকে মানৱ জীৱনলৈ নিৰ্দেশনা, সাৰাংশ আৰু অৰ্থ বহন কৰে।

স্পষ্ট আৰু সন্দেহাতীত প্ৰমূল্যঃ এই প্ৰমূল্যবিলাক ইচ্ছাকৃত ভাৱে শিশু সকলক শিকোৱা হয়। এনেধৰণৰ প্ৰমূল্যবিলাক বিষয়া, চৰকাৰ আৰু অন্য সংগঠনৰ দ্বাৰা প্ৰাপ্তবয়স্কৰ বাবে বলবৎ কৰা হয়। যোগাযোগ মাধ্যমৰ জৰিয়তে এই প্ৰমূল্যবিলাক জনপ্ৰিয় কৰা হয়।

**অগ্ৰগতি নিৰীক্ষণঃ**

(১) সামাজিক প্ৰমূল্যৰ উপাদানসমূহ উল্লেখ কৰা।

---

## ৩.৪ সামৰণি ঃ

---

প্ৰস্তুত গোটটিৰ পৰা প্ৰতিমান আৰু প্ৰমূল্যৰ বিষয়ে জানিবা। দুয়োটাৰ সংজ্ঞা, বৈশিষ্ট্য, উপাদান, একাদিক্ৰমে দিয়া হৈছে যাতে তোমালোক শিকাৰুসকলে সহজে বুজিব পাৰা। সমাজত কি ধৰণে প্ৰতিমান আৰু প্ৰমূল্যই স্থিতি গ্ৰহণ কৰে তাৰ বিষয়ে ইয়াত বিস্তৃত বৰ্ণনা দিয়া হৈছে। প্ৰস্তুত গোটত যথাসাধ্য শিকাৰুক সুবিধা দিয়া হৈছে যাতে তোমালোকে ভালদৰে বুজি ল'ব পাৰা।

---

## মূলশব্দসমূহ ঃ

---

প্ৰতিমান, প্ৰমূল্য, লোকাচাৰ, জনৰীতি, আইন, প্ৰত্যাশা, মূল্যবোধ অমূৰ্ত, নিৰ্দেশাত্মক, প্ৰথাগত, আইন, নৈতিকতা, ব্যক্তিগত প্ৰতিমান, বিশিষ্ট পদ্ধতি, তথ্যভিত্তিক।

**পাঠ্যনির্দেশনা ঃ**


- Rao, C.N. "Sociology" S.Chand & Co. Ltd. New Delhi, 2005, page 103.
- Johnson, Harry, M. "Sociology : A Systemataic Introduction, Allied Publisers Private Ltd. New Delhi. 1981.
- Rocher, Guy, "A General Introduction to Sciology : A Theoretical Perspective ,Academic Publisher, 1990.
- শইকীয়া, জ্যোতি প্ৰসাদ, সমাজতত্ত্ব পৰিচয়, বনলতা, ২০০৭, পৃঃ ৬৯-৭৯।


**সম্ভাৰ্য্য উত্তৰ**

- ইয়ং আৰু মেকৰ মতে, প্ৰতিমান হ'ল সমূহে ভাগ কৰি থোৱা আশানুৰূপ কাৰ্য।
- এইচ. এম. জনচনে কৈছে যে সামাজিক প্ৰতিমান মানুহৰ মস্তিকত উদ্ভৱ হোৱা এটি অমূৰ্ত ধাৰণা।
- ডনাল লাইট, জুলিয়াৰ আৰু কেলাৰে কৈছে- সামাজিক প্ৰতিমান মানুহৰ দৈনন্দিন জীৱনত নিৰ্দ্দেশনা কৰা নীতি আৰু ব্যৱহাৰ যি সামাজিক প্ৰমূল্যৰ পৰা উদ্ভৱ হয়।
- গোট নং ৩ত সামাজিক প্ৰতিমানৰ উপাদান সমূহৰ বিস্তৃত বৰ্ণনা দিয়া হৈছে। যেনে- (ক) লোকাচাৰ (২) জনৰীতি (৩) আইন (৪) প্ৰথাগত আইন ইত্যাদি।
- লোকাচাৰ সামাজিক প্ৰতিমানৰ এটি উপাদান।
- গোট নং ৩ত সামাজিক প্ৰতিমানৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল- (ক) সামাজিক প্ৰতিমান বিশ্বজনীন (খ) প্ৰতিমানে মূল্যবোধৰ সিদ্ধান্ত অন্তভূক্ত কৰে (গ) প্ৰতিমানে সদায় তথ্য ভিত্তিক আদেশৰ লগত

জড়িত থাকে (ঘ) প্ৰতিমান পৰিস্থিতি আৰু সমূহৰ লগত জড়িত (ঙ) প্ৰতিমানে আচৰণক পৰিচালিত কৰে। ইত্যাদি।

- "The Psychology of Social Norms" গ্ৰন্থ খনৰ লেখক– এম. চেৰিফ।
- গোট নং ৩ত আলোচনা কৰা সামাজিক প্ৰমূল্যৰ উপাদান সমূহ হ'ল- (ক) সাধাৰণ আৰু বিশেষ প্ৰমূল্য (খ) স্পষ্ট আৰু সন্দেহাতীত প্ৰমূল্য।
- সামাজিক প্ৰমূল্যৰ সংজ্ঞা সমূহ নিম্নলিখিত ধৰণৰ– এইচ. এম. জনচনৰ মতে, প্ৰমূল্য হৈছে সাধাৰণ মান বিশিষ্ট নিদান আৰু ইয়াক উচ্চমানৰ প্ৰতিমান হিচাপে বিবেচনা কৰিব পাৰি।
- সামাজিক প্ৰমূল্যৰ অৰ্থ হ'ল সমাজৰ সৰ্বসাধাৰণ বা সামাজিক সমূহৰ সদস্য বৰ্গৰ যিকোনো সামাজিক পদ্ধিতৰ প্ৰয়োজনীয়তা বা শুদ্ধতাৰ বিষয়ে থকা সামূহিক ধাৰণা। উদাহৰণ স্বৰূপে পিতৃ-মাতৃৰ বছৰেকীয়া শ্ৰাদ্ধ পতা, বিধবা বিবাহ ৰহিত কৰা, উচ্চ শিক্ষা লাভ কৰা ইত্যাদি।
- গোট নং ৩ত সামাজিক প্ৰমূল্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা হৈছে– (ক) সমুহীয়া অন্তঃক্ৰিয়াত প্ৰমূল্যই স্থিৰতা আৰু সমৰূপতা আনে। (খ) সামাজিক প্ৰমূল্যৰ দ্বাৰা সমাজৰ ব্যক্তিসকল একত্ৰিত হৈ বাস কৰে। (গ) সামাজিক প্ৰমূল্যই পৃথক পৃথক বিধি-প্ৰদ্ধতিৰ মাজত একাত্মতা গঢ়াত সহায় কৰে। (ঘ) সামাজিক প্ৰমূল্যই মানুহৰ আচৰণ আৰু ক্ৰিয়া-কাণ্ড বোৰত প্ৰভাৱ বিস্তাৰ কৰে, (ঙ) সামাজিক প্ৰমূল্য সামাজিক কল্যানৰ লগত জড়িত।

---

**আৰ্হি প্ৰশ্নঃ**

---

- এইচ. এম. জনচনে আগবঢ়োৱা সামাজিক প্ৰতিমানৰ সংজ্ঞা দিয়া।

  ................................................................................................................................

  ................................................................................................................................

  ................................................................................................................................

- সামাজিক প্ৰতিমানৰ বাবে প্ৰয়োজন হোৱা বৈশিষ্ট্য সমূহ আলোচনা কৰা।

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

- প্ৰতিমানৰ অবিহনে এখন সমাজ বৰ্তি থকা সম্ভৱ নে?

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

- প্ৰতিমানে মানুহৰ আচৰণক কিদৰে পৰিচালিত কৰে?

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

- প্ৰতিমানৰ উপাদান সম্পৰ্কে এটি চমু টোকা লিখা।

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

- প্ৰমূল্যৰ এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য উল্লেখ কৰা।

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

- প্ৰমূল্য আৰু প্ৰতিমান একে নে? যদি নহয় কিয় ব্যাখ্যা কৰা।

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

- জনৰীতি কাৰ লগত জড়িত, প্ৰতিমান নে প্ৰমূল্যৰ লগত?

...............................................................................................................................

...............................................................................................................................

...............................................................................................................................

**প্ৰসংঙ্গ পুথিঃ**

- দলে, দুৰ্গেশ্বৰ আৰু গিয়াচউদ্দিন আহমদ, উচ্চতৰ মাধ্যমিক সমাজশাস্ত্ৰ ষ্টুডেন্টচ এম্পৰিয়াম, ডিব্ৰুগড়, ১৯৯৩, পৃঃ ৪২-৫১।
- নাথ, গুণমণি, ''উচ্চতৰ মাধ্যমিক সমাজশাস্ত্ৰ প্ৰাৰম্ভিকা'' বনলতা, ডিব্ৰুগড়-গুৱাহাটী, ২০০৬, পৃষ্ঠা ৭২-৭৩।
- শইকীয়া, জ্যোতিপ্ৰসাদ, ''সমাজতত্ত্ব পৰিচয়'', বলনতা, ২০০৭, পৃঃ৪৮-৮৮।
- IGNOU, "Preparatory Course in Social Sciences (PSS-1), 1988, p.6-8.

# গোট নম্বৰ ৪

# প্ৰস্থিতি আৰু ভূমিকা

গঠন-বিন্যাস


৪.০ উদ্দেশ্য

৪.১ প্ৰস্তাৱনা

৪.২ প্ৰস্থিতি

- ৪.২.১ প্ৰস্থিতিৰ সংজ্ঞা
- ৪.২.২ প্ৰস্থিতিৰ বৈশিষ্ট্য
  অগ্ৰগতিৰ নিৰীক্ষণ
- ৪.২.৩ প্ৰস্থিতিৰ প্ৰকাৰ

৪.৩ ভূমিকা

- ৪.৩.১ ভূমিকাৰ সংজ্ঞা
- ৪.৩.২ ভূমিকাৰ বৈশিষ্ট্য
  অগ্ৰগতিৰ নিৰীক্ষণ
- ৪.৩.৩ ভূমিকাৰ প্ৰকাৰ
  অগ্ৰগতি নিৰীক্ষণ

৪.৪ সামৰণি

- (১) ঘাই শব্দসমূহ
- (২) পাঠ্য নিৰ্দেশনা
- (৩) সম্ভাৱ্য উত্তৰ
- (৪) আৰ্হি প্ৰশ্ন
- (৫) প্ৰসঙ্গ পুথি


## ৪.০ উদ্দেশ্য ঃ

- এই গোটটি পঢ়িলে তোমালোকে প্ৰস্থিতি আৰু ভূমিকাৰ বিষয়ে জানিব পাৰিবা।

- পূৰ্বৱৰ্তী গোটত আলোচনা কৰা সমাজতত্ত্বৰ অৱধাৰণা, সামাজিক প্ৰতিমান আৰু প্ৰমূল্যৰ দৰে প্ৰস্থিতি আৰু ভূমিকাও গুৰুত্বপূৰ্ণ অৱধাৰণা। তোমালোকে প্ৰস্থিতি আৰু ভূমিকাৰ কি সম্বন্ধ, পাৰ্থক্য, বৈশিষ্ট্য, সংজ্ঞা,প্ৰকাৰ ইত্যাদি বিষয়ে পঢ়ি উত্তৰ কৰিব পাৰিবা।
- প্ৰখ্যাত সমাজতত্ত্ববিদ ৰালফ্ লিন্টন আদিয়ে প্ৰস্থিতিৰ বিষয়ে লিখা ইয়াত আলোচনা কৰা হৈছে।

---

**৪.১ প্ৰস্তাৱনা ঃ**

---

এই গোটটিৰ জৰিয়তে সমাজতত্ত্বৰ প্ৰধান অৱধাৰণাসমূহৰ সৈতে পৰিচয় কৰাই দিয়া হৈছে। বৰ্তমান সমাজত প্ৰস্থিতি আৰু ভূমিকা কিমান গুৰুত্বপূৰ্ণ ইয়াৰ পৰিৱৰ্ত্তিত স্বৰূপ ইত্যাদি সহজ আৰু বোধগম্য কৰা হৈছে যাতে শিক্ষকৰ অবিহনেও দূৰ শিক্ষাৰ শিকাৰু সকলে পঢ়ি বিষয় বস্তু জানিব পাৰিব। প্ৰস্থিতি আৰু ভূমিকা কি দৰে নিৰ্ধাৰণ কৰা হয় তাৰ বিষয়েও জানিব পাৰিব।

---

**৪.২ প্ৰস্থিতিঃ**

---

সমাজত একাধিক সামাজিক সমূহে বাস কৰে। তোমালোকে এই সমূহৰ মাজত বিভিন্ন ধৰণৰ পাৰস্পৰিক আন্তঃক্ৰিয়া অব্যাহত হোৱা নিশ্চয় মন কৰিছা। এজন বিজ্ঞ আৰু সজাগ ব্যক্তিয়ে তেওঁ আহৰণ কৰা সামাজিক স্থিতি তেওঁ সমূহত কি ধৰণে ব্যৱহাৰ কৰে তাৰ বিষয়েও নিশ্চয় মন কৰিছা। নিশ্চয় অৱলোকন কৰে। আকৌ প্ৰত্যেক ব্যক্তয়ে তেওঁৰ সামাজিক স্থিতি অনুসৰি কিছুমান অধিকাৰৰ লগত কিছুমান দায়িত্বও পালন কৰা দেখা যায়। উদাহৰণ স্বৰূপে এগৰাকী সমাজতত্ত্বৰ অধ্যাপক এখন মহাবিদ্যালয়ৰ শিক্ষক আৰু চহৰত থকা এটা ক্লাৱৰ সভাপতি জনে একেলগে তিনিটা সমূহত

তিনিটা প্ৰস্থিতি আহৰণ কৰে যেনে পৰিয়ালত পিতৃ, মহাবিদ্যালয়ত অধ্যাপক আৰু ক্লাৱত সভাপতি। এইদৰে এগৰাকী ব্যক্তিয়ে একোটা সময়তে তিনিটা প্ৰস্থিতি গ্ৰহণ কৰি থকা দেখিবলৈ পোৱা যায়।

---

### ৪.২.১ প্ৰস্থিতিৰ সংজ্ঞাঃ

---

(১) মেক্ আইভাৰ আৰু পেজৰ মতে, ''প্ৰস্থিতি হৈছে একোজন ব্যক্তিৰ ব্যক্তিগত সামাজিক স্থান, যি স্থানৰ জৰিয়তে তেওঁ সৰ্বসাধাৰণ মানুহৰ পৰা আদৰ সন্মান লাভ কৰাৰ লগতে কিছু সা-সুবিধাও ভোগ কৰে।

(২) কিংচলে ডেভিচৰ মতে, ''প্ৰস্থিতি হৈছে সাধাৰণ ভাৱে আনুষ্ঠানিক পদ্ধতিৰে ব্যক্তিয়ে লাভ কৰা সামাজিক স্থান, যিটোক স্বাভাৱিকতে জনৰীতি আৰু লোকাচাৰ অনুসৰি সমাজে সমৰ্থন আৰু স্বীকৃতি প্ৰদান কৰে।

(৩) ৰালফ লিন্টনৰ মতে, ''প্ৰস্থিতি হ'ল বিশেষ সময়ৰ স্থিতি (বা স্থান বা আসন) যি এটি নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ব্যক্তিয়ে আহৰণ কৰে।

(৪) ৰবাৰ্ট বাৰ্চটেডৰ মতে, প্ৰস্থিতি হ'ল সমাজ বা সমূহত ব্যক্তিয়ে লাভ কৰা স্থিতি। প্ৰস্থিতি সাধাৰণতে সমূহে স্বীকৃত প্ৰদান কৰা স্থিতি। প্ৰস্থিতিক সামূহিক সংগঠনেও স্বীকৃতি দিব লাগে। সমাজ নাইবা সমূহৰ সংৰচনাত আগতিয়াকৈ ব্যক্তিৰ স্থান বা স্থিতি নিৰূপণ কৰি ৰখা হয়।

(৫) মৰিচ্ গিন্সবাৰ্গৰ মতে, ''প্ৰস্থিতি সমাজৰ সমূহত থকা স্থিতি যিয়ে অন্যান্য স্থিতিত থকা ব্যক্তিসকলৰ মাজত সম্বন্ধ স্থাপন কৰি ৰাখে।

উপৰোক্ত সংজ্ঞা সমূহৰ দ্বাৰা তোমালোকে সৰল ভাষাত সামাজিক প্ৰস্থিতিক যিকোনো সমূহত থকা ব্যক্তিৰ স্থিতি বা আসন বুলি বুজিব লাগে। যদি তোমালোকে পৰিয়ালক সৰল ভাষাত সামাজিক এটি সমূহ বুলি ধৰি লোৱা তেন্তে পৰিয়ালত একাধিক স্থিতি থকা ব্যক্তি দেখিবলৈ পাবা যেনে– পিতা, মাতা, ভাই, দাদা, বাইদেউ, ভনী ইত্যাদি। পৰিয়ালত তেওঁলোকৰ বিভিন্ন

প্ৰস্থিতি সমূহ মনকৰিবলগীয়া। এজন ব্যক্তিয়ে বিভিন্ন সমূহত সদস্যতা ল'ব পাৰে আৰু তেওঁ আহৰণ কৰা স্থিতি বেলেগ সমূহত বেলেগ প্ৰস্থিতিৰ জৰিয়তে চিহ্নিত হয়। আচলতে সামাজিক সমূহত ব্যক্তিয়ে প্ৰস্থিতিৰ সম্পৰ্কত থাকি অন্তঃক্ৰিয়া কৰে, এজন ব্যক্তি হিচাপে নহয়। যেনে এখন কাৰ্য্যলয়ৰ উচ্চাধিকাৰীয়ে তেওঁৰ ওপৰৰ অধিকাৰীৰ লগত যেনেকৈ আচাৰ ব্যৱহাৰ কৰে ঠিক একেধৰণৰ ব্যৱহাৰ তেওঁৰ তলতীয়া কৰ্মচাৰী সকলে আশাও কৰিব নোৱাৰে। কিন্তু বন্ধু-বান্ধৱীৰ সমূহৰ দৰে অনৌপচাৰিক সমূহত ব্যক্তিয়ে উচ্চ নীচ স্থিতি নাভাবি সমানে আৰু একেধৰণৰ ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত প্ৰস্থিতিমুখী ব্যৱহাৰ দেখিবলৈ পোৱা নাযায়।

---

### ৪.২.২ প্ৰস্থিতিৰ বৈশিষ্ট্যঃ

---

**(১) বাহ্যিক প্ৰতীকঃ** কিংচলে ডেভিছে এজন ব্যক্তিৰ সামাজিক স্থিতিত থকা পৰিচয়েৰে তেওঁৰ প্ৰস্থিতিৰ পৰিচয় দিয়ে যদিও সদায় এই বাহ্যিক প্ৰতীক প্ৰস্থিতি নিৰূপণত সহায়ক নহয়। প্ৰস্থিতি নিৰূপণৰ ক্ষেত্ৰত সাজ-পোচাক এটি পৰিচায়ক হ'ব পাৰে। সৈনিক, সৈনিক অধিকাৰীসকল, নাৰ্চ, চিকিৎসক, অধিবক্তা, পুলিচ, ধৰ্মীয়গুৰু, পুৰোহিত ইত্যাদিয়ে তেঁওলোকৰ নিৰ্দ্ধাৰিত সাজ-পোছাক পিন্ধে। তেওঁলোকৰ প্ৰস্থিতি সাজ-পোছাকৰ জৰিয়তে নিৰ্দ্ধাৰিত হয়, আকৌ তেওঁলোকৰ মাজত যেনে সৈনিকৰ ক্ষেত্ৰত আন্তঃপ্ৰস্থিতি বুজাবলৈ তেওঁলোকে পৰিধান কৰা বিশেষ চিহ্ন বা মেডেলে সহায় কৰে। স্ত্ৰী-পুৰুষ উভয়ে পৰিধান কৰা সাজ-পোছাকে তেওঁলোকৰ লিংগ নিৰ্ধাৰণ কৰিব পাৰে। সমাজৰ নীতি নিয়মৰ আভূষণ সাজ-পোছাক থাকে যেনে হিন্দু বিবাহিত নাৰীয়ে শিৰত সেন্দুৰ লয় আৰু বিধবা মহিলাই বগা সাজ পিন্ধে কিন্তু শিৰত সেন্দুৰ নলয়। মনকৰিবলগীয়া এইটো যে কিছুমানে ফেচনৰ জগতত থাকি এই নীতি নিয়ম ভঙ্গও কৰিব পাৰে।

**(২) অধিকাৰ, কৰ্তব্য আৰু উত্তৰদায়িত্বঃ** সামাজিক স্থিতিৰ পৰিপ্ৰেক্ষিতত এই অধিকাৰ, কৰ্তব্য আৰু উত্তৰদায়িত্ব খিনি নিৰ্ধাৰণ হয়, যেনে-- কৰ্মচাৰীৰ পৰা উচিত ব্যৱহাৰ আশা কৰাটো মালিক পক্ষৰ বাবে অধিকাৰ হ'ব পাৰে, কিন্তু কৰ্মচাৰীৰ প্ৰতি উচিত ব্যৱহাৰ মালিকৰ উত্তৰদায়িত্ব। ঠিক এনে ধৰণৰ মালিকৰ পৰা তেওঁৰ শ্ৰমৰ উচিত মূল্য দাবী কৰা কৰ্মচাৰীৰ অধিকাৰৰ অন্তভূৰ্ত। কিন্তু, মালিকৰ বাবে কৰ্তব্য হৈ পৰা এনে অধিকাৰ আৰু উত্তৰদায়িত্ব একেটা সমন্ধ বিভিন্ন ধৰণে ক'ব বা বুজিব পাৰি।

**(৩) প্ৰতিমানৰ দ্বাৰা সংচালিতঃ** যদিও প্ৰতিমান সকলোৰ বাবে উমৈহতীয়া ধৰণৰ তথাপিও ব্যক্তি, পৰিস্থিতি আৰু প্ৰস্থিতি ভেদে পৃথক পৃথক হয়। উদাহৰণ স্বৰূপে কাৰ্য্যত নিয়মত হোৱা, বিশ্বাসী হোৱা আদিক উমৈহতীয়া বুলি ধৰিলেও দৰাচলতে ব্যৱহাৰিক দৃষ্টিত এনে নহয়। চিকিৎসকে ৰোগীক তেওঁ ৰোগৰ জটিল অৱস্থাৰ বিষয়ে সম্পূৰ্ণ সঁচা কবও নোৱাৰে। ঠিক তাৰ বিপৰীত ব্যৱসায়ীজনে বেপাৰৰ ক্ষেত্ৰত সাধুতা বজাই ৰাখিব নোৱাৰে। এইদৰে প্ৰতিমানে পৰিস্থিতি সাপেক্ষে কাৰ্য্য কৰে।

**(৪) এজন ব্যক্তি বহু প্ৰস্থিতিঃ** যিহেতু সমাজ সামাজিক সম্বন্ধৰ জালগোথঁনি, এখন সমাজত বিভিন্ন সমূহ থাকে আৰু তেওঁলোকৰ প্ৰস্থিতি বহু ধৰণৰ হোৱাটো বাঞ্ছনীয়। প্ৰত্যেক ব্যক্তিৰ একেটা সময়ত বহু প্ৰস্থিতি হ'ব পাৰে। সমূহ ভেদে এই প্ৰস্থিতি বেলেগ বেলেগ হয়। আধুনিক জটিল সমাজত এজন ব্যক্তিয়ে একেটা দিনতে বহু প্ৰস্থিতিৰ গৰাকী হ'ব লগিয়া হয়। যেনে– এজন ছাত্ৰ বিদ্যালয়ৰ শিক্ষকৰ বাবে ছাত্ৰ, দোকানীৰ বাবে গ্ৰাহক, বেংকৰ অধিকাৰীৰ দৃষ্টিত সঞ্চয়কাৰী, যানবাহানৰ বাবে যাত্ৰী, ভাই ভনীৰ বাবে ককাইদেউ, বাইদেউৰ বাবে ভাইটি, মা-দেউতাৰ বাবে পুত্ৰ, ক্ৰিকেটক্লাৱৰ সদস্যৰ বাবে সভাপতি, ডাক্তৰৰ বাবে ৰোগী, ইত্যাদি। ইয়াৰ অৰ্থ এইটোৱেই হ'ল যে একেজন ব্যক্তি একেটা সময়তে ছাত্ৰ, গ্ৰাহক, সঞ্চয়কাৰী, যাত্ৰী, ভাতৃ, পুত্ৰ, সভাপতি, ৰোগী ইত্যাদি প্ৰস্থিতিত থাকিব লগীয়া হয়। এই প্ৰস্থিতিৰ তালিকা অসীমিত,

কাৰণ একেজন ব্যক্তিয়ে একেটা সময়ত বা গোটেই জীৱনত আহৰণ কৰা প্ৰস্থিতিৰ সংখ্যা অলেখ।

**(৫) ব্যক্তিৰ কাৰ্যকলাপত প্ৰভাৱঃ** ব্যক্তিৰ আচাৰ-ব্যৱহাৰ তেওঁ আহৰণ কৰা প্ৰস্থিতি অনুযায়ী সমাজৰ কাৰ্যকলাপত প্ৰতিফলিত হয় যেনে উত্তৰী ধ্ৰুৱত থকা এস্কিম'ৰ বাবে নাভিকীয় বিজ্ঞানীৰ প্ৰস্থিতি আদায় কৰা তেওঁলোকৰ সমাজত কল্পনাতীত। ঠিক তেনেধৰণে এজন আমেৰিকান ল'ৰাই যখিনী বিশ্বাসী হৈ অন্ধবিশ্বাসীৰ দৰে প্ৰস্থিতিক গ্ৰহণ কৰিব নোৱাৰে কাৰণ, আমেৰিকান সমাজত এনেধৰণৰ নিকৃষ্ট কাৰ্য্যকলাপৰ বাবে কোনো স্থান নাই। সেইবাবে দেখা যায় যে ব্যক্তিৰ সমাজত আয়ত্ব কৰা কাৰ্যকলাপে তেওঁৰ প্ৰস্থিতিক প্ৰভাৱান্বিত কৰে।

**(৬) প্ৰয়োজনীয়তাৰ দৃষ্টিত প্ৰস্থিতিৰ বিবিধতাঃ** কিছুমান প্ৰস্থিতি এজন ব্যক্তিয়ে সমাজত আহৰণ কৰা প্ৰস্থিতিতকৈ গুৰুত্বপূৰ্ণ। বিভিন্ন সমাজে প্ৰস্থিতিৰ গুৰুত্ব নিৰ্দ্ধাৰণ কৰাত বেলেগে বেলেগ দৃষ্টিকোন গ্ৰহণ কৰে। সমাজতত্ববিদ ই.টি হিলাৰে এজন ব্যক্তিৰ সমাজত তেওঁৰ স্থিতি বুজাবৈল 'Key Status' ৰ অৱধাৰণা আগবঢ়াইছে। আধুনিক ঔদ্যোগিক সমাজত ব্যৱহাৰিক প্ৰস্থিতি (Occupational status) মূখ্য প্ৰস্থিতি (key status) হ'ব। এনেকুৰা প্ৰস্থিতিয়ে আন আন প্ৰস্থিতিকো প্ৰভাৱান্বিত কৰে। কিছুমান সমাজত আকৌ স্বজন পদ্ধতি, প্ৰস্থিতি, ধৰ্মীয় প্ৰস্থিতি, বা ৰাজনৈতিক প্ৰস্থিতি অতি গুৰুত্বপূৰ্ণ। গতিকে এই প্ৰস্থিতি সমূহ key status লৈ গঠন হয়। প্ৰাৰম্ভিক বা আদিম সমাজত অন্য উপাদনতকৈ আয়ু, লিংগ আৰু স্বজন পদ্ধতি প্ৰস্থিতিৰ ক্ষেত্ৰত অধিক গুৰুত্ব পূৰ্ণ আছিল।

**(৭) সামাজিক স্থিৰতা আৰু সামাজিক ব্যৱস্থা ঃ** আমি আটায়ে পূৰ্ব প্ৰস্থিতি নিৰ্দ্ধাৰিত সমাজত লাভ কৰিছো। এইবিলাকেই হ'ল সমাজৰ সংৰচনাৰ একোটি অংগ। মানুহে তাক নিৰ্মান বা সৃষ্টি কৰিব নোৱাৰে। যেনে-- কৃষক, সৈনিক, শিক্ষক, আমোলা আদিৰ প্ৰস্থিতি সমূহ আমাৰ দ্বাৰা সৃষ্টি নহয়, অৰ্থাৎ আমি এই প্ৰস্থিতিৰ স্ৰষ্টা নহও।

কিন্তু কেতিয়াবা জীৱন নিৰ্বাহৰ বাবে কিছুমান নতুন পন্থা বাছি ল'ব লগা হয় আৰু এইদৰে নতুন প্ৰস্থিতি সৃষ্টি কৰে। সংস্কৃতিৰ অন্যান্য উপাদানৰ দৰে প্ৰস্থিতিও সাংস্কৃতিক উপাদান হোৱা হেতুকে ইও গতিশীল। কিছুমান প্ৰস্থিতি সময়ৰ সোঁতত হেৰাই যায় আৰু সমাজিক সংৰচনাৰ পৰা অদৃশ্য হৈ পৰে। কিন্তু কেতিয়াবা এজন ব্যক্তিয়ে যি সমাজত জন্ম গ্ৰহণ কৰি সমাজৰ নিৰ্দ্ধাৰিত প্ৰস্থিতি আহৰণ কৰাত জয়ী হয়, তেওঁ মৃত্যু পৰ্যন্ত একেটা প্ৰস্থিতিৰ গৰাকী হৈ থাকে। ভাৰতবৰ্ষত ৰাজতন্ত্ৰ নাই কিন্তু স্বাধীনতাৰ পূৰ্বে ভাৰতবৰ্ষত কিছু কিছু অঞ্চল ৰজাৰ প্ৰভাৰত আছিল যেনে কলিঙ্গ, মণিপুৰ ইত্যাদি ৰাজতন্ত্ৰ ৰ পতনৰ পাচতো কলিঙ্গ পূৰ্বৰ নাম উৰিষ্যাৰ ঠাইত বৰ্তমান ODISHA ৰ ৰজাক ৰথযাত্ৰাৰ সময়ত ৰজাৰ মান সন্মান দি ৰজাৰ প্ৰস্থিতি বজাই ৰাখিছে।

**(৮) সামাজিক সংস্তৰণত বিভাসিতঃ** সকলো প্ৰস্থিতি একে নহয়। কোনো কোনো মানুহ মাত্ৰেই উচ্চ প্ৰস্থিতি ৰ অধিকাৰী হয় আৰু সৰহ সংখ্যক মানুহৰ প্ৰস্থিতি নিম্ন হয়। মানুহৰ সামৰ্থ্যৰ ওপৰত ভিত্তি কৰিও কেতিয়াবা সমাজত প্ৰস্থিতি নিৰূপণ কৰা যায়। প্ৰতিযোগিতাত অৱত্তীৰ্ণ হৈ কেতিয়াবা নিম্ন প্ৰস্থিতিৰ মানুহেও উচ্চ প্ৰস্থিতি লাভ কৰাত সফল হোৱা দেখা যায়, যেনে নিম্ন বৰ্গ বা বৰ্ণত জন্ম গ্ৰহণ কৰা ব্যক্তিয়ে বিদ্যা অৰ্জন কৰি উচ্চ স্থানত অধিষ্ঠিত হৈ উচ্চ প্ৰস্থিতিৰ গৰাকী হয়।

**অগ্ৰগতিৰ নিৰীক্ষণঃ**

(১) প্ৰস্থিতি বুলিলে কি বুজা এটা বা দুটা বাক্যত লিখা।

(২) প্ৰস্থিতিৰ এটা প্ৰধান সংজ্ঞা আগবঢ়োৱা।

(৩) প্ৰস্থিতি ৰ বৈশিষ্ট্যৰ বিষয়ে এটি টোকা লিখা।

### ৪.২.৩ প্ৰস্থিতিৰ প্ৰকাৰ বা ভেদঃ

সমাজতত্ত্ববিদ ৰালফ্ লিন্টনে প্ৰস্থিতি দুটা ভাগত চিহ্নিত কৰিছে, জন্ম প্ৰদত্ত প্ৰস্থিতি আৰু স্বল প্ৰস্থিতি। তলত প্ৰত্যেকৰ চমু আভাস দিয়া হৈছে –

**জন্মপ্ৰদত্ত প্ৰস্থিতিঃ** প্ৰত্যেক মানৱ সমাজত এনে কিছুমান সামাজিক স্থান দেখা যায় যিবোৰ প্ৰস্থিতি সমাজে পূৰ্বতে নিৰ্ধাৰিত কৰি ৰাখিছে। যেনে– পুৰুষ মহিলাৰ প্ৰস্থিতি, নাবালক আৰু প্ৰাপ্তবয়স্ক লোকৰ প্ৰস্থিতি, বিবাহিত আৰু অবিবাহিত লোকৰ প্ৰস্থিতি ইত্যাদি। এইবোৰ সামাজিক প্ৰস্থিতি সমাজে এনেভাৱে নিৰ্ধাৰিত কৰি ৰাখিছে যে সকলো ব্যক্তিয়ে জন্মগত, লিঙ্গ আৰু বয়সৰ শ্ৰেণীকৰণৰ ওপৰত ভিত্তি কৰি স্বাভাৱিকভাৱে লাভ কৰিব পাৰে। গতিকে এনে প্ৰস্থিতিক জন্মপ্ৰদত্ত বা জন্মলব্ধ প্ৰস্থিতি বুলি আখ্যা দিয়া হয়। ভাৰতীয় জাতি প্ৰথাত বিভিন্ন জাতিৰ যি প্ৰস্থিতি সেইটো প্ৰদত্ত প্ৰস্থিতিৰ উদাহৰণ। সেইবাবে জাতি প্ৰথাক বাপতি সাহোন বুলি ক'লেও অত্যুক্তি কৰা নহয় (Caste is the pernicious legacy)। লিঙ্গ অনুসৰিও প্ৰদত্ত প্ৰস্থিতি গ্ৰহণীয় হয়। যদি কোনো সমাজত পুত্ৰ জন্ম হয় তেন্তে ততাতৈয়াকৈ পুত্ৰৰ প্ৰস্থিতি বিনা প্ৰচেষ্টাত প্ৰাপ্ত হয়। ঠিক একে ধৰণে যি ধৰ্মৰ মানুহৰ ঘৰত সন্তান জন্ম হয় সেই ঘৰৰ সদস্যসকলৰ ধৰ্মই নৱজাগতকৰো ধৰ্ম হৈ পৰে। অৱশ্যে আধুনিক যুগত শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰে বা ভাৰতৰ দৰে ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰত ধৰ্ম পৰিৱৰ্তন হোৱা দেখা যায়। উদাহৰস্বৰূপে ভাৰতীয় সংবিধানৰ প্ৰণেতা ডঃ বাবাচাহেব ভীমৰাও অম্বেদকাৰে হিন্দু পৰিয়ালত জন্ম লভিলেও মৃত্যুৰ আগ মূহূৰ্ত্তত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল।

**স্বল প্ৰস্থিতিঃ** কিছুমান প্ৰস্থিতি মানুহে নিজৰ প্ৰচেষ্টা, উদ্যম আৰু কৰ্মৰ জৰিয়তে সমাজত লাভ কৰে। উদাহৰণ স্বৰূপে এজন দুখীয়া ঘৰত জন্মগ্ৰহণ কৰা ব্যক্তিয়ে নিজস্ব প্ৰচেষ্টাত শিক্ষা গ্ৰহণ কৰি উচ্চ শিক্ষিত হৈ মহাবিদ্যালয়ৰ অধ্যাপক হ'লে তেওঁ যি প্ৰস্থিতি লাভ কৰিব তাক স্বল প্ৰস্থিতি বুলি কোৱা হয়। কাৰণ এই প্ৰস্থিতি জন্মৰ লগতে পোৱা নহয়, এইটো তেওঁৰ নিজৰ প্ৰচেষ্টাত লাভ কৰা প্ৰস্থিতি। এইদৰে নিজৰ প্ৰচেষ্টাত যিবোৰ সামাজিক প্ৰস্থিতি লাভ কৰা হয় সেইবোৰকে স্বল প্ৰস্থিতি বুলি আখ্যা দিয়া হয়।

উপৰত উল্লেখ কৰা প্ৰকাৰৰ বাহিৰেও প্ৰস্থিতিৰ আৰু দুবিধমান প্ৰকাৰ উনুকিয়াব পাৰি যেনে–

**প্ৰস্থিতি সমুচ্চায়ঃ** পৃথিৱীৰ বিভিন্ন সমাজত এবিধ প্ৰস্থিতি দৃষ্টিগোচৰ হৈছে, সেয়া হ'ল বিভিন্ন ধৰণৰ প্ৰস্থিতিৰ সংমিশ্ৰণত উদ্ভৱ হোৱা প্ৰস্থিতি যাক আমি প্ৰস্থিতি সমুচ্চায় (Status Set) নামেৰে অভিহিত কৰি আহিছো। এইক্ষেত্ৰত এজন ব্যক্তিয়ে একে সময়তে একাধিক সামাজিক প্ৰস্থিতি ধাৰণ কৰে (৪.২.৩ বিশেষ বৰ্ণনা দিয়া হৈছে, চাবা) স্বাভাৱিকতে এনেকুৱা প্ৰস্থিতিক প্ৰস্থিতি সমুচ্চয় বুলি কোৱা হয়। উদাহৰণ স্বৰূপে তুমি একে সময়তে এজন পুত্ৰ কন্যাৰ প্ৰস্থিতি আহৰণ কৰাৰ লগে লগে কাৰোবাৰ ভ্ৰাতৃ বা ভগ্নীও আৰু লগতে দূৰ শিক্ষা গ্ৰহণকাৰী ৰূপে এজন ছাত্ৰ বা ছাত্ৰী বা দেশৰ এজন নাকৰিকো। এইদৰে দেখা গ'ল যে তুমি একে সময়ত আৰু একেলগে কেইবাবিধ প্ৰস্থিতিৰ গৰাকী হ'লা।

**প্ৰস্থিতি সংস্তৰণঃ** সমাজৰ এজন ব্যক্তি ক্ৰমে এটা প্ৰস্থিতিৰ পৰা অন্য প্ৰস্থিতিলৈ গতি কৰিব পাৰে, যেনে কোনো এখন বিশ্ববিদ্যালয়ত প্ৰথমে শিক্ষা বিভাগত কৰ্ম সংস্থাপন পোৱা ব্যক্তিজন ক্ৰমে সহকাৰী অধ্যাপক, তাৰ পাছত সহযোগী অধ্যাপক আৰু প্ৰাধ্যাপকৰ প্ৰস্থিতি আহৰণ কৰিব পাৰে। এইদৰে এজন সহযোগী অধ্যাপক পদত নিযুক্তি পোৱা জনে ক্ৰমে সংস্তাৰিত হৈ ক্ৰমাৎ উচ্চৰ পৰা উচ্চতৰ প্ৰস্থিতি গ্ৰহণ কৰা প্ৰক্ৰিয়াক Status sequence বা প্ৰস্থিতি সংস্তৰন বুলি কোৱা হয়।

**যুৰীয়া প্ৰস্থিতি ঃ** এখন সমাজ বা এটা সমূহত বহু ধৰণৰ প্ৰস্থিতি পাৰস্পৰিক ভাবে যুগ্ম অৱস্থাত থাকে। এনেকুৱা প্ৰস্থিতিক যুৰীয়া প্ৰস্থিতি বুলি অভিহিত কৰিব পাৰি। যেনে– অভিভাৱক-সন্তান, স্বামী-স্ত্ৰী, চিকিৎসক-ৰোগী ইত্যাদি যুৰীয়া প্ৰস্থিতিৰ উৎকৃষ্ট উদাহৰণ। কিন্তু সাধাৰণতে এনে ধৰণৰ প্ৰস্থিতিৰ উল্লেখ নহয়।

প্ৰস্থিতি-প্ৰতীকঃ তোমালোকে কেতিয়াবা জহকালিতো ক'লা কোট পৰিধান কৰা ব্যক্তিক অৱশ্যে দেখিছা। এওঁলোক অধিবক্তা বা উকিল। হস্পিতেলত ডাক্তৰৰ বগা সাজ পিন্ধাসকলক তোমালোকে সহজে অনুমান কৰিব পৰা যে এইজনৰ প্ৰস্থিতি কি? এইদৰে সাজ-পোছাকত দেখা দিয়া পৃথকতাই

বিভিন্ন ধৰণৰ প্ৰস্থিতি-প্ৰতীকক সূচায়। আধুনিক ঔদ্যোগিক সমাজতকৈ পৰম্পৰাগত সমাজত প্ৰস্থিতি-প্ৰতীকক বিশেষ গুৰুত্ব দিয়া দেখা গৈছে।

**অগ্ৰগতিৰ নিৰীক্ষণঃ**

(১) ৰাল্ফ লিন্টনৰ মতে প্ৰস্থিতিৰ বৰ্গীকৰণ কেইটা আৰু কি কি লিখা।

(২) জন্মপ্ৰদত্ত প্ৰস্থিতি বুলিলে কি বুজা চমুকৈ উত্তৰ লিখা।

(৩) স্থল প্ৰস্থিতি কাক কয়? এই প্ৰস্থিতি কি দৰে নিৰূপণ কৰা হয়?

(৪) জন্মপ্ৰদত্ত প্ৰস্থিতি আৰু স্থল প্ৰস্থিতিৰ মাজত পাৰ্থক্য উলিওৱা।

---

## ৪.৩ ভূমিকাঃ

---

ৰাল্ফ লিন্টনে ভূমিকাক প্ৰস্থিতিৰ গতিশীল প্ৰতিনিধি বুলি কৈছে। যেতিয়া এজন ব্যক্তিয়ে অধিকাৰ লাভ কৰি কৰ্ত্তব্য পালন কৰে, সেই কৰ্ত্তব্য পালনেই হ'ল তেওঁৰ ভূমিকা। অৰ্থাৎ প্ৰস্থিতিৰ অৱধাৰণাৰ আনুসংগিক হ'ল, ভূমিকা। ভূমিকাই প্ৰস্থিতিৰেই গতিশীলতা আৰু আচৰণ প্ৰণালীক সূচায়। ব্যক্তিয়ে ভূমিকাক কাৰ্য্যত ৰূপায়িত কৰে। ভূমিকা নিৰ্ণয় কৰিবলৈ প্ৰস্থিতিৰ অৱলম্বন দৰকাৰ। ভূমিকাৰ কাৰ্য্য হ'ল, মানুহজনে বিশেষ আৰু নিৰ্দ্দিষ্ট প্ৰস্থিতি ধাৰণ কৰি থকা অৱস্থাত পালন কৰিব লগা দায়িত্ব আৰু কৰণীয় কৰ্তব্য বা আচৰণ সমূহৰ চিনাক্তকৰণ।

---

### ৪.৩১ ভূমিকাৰ সংজ্ঞাঃ

---

য়ঙ আৰু মেকৰ মতে, প্ৰস্থিতিৰ কাৰ্য্যই হ'ল ভূমিকা।

ৰবাৰ্ট বাৰচটেডে ভূমিকা প্ৰস্থিতিৰেই ফলশ্ৰুতি বুলি কৈছে। গতিশীল হোৱাৰ লগে লগে ব্যক্তিয়ে ধাৰণা কৰা প্ৰস্থিতিৰো প্ৰতিফলন হয়।

ডানকেন মি'চেলৰ মতে, 'ভূমিকা হ'ল সামাজিক সম্পৰ্কীয় ব্যক্তিৰ আশান্বিত আচাৰ ব্যৱহাৰ।

কিংচলে ডেভিচে আগবঢ়োৱা সংজ্ঞা হ'ল, ''এজন ব্যক্তিয়ে তেওঁৰ প্ৰস্থিতিৰ দায়িত্ব আৰু কৰ্তব্যসমূহ যথাযথ ভাৱে পালন কৰা কাৰ্য ব্যৱস্থাটোয়ে হ'ল ভূমিকা।''

অগবাৰ্ণ আৰু নিমকফৰমতে, ''ভূমিকা হ'ল এটা সমূহ বা সামাজিক গোটৰ নিৰ্দিষ্ট স্থানৰ লগত জড়িত হৈ থকা দায়িত্ব আৰু কৰ্তব্য সন্নিবিষ্ট, সামাজিক ভাৱে আকাঙ্খিক আৰু সমৰ্থিত এক আচৰণ প্ৰণালী মাথোঁ।''

ভূমিকা আৰু প্ৰস্থিতিৰ সম্পৰ্কে নিজৰ মতামত আগবঢ়োৱা অন্যতম সমাজতত্ববিদ ৰাল্‌ফ লিন্টনৰ মতে, ''ভূমিকা হ'ল একোটা প্ৰস্থিতিৰ লগতে আৰোপিত হৈ থকা দায়িত্ব আৰু কৰ্তব্য। সমাজ বা সংশ্লিষ্ট সমূহৰ সদস্যসকলে আশা কৰা প্ৰতিমান অনুযায়ী কাৰ্য্য সুসম্পন্ন কৰাটোতে বুজায়। সেয়েহে ব্যক্তিয়ে পালন কৰা কাৰ্যসমূহৰ মাজেৰে সমাজত ভূমিকাৰ প্ৰতিফলন ঘটে।

এজন ব্যক্তিয়ে একে সময়তে মাথোঁ এটা প্ৰস্থিতিৰ মাধ্যমেৰে এটা ভূমিকাই পালন নকৰে। তেওঁ একেলগে বিভিন্ন প্ৰকাৰ ভূমিকা পালন কৰে। বিভিন্ন ভূমিকাক একেলগে একেজন ব্যক্তিয়ে পালন কৰাকে ভূমিকা সমুচ্চয় (Role set) বোলা হয়। দৃষ্টান্ত স্বৰূপে, উচ্চ প্ৰস্থিতি থকা এজন ব্যক্তিয়ে তেওঁৰ কাৰ্য্যালয়ত কেইবাবিধৰো ভূমিকা উচ্চ অধিকাৰী হিচাপে পালন কৰে। এই ভূমিকা ভিন্ন ভিন্ন জনৰ লগত ভিন ভিন ধৰণৰ হয়। এইদৰে এজন ব্যক্তিয়ে সমাজৰ ভিন্ন ভিন্ন স্তৰত থকা ব্যক্তিসকলৰ লগত একে সময়তে পৃথক পৃথক ভূমিকা পালন কৰিবলগীয়া হয়।

### ৪.৩.২ ভূমিকাৰ বৈশিষ্ট্যঃ

ভূমিকা অৱধাৰণাটিৰ পৰা এইটো বুজা যায় যে ভূমিকা প্ৰস্থিতিৰ ব্যৱহাৰমূখী উপাদান। ভূমিকা আৰু প্ৰস্থিতিৰ ওতঃপ্ৰোত সম্বন্ধ থাকে। ভূমিকাৰ অবিহনে প্ৰস্থিতি হ'ব নোৱাৰে। গতিকে ভূমিকা হ'ল অধিকাৰ সমন্বিত প্ৰস্থিতিৰ

গতিশীল উপাদান। এজন ব্যক্তিয়ে পিতৃৰ প্ৰস্থিতি আহৰণ কৰাৰ লগে লগে তেওঁৰ সন্তান-সন্ততিৰ প্ৰতি কিছুমান অধিকাৰবোধ আহি পৰে। তাৰ লগতে সন্তানৰ প্ৰতি উত্তৰ দায়িত্বও আহি পৰে। এই প্ৰস্থিতি আৰু ভূমিকা উভয়ে একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি বুলিব পাৰি।

ভূমিকা সম্পাদন (Role performance)ঃ প্ৰস্থিতি সামাজিক পদ্ধতিৰ অন্তৰ্গত এটা অৱস্থান অধিকাৰ। ভূমিকা পালন প্ৰস্থিতি সাপেক্ষ আচাৰ-ব্যৱাহৰৰ প্ৰকাশ্য স্বৰূপ। সমাজত ব্যক্তিৰ এই ভূমিকা প্ৰদৰ্শন অৰ্হতাৰ প্ৰকাশ্য স্বৰূপ। সমাজত ব্যক্তিৰ এই ভূমিকা সম্পাদন অৰ্হতা আৰু কৰ্মদক্ষতাৰ পৰিপ্ৰেক্ষিতত সামান্য তাৰতম্য ঘটিব পাৰে।

পাৰস্পৰিক ভূমিকা প্ৰস্থিতিৰি প্ৰকাৰ ঃ (৪.৩.৩)ত যুৰীয়া প্ৰস্থিতিৰ প্ৰকৃতিৰ আলোচনা কৰা হৈছে। এই যুৰীয়া প্ৰস্থিতিৰ দ্বাৰা পাৰস্পৰিক ভূমিকা সম্পাদিত হয়। এই সমূহ আচাৰ ব্যৱহাৰৰ পৰিপূৰক মাথোঁ যেনে স্বামী-স্ত্ৰী আৰু অভিভাৱক সন্তান ইত্যাদিৰ পাৰস্পৰিক ভূমিকা।

ভূমিকা সমুচ্চয় ভূমিকাৰ সংজ্ঞা (৪.৩.১)ত বৰ্ণনা কৰা হৈছে। ইয়াত আৰু বিস্তৃত ভাৱে তোমালোকক বুজোৱা হ'ব। এটা সামাজিক সংৰচনাৰ বিশ্লেষণৰ বাবে ভূমিকা সমুচ্চায়ৰ গুৰুত্ব নোহোৱা নহয়। ৰবাৰ্ট মাৰ্টনে এই অৱধাৰণা সৃষ্টি কৰিছিল। তেঁও এই অৱধাৰণা প্ৰস্থিতি সাঙোৰ খাইথকা ভূমিকাৰ ব্যাখ্যাৰ বাবে ব্যৱহাৰ কৰিছিল। এটা উদাহৰণৰ দ্বাৰা ইয়াক স্পষ্ট কৰা যায়। ধৰি লোৱা এজন চিকিৎসকৰ সামাজিক সম্বন্ধৰ প্ৰতি থকা ভূমিকা সম্পাদন তেওঁ অন্য চিকিৎসক, নাৰ্চ, ৰোগী, হাস্পাতালৰ প্ৰৱন্ধকাৰী বিষয়াৰ সতে কৰে। এইদৰে বিভিন্ন প্ৰস্থিতিত থকা ব্যক্তিৰ লগত ডাক্তৰৰ যি ভূমিকা সম্পাদন হ'ল তাকেই ভূমিকা সমুচ্চায় বুলি কোৱা হয়। ই ভূমিকা-বৈশিষ্ট্যৰ ভিতৰত অন্যতম।

ভূমিকা সংঘাত প্ৰতিমানৰ তাৰতম্যতাই সমাজত সংঘাতৰ সৃষ্টি কৰে। এই দৰে উভয় কৰ্তা এইক্ষেত্ৰত প্ৰভাৱান্বিত হয়। উদাহৰণ স্বৰূপে এজন

পৰীক্ষা নিৰীক্ষকক তেওঁৰ বন্ধুৱে পৰীক্ষা চলি থকা অৱস্থাত আহি কয় যে আমুক পৰীক্ষাৰ্থীক অলপ সহায় কৰি দিব লাগে। এইদৰে পৰীক্ষা নিৰীক্ষক এজন উত্তৰদায়ী শিক্ষকৰ ভূমিকা আৰু বন্ধুৰ অনুৰোধ ৰক্ষা কৰা ভূমিকা পালনৰ সন্মুখীন হয় আৰু দোমোজাত পৰি এই উভয় অৱস্থাৰ (পৰীক্ষা নিৰীক্ষক আৰু বন্ধু) পাৰস্পৰিক সংঘাতৰ সন্মুখীন হয়।

ভূমিকা সম্পৰ্কীয় ব্যাখ্যাৰ পৰা সংক্ষিপ্তভাৱে নিম্নলিখিত বৈশিষ্ট্য সমূহ উল্লেখ কৰা হ'ল –

১) দায়িত্ব আৰু কৰ্তব্যবোধ ভূমিকাৰ লগত জড়িত।

২) এজন ব্যক্তিয়ে একাধিক ভূমিকাত জড়িত হৈ থাকিব পাৰে।

৩) বয়স আৰু লিংগ অনুযায়ী ভূমিকা বিতৰণ পদ্ধতি সকলো সমাজতেই মানি চলে।

৪) সামাজিক মূল্যবোধ, আদৰ্শ আদিৰ ক্ষেত্ৰত ভূমিকাৰ সম্পৰ্ক আছে।

৫) ব্যক্তিৰ ভূমিকা পালনৰ ক্ষেত্ৰত সামাজিক সহায় সহযোগিতা দৰকাৰ।

৬) ভূমিকাক সীমাবদ্ধ কৰিব নোৱাৰি যদিও সামাজিক ৰীতি-নীতিয়ে ইয়াক নিয়ন্ত্ৰণ নকৰাকৈ নাথাকে।

উপৰত উল্লেখিত বৈশিষ্ট্যসমূহৰ ওপৰিও প্ৰস্থিতি আৰু ভূমিকাৰ মাজত থকা আন্তঃসম্বন্ধবোৰ ফঁহিয়াই চালে নিম্নলিখিত বিশেষত্ব দেখা যায়।

১) ভূমিকা আৰু প্ৰস্থিতি অৱধাৰণা দুটা আন্তঃসম্পৰ্কীয়।

২) ভূমিকা এটি সম্বন্ধ যুক্ত অৱধাৰণা।

৩) ভূমিকা আৰু প্ৰস্থিতিয়ে সামাজিক মনোবিজ্ঞান আৰু সমাজতত্ত্ব উভয় সামাজিক বিজ্ঞানত ৰুচি উদ্ভৱ কৰাত সহায় কৰে।

৪) ভূমিকা গতিশীলআৰু পৰিৱৰ্তমূখী।

সংক্ষেপত ভূমিকা হ'ল প্ৰস্থিতি সাপেক্ষ। প্ৰত্যেক প্ৰস্থিতিৰ লগত কিছুমান কাম জড়িত থাকে। ভূমিকা প্ৰস্থিতিৰ লগত আৰোপ কৰি থোৱা

দায়িত্ব আৰু কৰ্তব্য যিটো সমাজ বা সংশ্লিষ্ট সমূহৰ সদস্যসকলে আশা কৰা প্ৰতিমান অনুযায়ী পালন হয়। সমাজত থকা বিভিন্ন প্ৰস্থিতি অনুসৰি ব্যক্তিসমূহৰো বিভিন্ন ভূমিকা ধাৰ্য্য কৰা হয়। এই ভূমিকা পালনত যেতিয়া বিসঙ্গতিয়ে দেখা দিয়ে অথবা সমাজৰ বিভিন্ন ব্যক্তিয়ে নিজৰ নিজৰ ভূমিকা সমাজৰ প্ৰতিমান অনুযায়ী পালন কৰিবলৈ মান্তি নহয় তেতিয়াই সমাজত সমস্যাই দেখা দিয়ে। সেইবাবে এখন সমাজৰ পদ্ধতি পৰিৱৰ্তন আৰু সামাজিক সমস্যাৰ বিষয়ে উপলি কৰিবলৈ হ'লে প্ৰস্থিতি আৰু ভূমিকাৰ অৱধাৰণাৰ বিষয়ে অৱগত হ'ব লাগিব।

সামাজিক ভূমিকাৰ বিশ্লেষণে নিম্নলিখিত চৰিত্ৰসমূহ ফঁহিয়াই দিছে। যেনে–

১) সমাজ আৰু সামাজিক সমূহৰ প্ৰত্যেকগৰাকী সদস্যই সামাজিক ভূমিকা সম্পাদন কৰাটো বাধ্যতামূলক, আৰু ভূমিকা পালন কৰিবলৈ বাধ্য।

২) সমাজৰ বহু বিশিষ্ট ব্যক্তিয়েও সমূহীয়াভাৱে কিছুমান সামাজিক ভূমিকা পালন কৰা দেখিবলৈ পোৱা যায়। যেনে এখন সমাজত বিভিন্ন পদবী ধাৰী ব্যক্তি মাথোঁ নাথাকে, বৰঞ্চ ব্যক্তিয়ে কোনো কোনো ক্ষেত্ৰত শিক্ষকতাৰ দৰে সামাজিক বৃত্তিত পালন কৰা দেখা যায়।

৩) সময় আৰু স্থানৰ পৰিপ্ৰেক্ষিতত এজন বা অতি কম ব্যক্তিৰ দ্বাৰা ভূমিকা, সম্পাদিত হয়। উদাহৰণ স্বৰূপে অসম ৰাজ্যৰ মুখ্যমন্ত্ৰী এজনেই হ'ব পাৰে আৰু তেওঁ অন্য কিছুমান মন্ত্ৰীপদৰ দায়িত্বত থাকি ভূমিকা পালন কৰিব পাৰে।

৪) কেতিয়াবা সমাজত কিছুমান ভূমিকা স্বইচ্ছাৰেই পালন কৰা হয়। ব্যক্তিৰ ইচ্ছানুসৰি ব্যক্তিয়ে নিজেই ভূমিকা চয়ন কৰি ল'ব পাৰে। এজন ব্যক্তিয়ে জীৱনত কি হ'ব বিচাৰে আৰু কি ভূমিকা পালন কৰিব তাৰ নিৰ্বাচনৰ দায়িত্ব প্ৰতিগৰাকী ব্যক্তিৰ আছে।

৫) স্বইচ্ছাৰ বিপৰীত কিছুমান ভূমিকা ইচ্ছাৰ ব্যতিক্ৰমী হয়। এই ধৰণৰ ভূমিকা সমাজত অব্যাহত আছে। উদাহৰণ স্বৰূপে তিৰোতাই তিৰোতাৰ

দৰে আৰু পুৰুষে পুৰুষৰ দৰে ভূমিকা পালন কৰিবলৈ বাধ্য। এই ভূমিকা অপৰিৱৰ্তিত অৱস্থাত থাকে। কিন্তু পৰিৱৰ্ত্তিত সমাজ ব্যৱস্থাত ইয়াৰ কিছু পৰিৱৰ্ত্তন লক্ষ্য কৰা যায়।

**অগ্ৰগতিৰ নিৰীক্ষণঃ**

প্ৰস্থিতি বুলিলে কি বুজা?

প্ৰস্থিতিৰ কেইটামান প্ৰধান সংজ্ঞা আগবঢ়োৱা।

প্ৰস্থিতিৰ বৈশিষ্ট্যৰ সম্পৰ্কে লিখা।

ভূমিকাৰ সংজ্ঞা লিখা।

ভূমিকাৰ বৈশিষ্ট্যৰ সম্পৰ্কে এটি চমু টোকা লিখা।

---

## ৪.৩.৩ ভূমিকাৰ প্ৰকাৰ ঃ

---

সমাজতত্ত্ববিদসকলে ভূমিকাৰ প্ৰকাৰ বা বৰ্গীকৰণ নিম্নলিখিত দুটা ভাগত ভাগ কৰিছে। যেনে–

১) জন্মপ্ৰদত্ত ভূমিকা    ২) স্বল ভূমিকা।

সমাজৰ এগৰাকী ব্যক্তিয়ে দুই ধৰণৰ ভূমিকা পালন কৰিব পাৰে। কিছুমান ভূমিকা ব্যক্তিয়ে সলনি কৰিব নোৱাৰে তাৰ বিপৰীত এনে কিছুমান ভূমিকা আছে যিবিলাক ব্যক্তিয়ে নিজৰ ইচ্ছামতে চয়ন কৰিব পাৰে। এই ক্ষেত্ৰত তেওঁ স্বাধীন। কিছুমান সমাজত স্বল ভূমিকাতকৈ জন্মপ্ৰদত্ত ভূমিকাৰ প্ৰভাৱ বেছি। এই ব্যাখ্যাৰ দ্বাৰা এইটো স্পষ্ট যে সমাজত কিছুমান ভূমিকা কিছুমান ব্যক্তিৰ বাবে অপৰিহাৰ্য আৰু কিছুমানে নিজ ইচ্ছাৰে ভূমিকা নিৰ্বাচন কৰি ল'ব পাৰে। এতিয়া প্ৰত্যেক ভূমিকাৰ চমু আভাস দাঙি ধৰো আহাঁ।

জন্মপ্ৰদত্ত ভূমিকাঃ এনেকুৱা ভূমিকা জন্ম লগ্নতে ধাৰ্য্য কৰা হয়। ইয়াৰ বিকল্প নাই। উদাহৰণ স্বৰূপে সমাজত পুত্ৰীৰ কি ভূমিকা, পুত্ৰৰ কি ভূমিকা জন্মৰ লগে লগে সমাজে স্থিৰ কৰি দিয়ে। হিন্দু সমাজত ধৰ্ম, জাতি, বৰ্ণ আৰু

জন্মৰ দ্বাৰা ভূমিকা নিৰ্দ্ধিৰত হয়। যি ধৰ্মাৱলম্বী লোকৰ ঘৰত সন্তানে জন্মে লাভ কৰে তেওঁ সেই ধৰ্মৰ অনুযায়ী কাম কৰিবলৈ আৰু প্ৰস্থিতি গ্ৰহণ কৰিবলৈ বাধ্য। বৰ্ণ ব্যৱস্থাৰ অন্তৰ্গত শুদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰি ব্ৰাহ্মণৰ ভূমিকা পালন কৰাত অসুবিধা আহি পৰে।

আধুনিক যুগত গোলকীকৰণ আৰু শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰে এই ধাৰণাসমূহ সলনি কৰাত সহায় কৰিছে। ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ আৰু ইয়াৰ প্ৰত্যেক নাগৰিকৰ স্বইচ্ছাৰে ধৰ্ম গ্ৰহণ কৰা অধিকাৰ আছে। ভাৰতীয় সংবিধানত প্ৰদত্ত এই অধিকাৰে কম বেছি পৰিমাণে জন্ম প্ৰদত্ত ভূমিকাত প্ৰভাৱ পেলাইছে বুলি ক'ব পাৰি। হিন্দু পৰিয়ালত জন্মগ্ৰহণ কৰা এজনী ছোৱালীয়ে (প্ৰাপ্ত বয়স্ক) বিবাহযোগ্য বয়সৰ পাছত এগৰাকী মুছলমান ব্যক্তিৰ সৈতে নিকাহ সম্পন্ন কৰি মুছলিম ধৰ্মলৈ ৰূপান্তৰিত হ'ব পাৰে। কিন্তু এগকাৰী মুছলমান সততে হিন্দু ধৰ্মলৈ দীক্ষিত হ'ব নোৱাৰে, কাৰণ সংস্থাৰ দ্বাৰা ইয়াক নিৰ্দ্ধাৰিত কৰা হয়। জন্মপ্ৰদত্ত ভূমিকা নেওচি স্বল  ভূমিকা পালন কৰা ব্যক্তি সকলৰ তালিকা বিশেষ দ্ৰষ্টব্য। বাবা ভীমৰাও অম্বেদকাৰে হিন্দু সমাজত জন্ম ললেও পৰিৱৰ্ত্তী জীৱনকালত ধৰ্ম পৰিৱৰ্তন কৰি বৌদ্ধ ধৰ্মক আকোৱালি লৈছিল। অন্যহাতে এই গৰাকী দলিত আছিল। নিজৰ বিদ্যা, বুদ্ধি আৰু অৰ্হতাৰ জৰিয়তে ভাৰতৰ সংবিধানৰ প্ৰণেতা আৰু স্বাধীন ভাৰতৰ প্ৰথম আইন মন্ত্ৰী হৈছিল। ইয়াৰ অৰ্থ এইটো হ'ল যে জন্মপ্ৰদত্ত ভূমিকা স্বলব্ধ ভূমিকালৈ পৰিৱৰ্তন হয়।

স্বল  ভূমিকাঃ ইতিমধ্যে ভূমিকা আলোচনা কৰোঁতে স্বলব্ধ ভূমিকাৰ অলপ আভাস দি অহা হৈছে। জন্মপ্ৰদত্ত ভূমিকাৰ বিপৰীতে স্বলব্ধ ভূমিকা সমাজত অলেখ। উদাহৰণস্বৰূপে শিক্ষা দীক্ষা গ্ৰহণ কৰি নিম্নকূলত জন্ম লোৱা ব্যক্তিয়ে উচ্চ আসন পায় আৰু তাৰ বিপৰীতে ব্ৰাহ্মণ কূলত জন্মিলেও এজন নিৰক্ষৰ ব্যক্তিয়ে সমাজত আদৰ পালেও উচ্চ পদৰ অধিকাৰী হ'ব নোৱাৰে।

সৈনিক হ'বলৈ হ'লে ক্ষত্রিয় বৰ্ণৰ ব্যক্তিৰহে জন্মপ্রদত্ত ভূমিকা আছে। কিন্তু সৈনিক বিদ্যাত পাৰ্গত হৈ ব্ৰাহ্মণ হ'লেও সৈনিকৰ উচ্চপদাধিকাৰী হোৱা উদাহৰণ আছে। মেজৰ সোমনাথ শৰ্মা ব্ৰাহ্মণ হৈও 'মহাবীৰ চক্ৰ'ৰ অধিকাৰী হৈছিল। এটা কথা মনত ৰাখিবা যে স্বল ভূমিকা স্বলব্ধ প্ৰস্থিতিৰ জৰিয়তেহে লাভ হয়। প্ৰস্থিতি অনুসৰি ভূমিকা নিৰ্ণয় হয়।

**অগ্ৰগতিৰ নিৰীক্ষণঃ**

ভূমিকাৰ প্ৰকাৰ কেইটা আৰু কি কি?

জন্মগত ভূমিকা স্বলব্ধ ভূমিকালৈ সলনি হ'ব পাৰে নে? হয়/নহয়।

এজন ব্ৰাহ্মণ ব্যক্তি পৌৰাহিত্যৰ ভূমিকা জন্ম প্ৰদত্ত নে স্বলব্ধ।

ধৰ্ম পৰিৱৰ্তনক কি ভূমিকাৰ অন্তৰ্গত ৰাখিব পাৰি।

বাবা চাহেব ভীমৰাও অম্বেডকাৰ ভাৰতৰ কোন আছিল?

এজন শুদ্ৰ পৰিয়ালত জন্ম ব্যক্তি নিজৰ প্ৰচেষ্টাত উচ্চাধিৰাকী হোৱা প্ৰক্ৰিয়াক কি ভূমিকা আখ্যা দিব পাৰি।

---

**৪.৪ সামৰণিঃ**

---

ক) এই গোটটিত ভূমিকাৰ সংক্ষেপ আভাস সহ ভূমিকাৰ সংজ্ঞা দিয়া হৈছে। ভূমিকাৰ বৈশিষ্ট্য, প্ৰকাৰ আদি অতি সহজ ধৰণে দূৰৱৰ্তী শিকাৰুৰ বাবে দিয়া হৈছে।

**মূল শব্দসমূহঃ**

প্ৰস্থিতি, বাহ্যিক প্ৰতীক, প্ৰতিমান, সামাজিক স্থিৰতা, জন্মপ্ৰদত্ত প্ৰস্থিতি, স্বলব্ধ প্ৰস্থিতি, জন্মপ্ৰদত্ত ভূমিকা, স্বলব্ধ ভূমিকা, ভূমিকা সমুচ্চয়, যুৰীয়া প্ৰস্থিতি, প্ৰস্থিতি প্ৰতীক।

**পাঠ্য নির্দেশনাঃ**

- Rao, C.N. Shankar, "Sociology" S.Chand & Co. Ltd. New Delhi, 2005,
- Broom, Leonard & Philip Selznick "Sociology" Peterson & Co., 1958.
- Kon, I.S. (Ed.) "A History of Classical Sociology" Progress Publisher, 1989.
- শইকীয়া, জ্যোতিপ্ৰসাদ, ‘‘সমাজতত্ত্ব পৰিচয়’’, বলনতা, ২০০৭।

**সম্ভাব্য উত্তৰঃ**

- প্ৰস্থিতি হ'ল সমাজে সম্পূৰ্ণ স্বীকৃতি দিয়া আৰু সমৰ্থন কৰা সাধাৰণ আনুষ্ঠানিক পদ্ধতিত মানুহৰ একোটা সামাজিক স্থান। পৃথিৱীৰ সকলো সমাজত প্ৰত্যেক সদস্যই, সামাজিক জীৱনত যিবিলাক কাম-কাজ সম্পাদন কৰে, সেইবিলাকৰ বিনিময়ত একো একোটা সামাজিক স্থান লাভ কৰিবলৈ সক্ষম হয়। মানুহে সমাজত লাভ কৰা এই স্থানক সমাজতত্ত্বত প্ৰস্থিতি বুলি কোৱা হয়।
- বেলেগ বেলেগ সমাজতত্ববিদ সকলে সময়ে সময়ে প্ৰস্থিতিৰ সংজ্ঞা দিছে। তাৰ ভিতৰত প্ৰধান সংজ্ঞা সমূহ হ'ল–

  ১) প্ৰস্থিতি হৈছে একোজন ব্যক্তিৰ ব্যক্তিগত সামাজিক স্থান, যি স্থানৰ জৰিয়তে তেওঁ সৰ্বসাধাৰণ মানুহৰ পৰা আদৰ সন্মান লাভ কৰিব পাৰে অথবা তেনে ধৰণৰ সন্মান লাভ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। মেক আইভাৰ আৰু পেজ (Socity)।
- প্ৰস্থিতি হ'ল সাধাৰণভাৱে আনুষ্ঠানিক পদ্ধতিৰে ব্যক্তিয়ে লাভ কৰা সামাজিক স্থান, যিটোক স্বাভাৱিকতে জনৰীতি আৰু লোকাচাৰ অনুসৰি

সমাজে সমৰ্থন আৰু স্বীকৃতি প্ৰদান কৰে (কিংচনে ডেভিচ)।

- প্ৰস্থিতি হ'ল বিশেষ সময়ৰ স্থিতি যি এটি নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ব্যক্তিয়ে আহৰণ কৰে।
- প্ৰস্থিতিৰ বৈশিষ্ট্য সমূহ- ব্যাহিক প্ৰতীক, অধিকাৰ, কৰ্তব্য আৰু উত্তৰদায়িত্ব, প্ৰতিমানৰ দ্বাৰা সংচালিত। এজন ব্যক্তিৰ বহু প্ৰস্থিতি ব্যক্তিৰ কাৰ্যকলাপৰ প্ৰভাৱ। প্ৰয়োজনীয়তাৰ দৃষ্টিত প্ৰস্থিতিৰ বিবিধতা, সামাজিক স্থিৰতা আৰু সামাজিক ব্যৱস্থা সামাজিক সংস্তৰণত বিভাজিত প্ৰস্থিতিৰ বৈশিষ্ট্য।

---

৪.২.২ ত বহলাই ব্যাখ্যা কৰা হৈছে, পঢ়িবা

---

- ৰালফ্ লিন্টনে জন্মপ্ৰদত্ত প্ৰস্থিতি আৰু স্বলব্ধ প্ৰস্থিতি এই দুটা ভাগত বিভাজিত কৰিছে।
- জন্মৰ দ্বাৰা যি প্ৰস্থিতি আহৰণ কৰা হয় সাধাৰণতে এনেকুৱা প্ৰস্থিতিক জন্মপ্ৰদত্ত প্ৰস্থিতি বুলি কোৱা হয়। যেনে- ব্ৰাহ্মণ বৰ্ণত জন্মগ্ৰহণ কৰা ব্যক্তি শুদ্ৰ বৰ্ণলৈ গতি কৰিব নোৱাৰে।
- নিজৰ প্ৰচেষ্টা, অৰ্হতা, বিদ্যা আহৰণৰ দ্বাৰা যি ব্যক্তিয়ে সমাজৰ নিৰ্দিষ্ট স্থান দখল কৰে তাক স্বল প্ৰস্থিতি আখ্যা দিয়া হয়। নিম্ন বৰ্ণত জন্ম লভিলেও এজন ব্যক্তি নিজৰ প্ৰচেষ্টাত উচ্চ অধিকাৰী হোৱা অৱস্থাক স্বলব্ধ প্ৰস্থিতি বুলি কোৱা হয়। এইদৰে স্বলব্ধ প্ৰস্থিতি নিৰূপণ কৰা হয়।
- জন্মপ্ৰদত্ত প্ৰস্থিতি জন্মৰ দ্বাৰা আৰু স্বল প্ৰস্থিতি নিজৰ প্ৰচেষ্টাত আহৰণ কৰা প্ৰস্থিতি। জন্ম প্ৰদত্ত প্ৰস্থিতি স্থিৰ আৰু অপৰিৱৰ্তনীয়, কিন্তু স্বলব্ধ প্ৰস্থিতি গতিশীল আৰু পৰিৱৰ্তনমূখী।

- প্ৰস্থিতিৰ কাৰ্যক ভূমিকা বুলি কোৱা হয় (য়ঙ আৰু মেক)।
- ভূমিকা প্ৰস্থিতিৰেই ফলশ্ৰুতি যি গতিশীল হোৱাৰ লগে লগে ব্যক্তিয়ে ধাৰণা কৰা প্ৰস্থিতিতো প্ৰতিফলন (ৰবাৰ্ট বাৰচ্‌টেড) ঘটে।
- ভূমিকা হ'ল সামাজিক অৱস্থাৰ সম্পৰ্কীয় ব্যক্তিৰ আশান্বিত আচাৰ-ব্যৱহাৰ।
- ভূমিকাৰ বৈশিষ্ট্য হ'ল প্ৰস্থিতিৰ ব্যৱহাৰমুখী উপাদান। ভূমিকা প্ৰদৰ্শন, ভূমিকা সমুচ্চয়, ভূমিকা সংঘাত (ভূমিকা বৈশিষ্ট্য চাবা ৪.৩.২) উল্লেখনীয় দিশ।
- ভূমিকাৰ প্ৰকাৰ দুটা, জন্ম প্ৰদত্ত ভূমিকা আৰু স্বলব্ধ ভূমিকা।
- বৰ্তমানৰ ভাৰত ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। গোলোকীকৰণ, শিক্ষাৰ বিস্ফোৰণ, উদাৰ মনোভাৱ, আইনৰ পৰৱৰ্ত্তন আদিৰ দ্বাৰা জন্মলব্ধ প্ৰস্থিতিতো সলনি কৰিব পাৰি যেনে, দলিত বৰ্ণৰ এজন শিক্ষাৰে শিক্ষিত হৈ অধ্যাপক হ'ব পাৰে। এজন ব্ৰাহ্মণ কুলত জন্ম গ্ৰহণ কৰা ব্যক্তিয়ে পুৰোহিতৰ কাৰ্যত নিমগ্ন হোৱা প্ৰক্ৰিয়াক জন্মপ্ৰদত্ত ভূমিকা বুলি ক'ব পাৰি।
- ধৰ্ম পৰিৱৰ্তনৰ দ্বাৰা জন্মপ্ৰদত্ত ভূমিকা স্বলব্ধ ভূমিকালৈ সলনি কৰিব পাৰে।
- বাবা চাহেব ভীমৰাও অম্বেডকাৰ স্বাধীন ভাৰতৰ সংবিধাৰন প্ৰণেতা আৰু স্বাধীন ভাৰতৰ প্ৰথম আইন মন্ত্ৰী আছিল।
- স্বলব্ধ প্ৰস্থিতি।

**আৰ্হি প্ৰশ্ন ঃ**

- প্ৰস্থিতিৰ সংজ্ঞা লিখা।

........................................................................................................................................................

........................................................................................................................................................

........................................................................................................................................................

- প্ৰস্থিতিৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা।

........................................................................................................................................................

........................................................................................................................................................

........................................................................................................................................................

- প্ৰস্থিতিৰ প্ৰকাৰ কেইটা আৰু কি কি?

........................................................................................................................................................

........................................................................................................................................................

........................................................................................................................................................

- চমু টোকা লিখা –

  যুতীয়া প্ৰস্থিতি

  ........................................................................................................................................................

  ........................................................................................................................................................

  ........................................................................................................................................................

  প্ৰস্থিতি প্ৰতীক

  ........................................................................................................................................................

  ........................................................................................................................................................

  ........................................................................................................................................................

- ভূমিকাৰ সংজ্ঞা লিখা।

........................................................................................................................................................

........................................................................................................................................................

........................................................................................................................................................

- ভূমিকাৰ চৰিত্ৰ বা বৈশিষ্ট্য লিখা।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

- ভূমিকাৰ প্ৰকাৰ কেইটা আৰু কি কি ?

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

- চমুটোকা লিখা

ভূমিকা প্ৰদৰ্শন, পাৰস্পৰিক ভূমিকা, ভূমিকা সমুচ্চয়

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

---

**প্ৰসঙ্গ পুথি ঃ**

---


- Rao, C.N. Shankar, "Sociology" S.Chand & Co. Ltd. New Delhi, 2005, page 122.

- দলে, দুৰ্গেশ্বৰ আৰু গিয়াচউদ্দিন আহমদ, উচ্চতৰ মাধ্যমিক সমাজশাস্ত্ৰ ষ্টুডেন্টচ এম্পৰিয়াম, ডিব্ৰুগড়, ১৯৯৩, পৃঃ ৭২।
- শইকীয়া, জ্যোতিপ্ৰসাদ, ‘‘সমাজতত্ত্ব পৰিচয়’’, বলনতা, ২০০৭, পৃঃ১০৪।
- KKHSOU, Sociology (Assamese) BSo (F) 01-01 1st Part, 2008, page 23-24
- IGNOU, "Introduction to Social Sciences (P 55-1), 1999, p.34-36.

# সমাজতত্ত্বৰ নীতি

## (Principles of Sociology)

## খণ্ড-২

## সামাজিক সমূহ (Social Groups)

**(মূল্যাংকন-২০)**

সামাজিক সমূহ খণ্ডটিৰ আলোচনা এটি গোটতে কৰা হৈছে। গোটটিত সামাজিক সমূহ যেনে - প্ৰাথমিক আৰু দ্বিতীয়ক সমূহ, আন্তঃসমূহ আৰু প্ৰসঙ্গ সমূহৰ সংজ্ঞা, প্ৰকাৰ, চৰিত্ৰ, আৰু অন্যান্য আনুসংগিক বিষয় বিলাকৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। তাৰোপৰি গোটটিৰ বিষয় সমূহৰ আলোচনাৰ সামৰণি, অগ্ৰগতিৰ খতিয়ান আৰু অধিক জানিবৰ বাবে প্ৰসঙ্গ পুথিৰ তালিকা সন্নিবিষ্ট কৰা হৈছে।

**খণ্ড নং ঃ ২**

# শিৰোনামা ঃ সামাজিক সমূহ

## পাঠ গোট নং ১ সামাজিক সমূহ

**পাঠ গোটৰ গাথনি ঃ**


1.0 উদ্দেশ্য

1.1 প্ৰস্তাৱনা

1.2 সামাজিক সমূহৰ ধাৰণা

1.3 সামাজিক সমূহৰ সংজ্ঞা

1.4 সামাজিক সমূহৰ বৈশিষ্ট বা চৰিত্ৰ

1.5 সামাজিক সমূহৰ প্ৰকাৰ

1.6 প্ৰাথমিক আৰু দ্বিতীয়ক সমূহৰ পাৰ্থক্য

1.7 সামৰণি বা অধ্যয়নটিৰ পৰা আমি কি শিকিলো

1.8 অগ্ৰগতিৰ খতিয়ান

1.9 সাম্ভব্য প্ৰশ্নাৱলী

1.10 অধিক জানিবৰ বাবে




---

### ১.০ উদ্দেশ্য ঃ

---

এই গোটটো অধ্যয়ন্ত কৰিলে তোমালোকে -

- ❖ সামাজিক সমূহৰ অৰ্থ নিৰ্ণয় কৰিব পাৰিবা।
- ❖ সামাজিক সমূহৰ প্ৰকৃতি সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিবা।
- ❖ সামাজিক সমূহৰ গুণাগুণৰ বিষয়ে অনুধাৱন কৰিব পাৰিবা।

- ❖ সামাজিক সমূহৰ কাৰ্য্যাৱলী সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।
- ❖ সামাজিক সমূহৰ পাৰ্থক্য চিনাক্ত কৰিব পাৰিবা।

---

## ১.১ প্ৰস্তাৱনা ঃ

---

সামাজিক জীৱনৰ পটভূমিত সমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমাজতত্ত্বত ব্যৱহৃত বিভিন্ন অৱধাৰণা সমূহৰ ভিতৰত সমূহো এটা অন্যতম অৱধাৰণা। সমূহ বুলিলে সাধাৰণতে ব্যক্তিৰ সমষ্টিক বুজায় আৰু সেই সমষ্টিৰ মাজত সামাজিক আন্তঃক্ৰিয়া থাকিব লাগে। সমাজৰ জনসংখ্যা সাধাৰণতে বিভিন্ন জনসমষ্টিত অন্তভুক্ত হৈ থাকে। যেনে - পৰিয়াল, সম্প্ৰদায়, সন্থা, জুম, ধৰ্ম, বন্ধু-বৰ্গৰ গোট ইত্যাদি। সমাজত প্ৰত্যেক ব্যক্তিয়েই এনেধৰণৰ বিভিন্ন সমূহত সদস্য হিচাপে অন্তভূক্ত হৈ থাকে। সমূহ অবিহনে মানৱ জীৱন সম্ভৱপৰ নহয়। সমাজপ্ৰিয় প্ৰাণী হিচাপে মানুহ সদায় সংঘবদ্ধ হৈ থাকে। অমূৰ্ত সামাজিক সম্বন্ধৰ মূৰ্ত প্ৰকাশ হিচাপেও আমি সমূহক আলোচনা কৰিব পাৰো। যিহেতু সমাজতত্ত্ব বিশেষকৈ সামাজিক ক্ৰিয়া আৰু সামাজিক সম্বন্ধৰ অধ্যয়নকাৰী বিজ্ঞান আৰু সামাজিক সম্বন্ধ প্ৰকাশ ঘটে সামূহিক আচৰণত। গতিকে সমূহ অধ্যয়ন সমাজতত্ত্বৰ বাবে এটা প্ৰয়োজনীয় বিষয়। আমেৰিকাৰ সমাজ তত্ত্ববিদ আলবিয়ান স্মলে (Albion Small) ১৯০৫ খৃষ্টাব্দতে সামাজিক সমূহৰ বিষয়ে আলোচনা কৰিছিল। এই ক্ষেত্ৰত বিভিন্ন সমাজতত্ত্ববিদে মন্তব্য কৰিছে যে, প্ৰকৃতাৰ্থত সামাজিক সমূহৰ অধ্যয়নৰ অৰ্থ হল সামাজিক সংগঠনৰ অধ্যয়ন আৰু সমাজিক সমূহেই হল বৃহৎ সামাজিক সংগঠনৰ আধাৰশিলা স্বৰূপ। ঐতিহাসিক দৃষ্টিকোণেৰে লক্ষ্য কৰিলে দেখা যায় যে পৰিয়াল মাত্ৰ সামাজিক জীৱনৰ প্ৰথম পদক্ষেপ নহয়, সমাজ সৃষ্টিৰো মল্ বুলি কব পাৰি। পৰিয়াল নামৰ এই ক্ষুদ্ৰ সামাজিক সমূহটোৰেই পৰিয়ালৰ দৰে ক্ষুদ্ৰ আৰু ৰাষ্ট্ৰৰ দৰে বৃহৎ কিছুমান সমূহৰ যোগেদিয়েই কোনো এখন সমাজৰ স্বৰূপ হিচাবে প্ৰকাশ পায়।

তোমালোকে ইতিমধ্যে আগৰ অধ্যায়টিত সমাজ, সম্প্ৰদায়, সমিতি, সামাজিক প্ৰতিমান, প্ৰস্থিতি আৰু ভূমিকা আদি প্ৰাথমিক অৱধাৰণা সমূহৰ বিষয়ে জানিব পাৰিছা। এই অধ্যায়টিত আমি মানৱ সমাজৰ অন্য এক গুৰুত্বপূৰ্ণ বিষয় বা দিশ সামাজিক সমূহৰ বিষয়ে আলোচনা কৰো আঁহা।

বৰ্তমান সময়ত সামাজিক জীৱনত সমূহে সমাজৰ সকলোবিলাক দিশতে প্ৰভাৱ বিস্তাৰ কৰিছে। অৰ্থাৎ বৰ্তমান যুগত সামাজিক জীৱনৰ এটা দিশ নাই, যিটো প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে কোনো সমূহৰ লগত জড়িত নহয়। মানুহে ভৌতিক প্ৰয়োজনীয়তা পূৰণ কৰিছে সমূহত, সংস্কৃতিৰ সাধনা আৰু ৰূপান্তৰ কৰিছে সমূহত, মানসিক উৎকৰ্ষ সাধন কৰিছে সমূহত, আনকি আধ্যাত্মিক সন্ধানো লাভ কৰিছে সমূহৰ সদস্যতাৰ জড়িয়তে। ইয়াৰ উপৰিও সমূহে সামাজিক পৰিবৰ্তন আৰু নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ইমাইল দুৰখেইমৰ মতে সামূহিকতা সমূহৰ উপাদান।

## ১.২ সামাজিক সমূহৰ ধাৰণা ঃ

সমূহে এনে এটা জনসমষ্টিক বুজায়, যি সমষ্টিৰ লোকসকলৰ মাজত পাৰস্পৰিক আন্তঃ ক্ৰিয়া আৰু অৰ্থপূৰ্ণ কাৰ্য্যকলাপ সম্পন্ন হৈ থাকে। ব্যক্তিৰ সমষ্টিকেই সমূহ বুলিলেও সমাজতত্ত্বত সমূহৰ এক সুকীয়া ব্যাখ্যা আগবঢ়োৱা হৈছে। অৰ্থাৎ সম উদ্দেশ্য সাধনৰ ক্ষেত্ৰত দুজন বা তাতোধিক ব্যক্তিৰ মাজত আন্তঃ ক্ৰিয়া, আন্তঃ সম্বন্ধ" আৰু পাৰস্পৰিক বুজা-বুজি তথা সহযোগৰ দ্বাৰা স্থাপন কৰা সংগঠনকেই সমূহ বুলি কোৱা হয়। সমাজতত্ববিদ সকলে বিভিন্ন দৃষ্টিকোণৰ পৰা সমূহৰ সংজ্ঞা আগবঢ়াইছে। ইয়াৰ ভিতৰত কেইজনমান সমাজতত্ত্বাবিদৰ সংজ্ঞা আগবঢ়োৱা হ'ল।

## ১.৩ সামাজিক সমূহৰ সংজ্ঞা ঃ

মেক আইভাৰ আৰু পেজ (Mac Iver and Page)ৰ মতে সমূহ হৈছে "ব্যক্তিৰ যিকোনো এটা সংগঠন, যত পৰস্পৰে সামাজিক সম্বন্ধত মিলি যায়"। (By social group we men any collection of human being who are brought into social relationship with one another.)

বগাৰদাস (Bogardas) ৰ মতে সমূহ হৈছে দুজন বা ততোধিক ব্যক্তিৰ সমষ্টি, য'ত কিছুমান উমৈহতীয়া সাৱধানতা থাকে, য'ত ইজনে সিজনক প্ৰেৰণা দিয়ে, য'ত উমৈহতীয়া উক্তি থাকে আৰু যি সমজাতীয় কাৰ্য্যত অংশগ্ৰহণ কৰে। (A social group may be thought of as a number of persons two or more who have some common objects of attention, who are stimulating to each other, who have common loyalty and participate in similar activities).

হৰ্টন আৰু হাণ্ট (Horton & Hunt)ৰ মতে "সদস্যতা আৰু আন্তঃ ক্ৰিয়াৰ প্ৰতি সচেতনতা থকা ব্যক্তিৰ সংগঠনেই সমূহ"। (Groups are aggregates or categories of people who have conscionsness of membership and of interaction).

উইলিয়ামছ (Williams)ৰ মতে সামাজিক সমূহ হৈছে নিৰ্দিষ্ট জন সংগঠন, যি তেওলোকৰ দ্বাৰা বা আনৰ দ্বাৰা আন্তঃক্ৰিয়াবাহী গোট হিচাপে স্বীকৃতি লৈ আন্তঃ সম্বন্ধীয় ভূমিকা গ্ৰহণ কৰে ("A social group is a given aggregate of pepole playing inter - related roles and recognised by themselves or others as a unit of inter-action").

আমেৰিকাৰ অন্যতম সমাজতত্ত্ববিদ (H.M. Johnson) হেৰী, এম, জনছনৰ মতে, "সামাজিক আন্তঃক্ৰিয়া পদ্ধতিয়ে হ'ল সামাজিক সমূহ। ("A social group is a system of social interaction.") আগবাৰ্ন আৰু

নিমকফ (Ogburn & Nimkof) ৰ মতে যেতিয়াই দুজন বা ততোধিক ব্যক্তি পাৰস্পৰিক ভাৱে লগ হয় আৰু এজনে আনজনক প্ৰভাৱান্বিত কৰে তেনে গোটকেই সমূহ বুলি কোৱা হয়। (Whenever two or more individuals come together and influence one another, they may be said to constitute social group).

## ১.৪ সামাজিক সমূহৰ বৈশিষ্ট্য বা চৰিত্ৰ ঃ (Characterstics of Social group)

বিভিন্ন সমাজতত্ত্ববিদ সকলে সমূহ সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাৰ ওপৰত ভিত্তি কৰি তলত সমূহৰ বৈশিষ্ট্যবিলাক আলোচনা কৰা হ'ল –

১। প্ৰতিটো সামাজিক সমূহ ব্যক্তিৰ সমষ্টি। ব্যক্তিৰ দ্বাৰাই সমূহ গঠিত হয়। ব্যক্তি অবিহনে আমি সমূহৰ কথা কল্পনা কৰিব নোৱাৰো। যেতিয়া দুই বা ততোধিক ব্যক্তিয়ে উমৈহতীয়া স্বাৰ্থ পূৰণৰ অৰ্থে পাৰস্পৰিক ভাৱে মিলিত হয়, তেতিয়াই সমূহ একোটাৰ সৃষ্টি হয়। গতিকে ব্যক্তি অবিহনে কেতিয়াও সমূহ সৃষ্টি হ'ব নোৱাৰে।

২। সমূহৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট বা চৰিত্ৰ হ'ল ইয়াৰ সদস্যসকলৰ মাজত থকা আন্তঃ ক্ৰিয়া। সদস্যসকলৰ মাজত আন্তঃক্ৰিয়া সংঘটিত নহলে সমূহ কেতিয়াও সৃষ্টি হব নোৱাৰে। অন্য সদস্য সকলৰ মাজত গঢ় লৈ উঠা আন্তঃ ক্ৰিয়া প্ৰত্যক্ষ বা পৰোক্ষ যিকোনো ধৰণৰ হ'ব পাৰে।

৩। প্ৰতিটো সমূহৰ কিছুমান উমৈহতীয়া স্বাৰ্থ থাকে। কিছুমান বিশেষ ধৰণৰ সামূহিক বা উমৈহতীয়া উদ্দেশ্য পূৰণৰ বাবেই সমূহৰ সৃষ্টি হয়। যিবিলাক স্বাৰ্থ ব্যক্তিগতভাৱে পূৰণ কৰা সম্ভৱ নহয়, সেইবিলাক সমূহৰ মাধ্যমেৰে পূৰণ কৰিবলৈ চেষ্টা কৰা হয়। উমৈহতীয়া স্বাৰ্থ বা উদ্দেশ্য পূৰণৰ বাবে কেতিয়াবা কেইজনমান ব্যক্তিৰ দ্বাৰা একোখন সমিতি প্ৰতিষ্ঠা কৰা

হয়। ইয়াৰ জৰিয়তে সমিতিৰ অন্তভূক্ত হোৱা সকলো সদস্য উপকৃত হ'ব পাৰে।

৪। প্ৰতিটো সামাজিক সমূহৰ মাজত আন্তঃ সম্বন্ধ স্থাপন হ'ব লাগিব। সম্বন্ধহীন ভাৱে কোনো সামাজিক কাৰ্য্য আৰু আন্ত ক্ৰিয়া গঢ়ি উঠিব নোৱাৰে। সেয়ে আন্তঃ সম্বন্ধ সমূহ আন এক প্ৰয়োজনীয় বৈশিষ্ট। অৱশ্যে সমূহ বিশেষে এই সম্বন্ধ স্বাভাৱিক বা নিয়মীয়া ভাৱে গঢ় লয়। উদাহৰন স্বৰূপে পৰিয়ালৰ সদস্যসকলৰ মাজত সি সম্পূৰ্ণৰূপে প্ৰত্যক্ষ আৰু স্বাভাৱিক যদিও ৰাষ্ট্ৰ, ট্ৰেডইউনিয়ন, জাতি সংঘ আদিৰ সদস্য-সম্বন্ধ পৰোক্ষ।

৫। পাৰস্পৰিক সচেতনতাৰ ওপৰতেই সামূহিক জীৱন নিৰ্ভৰশীল। পাৰস্পৰিক বুজা পৰা আৰু পাৰস্পৰিক আচৰণ আদিয়ে একোটা সমূহৰ অস্তিত্বক চিনাকি দিয়ে। কোনজন ব্যক্তি কোন সমূহৰ আৰু সেই সমূহৰ মান, প্ৰমূল্য, প্ৰতিমান, লক্ষ্য, উদ্দেশ্য আদিৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি সেইমতে পৰিচালিত হোৱাই হৈছে সচেতনতাৰ পৰিচয়।

৬। "আমি ভাৱ" সমূহৰ অন্যতম বৈশিষ্ট্য। সমূহৰ সদস্যসকলে নিজৰ সমূহৰ আদৰ্শসমূহক সদায় শ্ৰেষ্ঠ হিচাপে বিবেচনা কৰে আৰু ব্যক্তিগত কাৰ্য্য প্ৰনালীক সামূহিক দৃষ্টি-ভংগীৰে সম্পাদন কৰে। একে ধৰণৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত সমূহৰ সদস্যসকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত কাৰণে সামূহিক স্বাৰ্থৰ অনুকূলধৰ্মী আচৰণে সদস্যসকলক একীভূত কৰি ব্যক্তিসত্ত্বাক সামূহিক সত্ত্বাৰ ৰূপ দিয়ে, যাৰ ফলত সদস্যসকলৰ মনত "আমি ভাৱ" ৰ উদয় হয়।

৭। সমূহৰ আনএটা বৈশিষ্ট হৈছে যে ইয়াৰ কিছুমান বিশেষ ধৰণৰ নিয়ম, ৰীতি নীতি বা প্ৰতিমান আছে। প্ৰতিটো সমূহৰ সদস্যসকলে এই প্ৰতিমানবোৰ মানি চলিব লাগে। সমাজৰ ঐতিহ্য, পৰম্পৰা, লোকবিশ্বাস, জনৰীতি, প্ৰথা আদিৰ ওপৰত নিৰ্ভৰ কৰি সমূহৰ প্ৰতিমানবোৰ লিখিত বা অলিখিত দুয়োটা ৰূপতেই পোৱা যায়। প্ৰতিমান নোহোৱাকৈ কোনো সামাজিক সমূহৰ অস্তিত্বৰ কথা কল্পনা কৰিব নোৱাৰি।

## ১ .৫ সামাজিক সমূহৰ প্ৰকাৰ ঃ (Typolgies of Social Group)

মানৱ সমাজত বিভিন্ন ধৰণৰ সামাজিক সমূহৰ অৱস্থিতি দেখা যায়। সমূহবিলাকৰ স্থিতিকাল, স্বাৰ্থ আৰু স্বজাতি কেন্দ্ৰিক দৃষ্টিভংগী একে নহয়। কিছুমান উমৈহতীয়া প্ৰকৃতিয়ে নিৰ্দিষ্ট কিছুমান লোকক এটা সমূহৰ সদস্য হিচাপে অভিহিত কৰিলেও পাৰস্পৰিক বুজাবুজি নথকাৰ কাৰণে এনে জনসমষ্টিক সমূহ বুলিব পৰা নাযায়। সমাজৰ প্ৰতিজন মানুহেই কমবেছি পৰিমানে তেওঁৰ জীৱনকালত বিভিন্ন ধৰণৰ সমূহৰ লগত জড়িত হৈ পৰে। সমূহ বিহীন মানৱ জীৱন সম্ভৱপৰ নহয়। একোখন সমাজত বহুতো সমূহৰ স্থিতি দেখিবলৈ পোৱা যায়। বহল অৰ্থত এখন সমাজক এটা সমূহ বুলিব পাৰিলেও সমূহ মানে সমাজ নহয়। আৰ্নল্ড গ্ৰীনৰ ভাষাত কবলৈ হলে, সমাজ এনেকুৱা এটা সমূহ, যিটোৱে সামূহিক কতৃত্বৰ আনুগত্য মানি লৈ সংগঠিত হোৱা বিভিন্ন সামাজিক সমূহক সামৰি লয়। উদাহৰণ স্বৰূপে ভাৰতীয় সমাজৰ কথাকে উল্লেখ কৰিব পাৰি।

ভাৰতীয় হিচাপে সমগ্ৰ ভাৰতবাসীকে এটা সমূহৰ সদস্য হিচাপে বিচাৰ কৰিব পৰা হলেও, এই বৃহৎ সমূহটোৰ ভিতৰত জাতি, ধৰ্ম, ভাষা, সংস্কৃতি, অৱস্থান আদিৰ ভিত্তিত বিভিন্ন সমূহে ক্ৰিয়া কৰি থাকে।

অমূৰ্ত সামাজিক সংস্থাৰ মূৰ্ত ৰূপ প্ৰকাশ পায় সামাজিক সমূহত। গতিকে সামাজিক সমূহ আৰু সংস্থাৰ প্ৰাৰ্থক্য সমাজতত্বিয় অধ্যয়নৰ বাবে বিশেষ প্ৰয়োজন। সাধাৰণতে সংস্থা আৰু সমূহৰ প্ৰাৰ্থক্য নিৰ্ণয় কৰাটো বৰ সহজ নহয়। যিহেতু সংস্থাৰ উৎপত্তিৰ মূল কাৰণ হৈছে সমূহৰ কাৰ্য্যপ্ৰণালী সেয়েহে সংস্থাসমূহ আচৰণৰ এটা স্থায়ী আৰ্হি বুলি কব পৰা যায়। কেইবাজনো সমাজতত্ববিদে বিভিন্ন দৃষ্টিভংগীৰে অধ্যয়ন কৰোতে সমূহক বিভিন্ন ভাগত ভাগ কৰিছে। জাৰ্মান সমাজতত্ববিদ জৰ্জ চিমেলে আকাৰৰ ওপৰত ভিত্তি কৰি সমূহক তিনিটা ভাগত Monad, dyad আৰু triadৰ ভাগ কৰি সমূহৰ সদস্য সংখ্যাই সংগঠন আৰু আন্তঃ ক্ৰিয়া কেনেদৰে কৰিছে তাক আলোচনা আগবঢ়াইছে। চিমেলে এই

তিনিওটা সমূহে নগৰীয়া জনসাধাৰনৰ সামাজিক সম্বন্ধ"ৰ প্ৰকৃতিত কেনে ধৰণৰ পৰিবৰ্তন আনে তাকো উল্লেখ কৰিছে। ডিঃ এণ্ডাৰচন নামৰ এজন সমাজতত্ত্বাবিদে সমূহৰ গঠন, কাৰ্য্যপ্ৰনালী আৰু সদস্যৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰি সমূহক তিনিটা ভাগত ভাগ কৰিছে - স্বেচ্ছাকৃত (Voluntary) অস্বেচ্ছাকৃত (Involuntary) আৰু প্ৰতিনিধিমূলক (Representative)। পৰিয়াল, সম্প্ৰদায় আদিক অস্বেচ্ছাকৃত সমূহত অৰ্ন্তগত কৰি তেওঁ কৈছে যে জন্মৰ দ্বাৰা এনে সমূহৰ সদস্যতা নিৰ্ধাৰণ হয়। মানুহে ইচ্ছাকৃতভাৱে ৰাজনৈতিক দল, ক্ৰিকেট দল আদিৰ সদস্যতা গ্ৰহণ কৰিব পাৰে বা নকৰিবও পাৰে বাবে এনে সমূহক স্বেচ্ছাকৃত সমূহ বুলি কোৱা হয়। আনহাতে প্ৰতিনিধিমূলক সমূহৰ সদস্যই কোনো বিশেষ জনসমষ্টিৰ প্ৰতিনিধি হিচাপে ভূমিকা গ্ৰহন কৰে। বিধানসভা, ৰাজ্যসভা, লোকসভা, স্থানীয় নিকায়সমূহ এনে সমূহৰ উদাহৰণ। এনেধৰণে এফ টনিজ নামৰ এজন সমাজতত্ত্ববিদে সমূহৰ সদস্য সংখ্যা আৰু সামাজিক সম্বন্ধৰ ওপৰত ভিত্তি কৰি সম্প্ৰদায়, (Gemins chaff) আৰু সমিতি (Geselss chaft) এই দুটা ভাগত সমূহক বিভক্ত কৰিছে। এফ, এইচ, গিদিংছ, পিটিৰিম চৰকিন, চি, এ, এলউদ ; পাৰ্ক আৰু বাৰ্গছ (Park and Bargess) জি . গডিচ !, ডি . জি হামান্স আদিয়েও সমূহক বিভিন্ন ভাগত বিভক্ত কৰিছে।

সামাজিক সমূহৰ বিভাজন বিভিন্ন ধৰণে কৰিব পৰা হয় যদিও সমাজতত্ত্বৰ বাবে সকলো বিভাজন গ্ৰহনীয় নহয়। সমাজতত্ত্বৰ ফালৰ পৰা বিশেষত্বপূৰ্ণ সামাজিক সমূহৰ বিভাজন হ'ল প্ৰাথমিক আৰু দ্বিতীয় সমূহ (Primary and secondary group), অন্তৰবৰ্তী আৰু বহিঃৰ্বতীসমূহ (Ingroup & Out Group) আৰু সদস্যতা আৰু অনাসদস্যতা সমূহ (Membership and non membership)

প্ৰাথমিক সমূহ ঃ আমেৰিকাৰ অন্যতম সমাজতত্ত্ববিদ চাৰ্লছ হাৰ্টন কুলেই প্ৰথমে প্ৰাথমিক সমূহ অৱধাৰণাটো আগবঢ়াইছিল। কুলেৰ প্ৰাথমিক সমূহৰ এই অবধাৰণাটোৰ লগত চামনাৰৰ অন্তৰবৰ্তী সমূহ আৰু ইমেন্সৰ ক্ষুদ্ৰ সমূহৰ কিছু মিল আছে।

কুলেৰ মতে প্ৰাথমিক সমূহ গঠনৰ মূল ভেটি হ'ল - "মুখামুখী সম্পৰ্ক"

(Face to Face relationslip)। তেওঁৰ মতে, মুখামুখী সম্পৰ্ক থকা লোকসকলে আত্মীয়ভাৱে আনৰ সুখ-দুখ বা জীৱনৰ আশা আকাংখ্যা সম্পৰ্কে সজাগ থাকে। উদাহৰণ স্বৰূপে পৰিয়াল, ওচৰ চুবুৰীয়া, স্বজন গোট, বন্ধু বা খেলৰ গোট আদিৰ কথা উল্লেখ কৰিব পাৰি। কুলেৰ মতে, ব্যক্তিৰ সামাজিকৰণ ক্ষেত্ৰত এনে সমূহে মুখ্য ভূমিকা গ্ৰহণ কৰাৰ বাবে এই সমূহক প্ৰাথমিক সমূহ বোলা হয়। প্ৰাথমিক সমূহৰ সদস্যৰ সম্পৰ্ক ভৌতিক সান্নিধ্য, আনুভূতিক ঐক্য আৰু সহৃদয়তাৰ ওপৰত নিৰ্ভৰ কৰে। এনে সমূহৰ গঠন স্বাভাৱিক, সদস্য সম্পৰ্ক স্থায়ী আৰু আনুভূতিক সংহতিৰ মাজেদি এনে সমূহৰ সদস্যসকলে নিজৰ নিজৰ কাৰ্য্যৱলী সম্পাদন কৰে। সেয়ে সহযোগ, সহানুভূতি সহৃদয়তা আৰু পাৰস্পৰিক "আমি ভাৱ" আদিয়েই প্ৰাথমিক সমূহৰ মূল উপাদান। কুলেৰ মতে, সামাজিকসমূহ হৈছে সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণৰ অভিকৰ্ত্তা আৰু বৃহৎ সামাজিক সংহতিৰ আধাৰশিলা স্বৰূপ। মেক্‌আইভাৰ আৰু পেজৰ মতেও "প্ৰাথমিক সমূহ সকলো সংগঠনৰে অংকুৰ স্বৰূপ।" তেওঁৰ মতে প্ৰাথমিক সমূহতে লোকাচাৰৰ জন্ম হয় আৰু প্ৰাথমিক সমূহ লোকচাৰৰ উৎপাদন ক্ষেত্ৰ। স্বাভাৱিকতে আনুভূতিক ঐক্যৰ ভিত্তিত প্ৰতিস্থিত প্ৰাথমিক সমূহক বৃহৎ সামাজিক সংগঠনৰ মূল চালিকা শক্তি হিচাপে বিবেচনা কৰিব পাৰি। প্ৰাথমিক সমূহত প্ৰত্যেক সদস্যই অনানুষ্ঠানিক ভাৱে অন্য সদস্যৰ লগত ক্ৰিয়া আৰু ভাৱৰ বিনিময় কৰিব পাৰে।

প্ৰাথমিক সমূহৰ আলোচনা প্ৰসংগত চালচ হাৰ্টন কুলেই ক্ৰয়াগত ভাৱে পৰিয়াল, ক্ৰিড়াসমূহ আৰু ওচৰ চুবুৰীয়াৰ বিষয়ে আলোচনা কৰিছে। তেওঁৰ মতে *বিশ্বজনীন প্ৰকৃতি আৰু ব্যক্তিত্ব বিকাশত থকা মুখ্য ভূমিকাৰ বাবেই ইয়াক প্ৰাথমিক* সমূহ বোলা হয়। অৱশ্যে প্ৰাথমিক সমূহৰ বিষয়ে কৰা কুলেৰ আলোচনা সুস্পষ্ট সমালোচনা মুক্ত নহয়।

---

**প্ৰাথমিক সমূহ গঠনৰ ভৌতিক অৱস্থা ঃ**

---

প্ৰাথমিক সমূহৰ ওপৰত চালছ হাৰ্টন কুলেই বিস্তৃত ব্যাখ্যা আগবঢ়ালেও

ইয়াৰ গঠন সম্পৰ্কে তেওঁ কোনো মন্তব্য প্ৰকাশ কৰা নাই। কুলেৰ আলোচনাৰ ওপৰত ভিত্তি কৰি আন এজন সমাজতত্ত্ববিদ কিনছলি ডেভিছে প্ৰাথমিক সমূহ গঠনৰ তিনিটা চৰ্ত উল্লেখ কৰিছে। চৰ্তকেইটা হৈছে ভৌতিক সান্নিধ্য (Physical proximity), ক্ষুদ্ৰ আকাৰ (Smallness) আৰু সম্বন্ধৰ অৱধি (Duration of relationship)। এই চৰ্তকেইটাৰ অবিহনে প্ৰাথমিক সমূহ গঠন হোৱাটো সম্ভৱ নহয়। কিংছলি ডেভিছে দিয়া প্ৰাথমিক সমূহৰ চৰ্তকেইটা তলত উল্লেখ কৰা হ'ল।

(ক) **ভৌতিক সান্নিধ্য** ঃ কিংছলি ডেভিছে ভৌতিক সান্নিধ্যক প্ৰাথমিক সমূহ গঠনৰ মূল স্বৰ্ত হিচাপে উল্লেখ কৰিছে। তেওঁৰ মতে ভৌতিক সান্নিধ্য অবিহনে আন্তঃসম্বন্ধ কেতিয়াও স্থাপন হ'ব নোৱাৰে। সমবেদনা জ্ঞাপন, ভাবৰ আদান প্ৰদান আৰু বন্ধুত্ব স্থাপনৰ কাৰণে ভৌতিক সান্নিধ্যৰ একান্ত প্ৰয়োজন। মানুহৰ মাজত আন্তৰিক বিনিময় বা আনুভূতিক সংহতিৰ কাৰণে সান্নিধ্যৰ প্ৰয়োজন। সমবেদনা, সহযোগ আদি যিবিলাক উপাদান লৈ প্ৰাথমিক সমূহ গঠিত হয় সেই বিলাকৰ প্ৰত্যক্ষ ক্ৰিয়াৰ ক্ষেত্ৰত ব্যক্তিৰ প্ৰত্যক্ষ স্থিতিৰ একান্তই আৱশ্যক। অৱশ্যে ভৌতিক সান্নিধ্য স্থায়ী প্ৰকৃতিৰ হ'ব লাগিব।

(খ) **সমূহৰ লঘু আকাৰ (Smallness of group)**ঃ প্ৰাথমিক সমূহ গঠনৰ দ্বিতীয় স্বত্ব হিচাপে কিংচলি ডেভিছে সমূহৰ লঘু আকাৰৰ কথা উল্লেখ কৰিছে। পাৰস্পৰিক নিৰ্ভৰ্শীলতা আৰু আনুভূতিক ঐক্য বা মুখামুখি সম্বন্ধৰে গঠিত ব্যক্তিৰ সমূহত সদস্যৰ সংখ্যা সীমিত হব লাগে বুলি কিংছলি ডেভিছে উল্লেখ কৰিছে। সাধাৰনতে সমূহত সদস্য সংখ্যা যিমানেই বেছি হয় পাৰস্পৰিক বুজাবুজি সিমানেই কম হয়। উদাহৰণ স্বৰূপে আধুনিক পৰিয়ালৰ আকাৰ সৰু হোৱাৰ বাবেই নিবিঢ় আন্তৰিকতা, মুখামুখি সম্পৰ্ক আৰু আত্মীয়তা ভাৱ গঢ়ি উঠিছে।

(গ) **সম্বন্ধৰ অৱধি (Duration of relationship)** ঃ প্ৰাথমিক সমূহ গঠনৰ তৃতীয় চৰ্ত হ'ল সম্বন্ধৰ অৱধি, অৰ্থাৎ এনে সমূহৰ সদস্যসকলৰ

মাজত গঢ় লোৱা সম্বন্ধ স্থায়ী প্ৰকৃতিৰ। উদাহৰণস্বৰূপ পৰিয়ালৰ সদস্যসকলৰ মাজত গঢ় লোৱা সম্বন্ধ সদায় স্থায়ী হোৱা দেখা যায়। সেয়ে কব পাৰি যে সম্বন্ধ যিমানেই স্থায়ী হয় আন্তৰিকতা সিমানেই গভীৰ হয়। আন্তৰিকতা আৰু আত্মীয়তাৰ অবিহনে এনে সমূহৰ স্থিতি কেতিয়াও সম্ভৱ নহয়।

## প্ৰাথমিক সমূহৰ প্ৰকৃতি বা চৰিত্ৰ ঃ (Charactcrstics of Primary Group)

কিংছলি ডেভিছৰ আলোচনাৰ পৰা পৰিস্কাৰ ভাৱে ওলাই পৰিছে যে প্ৰাথমিক সমূহ মানেই সম্বন্ধ প্ৰধানসমূহ। অৰ্থাৎ অন্যান্য দিশতকৈ সম্বন্ধৰ নিবিড়ভাৱ ইয়াত বিশেষ ধৰণে প্ৰকাশ পাইছে। প্ৰকৃতাৰ্থত ডেভিছে উল্লেখ কৰা অৱস্থা তিনিটাই ঘনিষ্ঠ সম্বন্ধ স্থাপনৰ বাতাবৰনকহে নিৰ্দেশ কৰিছে। এই ফালৰ পৰা প্ৰাথমিক সমূহৰ প্ৰাকৃতিক সম্বন্ধৰ প্ৰকৃতি বুলিব পৰা যায়। প্ৰাথমিক সমূহৰ চৰিত্ৰ সমূহ তলত উল্লেখ কৰা হ'ল –

### ১। উমৈহতীয়া উদ্দেশ্য (Common purpose)ঃ

প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজত উমৈহতীয়া উদ্দেশ্য দেখিবলৈ পোৱা যায় অৰ্থাৎ ব্যক্তিগত উদ্দেশ্যতকৈ সামূহিক উদ্দেশ্যত প্ৰাধান্যতা বেছি। এনে সমূহত সদস্যসকলে পৰস্পৰে পৰস্পৰক উদ্দেশ্য সিদ্ধিত সহায় কৰে আৰু প্ৰেৰণা দিয়ে। উদাহৰণ স্বৰূপে পৰিয়ালৰ সদস্যসকলে ইজনে সিজনক পাৰস্পৰিক ভাৱে সহায় কৰে, উৎসাহ যোগায় যাতে পৰিয়ালটোৰ শান্তি, ঐক্য, উন্নতি আদি সাধন হয়। সেয়ে পৰিয়ালত সকলো সদস্যই ইয়াৰ ৰীতি-নীতি আৰু আদৰ্শ মানি চলে।

### ২। লঘু আকৃতি (Small in size) ঃ

প্ৰাথমিক সমূহৰ সদস্যসংখ্যা কম হোৱাৰ বাবে ইয়াৰ আকৃতি সৰু।

কেইজনমান সদস্যৰে এই সমূহ গঠিত হয়। প্ৰাথমিক সমূহৰ উদাহৰণস্বৰূপে আমি পৰিয়ালৰ আকাৰলৈ চালেই উক্ত বাখ্যাৰ প্ৰমান পাব পাৰো। পিতৃ-মাতৃ আৰু তেওঁলোকক লৈ পৰিয়াল গঠিত হোৱা বাবে ইয়াৰ আকৃতি সৰু।

৩। ব্যক্তিবাচক সম্বন্ধ **(Personal relations)**ঃ

প্ৰাথমিক সমূহৰ আন এটা বৈশিষ্ট হৈছে ব্যক্তিবাচক সম্বন্ধ। এনে সমূহত ব্যক্তিৰ প্ৰস্থিতিৰ ওপৰত ভিত্তি কৰি সম্বন্ধ গঢ় নলয়, সদস্যৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰিহে সম্বন্ধ গঢ় লয়। উদাহৰণ স্বৰূপে পিতৃ-মাতৃ লগত সন্তানৰ সম্বন্ধ ব্যক্তি বাচক আৰু প্ৰত্যক্ষ। পৰিয়ালৰ কোনো এজন সদস্যৰ মৃত্যু হলে অন্য সদস্য আহি সেই ঠাই পুৰণ কৰিব নোৱাৰে আৰু আহিলেও পুৰ্বৰ দৰে সম্পৰ্ক গঢ় লৈ উঠা সহজ নহয়। সেয়ে এনে সম্বন্ধ স্বাভাৱিক আৰু অপৰিৱৰ্তনীয়। কিন্ত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ লগত বিদ্যালয়ৰ কৰ্মচাৰী বা ছাত্ৰ-ছাত্ৰীৰ সম্বন্ধ লৈ পদানুযায়ী পৰিৱৰ্তিত হ'ব পাৰে। অৰ্থাৎ বিদ্যালয়খনত এজন অধ্যক্ষৰ পৰিবৰ্তে আন এজন অধ্যক্ষ আহিব পাৰে, কিন্ত এজন পুত্ৰৰ নিৰ্দিষ্ট পিতৃ আহিব নোৱাৰে।

৪। প্ৰাথমিকসমূহৰ সম্পৰ্কৰ মাথো পৰিণতি ঘটে, সাধন নহয় **(Ends not means)**ঃ

প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজৰ সম্বন্ধত কোনো স্বাৰ্থ বা উদ্দেশ্য সাধনৰ প্ৰাপ্তি নঘটে, মাত্ৰ পৰিণতিহে ঘটে। উদাহৰণস্বৰূপে, বিদ্যালয়ত যেতিয়া এজন শিক্ষকে শিক্ষাদান কৰে তাৰ পৰিবৰ্তে তেওঁ পাৰিশ্ৰমিক পায়। ঠিক তেনেদৰে এখন চিকিৎসালয়ত ডাক্তৰে ৰোগীক চিকিৎসা কৰাৰ বিনিময়ত দৰমহা পায়। সেয়ে, এনেধৰণৰ কাৰ্য্যদানৰ পৰিৱৰ্তে দৰমহাৰ উদ্দেশ্য সাধন হয়। কিন্ত পৰিয়ালত পিতৃ মাতৃয়ে সন্তানক সজ শিক্ষা দিয়াৰ

*বিনিময়ত কোনোধৰণৰ পাৰিশ্ৰমিক নাপায় অৰ্থাৎ কাৰ্য্য বা সম্বন্ধ সাধন নহয়,* কিন্তু তেনে কাৰ্য্যৰ পৰিণতি ঘটে। অৰ্থাৎ পিতৃ মাতৃৰ উপদেশবোৰে সন্তানৰ ভৱিষ্যত গঢ় লোৱাত সহায় কৰে, যাৰ ফলত সন্তানসকল সৎগুণৰ অধিকাৰী হ'ব পাৰে।

৫। **প্ৰাথমিকসমূহ বিশ্বজনীন (Primary groups are universal)ঃ**

প্ৰাথমিকসমূহ বিশ্বজনীন প্ৰকৃতিৰ। পৃথিৱীৰ সকলো মানৱ সমাজতে প্ৰাথমিক সমূহ বিদ্যামান। অৰ্থাৎ আদিম প্ৰকৃতিৰ জনজাতীয় সমাজৰ পৰা আৰম্ভ কৰি অত্যাধুনিক বৈজ্ঞানিক সমাজলৈকে সকলোতে এই সমূহ বৰ্তি আছে।

৬। স্থায়ী সামাজিক সম্বন্ধ (Permanent social relationships)ঃ

প্ৰাথমিকসমূহৰ সদস্যসকলৰ মাজৰ সম্পৰ্কটো স্থায়ী প্ৰকৃতিৰ। উদাহৰণস্বৰূপে, এটা পৰিয়ালৰ বা চুবুৰীৰ সদস্যসকলৰ মাজৰ সম্বন্ধ সদায় স্থায়ী হয়।

৭। **ব্যক্তিস্বাৰ্থৰ সীমাবদ্ধতা (Limited selfinterest)ঃ**

প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজত ব্যক্তিগত স্বাৰ্থৰ প্ৰভাৱ কম। প্ৰতিজন সদস্যই ব্যক্তিগত স্বাৰ্থ পৰিহাৰ কৰি সামূহিক স্বাৰ্থৰ হকে কাৰ্য্য সম্পাদন কৰে।

৮। **প্ৰত্যক্ষ সহযোগ (Direct co-operation)ঃ**

প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজত পোনপটীয়াভাৱে সহযোগ ঘটে। ইয়াৰ প্ৰতিজন সদস্যই প্ৰত্যক্ষ সহায়-সহযোগিতাৰ মাজেৰে সামূহিক উদ্দেশ্য পূৰণ কৰিবলৈ চেষ্টা কৰে। এনে কৰিবলৈ যাওঁতে তেওঁলোকে স্বাৰ্থপৰতা বা ব্যক্তিগত তথা মইমতীয়াভাৱে কাম নকৰি কেৱল পাৰস্পৰিক নিৰ্ভৰশীলতাৰ মাজেদিহে কৰ্তব্য সম্পাদন কৰে।

৯। **স্থায়ী দৈহিক সান্নিধ্য (Permanent physical proximity)ঃ**

প্ৰাথমিক সমূহৰ অন্যতম গুৰুত্বপূৰ্ণ চৰিত্ৰ হৈছে ইয়াৰ সদস্যসকলৰ মাজত দৈহিক সান্নিধ্য স্থায়ী হয়। স্থায়ী মুখামুখী সম্পৰ্ক আৰু দৈহিকসম্বন্ধই প্ৰাথমিক সমূহক অন্যসমূহৰ পৰা পৃথক কৰিছে। চহৰ, হোটেল, যানবাহন, চিনেমা হ'ল, বজাৰ আদিত মানুহৰ দৈহিক সান্নিধ্য আৰু মুখামুখী সম্পৰ্ক ঘটিলেও সি স্থায়ী নহয়। কিন্তু প্ৰাথমিক সমূহত ই স্থায়ী। উদাহৰণস্বৰূপে, পৰিয়ালৰ পিতৃ-মাতৃ আৰু সন্তান সকলৰ দৈহিক সান্নিধ্য আগমুহূৰ্তলৈকে স্থায়ী, ই কেতিয়াও পৰিবৰ্তন নহয়।

এই খিনিতে আমি এটা কথা মনত ৰাখিব লাগিব যে মুখামুখিভাৱে বা দৈহিক সংস্পৰ্শ বা সান্নিধ্য ৰক্ষা কৰি কাম কৰা বা ভাব বিনিময় কৰি থকা সকলো ব্যক্তিৰ মাজতে প্ৰাথমিক সমূহ গঢ়ি নুঠে। উদাহৰণস্বৰূপে - চিকিৎসক আৰু ৰোগী, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী আদিৰ মাজত সদায় নিয়মিয়াভাৱে মুখামুখী সম্পৰ্ক ৰক্ষা কৰি কাৰ্য্য সম্পন্ন কৰি থাকে। তেনেদৰে বিভিন্ন চৰকাৰী কাৰ্য্যালয় বিলাকতো অনেক কৰ্মচাৰীয়ে নিয়মীয়া ভাৱে মুখামুখী অৱস্থাত কাম কৰি থাকে। তথাপি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু ৰোগী বা চৰকাৰী কাৰ্য্যালয়ত কাম কৰা কৰ্মচাৰীসকলক প্ৰাথমিক সমূহ হিচাপে বিবেচনা কৰিব নোৱাৰি। কাৰণ তেওঁলোকৰ সম্বন্ধ স্থায়ী নহয়। এটা নিৰ্দিষ্ট সময় তেওঁলোকে একেলগে কাম কৰি পুনৰ নিজ নিজ গৃহ অভিমুখে গুচি যায়। এনে সম্বন্ধ কিছুমান আনুষ্ঠানিক নিয়মৰ দ্বাৰা পৰিচালিত হয়।

## প্ৰাথমিক সমূহৰ গুৰুত্ব (Importance of Primary Groups)

প্ৰাথমিক সমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা ক্ষেত্ৰত ব্যক্তিৰ সামাজিক জীৱনত ই কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছে সেই বিষয়ে পৰ্যালোচনা কৰিব লাগিব। সামাজিক জীৱনত প্ৰাথমিক সমূহৰ বিশেষত্ব হ'ল এই যে মানুহে ব্যক্তিগতভাৱে বা স্বতন্ত্ৰভাৱে যিখিনি প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰে প্ৰাথমিক সমূহৰ জৰিয়তে সেইখিনি পৰিপূৰণ কৰিব পাৰে। সেয়ে মানুহৰ জীৱনত প্ৰাথমিক সমূহৰ গুৰুত্ব

কিমান বেছি তাক সহজে অনুমান কৰিব পাৰি। কেৱল ব্যক্তিৰ ব্যক্তিগত জীৱনৰ বাবেই নহয়, সামাজিক দৃষ্টিকোণৰ পৰাও প্ৰাথমিক সমূহ\ গুৰুত্ব অসীম।

মানুহৰ আচৰণ, জীৱনৰ আশা-আকাংক্ষা, ধ্যান-ধাৰণা, মূল্যবোধ, প্ৰেম-প্ৰীতি, সহায়-সহানুভূতি, দয়া-ক্ষমা, পৰোপকাৰ, মৰম-চেনেহ, ইত্যাদি গুণবোৰৰ সৃষ্টি আৰু বিকাশ প্ৰাথমিক সমূহৰ যোগেদিয়েই গঢ় লয়। বিশেষকৈ প্ৰাথমিক সমূহৰ অন্যতম উদাহৰণ পৰিয়াল, সমনীয়া, ওচৰ চুবুৰীয়া আদিৰ প্ৰভাৱতেই বহুতো মানৱীয় গুণৰ বিকাশ ঘটে। এই ক্ষেত্ৰত পৰিয়ালৰ দৰে প্ৰাথমিক সমূহৰ গুৰুত্বই আটাইতকৈ বেছি। যি যুগত সমাজৰ স্হিতি হোৱা নাছিল, যি যুগত প্ৰকৃতিৰ ওপৰত মানুহ সম্পূৰ্ণৰূপে নিভৰশীল আছিল, সেই যুগৰ পৰাই পৰিয়ালে সদস্যসকলক আত্ম-প্ৰতিষ্ঠাৰ প্ৰত্যক্ষ আৰু প্ৰাৰি ক অৰিহণা যোগাই আহিছে। সেয়ে সমাজশাস্ত্ৰৰ পিতৃস্বৰূপ আগষ্ট ক'টকে ধৰি বহু সমাজতত্ববিদে পৰিয়ালক সমাজ গঠনৰ প্ৰাথমিক অৱস্হা হিচাপে বিবেচনা কৰিছে । বিভিন্ন দিশৰ পৰা প্ৰাথমিক সমূহৰ গুৰুত্ব বিচাৰ কৰিব পৰা হয় যদিও ব্যক্তিৰ সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণৰ দিশত প্ৰাথমিক সমূহৰ প্ৰভাৱ অপৰিসীম আৰু সেয়ে এই দুটা দিশৰ ওপৰতেই প্ৰাথমিক সমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল ।

প্ৰাথমিক সমূহৰ উৎকৃষ্ট উদাহৰণ হ'ল পৰিয়াল। এই পৰিয়ালেই হ'ল মানুহৰ সামাজিক জীৱনৰ প্ৰথম পদক্ষেপ। তাৰোপৰি পৰিয়ালৰ দৰে প্ৰাথমিক সমূহবিলাকতে মানুহৰ ব্যক্তিত্বই গঢ় লয় । ইয়াৰ জৰিয়তেই মানুহে সামাজিক জীৱনৰ বহুখিনি প্ৰাথমিক কথা শিকি লয়। পৰিয়ালে মানুহৰ চৰিত্ৰ গঠনত বিশেষভাৱে সহায় কৰা দেখা যায়। শিশুৱে পিতৃ-মাতৃ তথা পৰিয়ালত থকা অন্যান্য ব্যক্তিৰ পৰা সৎ আচৰণ, সৎ কথা, সৎ শিক্ষা আদি শিকি ল'ব পাৰে। এনে হ'বলৈ অৱশ্যে পৰিয়ালৰ পৰিৱেশ সুস্হ হ'ব লাগিব। পৰিয়ালৰ দৰে প্ৰাথমিক সমূহবোৰতেই ব্যক্তিসকলৰ মৰম-চেনেহ, সহায়-সহানুভূতি, আত্মীয়তা, সহৃদয়তা, প্ৰশংসা, দয়া, ক্ষমা আদি সুস্হ মানবীয় অনুভূতিৰাজিৰ অঙ্কুৰ আৰু

বিকাশ সম্ভৱ হয়। এনে ধৰণৰ পৰিৱেশ আৰু অনুভূতিবোৰে সুস্থ-সৰল শৰীৰ আৰু মানসিক অৱস্থা গঢ়ি তোলাত ইন্ধন যোগায়। সুস্থ-সৰল পৰিৱেশহীন পৰিয়ালত অসুস্থ মানসিক অৱস্থাই গঢ় লোৱাত সহায় কৰে। যিবোৰ পৰিয়ালত মানৱীয় অনুভূতিৰ অভাৱ দেখা যায় সেইবোৰ পৰিয়ালত হিংসা, দ্বন্দ্ব, সংঘাত, কু-আচৰণ, নিৰ্মম ব্যৱহাৰ আদি ভাবৰ সঞ্চাৰ হয় । এনে পৰিবেশত মানুহৰ মন আৰু চৰিত্ৰ বেয়াৰ ফালে ধাৱিত হ'ব পাৰে। অসৎ পৰিৱেশ বা অসৎ সংগত এজন ব্যক্তিৰ বিশেষকৈ অপৰিপক্ক ল'ৰা- ছোৱালীৰ চৰিত্ৰ বেয়া হোৱা দেখা যায়।

অন্য এগৰাকী বিখ্যাত সমাজতত্ত্ববিদ ইমাইল দুৰখেমে তেওঁৰ "Suicide" নামৰ গ্ৰন্থত কৈছে যে যি সমাজত মানুহৰ আচৰণৰ ওপৰত প্ৰাথমিক সমূহৰ প্ৰভাৱ দুৰ্বল তেনে সমাজত আত্মহত্যাৰ ঘটনা তুলনামূলকভাৱে বেছি । সেইদৰে প্ৰাথমিক সমূহবোৰ দুৰ্বল হ'লে সমগ্ৰ সমাজতে অপৰাধমূলক কাৰ্য বৃদ্ধি পায়। সেইকাৰণে অপৰাধতত্ববিদসকলে সুস্থ-সৰল সামাজিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শিশুৰ সুস্থ সামাজিকীকৰণে মানসিক আৰু বৌদ্ধিক বিকাশত সহায় কৰে যাৰ ফলত তেওঁ এজন আদৰ্শ ব্যক্তি হিচাপে সমাজত স্থান লাভ কৰিব পাৰে।

সামাজিক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰাথমিক সমূহবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজত থকা গভীৰ প্ৰেম-প্ৰীতি, মৰম-স্নেহ, সহৃদয়তা আৰু স্থায়ী দৈহিক তথা আন্তৰিক সম্পৰ্কই ব্যক্তিসকলক নিয়ন্ত্ৰণ কৰি ৰাখে। কৰণীয়, অকৰণীয় উচিত, অনুচিত, জনমত, সামাজিক প্ৰতিমান তথা সামাজিক সংস্কৃতিৰ প্ৰতি প্ৰাথমিক সমূহে বিশেষ গুৰুত্ব দিয়ে আৰু ইয়াৰ সদস্যসকলক সেইবিলাকৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি চলিবলৈ শিকায়। এনে শিক্ষাই প্ৰতিজন সদস্যকেগোটেই জীৱন প্ৰভাৱান্বিত কৰি ৰাখে। সেয়ে গাওঁ তথা পৰিয়ালৰ সংস্পৰ্শৰ পৰা আমি কিবা কাৰণত আঁতৰত থাকিবলগা হ'লেও সেই আদৰ্শই আমাক নিয়ন্ত্ৰণ কৰি ৰাখে।

পথভ্ৰষ্টমূলক কাৰ্যৰ পৰা আঁতৰি থকাত পৰিয়ালৰ দৰে প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজত থকা গভীৰ আন্তৰিক সম্বন্ধই ব্যক্তিসকলক সহায় কৰে। ঠিক তেনেদৰে ˙ ওচৰ চুবুৰীয়া আৰু গাওঁ আদিয়েও সামাজিক নিয়ন্ত্ৰণত বিশেষভাৱে সহায় কৰি আহিছে। তাৰোপৰি ক্ৰীড়াসমূহৰ ৰীতি-নীতি তথা সংস্কৃতি বিলাকেও ইয়াৰ সদস্যসকলক বিশেষভাৱে নিয়ন্ত্ৰণ কৰি ৰখা দেখা গৈছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে সামাজীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণৰ কাৰক হিচাপে প্ৰাথমিক সমূহে বৃহৎ সামাজিক আদৰ্শ আৰু নীতিৰ পৰিপ্ৰেক্ষিতত জীৱন যাপন কৰিবলৈ ইয়াৰ সদস্যসকলক প্ৰত্যক্ষভাৱে শিক্ষা দিয়ে। এই দৃষ্টিকোণৰ পৰা প্ৰাথমিক সমূহক সামাজিক সংগঠনৰ জীৱনীশক্তি বুলিব পাৰি। প্ৰাথমিক সমূহেই হৈছে মানৱ সমাজৰ সংস্কৃতিৰ আবাসভূমি আৰু সংস্কৃতিৰ বাহক। মুঠতে ব্যক্তিৰ গঠন, সামাজীকৰণ, সামাজিক নিয়ন্ত্ৰণ, সংস্কৃতিৰ শিক্ষা আৰু হস্তান্তৰকৰণ, সহৃদয়তা, সাধুতা, নম্ৰতা, বিনয়ী, ধৈৰ্য্য, দয়া, ক্ষমা, সহযোগ আদি মানবীয় গুণৰাজি তথা সামাজিক সংগঠনৰ প্ৰধান উপাদানবোৰ প্ৰাথমিক সমূহৰ যোগেদিয়ে মানুহে শিকিবলৈ সুবিধা পায়। গতিকে প্ৰাথমিক সমূহক মানৱ জীৱনৰ দিক্ নিৰ্ণায়ক আৰু সামাজিক জীৱন গঢ় দিয়া কমাৰশাল বুলি আখ্যা দিব পাৰি।

---

## দ্বিতীয়ক সমূহ (Secondary Groups)

সমাজতত্ত্বৰ মূল অৱধাৰণা 'সমূহ'ৰ অন্যতম উল্লেখযোগ্য ভাগ হৈছে দ্বিতীয়ক সমূহ। দ্বিতীয়ক সমূহ প্ৰধানকৈ আধুনিক উদ্যোগপ্ৰধান সমাজৰ বৈশিষ্ট্য বুলি ক'ব পাৰি। এনে সমূহৰ উৎস হ'ল কুলেৰ প্ৰাথমিক সমূহ। সমাজতত্ত্ববিদ C.H.Cooley -ৰ প্ৰাথমিক সমূহৰ বিস্তৃত ব্যাখ্যাৰ ওপৰত নিভৰ

কৰিয়েই তেওঁৰ পৰৱৰ্তী সমাজতত্ত্ববিদ সকলে দ্বিতীয়সমূহৰ অৱধাৰণা সৃষ্টি কৰে। সমাজতত্ত্ববিদ কিংছলি ডেভিছ, মেক্ আইভাৰ, পেজ, হাৰ্টন আৰু হান্টট আদিয়ে দ্বিতীয়ক সমূহৰ বিষয়ে আলোচনা কৰিছে যদিও স্পষ্ট সংজ্ঞা আগবঢ়োৱা নাই। তথাপি তেওঁলোকৰ ব্যাখ্যাৰ পৰা দ্বিতীয়ক সমূহ সম্পৰ্কে মন্তব্য কৰিব পাৰি যে প্ৰাথমিক সমূহৰ বিপৰীত প্ৰকৃতিযুক্ত সমূহকে দ্বিতীয়ক সমূহ বুলি ক'ব পাৰি।" (The Secondary Groups are almost the opposite of Primary Groups)।

সমাজতত্ত্ববিদ অগৰ্বান আৰু নিমকফে "সহৃদয়তা বা আত্মীয়তাবিহীন জনসমষ্টিৰ গোটকে দ্বিতীয়ক সমূহ" বুলি কৈছে (The groups which provide experience lacking in intimacy can be called Secondary Groups)

সমাজতত্ত্ববিদ কিংছলি ডেভিচৰ মতে সাধাৰণ পৰিভাষাত কবলৈ হ'লে দ্বিতীয়ক সমূহ প্ৰাথমিক সমূহৰ সম্পূৰ্ণ বিপৰীত বুলি ক'ব পাৰি (Secondary Groups can be roughly defined as the opposite of everything already said about Primary Groups)।

দ্বিতীয়ক সমূহৰ অৰ্থ সম্পৰ্কে আমি মন্তব্য কৰিব পাৰোঁ যে যি সমূহৰ আকাৰ বৃহৎ, সদস্য সম্পৰ্ক পৰোক্ষ আৰু নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ কিছুমান বিশেষ ধৰণৰ ঔপচাৰিক বিধি বাধ্যতামূলকভাৱে সদস্যসকলে পালন কৰিবলগীয়া হয় তাকেই দ্বিতীয়ক সমূহ বুলিব পাৰি। দ্বিতীয়ক সমূহৰ অন্যতম উদাহৰণ হৈছে ৰাষ্ট্ৰ, ৰাজনৈতিক দল, মহানগৰ, জাতি, শ্ৰমিক সংঘ, ঔদ্যোগিক সংগঠন, সাহিত্য সভা, যুৱক সংঘ, মহিলা সংঘ, শিক্ষক সন্হা, কৰ্মচাৰী সন্হা ইত্যাদি। এনেধৰণৰ সমূহ বা সংগঠনবোৰ কিছুমান নিৰ্দিষ্ট নীতি-নিয়মৰ দ্বাৰা গঠিত হয়। নিৰ্দিষ্ট লক্ষ্য সাধন কৰাটোৱেই এনে সমূহৰ মূল লক্ষ্য বা উদ্দেশ্য। ইয়াৰ নীতি-নিয়ম ভংগ কৰিলে সদস্যপদৰ পৰা তেনে ব্যক্তিক বহিস্কাৰ কৰা বা শাস্তি বিধান কৰা হয়। একে লক্ষ্য সাধনৰ বাবে সকলো সদস্য সমৱেত হৈ কাম কৰিলেও সদস্যবৰ্গৰ মাজত আত্মীয় সম্বন্ধ গঢ়ি নুঠিবও পাৰে। একেলগে কাম

কৰাৰ বাবে প্ৰত্যেকে প্ৰত্যেকক কামত সহায়-সহযোগিতা কৰিলেও সেই সহযোগিতা আৰু সম্বন্ধ স্বতঃস্ফুৰ্ত নহ'বও পাৰে। তেওঁলোকৰ মাজৰ সম্বন্ধ সদায় ঔপচাৰিক, কৃত্ৰিম, উদ্দেশ্য প্ৰণোদিত আৰু অস্থায়ী। স্বাৰ্থ পূৰণৰ পিছত তেওঁলোকৰ সম্বন্ধবোৰৰ বিলুপ্তি ঘটে। গতিকে এনে দ্বিতীয়ক সমূহ হ'ল উদ্দেশ্য সাধণৰ বাবে কিছুমান নীতি-নিয়মৰ দ্বাৰা গঠিত সমূহ । ইয়াৰ সম্বন্ধবোৰ কৃত্ৰিম, অস্থায়ী আৰু উদ্দেশ্য সাধনৰ লগত জড়িত। আমি আগতেই উল্লেখ কৰি আহিছোঁ যে দ্বিতীয়ক সমূহ বিশেষকৈ আধুনিক শিল্প উদ্যোগপ্ৰধান সমাজৰ বৈশিষ্ট্য। সমাজতত্ত্বই যিহেতু আধুনিক সমাজ আৰু ইয়াৰ পৰিৱৰ্তনৰ স্বৰূপৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰে আৰু অন্যহাতে দ্বিতীয়ক সমূহৰ যোগেদি আধুনিক সমাজৰ স্বৰূপ প্ৰকাশ পাইছে, সেয়ে এইফালৰ পৰা দ্বিতীয়ক সমূহৰ বিষয়ে সমাজতাত্ত্বিক আলোচনাৰ একান্তই প্ৰয়োজনীয়তা আছে। আমি সকলোৱে সমাজৰ একো একোজন ব্যক্তি হিচাপে দ্বিতীয়ক সমূহৰ বিষয়ে জনাটো একান্তই প্ৰয়োজন ।

---

**দ্বিতীয়ক সমূহৰ বৈশিষ্ট্য বা চৰিত্ৰ (Characteristics Features of Secondary Groups)**

---

দ্বিতীয়ক সমূহৰ বৈশিষ্ট্য বা চৰিত্ৰসমূহ তলত উল্লেখ কৰা হ'ল ।

১। দ্বিতীয়ক সমূহৰ আকাৰ সাধাৰণতে ডাঙৰ আৰু সদস্য সংখ্যা বেছি। উদাহৰণস্বৰূপে আমি ৰাষ্ট্ৰৰ কথা উল্লেখ কৰিব পাৰো।

২। দ্বিতীয়ক সমূহৰ সদস্য-সম্পৰ্ক আনুষ্ঠানিক আৰু নৈৰ্ব্যক্তিক। এনে সমূহৰ সদস্য সকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰস্পৰৰ সান্নিধ্যলৈ আহিলেও ই স্থায়ী নহয়। মুখামুখী সম্পৰ্ক থাকিলেও এই সম্পৰ্ক ক্ষন্তেকীয়া। দ্বিতীয়ক সমূহৰ সদস্যসকলৰ মাজত আনুষ্ঠানিকভাৱেহে সম্বন্ধ সংঘটিত হয়। উদাহৰণস্বৰূপে কাৰ্যালয়ৰ দায়িত্ব আৰু কৰ্তব্যৰ তাড়নাতহে সদস্যসকলৰ মাজত

সম্বন্ধ গঢ়ি উঠে, আকৌ কেতিয়াবা ৰাজহুৱা সভা-সমিতি আদি অনুষ্ঠানৰ জৰিয়তেও সম্পৰ্ক ঘটে। তাৰোপৰি এনে সমূহত ব্যক্তিগত সম্পৰ্কতকৈ প্ৰস্থিতিৰ লগতহে সম্পৰ্ক ঘটে। উদাহৰণস্বৰূপে এখন ৰাজ্যৰ ৰাজ্যপাল, মহকুমাধিপতি, মুখ্যমন্ত্ৰী ইত্যাদি লোকসকলৰ লগত ব্যক্তিজনতকৈও পদ বা প্ৰস্থিতিৰ লগতহে বিশেষ সম্পৰ্ক বা গুৰুত্ব দিয়া দ্বিতীয়ক সমূহত দেখা যায়।

৩। দ্বিতীয়ক সমূহ সক্ৰিয় আৰু নিষ্ক্ৰিয় সদস্যেৰে গঠিত। এনে সমূহৰ সদস্যসংখ্যা গৰিষ্ঠ হোৱা বাবে সকলো সদস্য সমূহৰ লক্ষ্য আৰু আদৰ্শৰ প্ৰতি সমানে সচেতন নহ'বও পাৰে। বৰং সমূহৰ বিশেষ দায়িত্বত থকা সদস্য যেনে - সভাপতি, সম্পাদক বা মুৰব্বী পদত থকা সকলহে বিশেষভাৱে সক্ৰিয় হৈ থকা দেখা যায়।

৪। দ্বিতীয়ক সমূহত পৰোক্ষ সম্পৰ্ক দেখিবলৈ পোৱা যায়। এনে সমূহৰ সদস্যসকল বিশাল সমাজত বিস্তৃত হৈ থাকে। এজনে আনজনৰ সৈতে হয়তো গোটেই জীৱনকাল দেখা-সাক্ষাতো নহ'ব পাৰে। অথচ সদস্যসকলৰ মাজত ভাৱৰ আদান প্ৰদান হৈয়ে থাকে। উদাহৰণস্বৰূপে আলোচনীৰ লেখক-লেখিকা আৰু পঢ়ুৱৈৰ মাজত ভাৱৰ আদান প্ৰদান ঘটে কিন্তু প্ৰত্যক্ষ বা ব্যক্তিগত আত্মীয়তা নাথাকিবও পাৰে।

৫। দ্বিতীয়ক সমূহ কিছুমান লিখিত নীতি - নিয়মৰ দ্বাৰা পৰিচালিত হয়। দ্বিতীয়ক সমূহ মানুহে নিজৰ স্বাৰ্থৰ অনুকূলে বা নিজৰ সুবিধাৰ বাবে গঠন কৰে। তাৰোপৰি বিভিন্ন ধৰণৰ মানসিকতাৰ সদস্যও এনে সমূহত থাকে। সেয়ে সমূহৰ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি দৃষ্টি ৰাখিবৰ বাবে কিছুমান নিয়ম-নীতি লিখিত ৰূপত প্ৰস্তুত কৰি লয়। এনে ধৰণৰ সংবিধান বা বিধি-উপবিধিৰ অবিহনে দ্বিতীয়ক সমূহৰ স্থিতিৰ কথা ভাবিব নোৱাৰি। উদাহৰণস্বৰূপে ৰাষ্ট্ৰৰ সংবিধান, সাহিত্য সভাৰ বিধি-উপবিধি, চৰকাৰী কাৰ্যালয়, বেঙ্ক আদিৰ নিয়ম কানুনলৈ আঙুলিয়াব পাৰি।

৬। দ্বিতীয়ক সমূহৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকে আৰু ইয়াৰ

উদ্দেশ্য বিশেষাত্মক প্ৰকৃতিৰ। সদায় এটি বিশেষ লক্ষ্য বা উদ্দেশ্য আগত ৰাখিহে এনে সমূহ গঠন কৰা হয়। উদাহৰণস্বৰূপে, যুৱক সংঘ, মহিলা সমিতি আদিৰ কথা উল্লেখ কৰিব পাৰি।

৭। দ্বিতীয়ক সমূহৰ সহযোগৰ প্ৰকৃতি অস্বেচ্ছাকৃত আৰু বাধ্যতামূলক। কেৱল মাত্ৰ প্ৰয়োজনৰ বাবেহে সদস্যসকলৰ মাজত সহযোগ স্থাপন হয়।

৮। দ্বিতীয়ক সমূহৰ সদস্যসকলৰ মাজত উচ-নীচ ভাৱৰ স্পষ্ট প্ৰকাশ দেখা যায়। এনে ধৰণৰ ব্যৱধানে দ্বিতীয়ক সমূহৰ সদস্য সম্পৰ্কত স্বাভাৱিকতাৰ পৰিৱৰ্তে নৈমিত্তিক ৰূপ দান কৰিছে।

৯। দ্বিতীয়ক সমূহৰ মাজত কিছুমান উপ-সমূহ থাকে। এই উপ-সমূহবিলাকে মূল সমূহৰ লগত সম্পৰ্ক ৰক্ষা কৰি নিজস্ব কাম সম্পন্ন কৰে।

১০। দ্বিতীয়ক সমূহৰ সদস্য সম্পৰ্ক অস্থায়ী। ইয়াৰ সদস্যসকলে ইচ্ছা কৰিলে তেওঁলোকৰ সদস্যপদ উঠাই ল'বও পাৰে।

---

## অন্তৰ্বৰ্তী আৰু বহিৰ্বৰ্তী সমূহ (Ingroup and Outgroup)

---

মানৱ সমাজত দেখিবলৈ পোৱা বিভিন্ন সামাজিক সমূহৰ ভিতৰত অন্তৰ্বৰ্তী আৰু বহিৰ্বৰ্তী সমূহ হ'ল অন্যতম। উইলিয়াম গ্ৰাহাম ছামনাৰে (**W.G. Sumnner**) সামাজিক সমূহক এই দুটা ভাগত ভাগ কৰিছে।

**অন্তৰ্বৰ্তী সমূহ (Ingroup) ঃ**

বিভিন্ন সামাজিক সমূহবোৰৰ ভিতৰত অন্তৰ্বৰ্তী সমূহও হ'ল অন্যতম। সাধাৰণতে যিবিলাক সমূহৰ বা সংগঠনৰ লগত আমি প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ পৰোঁ, যিবিলাক সমূহৰ সদস্যতা স্বাভাৱিক বুলি ক'ব পৰা হয়, যিবিলাক সমূহৰ আদৰ্শ ৰক্ষাৰ কাৰণে চেষ্টা কৰা হয়, এই আটাইবিলাককেই অন্তৰ্বৰ্তী সমূহ বুলি ক'ব পাৰি। অতি সাধাৰণভাৱে ক'বলৈ হ'লে আমি যিবিলাক

সমূহৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ সামাজিক জীৱন যাপন কৰোঁ এই আটাইবিলাক সমূহেই অন্তৰ্ৰ্বৰ্তী সমূহ । উইলিয়াম গ্ৰাহাম ছামনাৰৰ মতে, ‘‘কোনো এজন ব্যক্তি যিবিলাক সমূহৰ সদস্য হৈ থাকে সেইবিলাকেই তেওঁৰ বাবে অন্তৰ্ৰ্বৰ্তী সমূহ (The individual who belongs to a number of group which are his ingroup)। ছামনাৰৰ মতে অন্তৰ্ৰ্বৰ্তী সমূহক ‘আমি সমূহ’ (We group) বুলিও ক’ব পৰা যায়। অৰ্থাৎ স্বতঃস্ফুৰ্ত আমি ভাৱ এনে সমূহৰ প্ৰধান বৈশিষ্ট্য। এনে সমূহৰ সদস্যসকলৰ মাজত আত্মীয়তা আৰু পাৰস্পৰিক প্ৰত্যক্ষ বা পৰোক্ষ সহযোগ থকা বাবে ‘আমি’ ভাব সহজতে উদয় হয়।

সাধাৰণতে দেখা যায় যে অন্তৰ্বৰ্তী সমূহৰ আকাৰ সূক্ষ্ম আৰু বৃহৎ হ’ব পাৰে। এটা পৰিয়াল বা এখন ৰাষ্ট্ৰও অন্তৰ্ৰ্বৰ্তী সমূহৰ উদাহৰণ হ’ব পাৰে। সংক্ষেপে ক’বলৈ হ’লে এনে সমূহৰ আকাৰ ডাঙৰেই হওক বা সৰুৱেই হওক সদস্যসকলৰ মাজত সহৃদয়তা আৰু আন্তৰিক সহযোগিতাৰ ভাৱ থাকে। গভীৰ অন্তৰংগতা, ভাতৃত্ববোধ আৰু ত্যাগ অন্তৰ্ৰ্বৰ্তী সমূহৰ প্ৰধান বৈশিষ্ট্য।

---

**বহিঃৰ্ৰ্বৰ্তী সমূহ (Out-group ) ঃ**

---

চামনাৰে কৰা সামাজিক সমূহৰ আনটো ভাগ হৈছে বহিৰ্ৰ্বৰ্তী সমূহ। সাধাৰণতে অন্তৰ্ৰ্বৰ্তী সমূহৰ বিপৰীত ধৰ্মী সমূহটোৱেই হ’ল বহিৰ্ৰ্বৰ্তী সমূহ। ছামনাৰৰ মতে ‘কোনো এজন ব্যক্তি বা মানুহে যেতিয়া নিজকে কোনো এটা সমূহৰ সদস্য নহয় বুলি মত পোষণ কৰে, সেইটোৱেই হ’ল সেই ব্যক্তি বা মানুহজনৰ বাবে বহিৰ্ৰ্বৰ্তী সমূহ’’ (All other groups to which he does not belong are his outgroups)। এনে সমূহৰ আদৰ্শ, নীতি আদিক আমি ৱীকৃতি নিদিওঁ আৰু সেয়ে আমাৰ তেনে সমূহৰ প্ৰতি আন্তৰিকতা, সহৃদয়তা

আদি ভাবো নাথাকে। সেয়ে সাধাৰণতে অন্তৰ্বৰ্তী সমূহক 'আমি সমূহ'(We group) আৰু বহিৰ্বৰ্তী সমূহক সিহঁত সমূহ (They group) বুলি আখ্যা দিয়া হয়।

---

**সদস্যতা সমূহ (Membership group)**

---

সামাজিক সমূহৰ অন্যতম ভাগ হৈছে সদস্যতা আৰু অনাসদস্যতা সমূহ। ব্যক্তিয়ে কোনো সমূহৰ সদস্যপদ গ্ৰহণ কৰি বা সমূহৰ প্ৰতি আন্তৰিকতা প্ৰকাশ কৰি যি সদস্যপদ গ্ৰহণ কৰে তাকে সদস্যতা সমূহ বুলি কোৱা হয়। সমাজতত্ত্ববিদসকলে প্ৰাথমিক, দ্বিতীয়ক, অন্তৰ্বৰ্তী আদিসমূহক সদস্যতা সমূহৰ উদাহৰণ হিচাপে দাঙি ধৰিছে।

অন্যহাতে যেতিয়া কোনো ব্যক্তিয়ে বা সমূহে আন এজন ব্যক্তি বা সমূহৰ আদৰ্শ আগত ৰাখি নিজৰ জীৱন বা সমূহৰ মানদণ্ড উন্নত কৰিবলৈ চেষ্টা কৰে তেতিয়া অনুকৰণীয় ব্যক্তিজন বা সমূহটো আনটো সমূহৰ কাৰণে অনাসদস্যতা সমূহ হৈ পৰে। অনাসদস্যতা সমূহক আন এটা অৰ্থত সন্দৰ্ভ সমূহ (Reference group) বুলি কোৱা হয়। এনে সমূহক আমি ব্যৱহাৰিক দিশৰ পৰা অনুকৰণীয় সমূহ বুলি ক'ব পাৰোঁ। সেয়ে সমাজতত্ত্ববিদ হাইমেনে মন্তব্য কৰিছে যে সমাজত এনে কিছুমান আদৰ্শযুক্ত সমূহ তথা ব্যক্তি আছে, যিসকলৰ আদৰ্শ আৰু কাৰ্যপ্ৰণালীক সমাজৰ আন ব্যক্তি বা সমূহে অনুকৰণ কৰি নিজকে গঢ় দিবলৈ চেষ্টা কৰে। সদস্যপদ গ্ৰহণ নকৰি অনুকৰণীয় ব্যক্তি তথা সমূহটোৰ কেৱল আদৰ্শহে অনুকৰণ কৰা হয় সেয়ে ইয়াক অনাসদস্যতা বা সন্দৰ্ভ সমূহ বুলিব পাৰি। সাম্প্ৰতিক সমাজত এনে সমূহৰ প্ৰভাৱত বহু ব্যক্তি, সমূহ, সমাজ আনকি দেশৰ বিভিন্ন ধৰণৰ উন্নতি হোৱা দেখা গৈছে। কিয়নো অন্য উন্নত দেশৰ, সমাজ তথা সমূহৰ আৰু আদৰ্শপৰায়ণ মহান ব্যক্তিৰ গুণাৱলী বা আদৰ্শ অনুকৰণ কৰি আমি আমাৰ দেশ, জাতি, সমাজ, সমূহ আনকি ব্যক্তিগত জীৱনৰ উন্নতি সাধন কৰিব পাৰো।

## প্ৰসংগসমূহ বা সন্দৰ্ভসমূহ (Reference group)

সমাজতত্ত্ববিদসকলে মানৱ সমাজত ইতিমধ্যে আলোচনা কৰা সমূহবিলাকৰ উপৰিও আন এক প্ৰকাৰৰ সমূহৰ অৱতাৰণা কৰিছে। সমাজতাত্বিক আলোচনাত এই সমূহক প্ৰসঙ্গ সমূহ বা সন্দৰ্ভ সমূহ আখ্যা দিয়া হৈছে। সামাজিকসমূহক তেওঁলোকে দুটা ভাগত ভাগ কৰিছে - সদস্যতাসমূহ (Membership groups) আৰু অনাসদস্যতাসমূহ (Non-Membership groups)। সদস্যতাসমূহত তেওঁলোকে প্ৰাথমিক, দ্বিতীয়ক, অন্তৰ্ৱৰ্তী, বহিৰ্ৱৰ্তী আদি সমূহক অন্তভূক্ত কৰিছে। প্ৰসংগসমূহ মানে এনে এটা সমূহ যিটো সমূহত এজন ব্যক্তি সদস্য নোহোৱাকৈ সমূহটোৰ আদৰ্শক অনুকৰণ কৰে। প্ৰসংগসমূহৰ সংজ্ঞা সমাজতত্ববিদ হাইমেনে এনেদৰে কৈছে - "There are some particular individuals in a society whose standards or values become the ideals for other people and are initiated by them." আৰ্থাৎ সমাজত এনে কিছুমান ব্যক্তি আছে, যি সকল ব্যক্তিৰ মূল্যবোধ আৰু মানদণ্ড অন্য কিছুমান ব্যক্তিৰ আদৰ্শ হৈ পৰে। যিটো সমূহৰ আদৰ্শ আগত ৰাখি আন এটা সমূহে উন্নয়ণৰ প্ৰচেষ্টা চলাই সেইটোৱেই প্ৰসংগসমূহ। ব্যৱহাৰিক দিশৰপৰা প্ৰসংগসমূহক অনুকৰণীয় সমূহ বুলিও কব পৰা যায়।

সামাজিক সংৰচনাত সমূহে সাধাৰণতে আন আন সমূহৰ বা শ্ৰেণীৰ কাৰ্য্যকলাপ, আদৰ্শ বা কৰ্ম পদ্ধতিৰ পৰিপ্ৰেক্ষিতত নিজৰ কৰ্তব্য নিৰ্দ্ধাৰণ কৰে। বিশেষকৈ এটা সমূহৰ এজন সদস্যই যেতিয়া কিছুমান সামূহিক কামৰ বিষয়ে সিদ্ধান্ত ল'ব লগা হয়, তেওঁ আন আন সমূহৰ কাৰ্যাৱলী, কাৰ্য্যপদ্ধতি আৰু ব্যৱহাৰৰ লগত তুলনা কৰি চায়। এইদৰে এটা সমূহে আন এটা সমূহৰ অৱস্হা, কাৰ্য্যকলাপ আৰু আদৰ্শৰ ভিত্তিত নিজৰ কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব পাৰে। অৰ্থাৎ এটা সমূহ আন এটা সমূহৰ কাৰণে প্ৰসংগ হৈ পৰে।

এটা সমূহ যেনেকৈ আন এটা সমূহৰ কাৰণে প্ৰসংগসমূহ হব পাৰে,

ঠিক তেনেদৰে অন্য এজন ব্যক্তিৰ বাবেও কোনো এটা সমূহ প্ৰসংগ হ'ব পাৰে অথবা কোনো  কোনো ক্ষেত্ৰত এজন ব্যক্তিও কোনো এটা সমূহৰ বাবে বা বিভিন্ন সমূহৰ বাবে প্ৰসংগ হব পাৰে। সাধাৰণতে অন্তৰ্ৱৰ্তী সমূহৰ সদস্যসকলে তেওঁলোকৰ সমূহৰ আদৰ্শৰ অনুকুলে কাৰ্য্যপন্হা গ্ৰহণ কৰে আৰু সেই সমূহৰ প্ৰতিমান আৰু মূল্যবোধ অনুসৰি নিজক গঢ় দিয়ে। এই দিশৰপৰা সমূহ মাত্ৰেই অন্তৰ্ৱৰ্তীসমূহৰ সদস্যসকলৰ কাৰণে প্ৰসংগ সমূহ স্বৰূপ। ইয়াৰ উপৰিও অন্তৰ্ৱৰ্তীসমূহ বা কোনো পৰোক্ষভাৱে জড়িত নথকা সমূহো তেওঁলোকৰ কাৰণে প্ৰসংগসমূহ হ'ব পাৰে।

হেৰি এম জনছনে (H.M. Johnson) প্ৰসংগসমূহৰ বিষয়ে নিম্ন উল্লেখিত চৰ্তকেইটা উল্লেখ কৰিছে। ইয়াৰে কোনো এটা চৰ্ত পূৰণ হলেই কোনো এটা সমূহক আন এটা সমূহৰ বা ব্যক্তিৰ প্ৰসংগসমূহ বুলি কব পাৰি।

১। যেতিয়া এটা সমূহৰ সকলো সদস্যৰ অথবা কিছুমান সদস্যৰ এটা সমূহৰ সদস্যতাৰ প্ৰতি স্বাভাৱিক আগ্ৰহ থাকে তেতিয়া প্ৰথম সমূহটোৰ কাৰণে দ্বিতীয় সমূহটো প্ৰসঙ্গ হৈ পৰে।

২। যেতিয়া প্ৰথম সমূহটোৰ সদস্যসকলে কোনো কোনো ক্ষেত্ৰত দ্বিতীয় অথবা আন এটা সমূহৰ সদস্যসকলৰ দৰে হবলৈ বিচাৰে কিম্বা দ্বিতীয় সমূহটোৰ দৰে নিজৰ সমূহটোক গঢ় দিবলৈ বিচাৰে তেতিয়া প্ৰথম সমূহটোৰ কাৰণে দ্বিতীয় সমূহটো প্ৰসঙ্গ সমূহ ।

৩। প্ৰথম সমূহৰ সদস্যসকলে কোনো ক্ষেত্ৰত তেওঁলোকৰ আৰু প্ৰসঙ্গ সমূহৰ মাজত থকা অসমতাখিনি উপলি  কৰি সেই পাৰ্থক্যখিনি ৰক্ষা কৰাত মনোযোগ দিয়ে তেন্তে দ্বিতীয় সমূহটো প্ৰথম সমূহটোৰ প্ৰসঙ্গ স্বৰূপ হৈ পৰে।

৪। এটা সমূহে আন এটা সমূহৰ দৰে অথবা সেই সমূহটোৰ সদস্য সকলৰ দৰে যেতিয়া হ'বলৈ বা নহবলৈ চেষ্টা নকৰি নিজৰ সমূহটোকে ভালদৰে প্ৰকাশ কৰি, আনটো সমূহক তুলনাৰ মানদণ্ড হিচাপে ব্যৱহাৰ কৰিব, তেতিয়া প্ৰথম সমূহটোৰ কাৰণে দ্বিতীয় সমূহটো সন্দৰ্ভ সমূহ হৈ পৰে।

প্ৰসংগ সমূহক তিনিটা ভাগত বিভক্ত কৰিব পাৰি। সেই কেইটা হ'ল -

১। যোগাত্মক (Positive)।

২। ঋনাত্মক (Negative)

৩। তুলনাত্মক (Comparative)

১। যোগাত্মক (Positive) ঃ যোগাত্মক সন্দৰ্ভ সমূহৰ ক্ষেত্ৰত এটা সমূহে আন এটা সমূহৰ আদৰ্শ সম্পূৰ্ণভাৱে গ্ৰহণ কৰি সেই বিশেষ সমূহটোৰ পৰ্য্যায়লৈ নিবলৈ চেষ্টা কৰে। যোগাত্মক প্ৰসঙ্গ সমূহে উচ্চাভিমুখী গতিশীলতাক নিৰ্দেশ কৰে।

২। ঋনাত্মক (Negative) ঃ কোনো এটা সমূহে যদি আন এটা সমূহক প্ৰসঙ্গ সমূহ বুলি বিবেচনা কৰি অনুকৰণ কৰে, কিন্তু প্ৰসঙ্গ সমূহটোকেই ইটো সমূহৰ প্ৰসঙ্গ সমূহ বুলি ভাবি সমূলি অনুকৰণ নকৰে তেন্তে তাক ঋণাত্মক প্ৰসঙ্গ সমূহ বোলে।

৩। তুলনাত্মক (Comparative) ঃ যদি কোনো এটা সমূহে আন এটা সমূহক প্ৰসঙ্গ সমূহ বুলি ভাৱে, কিন্তু কোনো সমূহেই অনুকৰণধৰ্মী আচৰণ প্ৰদৰ্শন কৰে, আৰু প্ৰতিটোকেই নিজৰ নিজৰ তুলনাৰ মানদণ্ড ৰাখি কাম কৰে তেন্তে তেনে সমূহেই তুলনাত্মক প্ৰসঙ্গ সমূহ।

বৰ্তমান কালত যিবোৰ সমাজত বিভিন্ন ধৰণৰ সামাজিক শ্ৰেণীৰ সৃষ্টি হৈছে, সেইবোৰ সমাজৰ সমূহগত কাৰ্য্যকলাপ বিচাৰ বিশ্লেষণ কৰিবলৈ গ'লে প্ৰসঙ্গ সমূহৰ গুৰুত্ব দেখিবলৈ পোৱা যায়। কাৰণ তুলনামূলক অধ্যয়ন আৰু অনুকৰণৰ ওপৰতেই প্ৰগতিৰ গতিবেগ নিৰ্ণয় কৰিব পাৰি। গতিকে সন্দৰ্ভ সমূহ বা প্ৰসঙ্গ সমূহৰ অবধাৰণা সমাজতত্বৰ বাবে অতি প্ৰয়োজনীয়।

## ১.৬ প্ৰাথমিক আৰু দ্বিতীয়ক সমূহৰ পাৰ্থক্য (Difference between Primary Group and Secondary Group)

১। প্ৰাথমিক সমূহৰ আকাৰ সৰু, এনে সমূহত সদস্য সংখ্যা কম। অন্যহাতে দ্বিতীয়ক সমূহৰ আকাৰ ডাঙৰ আৰু সদস্য সংখ্যাও বেছি হোৱা দেখা যায় ।

২। প্ৰাথমিক সমূহৰ সদস্যসকলৰ সম্বন্ধ ব্যক্তিগতভাৱে গঢ় লয়। কিন্তু দ্বিতীয়ক সমূহৰ সদস্য সম্পৰ্ক নৈৰ্ব্যক্তিক ।

৩। প্ৰাথমিক সমূহৰ সদস্যসকলৰ মাজত মুখামুখী সম্পৰ্ক আৰু দৈহিক সম্বন্ধ স্থায়ী ৰূপত দেখা যায় । কিন্তু দ্বিতীয়ক সমূহৰ মাজত মুখামুখী সম্বন্ধ আৰু দৈহিক সান্নিধ্য ঘটিলেও ই স্থায়ী নহয়, অস্থায়ী আৰু এই সম্বন্ধ পৰিৱৰ্তনশীল ।

৪। প্ৰাথমিক সমূহৰ সদস্যসকল প্ৰত্যেকজনেই সচেতন বা সক্ৰিয় হৈ থাকে । সমূহটোৰ লক্ষ্য আৰু আদৰ্শৰ প্ৰতি প্ৰত্যেকজন ব্যক্তিয়েই সচেতন। অন্যহাতে দ্বিতীয়ক সমূহৰ সদস্যসকলৰ সক্ৰিয় আৰু নিষ্ক্ৰিয় দুয়োটা ৰূপতেই দেখা যায় ।

৫। প্ৰাথমিক সমূহত ৰীতি-নীতি আছে যদিও এইবিলাক লিখিত ৰূপত নাথাকে । কিন্তু দ্বিতীয়ক সমূহৰ বিধি বা ৰীতি-নীতি, নিয়ম আদি লিখিত ৰূপত থাকে।

৬। প্ৰাথমিক সমূহৰ সৃষ্টি স্বাভাৱিক আৰু সদস্যপদ বাধ্যতামূলক। কিন্তু দ্বিতীয়ক সমূহ মানুহৰ সৃষ্টি আৰু সদস্যপদ গ্ৰহণ কৰাটো বাধ্যতামূলক নহয়। ইয়াৰ সদস্যপদ ব্যক্তিৰ ইচ্ছা আৰু অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে।

৭। প্ৰাথমিক সমূহ সম উ শ্যৰে বা উমৈহতীয়া উ শ্যৰে গঠিত। কিন্তু দ্বিতীয়ক সমূহ গঠনৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য থাকে ।

৮। প্ৰাথমিক সমূহৰ কোনো উপ-সমূহ নাথাকে। কিন্তু দ্বিতীয়ক সমূহৰ বহুতো উপ-সমূহ থকিব পাৰে ।

৯। প্ৰাচীনকালৰে পৰা বৰ্তমানলৈকে মানৱ সমাজৰ সকলো স্তৰতে প্ৰাথমিক সমূহৰ গুৰুত্ব আৰু অৱস্থিতি দেখা যায়। অন্যহাতে দ্বিতীয়ক সমূহ কেৱলমাত্ৰ আধুনিক উদ্যোগপ্ৰধান সমাজতহে স্পষ্ট ৰূপত দেখা যায়।

১০। প্ৰাথমিকসমূহৰ সদস্যসকলৰ মাজত প্ৰত্যক্ষ সহযোগ দেখা যায়। অন্যহাতে দ্বিতীয়ক সমূহৰ সদস্যসকলৰ মাজত পৰোক্ষ সহযোগহে দেখা যায়। কেৱলমাত্ৰ নিজৰ স্বাৰ্থসিদ্ধিৰ বাবেহে সহযোগ আগবঢ়োৱা দেখা যায়।

১১। ব্যক্তিৰ ব্যক্তিত্ব গঠন, সামাজিকীকৰণ, নিয়ন্ত্ৰণ আদি দিশত প্ৰাথমিক সমূহৰ প্ৰভাৱ দ্বিতীয়ক সমূহতকৈ বহুগুণে বেছি ।

১২। প্ৰাথমিক সমূহ মানৱ সমাজৰ আধাৰশিলা স্বৰূপ অন্যহাতে দ্বিতীয়ক সমূহ প্ৰাথমিক সমূহৰ ওপৰত আশ্ৰয় কৰিহে গঢ় লয়।

---

## ১.৭ সামৰণি বা অধ্যয়নটিৰ পৰা আমি কি শিকিলো ঃ

---

সামাজিক সমূহ পাঠটিৰ আলোচনাৰ পৰা আমি -

* ব্যক্তি আৰু সামাজিক সমূহৰ সম্পৰ্কৰ বিষয়ে জানিলো ।
* সমুহৰ সংজ্ঞা আৰু অৰ্থ সম্পৰ্কে অবগত হলো ।
* সমূহৰ চৰিত্ৰ বা বৈশিষ্ট্য সম্পৰ্কে অবগত হলো ।
* সমূহৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিলো ।
* সমূহৰ গুৰুত্ব সম্পৰ্কে অবগত হলো ।
* সমূহৰ পাৰ্থক্য সম্পৰ্কে বুজিব পাৰিলো ।

---

## ১.৮ অগ্ৰগতিৰ খতিয়ান ঃ

---

(ক) সচাঁনে মিছা লিখা ঃ

১। সামাজিক সমূহৰ সদস্যসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক থাকে।

☐

২। প্ৰাথমিক সমূহৰ সদস্য সকলৰ মাজত উমৈহতীয়া উদ্দেশ্য পৰিলক্ষিত নহয় ।

☐

৩। দ্বিতীয়ক সমূহৰ সদস্য সকলৰ মাজত মুখামুখী সম্পৰ্ক নাথাকে।

☐

৪। অন্তঃ সমূহৰ আকাৰ সাধাৰণতে বৃহৎ হোৱা দেখা যায় ।

☐

(খ) তলত দিয়াবোৰৰ উত্তৰ লিখা ঃ

১। সমূহৰ সদস্যসকলৰ মাজত একতাৰ ভাৱ দেখা পোৱা যায়নে ?

.......................................................................................................

.......................................................................................................

.......................................................................................................

২। সমাজতত্ববিদ জৰ্জ চিমেলৰ মতে সামাজিক সমূহ কেই প্ৰকাৰত ভাগ কৰিছে আৰু কি কি ?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৩। দ্বিতীয়ক সমূহৰ সদস্যসকলৰ মাজত সম্বন্ধ পৰোক্ষ আৰু অজ্ঞাত হব পা'ৰে ?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৪। ভৌতিক সান্নিধ্যক প্ৰাথমিক সমূহ গঠনৰ মূল চৰ্ত হিচাপে বিবেচনা কৰিব পাৰিনে ?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

---

**অগ্ৰগতি খতিয়ানৰ উত্তৰ ঃ**

---

**উত্তৰ** (ক) ১। সঁচা, ২। মিছা, ৩। সঁচা, ৪। মিছা ।

**উত্তৰ (খ)**

১। সমূহৰ সদস্য সকলৰ মাজত একতাৰ ভাৱ দেখা পোৱা যায়। সমূহত থকা প্ৰতিজন সদস্য সমক্ষমতা সম্পন্ন হোৱা দেখা নাযায়। অৰ্থাৎ সমূহত অধিক ক্ষমতা সম্পন্ন কোনো ব্যক্তি থাকে।

২। সমাজতত্ববিদ জৰ্জ চিমেলে সামাজিক সমূহক তিনিটা ভাগত বিভক্ত কৰিছে, সেইকেইটা হৈছে – Monand, Dyad, আৰু Traid.

৩। দ্বিতীয়ক সমূহৰ সদস্যসকলৰ মাজত সম্বন্ধ পৰোক্ষ আৰু অজ্ঞাত হব পাৰে। কোনো এটা বিত্তীয় প্ৰতিষ্ঠানৰ এজন সদস্যই নিয়মিতভাৱে আদান প্ৰদান কৰি থাকিলেও মূল ব্যক্তিৰ লগত প্ৰত্যক্ষ সম্বন্ধ স্থাপন নহবও পাৰে। ইজনে সিজনৰ মাজত অজ্ঞাতভাৱেও সম্পৰ্ক ৰক্ষা কৰি চলে।

৪। ভৌতিক সান্নিধ্য প্ৰাথমিক সমূহ গঠনৰ মূল চৰ্ত হিচাপে বিবেচনা কৰিব পাৰি। কিয়নো ভৌতিক সান্নিধ্য অবিহনে আন্তঃসম্বন্ধ স্থাপন হব নোৱাৰে।

---

## ১.৯ সম্ভাব্য প্ৰশ্ন ঃ

---

১। সামাজিক সমূহৰ সংজ্ঞা দিয়া? সামাজিক সমূহৰ বৈশিষ্ট্য বিলাক আলোচনা কৰা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। প্ৰাথমিক সমূহ বুলিলে কি বুজা। প্ৰাথমিক সমূহৰ বৈশিষ্ট্যবিলাক ব্যাখ্যা কৰা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

৩। দ্বিতীয়ক সমূহৰ সংজ্ঞা দিয়া। আধুনিক সমাজত দ্বিতীয়ক সমূহৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

৪। প্ৰসঙ্গ সমূহ বুলিলে কি বুজা? প্ৰসঙ্গ সমূহৰ সন্দৰ্ভত হেৰি এম জনচনে উল্লেখ কৰা চৰ্তকেইটা ব্যাখ্যা কৰা।

........................................................................................................................................

........................................................................................................................................

........................................................................................................................................

---

## ১.১০ অধিক জানিবলৈ ঃ

---


- C.N SHANKAR RAO: SOCIOLOGY. THIRD REVISED AND ENLARGED EDITION 2001. S.CHAND & Company LTD. 7361, Ram Nagar, New Delhi-110055.
- VIDYA BHUSHAN&D.R. SACHIDEVA: AN INTRODUCTION TO SOCIOLOGY: KITAB MAHAL.
- BORDOLOI P AND BORDOLOI R. SAMAJ TATTA PARICHAY, PUBLISHED BY BANALATA. GUWAHATI, 1991.
- DEBEN CHANDRA BHUYAN AND ANANDA CHANDRA NATH: SNATAK SAMAJ TATA PARICHAYA, BANALATA: DIBRUGARH 1989.
- SAIKIA UTPAL: SNATAK MAHALAR SAMAJTATTWA PARCHAY: BANALATA; NEW MARKET, DIBRUGARH.
- BIDYABHUSAN B: DICTIONARY OF SOCIOLOGY, ANMOL PUBLICATIONS.
- JOHNSON.H.M; SOCOILOGY-A SYSTEMATIC INTRODUCTION; ALLIED PUBLISHERS. BOMBAY, 1967.

# সমাজতত্ত্বৰ নীতি
## (Principles of Sociology)

## খণ্ড-৩

## সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ
## (Socialization and Social Control)

**(মূল্যাংকন-২০)**

### সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰন

**খণ্ডটি সমাজত্ত্বৰ নীতি বিষয়ক পাঠ্যক্ৰমৰ তৃতীয় পাঠসূচী। এই খণ্ডটি দুটা গোটত বিভক্ত কৰি প্ৰথম গোটটিত সামাজিকীকৰণৰ সংজ্ঞা, সামাজিকীকৰণৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হৈছে।** তাৰোপৰি সমাজতত্ত্বৰ আন এটি অতি আৱশ্যকীয় অৱধাৰণা 'সামাজিক নিয়ন্ত্ৰণৰ' অৰ্থ, সংজ্ঞা, প্ৰকাৰ, ইয়াৰ গুৰুত্ব আৰু কৰ্ত্তা সমূহৰ ব্যাখ্যা আগবঢ়োৱা হৈছে দ্বিতীয় গোটটিত।

লগতে গোটদুটিৰ বিষয়খিনি অধ্যয়ণৰ পৰা আমি কি শিকিলো, অগ্ৰগতিৰ খতিয়ান, খতিয়ানৰ উত্তৰ,  সম্ভাব্য প্ৰশ্ন আৰু অধিক জানিবৰ বাবে প্ৰসঙ্গ পুথিৰ উল্লেখ আছে।

# খণ্ড-৩

# শিৰোনাম ঃ সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ

## পাঠ গোট নং - ১

## সামাজিকীকৰণ

**(নম্বৰ ২০)**

**পাঠ গোট গাঁথনি**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ সামাজিকীকৰণৰ ধাৰণা

১.৩ সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞা

১.৪ সামাজিকীকৰণৰ বৈশিষ্ট্য

১.৫ সামাজিকীকৰণৰ স্তৰ

১.৬ সামাজিকীকৰণৰ অভিকৰ্তা

১.৭ সামাজিকীকৰণৰ গুৰুত্ব

১.৮ সামৰণি অথবা অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

১.৯ অধিক জানিবলৈ

১.১০ অগ্ৰগতিৰ খতিয়ান

১.১১ সম্ভাব্য প্ৰশ্ন

---

**১.০ উদ্দেশ্য ঃ**

---

সামাজিকীকৰণ পাঠ গোটটি অধ্যয়ন কৰি তোমালোকে –

- সমাজ আৰু ব্যক্তিৰ সম্পৰ্ক উপলব্ধি কৰিব পাৰিবা।
- সামাজিকীকৰণৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰিব পাৰিবা।

- সামাজিকীকৰণৰ প্ৰকৃতিবোৰ নিৰ্ণয় কৰিব পাৰিবা।
- ব্যক্তিৰ জীৱনত সামাজিকীকৰণৰ গুৰুত্ব বিশ্লেষণ কৰিব পাৰিবা।
- সামাজিকীকৰণৰ প্ৰকৃত অৰ্থ উপলব্ধি ৰ যোগেদি তোমালোকে নিজক মূল্যায়ন কৰিব পাৰিবা।

---

## ১.১ প্ৰস্তাৱনা ঃ

---

ইতিমধ্যে আমি আগৰ অধ্যায়বোৰত সমাজ, সমিতিসমূহ, সম্প্ৰদায় আদি বিষয়বোৰৰ সম্পৰ্কে ধাৰণা লাভ কৰিছোঁ। উক্ত বিষয়বোৰৰ লগত আমি প্ৰত্যেকজন লোকেই জড়িত। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱেই আমি সমাজ, সমূহ, সমিতি আদিৰ একোজন সদস্য। আমাৰ ব্যক্তিগত আৰু সমাজ জীৱনৰ লগত সম্পৰ্ক থকা অতি গুৰুত্বপূৰ্ণ অন্যতম বিষয় হৈছে সামাজিকীকৰণ। সামাজিকীকৰণৰ জৰিয়তে সমাজৰ শিশু আৰু ব্যক্তিসকলে সমাজৰ লগত সুস্থভাৱে খাপ খাবলৈ সক্ষম হ'ব পাৰে। ব্যক্তি আৰু সমাজৰ মাজত এক নিবিড় সম্পৰ্ক আছে। ব্যক্তিবিহীনভাৱে সমাজ গঢ় লব নোৱাৰে আৰু সমাজহীনভাৱে ব্যক্তি থাকিব নোৱাৰে।ব্যক্তিয়ে নিজৰ স্থিতি সম্পৰ্ক অৰ্থপূৰ্ণ কৰি তোলাত সহায় কৰে সামাজিকীকৰণ প্ৰক্ৰিয়াই। সমাজৰ কিছুমান প্ৰচলিত প্ৰতিমান, প্ৰমূল্য, থাকে। সমাজত বাস কৰা ব্যক্তিসকলে সেই প্ৰতিমানবোৰ মানি চলিলেহে সমাজত শান্তি-সংহতি ৰক্ষা হয়। শিশু অৱস্থাৰে পৰা সমাজৰ প্ৰচলিত নিয়ম-নীতিবোৰৰ লগত পৰিচিত হৈ তেনেদৰে আচৰণ আৰু চলা-ফুৰা কৰিবলৈ শিকা পদ্ধতিটোকে সামাজিকীকৰণ বোলা হয়। সেয়ে শিশু তথা ব্যক্তি জীৱনৰ অতি গুৰুত্বপূৰ্ণ দিশটো হ'ল সামাজিকীকৰণ। সামাজিকীকৰণৰ জৰিয়তে শিশু আৰু ব্যক্তিসকলক সমাজৰ উপযুক্ত লোক হিচাবে গঢ়ি তোলা হয়। সাধাৰণতে দেখা যায় যে বিভিন্ন শিশুৱে সমাজত বিভিন্ন ধৰণৰ আচৰণ আৰু কাৰ্য সম্পাদন কৰে। সেই আচৰণবোৰৰ কিছুমান

সমাজ আৰু সমূহ জীৱনৰ বাবে গ্ৰহণযোগ্য হয় আৰু কিছুমান গ্ৰহনযোগ্য নহয়। কিছুমান কাৰ্যই সমাজত অশান্তিৰ সৃষ্টি কৰে। এনে বৈষম্যৰ মূল কাৰণ হৈছে পৰিয়ালৰ পৰিৱেশ। সাম্প্ৰতিক সমাজ বিলাকত বিভিন্ন ধৰণৰ উশৃঙ্খলতা আমি দেখিবলৈ পাইছোঁ, যাৰ ফলত সমাজত সংহতি হ্ৰাস পাইছে। এনে অবাঞ্চিত আচৰণবোৰ ব্যক্তিয়ে কিয় কৰে যাৰ বাবে সমাজত সমস্যাৰ সৃষ্টি হয়, সেই বিষয়ে জানিবলৈ অধ্যয়ন কৰাটো অতিকে প্ৰয়োজন হৈছে। আসোৱাহপূৰ্ণ সামাজিকীকৰণৰ ফলতেই সমাজত প্ৰায়বোৰ বিশৃঙ্খলতা, কিশোৰ অপৰাধ আদিৰ সৃষ্টি হৈছে বুলি সমাজতত্ত্ববিদ আৰু সমাজচিন্তাবিদসকলে মন্তব্য কৰিছে। সেয়ে এই পাঠ গোটটিত আমি সামাজিকীকৰণৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য, স্তৰ আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰিম। এই আলোচনা বা পৰৱৰ্তী পাঠ গোটৰ বিষয়বস্তু বুজি পোৱাত সহায়ক হ'ব। লগতে আমি ব্যক্তিগতভাৱেও এই দিশত সচেতন হ'ব পৰিমহঁক।

---

## ১.২ সামাজিকীকৰণৰ ধাৰণা ঃ

---

আমি প্ৰত্যেকজনলোকেই পৰিয়াল আৰু সমাজৰ একো একোজন সদস্য। পৰিয়াল, সমাজ, সমূহ এই সকলো বিলাকৰ কিছুমান বিশেষধৰণৰ সংস্কৃতি আছে। এই সংস্কৃতিবোৰ হৈছে – নিৰ্ দিষ্ট কিছুমান নিয়ম-নীতি, আচাৰ-ব্যৱহাৰ, প্ৰতিমান, মূল্যবোধ আদি। পৰিয়ালৰ তথা সমাজৰ ব্যক্তিসকলে প্ৰচলিত সংস্কৃতিবোৰ মানি চলিব লাগে। সমাজৰ জ্যেষ্ঠ লোকসকলে শিশু-প্ৰজন্ম সকলক সমাজৰ প্ৰচলিত সংস্কৃতি, প্ৰতিমান, মূল্যবোধ আৰু দায়িত্ব, কৰ্তব্যবোৰৰ বিষয়ে জ্ঞান দিয়ে। জন্মৰ পাছৰ পৰাই এই শিক্ষাদান প্ৰক্ৰিয়া আৰ  হয়। এনেধৰণৰ শিক্ষাৰ জৰিয়তে নিৰক্ষৰ শিশুক সমাজৰ উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলা হয়। সামাজিকীকৰণৰ ধাৰণা স্পষ্টভাৱে বুজিবলৈ হ'লে আমি সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞাৰ বিষয়ে জানিব লাগিব। সেয়ে এতিয়া আমি সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞা আলোচনা কৰোঁ।

## ১.৩ সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞা ঃ

সামাজিকীকৰণ মানৱ সমাজৰ এটি গুৰুত্বপূৰ্ণ বিষয়। সামাজিকীকৰণৰ দ্বাৰা এটি শিশু তথা এজন ব্যক্তিক সমাজমুখী কৰি গঢ়ি তোলা হয়। সমাজত বসবাস কৰিবলৈ হ'লে সমাজৰ অনুমোদিত সংস্কৃতিবিলাক আমি গ্ৰহণ কৰিব লাগিব। এই সংস্কৃতিবিলাকৰ আহৰণে এজন মানুহৰ কিম্বা এটা শিশুৰ ব্যক্তিত্ব গঢ় লৈ উঠাত সহায় কৰে। সমাজৰ সংস্কৃতিবিলাক এক নিৰ্দ্ধাৰিত প্ৰক্ৰিয়াৰ মাজেদি সমাজৰ শিশু আৰু ব্যক্তিসকলক শিকোৱা হয়। সেয়ে শিশুসকলক সমাজৰ নিয়ম-নীতি, আচৰণ-পদ্ধতি, মূল্যবোধ, দায়িত্ব আৰু কৰ্তব্যবোধ আদিৰ শিক্ষা দি সমাজৰ উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলা প্ৰক্ৰিয়াটোকে সাধাৰণ অৰ্থত সামাজিকীকৰণ বুলি কোৱা হয়। চমুকৈ ক'বলৈ হ'লে সামাজিকীকৰণ এনে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা সমাজৰ শিশু আৰু সদস্যসকলক সমাজৰ ৰীতি-নীতি, আচৰণ, প্ৰতিমান, প্ৰমূল্য আদিক জীৱনৰ স্তৰে স্তৰে শিক্ষা দি সমাজৰ একো একোজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হয়। সমাজত বসবাস কৰোঁতে সদস্যসকলে সমাজৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ সিঠকভাৱে শিকি লৈ চলিব পাৰিলেহে সমাজত শান্তি-শৃংখলা ৰক্ষা হয়। কেৱল সামাজিকীকৰণৰ দ্বাৰাহে সমাজৰ লোকসকলে একোজন উপযুক্ত ব্যক্তি হিচাবে প্ৰতিষ্ঠা লাভ কৰি সমাজত বসবাস কৰিবলৈ সক্ষম হয়।

**সামাজিকীকৰণৰ সংজ্ঞা** -

সামাজিকীকৰণৰ অৰ্থ অধিক স্পষ্টভাৱে বুজিবলৈ হ'লে আমি সমাজতত্ত্ববিদ সকলে আগবঢ়োৱা অভিমতবোৰ বুজিবলৈ চেষ্টা কৰিব লাগিব। সামাজিকীকৰণ সম্পৰ্কে সমাজতত্ত্ববিদসকলে আগবঢ়োৱা কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল।

(১) সমাজতত্ত্ববিদ বগাৰদাছৰ মতে – ''একেলগে বাস কৰিবলৈ শিকা সামূহিক দায়বদ্ধতা বৃদ্ধি কৰা আৰু আনৰ মংগলৰ কাৰণে চিন্তা কৰিবলৈ শিকাৰ পদ্ধতিয়ে হৈছে সামাজিকীকৰণ''।

( "Sociolization is the process of working together of developing group responsibility or being guided by the welfare needs of others.")

(২) ডব্লিউ. এফ. আগবাৰ্ণ W.F. Ogburn এ তেওঁৰ "A Handbook of Sociology" নামৰ গ্ৰন্থত কৈছে যে সামাজিকীকৰণ এনে এক প্ৰক্ৰিয়া যাৰদ্বাৰা ব্যক্তিয়ে সমূহৰ নিয়ম-নীতিৰ লগত মিলি চলিবলৈ শিকে।

("Socialization is the process by which the individual learns to conform to the norms of the group".)

(৩) আমেৰিকাৰ অন্যতম সমাজতত্ত্ববিদ হেৰী এম. জনচন H.M.Johnson ৰ মতে - ‘‘যি শিক্ষা পদ্ধতিয়ে শিক্ষা লোৱাজনক সামাজিক ভূমিকা পালন কৰিবলৈ সমৰ্থ কৰে, সেই শিক্ষ পদ্ধতিয়ে হৈছে সামাজিকীকৰণ’’

( "Socialization is the learning that enables the learner to perform social roles".)

(৪) সমাজতত্ত্ববিদ জি.এ. লাণ্ডবাৰ্গ G.A. Landberg ৰ মতে – সামাজিকীকৰণ হৈছে এটা জটিল আন্তঃক্ৰিয়া পদ্ধতি যাৰ জৰিয়তে ব্যক্তিয়ে সামাজিক সমূহ আৰু সম্প্ৰদায়ৰ লগত অংশগ্ৰহণ কৰাৰ উ শ্যে প্ৰয়োজনীয় অভ্যাস, বিশ্বাস, দক্ষতা আদিৰ বিষয়ে শিক্ষালাভ কৰে।

("Socialization consists of the complex process of interaction through which the individual learns the habits. beliefs, skills and standard of judgement that are necessary for effective participation in social groups and communities.")

(৫) সমাজতত্ত্ববিদ ৰোজ (Rose) ৰ মতে – ‘‘সামাজিক সমূহৰ মাজত ‘আমি ভাব’ৰ সৃষ্টি কৰা আৰু একেলগে কাম কৰাৰ কাৰণে শিক্ষালাভ কৰা পদ্ধতিয়ে হৈছে সামাজিকীকৰণ’’

( "The development of 'we feeling' in associates and their growth and capacity and will to act together is socialization.")

উক্ত সংজ্ঞাবিলাকৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে শিশু বা ব্যক্তিক ভৱিষ্যতে  সমাজত উপযুক্তভাৱে খাপখাই চলিবলৈ সামাজিক ৰীতি-নীতি আৰু সামাজিক মূল্যবোধ আদিৰ শিক্ষাদিয়া প্ৰক্ৰিয়াটোৱেই হ'ল সামাজিকীকৰণ।

---

## ১.৪ সামাজিকীকৰণৰ বৈশিষ্ট্য ঃ

---

আমি ইতিমধ্যে সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞা আলোচনা কৰি বুজিব পাৰিলো যে সমাজৰ প্ৰচলিত সংস্কৃতি শিশু আৰু সমাজৰ সদস্যসকলক শিকাই দি সমাজৰ উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলা প্ৰক্ৰিয়াকে সামাজিকীকৰণ বোলে। উপযুক্ত ব্যক্তি মানে সমাজৰ প্ৰচলিত ৰীতি-নীতি অনুসৰি আচৰণ কৰা আৰু কাৰ্যসম্পন্ন কৰাকে বুজায়। ওপৰৰ আলোচনাৰ পৰা আমি উপলি  কৰিছোঁ যে মানৱ সমাজৰ সদস্যসকলৰ বাবে সামাজিকীকৰণ এক অপৰিহাৰ্য প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটোৰ কিছুমান বৈশিষ্ট্য আছে। বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল –

ক) সামাজিকীকৰণ হ'ল এক জীৱনজোৰা প্ৰক্ৰিয়া। জন্মৰ পৰা প্ৰায় মৃত্যুৰ আগমূহুৰ্ত্তলৈকে এই প্ৰক্ৰিয়া চলি থাকে।

খ) সামাজিকীকৰণে এটি শিশু বা এজন মানুহক প্ৰকৃত সামাজিক প্ৰাণী হিচাপে গঢ়ি তোলে।

গ) সামাজিকীকৰণে সমাজৰ ব্যক্তিসকলক সমাজৰ মান-প্ৰতিমান, ৰীতি-নীতি আদিৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলিবলৈ শিকায়।

ঘ) সামাজিকীকৰণৰ দ্বাৰা সমাজ, পৰিয়াল তথা বিভিন্ন সমূহবোৰৰ নীতি-নিয়ম, আদৰ্শ, মূল্যবোধ, পৰম্পৰা আদি প্ৰজন্ম সকললৈ হস্তান্তৰ কৰি সমাজ আৰু সংস্কৃতিৰ ধাৰাবাহিকতা অক্ষুণ্ন ৰখাত সহায় কৰে।

ঙ)	সমাজৰ সদস্যসকলে শিকিব লগীয়া আৰু পালন কৰিব লগীয়া দায়িত্ব, কৰ্তব্য, আচাৰ-ব্যৱহাৰ ইত্যাদিবোৰ জীৱনৰ বিভিন্ন স্তৰত সামাজিকীকৰণৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হয় অৰ্থাৎ শিকোৱা হয়।

চ)	সমাজৰ সদস্যসকলক সমাজমুখী কৰা, সমাজৰ প্ৰতি অনুগত হৈ চলিবলৈ শিকোৱা আৰু জ্ঞান দিয়াটো সামাজিকীকৰণৰ অন্যতম বৈশিষ্ট্য।

ছ)	সামাজিকীকৰণ এক গতিশীল আৰু ক্ৰমবৰ্দ্ধমান প্ৰক্ৰিয়া। শিশু যিমানেই ডাঙৰ হয় সিমানেই সামাজিকীকৰণৰ গুৰুত্ব বাঢ়ি যায়। সামাজিকীকৰণে সমাজৰ সদস্যসকলক বয়সানুসাৰে পালনীয় কৰ্তব্য সম্পৰ্কে শিক্ষা প্ৰদান কৰে।

---

## ১.৫ সামাজিকীকৰণৰ স্তৰ (Stages of Socialization)ঃ

---

সামাজিকীকৰণ এক ধাৰাবাহিক প্ৰক্ৰিয়া। শিশুৰ জন্মৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে এই প্ৰক্ৰিয়া অব্যাহত থাকে। এটি নৱজাতক শিশুক জন্মৰ পিছতেই সামাজিক জীৱনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ শিক্ষা আৰু জ্ঞান একেলগে, একে সময়তে শিকোৱা নহয়। জীৱনৰ ক্ৰমবৰ্দ্ধমান বয়সৰ লগে লগে বিভিন্ন সময়ত বিভিন্ন শিক্ষা প্ৰদান কৰা হয়। সেয়েহে আমি জীৱনৰ কোন কোন স্তৰত কেনেদৰে সামাজিকীকৰণ কৰা হয় সেই বিষয়ে জনাটো অতি প্ৰয়োজন। এই প্ৰসঙ্গত আমি আমেৰিকাৰ সমাজতত্ত্ববিদ হেৰী, এম. জনচন (Herry M. Johnson) ৰ কথা উল্লেখ কৰিব পাৰোঁ। জনচনে সামাজিকীকৰণৰ স্তৰসমূহক প্ৰধানত ঃ চাৰিটা ভাগত ভাগ কৰিছে। সেই স্তৰকেইটা হৈছে – (১) প্ৰথম স্তৰ, (২) দ্বিতীয় স্তৰ, (৩) তৃতীয় স্তৰ আৰু (৪) চতুৰ্থ স্তৰ।

**প্ৰথম স্তৰ ঃ** সামাজিকীকৰণৰ প্ৰথম স্তৰটো শিশুৰ জন্মৰ পৰা প্ৰায় এবছৰ বয়সলৈকে ধৰা হয়। এই সময়ছোৱাত শিশুৱে নিজৰ সমস্যাবোৰ আৰু

প্ৰয়োজনীয়তাবোৰ আনক ভাষাৰে বুজাই দিব নোৱাৰে। সমাজতত্ত্ববিদ এইচ, এম. জনচনৰ মতে শিশুৱে জন্মৰ লগে লগে উশাহ-নিশাহ, আহাৰ-পানী, জাৰ-জহ আদি বিভিন্ন সংকটৰ মুখা-মুখি হয়। সেয়ে এই অসুবিধাবোৰৰ বাবে শিশুৱে কান্দে। এনে কান্দোনৰ জৰিয়তে শিশুৱে নিজৰ প্ৰয়োজনীয়তাৰ ভাৱ প্ৰকাশ কৰে। ফলত মাকে শিশুক কোচত লোৱা, গাখীৰ আদি খাবলৈ দিয়া, বিভিন্ন যত্ন লোৱা আদি কাৰ্য কৰে। এই সময়ছোৱাত শিশুৰ সামাজিকীকৰণ প্ৰথম মাকৰ দ্বাৰাই আৰ হয়। এই স্তৰত সামাজিকীকৰণৰ প্ৰধান লক্ষ্য হ'ল মৌখিক নিৰ্ভৰশীলতা। এই স্তৰত মাকে শিশুক এনে কিছুমান ইংগিত শিকায় যাতে শিশুৱে এই ইংগিতেৰে বা আকাৰে-প্ৰকাৰে নিজৰ প্ৰয়োজনীয়তাবোৰ জনাব পাৰে। প্ৰাসাৱ-পাইখানা আদি কৰাবৰ সময়ত মাকে মুখেৰে কিছুমান ইংগিতৰ ভাৱ প্ৰকাশ কৰি শিশুক শিক্ষা দিয়ে যাতে শিশুৱে সেইমতে কাৰ্য কৰিব পাৰে। তাৰোপৰি মাত-মাতিবলৈ, হাঁহিবলৈ, শব্দউচ্চাৰণ কৰিবলৈ মৌখিক ভাৱে মাকে শিশুক শিক্ষা দিয়ে। সেয়ে এই স্তৰটোক মৌখিক স্তৰ বুলি কোৱা হয়। এই স্তৰত শিশুৰ লগত প্ৰধানকৈ সঘনাই মাক আৰু ধাইৰ সান্নিধ্য ঘটে। সেয়ে শিশুৱে তেওঁলোকক চিনি পাই আৰু শিশুৰ কাষত উপস্থিতি বিচাৰে। তেওঁলোকক নেদেখিলে কান্দবলৈ আৰ কৰে। Freud ৰ মতে এই স্তৰতেই ব্যক্তিৰ প্ৰাথমিক পৰিচয় অঙ্কুৰিত হয়। এই স্তৰত শিশুক ওমলাবৰ বাবে নিচুকনি গীত, বিভিন্ন ছবি যেনে - পুতলা, ফুল আদি দেখুওৱা হয় যাৰ ফলত বস্তুৰ প্ৰতি শিশুৰ এটি সাধাৰণ ধাৰণা গঢ়ি উঠে।

**দ্বিতীয় স্তৰ** ঃ সামাজিকীকৰণৰ এই স্তৰটোক পায়ুস্তৰ (Anal Stage) বুলি কোৱা হয়। শিশুৰ এবছৰ বয়সৰ পৰা প্ৰায় তিনি-চাৰি বছৰলৈকে দ্বিতীয় স্তৰত সামৰি লোৱা হয়। শিশুজীৱনৰ এই স্তৰটো অতি গুৰুত্বপূৰ্ণ। এই স্তৰত শিশুক প্ৰধানকৈ শৌচাচাৰ শিক্ষা (Toilet training) প্ৰদান কৰা হয়। এই স্তৰত শিশুক মল-মূত্ৰ ত্যাগ কৰিবলৈ শিকোৱা হয়। মল-মূত্ৰ ত্যাগ কৰি কেনেকৈ পানী

চাবোন আদি ব্যৱহাৰ কৰিব লাগে, স্নান কৰিব লাগে, লাজ নিবাৰণৰ বাবে বস্ত্ৰ পৰিধান কৰিব লাগে আদি শিক্ষা প্ৰদান কৰা হয়। শিশুৰ দাঁত, নখ আদি পৰিষ্কাৰ কৰি ৰখা, পুৱা শুই উঠি দাঁত মাজি মুখ ধোৱা, সাজ-পোছাক পৰিপাটিকৈ পৰিধান কৰা, নিয়মিতভাৱে আহাৰ গ্ৰহণ কৰা, ডাঙৰক সন্মান কৰা আৰু চিনাকী হওঁতে নমস্কাৰ কৰা, ভালকৈ কথা কোৱা আৰু থিয় হোৱা, সম্বোধনাত্মক শব্দ ব্যৱহাৰ কৰা, আনৰ লগত আচৰণ কৰাৰ নিয়ম আদি শিশুক এই স্তৰতেই শিকোৱা হয়। উচিত, অনুচিত, পাপ-পূণ্য, সৎ-অসৎ, ভাল-বেয়া ইত্যাদিৰ ধাৰণা শিশুক এই স্তৰতেই দিয়া হয়। এই স্তৰত শিশুৱে পিতৃ-মাতৃৰ ভূমিকা সম্পৰ্কে অৱগত হয়। পিতৃ-মাতৃৰ উপৰিও পৰিয়ালৰ সদস্যসকলক মান্যানুসাৰে সম্বোধন কৰিবলৈ শিশুক শিকোৱা হয়। শব্দ উচ্চাৰণ, খেল-ধেমালি আদিৰ শিক্ষা, খঙ, মৰম-স্নেহ, দুখ-বেজাৰ আদি আবেগ অনুভূতিৰ জ্ঞান এই স্তৰতেই দিয়া হয়। এই স্তৰত শিশুৱে মাকৰ পৰা শুশ্ৰূষাৰ লগতে মৰম আশাকৰে আৰু প্ৰত্যুত্তৰত স্নেহ দিব পৰা হয়। শুদ্ধ আচৰণৰ দ্বাৰা শিশুৱে মাকৰ পৰা স্নেহৰ পুৰস্কাৰ লাভ কৰে আৰু অশুদ্ধ আচৰণৰ বাবে মাতৃস্নেহৰ পৰা বঞ্চিত হয়। এই স্তৰটোৰ সামাজিকীকৰণৰ গুৰুত্ব অতি বেছি কাৰণ শিশুকালতে যদি শুদ্ধ, সত্য, দয়া, ক্ষমা, মৰম-স্নেহ, ঈশ্বৰসেৱা, মানৱীয় আচৰণবোৰ শুদ্ধৰূপত শিকি লয়, তেনেগুণৰ দ্বাৰা শিশু অনাগত দিনত এজন সৎ লোকহৈ সমাজত বসবাস কৰিবলৈ সমৰ্থ হ'ব। এই স্তৰত সামাজিকীকৰণৰ প্ৰধান কৰ্তা হ'ল মাতৃ আৰু পৰিয়াল অন্যান্য সদস্যসকল।

**তৃতীয় স্তৰ ঃ** সামাজিকীকৰণৰ তৃতীয় স্তৰটো শিশুৰ চাৰি বছৰ বয়সৰ পৰা প্ৰায় তেৰ-চৈধ্য বছৰলৈকে ধৰা হয়। এই স্তৰত শিশুৱে পৰিয়ালৰ লগতে নিজৰ বন্ধুবৰ্গ, আত্মীয়-কুটুম, ওচৰ চুবুৰীয়া আদিৰ লগত সম্বন্ধ ঘটাবলৈ সুবিধা পায়। সেয়ে এই স্তৰত সামাজিকীকৰণৰ পৰিসৰ বিস্তৃত। মাক-দেউতাকৰ উপৰিও পৰিয়ালৰ ককাক-আইতাক, দদায়েক, খুড়ীয়েক, পেহী, আদিৰ পৰা বহুতো

প্ৰয়োজনীয় শিক্ষা  শিশুৱে লাভ কৰে। এই সময়ছোৱাত শিশু অনুকৰণপ্ৰিয় হয়। সেয়ে অনুকৰণৰ দ্বাৰা শিশুৱে বহুতো জ্ঞান লাভ কৰিব পাৰে। বন্ধুবৰ্গৰ লগত কেনেদৰে চলা-ফুৰা, মিলা-মিছা কৰিব লাগে, শিক্ষাগুৰু আৰু জ্যেষ্ঠজনক কেনেদৰে সন্মান যাচিব লাগে, কাক কি বুলি সম্বোধন কৰিব লাগে, ঈশ্বৰ বিশ্বাস আৰু উপাসনা, সাংস্কৃতিক প্ৰমূল্যবিলাক, ধৰ্মীয় অনুষ্ঠানৰ ৰীতি-নীতি মানি কি দৰে চলিব লাগে ইত্যাদি প্ৰয়োজনীয় কথাবোৰ শিশুক এই স্তৰতেই শিকোৱা হয়। তোপোপৰি গীত-নৃত্য, ৰাগ-ৰাগিনী, বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ, সময়ৰ সদব্যৱহাৰ, নিজৰ দায়িত্ব আৰু কৰ্তব্য পালনৰ শিক্ষাও শিশুক এই স্তৰতে দিয়া হয়। সাধু শুনা আৰু কোৱা, স্মৃতিশক্তিৰ উত্তৰণ, মুখষ্ঠবিদ্যাৰ গুৰুত্ব আদিও শিশুক শিকোৱা হোৱা। এই স্তৰতেই শিশুৰ সুপ্ত প্ৰতিভাৰ বিকাশ ঘটে আৰু নিজকে পৰিয়ালৰ অন্যতম সদস্য হিচাপে গণ্য কৰিবলৈ শিকে। লিংগৰ পাৰ্থক্যও শিশুৱে এই স্তৰতেই বুজি পায়। সেয়ে ল'ৰাই ল'ৰাৰ দৰে আৰু ছোৱালীয়ে ছোৱালীৰ দৰে আচৰণ কৰিবলৈ শিকে। আচল অৰ্থত ক'বলৈ গ'লে সমাজৰ উপযুক্ত ব্যক্তি হিচাপে গঢ় লোৱাৰ প্ৰাথমিক শিক্ষাবোৰ এই স্তৰতেই শিশুক দিয়া হয় সামাজিকীকৰণৰ দ্বাৰা। সেয়ে শিশু তথা মানুহৰ জীৱনৰ বাবে এই পৰ্যায়টো অতিশয় গুৰুত্বপূৰ্ণ।

**চতুৰ্থ স্তৰ ঃ** সামাজিকীকৰণৰ চতুৰ্থ স্তৰ আৰ   হয় শিশুৰ চৌধ্য বছৰ বয়সৰ পৰা। এই স্তৰত শিশুৱে পৰিয়ালৰ উপৰিও সমাজ আৰু বিভিন্ন সামাজিক সমূহৰ পৰা বহুতো কথা শিকিবলৈ সুবিধা পায়। এই স্তৰটোক কৈশোৰ স্তৰ বুলিও কোৱা হয়। ইয়াৰ পাছতে শিশু প্ৰাপ্তবয়স্ক হৈ উঠে আৰু কৈশোৰ অৱস্থাত লাভ কৰা শিক্ষা-দীক্ষা, জ্ঞান-অভিজ্ঞতা আদিৰ সহায়ত সমাজত নিজৰ প্ৰস্থিতি লাভ কৰি দায়িত্ব আৰু কৰ্তব্য সম্পাদন কৰে। এই স্তৰত কিশোৰসকলক তেওঁলোকৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰ বিকাশৰ বাবে প্ৰচেষ্টা চলোৱা হয়। এই স্তৰত কৈশোৰসকলে বিভিন্ন

শিক্ষা লাভ কৰে আৰুসমাজৰ নীতি-নিয়ম অনুযায়ী নিজৰ ভূমিকা পালন কৰিবলৈ শিকোৱা হয়। ভৱিষ্যত জীৱনৰ বাবে ভেটি ৰচনা কৰাৰ জ্ঞানো এই স্তৰতে দিয়া হয়। এই স্তৰত ল'ৰা-ছোৱালীয়ে মাক-দেউতাক, তথা পৰিয়ালৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ চলিবলৈ বিচাৰে। অবাধ স্বাধীনতা বিচৰাটো এই স্তৰৰ অন্যতম লক্ষণ। এই স্তৰত সামাজিকীকৰণৰ পৰিসৰ অতি বহল। সমাজৰ শিক্ষা-দীক্ষা, অৰ্থনীতি, ৰাজনীতি, ধৰ্মনীতি আদি বিভিন্ন দিশত কেনেদৰে চলিব লাগে, কিদৰে কাৰ্য সম্পাদন কৰিব লাগে,আদিৰ সেই বিষয়ে শিকোৱা হয়। এই স্তৰত পৰিয়ালৰ অন্যান্য সদস্যসকলৰ প্ৰভাৱ পৰোক্ষ হলেও কিন্তু মাতৃৰ প্ৰভাৱ প্ৰত্যক্ষ্যভাৱে থাকে। এক কথাত ক'বলৈ গ'লে সামাজিকীকৰণৰ প্ৰথম আৰু প্ৰধান কৰ্তা মাতৃৰ প্ৰভাৱ গোটেই জীৱনত গুৰুত্বপূৰ্ণ হৈয়ে থাকে। নিজৰ পৰিয়ালৰ উপৰিও ওচৰ চুবুৰীয়া, সমাজৰ অনান্য লোকৰ প্ৰতিও থকা দায়িত্ব আৰু কৰ্তব্যৰ জ্ঞান কৈশোৰসকলক দিয়া হয়। মুঠতে সমাজৰ প্ৰতি আনুগত্য আৰু সমৰূপতাৰ মনোভাৱ লৈ চলিবলৈ শিকোৱাটো এই স্তৰৰ সামাজিকীকৰণৰ প্ৰধান উদ্দেশ্য।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'লে যে কেঁচুৱা অৱস্থাৰ পৰা প্ৰাপ্তবয়স্ক অৱস্থালৈকে বিভিন্ন স্তৰত সামাজিকীকৰণৰ দ্বাৰা শিশু তথা সমাজৰ সদস্যসকলক প্ৰকৃত ব্যক্তিহিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হয়। শিশুৱে প্ৰাপ্তবয়স্ক অৱস্থা লাভ কৰাৰ পাছতো সামাজিকীকৰণ প্ৰক্ৰিয়া চলিয়ে থাকে। সেয়ে সামাজিকীকৰণ এক জীৱনজোৰা প্ৰক্ৰিয়া বুলি কোৱা হয়।

---

## ১.৬ সামাজিকীকৰণৰ অভিকৰ্তা সমূহ (Agencies of Socialization) ঃ

---

সামাজিকীকৰণ এনে এটা প্ৰক্ৰিয়া যিটো মানুহৰ গোটেই জীৱন জুৰি চলি থাকে। মানুহৰ ব্যক্তিত্ব জন্মৰ দ্বাৰা লাভ নহয়, সামাজিকীকৰণ প্ৰক্ৰিয়াৰ দ্বাৰাহে ব্যক্তিত্ব গঢ়ি উঠে। সেয়েএই প্ৰক্ৰিয়াৰ লগত মানুহৰ ব্যক্তিত্ব

গঠনৰ নিবিড় প্ৰভাৱ জড়িত হৈ আছে। আমি সকলোৱেই সমাজত বাস কৰো। সামাজিক জীৱনৰ প্ৰয়োজনীয় বিভিন্ন শিক্ষা আমি সমাজৰ পৰা লাভ কৰোঁহক। তাৰোপৰি সমাজত এনে বহুত গোট আছে, যিবিলাকে আমাক সমাজৰ ৰীতি-নীতি, মূল্যবোধ, পৰম্পৰা, আচাৰ-ব্যৱহাৰৰ শিক্ষা দিয়াৰ লগতে সমাজৰ প্ৰতি আনুগত্য প্ৰকাশ আৰু খাপ খাবলৈ আমাক শিক্ষা দিয়ে। এই গোট বিলাককেই সামাজিকীকৰণৰ কৰ্তা বুলি কোৱা হয়। আমেৰিকাৰ খ্যাতনামা সমাজতত্ব বিদ্ চাৰ্লচ হাট্ৰন কু'লে সামাজিকীকৰণৰ গোটবোৰক প্ৰাথমিক আৰু গৌণ দুটা পৰ্যায়ত ভাগ কৰিছে। প্ৰাথমিক পৰ্যায়ত তেওঁ সেইবিলাক গোটৰ কথা উল্লেখ কৰিছে যিবোৰে ব্যক্তি জীৱনৰ প্ৰাৰম্ভিক বছৰ বোৰত ব্যক্তিত্ব গঠনত প্ৰভাৱ বিস্তাৰ কৰে। সেই গোটবোৰক অনানুষ্ঠানিক গোট বুলি কোৱা হয়। তেনে অনানুষ্ঠানিক প্ৰাথমিক গোট বোৰৰ উদাহৰণ হ'ল– পৰিয়াল, ওচৰ-চুবুৰীয়া, লগৰ সমনীয়া, ইত্যাদি, গৌণ সামাজিকীকৰণৰ আবেস্তনীৰ পৰা এক বহুত পৰিবেশলৈ ওলাই আহে, তেনে ক্ষেত্ৰত কিছুমান আনুষ্ঠানিক গোটে শিশুক শিক্ষাৰ জ্ঞান আদি শিকাই দিয়ে, এনে আনুষ্ঠানিক গোটবোৰক গৌণ সামাজিকীকৰণৰ গোট বুলি কোৱা হয়, উদাহৰণ স্বৰূপে – বিদ্যালয়, প্ৰচাৰ-মাধ্যম, কৰ্মস্থান, ৰাষ্ট্ৰ ইত্যাদি। এতিয়া আমি সামাজিকীকৰণৰ কৰ্তা সমূহৰ বিষয়ে আলোচনা কৰিম।

---

**পৰিয়াল ঃ**

---

শিশু তথা মানুহৰ জীৱনৰ সামাজিকীকৰণৰ প্ৰথম কৰ্তা হ'ল পৰিয়াল। প্ৰধানকৈ শিশু জন্ম হয় পৰিয়ালত। পৰিয়ালত ডাঙৰ দীঘল হৈ ব্যক্তিগত আৰু সমাজ জীৱনৰ প্ৰয়োজনীয় প্ৰায়বোৰ প্ৰাথমিক কথাই শিশুৱে পৰিয়ালতেই শিকি লয়। পৰিয়ালেই মানুহৰ সামাজিক জীৱনৰ প্ৰথম পদক্ষেপ বুলি কোৱা হয়। পৰিয়ালৰ জৰিয়তেই সামাজিক জীৱনৰ সকলোখিনি কথা শিকি নিজকে সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ সুবিধা পায়। শিশু তথা ব্যক্তিৰ

সামাজিকীকৰণৰ প্ৰথম কৰ্তা হ'ল পৰিয়ালৰ, আৰু মাতৃয়েই হ'ল সৰ্বপ্ৰথম শিক্ষয়িত্ৰী। কিয়নো জন্মৰ পিছ মূহূত্বৰ পৰাই মাকে শিশুৰ মঙ্গলৰ বাবে সকলোবোৰ যত্ন লয়। শিশুৰ জীৱনৰ প্ৰতিটোক্ষণতে মাতৃ গৰাকী অতি নিবিড়ভাৱে জড়িত হৈ থাকে। শিশুৱে প্ৰথম শৌচাচাৰ শিক্ষা মাতৃৰ পৰাই শিকে। শিশুৰ অজান অৱস্থাত নিজৰ মল-মূত্ৰ, ভোক-পিয়াহ আদি সমস্যা সমাধানৰ বাবে মাতৃয়ে কিছুমান ইংগিত শিশুক শিকাই দিয়ে আৰু সেই মতেই শিশুৱে আচৰণ কৰি নিজৰ প্ৰয়োজনীয় খিনি মাতৃৰ পৰা আদায় কৰে। তাৰ পাছত শিশুৱে হাঁহিব পৰা হোৱাৰ লগে লগে পৰিয়ালৰ পিতৃ, ককাক-দেউতাক, বৰমাক আদি পৰিয়ালৰ সদস্যবৰ্গই শিশুৰ ডাঙৰ-দীঘল হোৱাৰ যত্ন লয়। পৰিয়ালতেই শিশুৱে মাত মাতিবলৈ, কথা কবলৈ শিকে, তাৰোপৰি আচাৰ-ব্যহাৰ, মৰম-স্নেহ, সহায়-সহানুভূতি, ক্ষমা-দয়া, অহিংসা, সাজ-পাৰ পিন্ধা, সম্বোধন আদিৰ জ্ঞান পৰিয়ালতেই শিকিবলৈ সুবিধা পায়। ঈশ্বৰ প্ৰতি ভক্তি, মানৱতাবাদ আদি শিক্ষাও শিশুৱে প্ৰথমে পৰিয়ালতেই লাভ কৰিব পাৰে। পৰিয়াল শিশুৰ চৰিত্ৰগঠনৰ মূলভেটি স্বৰূপ। চৰিত্ৰগঠনৰবাবে পৰিয়ালত সুস্থ-সৱল পৰিবেশৰ অতি প্ৰয়োজন। পিতৃ-মাতৃ আৰু পৰিয়ালত থকা অন্যান্য ব্যক্তিৰ পৰা সৎ কথা, সৎ আচৰণ, সজ-বাক্য, সজ নীতি-আদৰ্শ, শিকিলোৱাৰ পৰিবেশ পৰিয়ালত থাকিব লাগিব। পৰিয়ালৰ সদস্যসকলৰ মাজত থকা মৰম-স্নেহ, সহায়-সহানুভূতি, প্ৰশংসা, সহৃদয়তা, সংবেদন আদি অনুভূতিৰ প্ৰভাৱে সুস্থ শৰীৰ আৰু মানসিক অৱস্থা গঢ়ি তোলাত প্ৰধানকৈ সহায় কৰে। আনহাতে পৰিয়ালৰ সুস্থ পৰিবেশৰ অভাৱত শিশু বিপথগামী, উশৃঙ্খল হোৱাৰ স ৱনা দেখা যায়। পৰিয়ালত ল'ৰা-ছোৱালীক সামাজিক মূল্যবোধ, উচিত-অনুচিত, আদিৰ বিষয়েও প্ৰত্যক্ষ বা পৰোক্ষভাৱে শিক্ষা দিয়া হয়। এনে শিক্ষাই মানুহৰ চৰিত্ৰ গঠনত প্ৰভাৱ বিস্তাৰ কৰে। পৰিয়ালত যদি সামাজিকীকৰণ যথোচিত ভাৱে কৰা নহয়, তেন্তে শিশুৰ চৰিত্ৰগঠনত আসোঁৱাহ থাকি যাব, যিটোৰ ফলত ডাঙৰ হৈ এসময়ত পথভ্ৰষ্টমূলক কাৰ্যত লিপ্ত হ'বগৈ

পাৰে। সেয়ে পৰিয়ালত শিশুক মানৱজীৱনৰ মহত্ব, প্ৰাণীৰ প্ৰতি দয়া, সৎ-আদৰ্শ, মূল্যবোধ আদিৰ বিষয়ে শিকোৱা অতি প্ৰয়োজন। সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলাৰ অপৰিহাৰ্য উপাদান সমূহ যেনে- নৈতিকতা, ডাঙৰৰ প্ৰতি শ্ৰদ্ধা, উচিত-অনুচিত বিচাৰ, পৰোপকাৰ, ঈশ্বৰ বিশ্বাস, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, সহনশীলতা, সহযোগিতা, মৰম- স্নেহ সাংস্কৃতিক মূল্যবোধ আদি সকলোবোৰ এটি শিশুৱে পৰিয়ালতেই শিকি ল'বলৈ সুবিধা পায়। মাতৃকে প্ৰমুখ্য কৰি পৰিয়ালৰ সদস্য সকলৰ পৰা শিশুৱে আহাৰ খোৱাৰ নিয়ম, পৰিষ্কাৰ-পৰিচ্ছনতা, কথা-বৰ্তা কোৱাৰ ধৰণ, বিভিন্ন বস্তুৰ ব্যৱহাৰ আৰু প্ৰতিপালন, সাজ-কাপোৰ পিন্ধাৰ নিয়ম, ডাঙৰৰ লগত আচৰণ কৰাৰ নিয়ম আদি জীৱনৰ প্ৰয়োজনীয় সকলোবোৰ মৌলিক শিক্ষাই লাভ কৰে। সেইবাবেই পৰিয়ালক সামাজিকীকৰণৰ প্ৰধান আৰু প্ৰথম কৰ্তা বুলি অভিহিত কৰা হয়।

---

**ওচৰ-চুবুৰীয়া ঃ**

---

সামাজিকীকৰণৰ অন্যতম কৰ্তা হৈছে ওচৰ-চুবুৰীয়া। ওচৰ-চুবুৰীয়া বুলিলে শিশুৰ বাসস্থানৰ চাৰিওফালে থকা প্ৰতিবেশী সকলক বুজায়। প্ৰতিজন শিশুৰ ব্যক্তিত্ব গঠনত প্ৰতিবেশী সকলৰ প্ৰভাৱ গভীৰ ভাৱে থাকে। শিশুৱে চুবুৰীয়া ইঘৰ-সিঘৰলৈ অহাযোৱা কৰে। চুবুৰীয়ালোকৰ আচাৰ-ব্যৱাহৰ, মাত-কথা, বাক্য গাঠনি, শব্দৰ উচ্চাৰণ, আদি শিশুৱে অনুকৰণ কৰে। বিশেষকৈ কাক কি বুলি মাতিব লাগে, কেনেভাৱে সম্বোধন কৰিব লাগে ইত্যাদি বহুতো কথা শিশুৱে চুবুৰীয়াৰ পৰাও শিকে। সেয়ে চুবুৰীয়া পৰিবেশ সুস্থ-সবল হোৱা বাঞ্চনীয়। প্ৰতিবেশী সকলৰ মাজত যদি সঘনাই হাই-কাজিয়া হৈ থাকে, অশ্লীল শব্দ বা মাত কথা চলি থাকে তেনেহ'লে তাৰ প্ৰভাৱ শিশুৰ ওপৰত প্ৰত্যক্ষ ভাৱেই পৰিব। মৰম-স্নেহ, সহায়-সহযোগ, আত্মীয়তা আদিৰ উপৰিও সাংস্কৃতিক দিশৰ বিভিন্ন শিক্ষা শিশুৱে চুবুৰীয়াৰ পৰা লাভ কৰে। সামাজিক সম্বন্ধ,

সামাজিক আদান-প্ৰদান, সামূহিকতা মনোভাৱ ইত্যাদি বিষয়বস্তুবোৰ শিশুৱে চুবুৰীয়াৰ পৰা আয়ত্ব কৰে, যিবোৰ জ্ঞানৰ দ্বাৰা শিশুৱে ভৱিষ্যতে সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে নিজকে গঢ়ি তুলিবলৈ সক্ষম হয়।

---

**সমনীয়া সমূহঃ**

---

সামাজিকীকৰণৰ অন্যতম কৰ্তা হৈছে লগৰ সমনীয়া সমূহ অৰ্থাৎ শিশু যিসকল সমনীয়াৰ লগত ফুৰা-চকা, খেলা-ধূলা আদি কৰে। শিশু যেতিয়া ঘৰ তথা পৰিয়ালৰ চাৰিবেৰৰ পৰা ওলাই আহি কৰবাত ঘূৰিব আৰু খেলিব পৰা হয় তেতিয়া তেওঁলোকে বিভিন্ন সমনীয়াক লগ পাই। এই সমনীয়া সকল আহে বিভিন্ন পৰিবেশত ডাঙৰ হোৱা বিভিন্ন পৰিয়াল তথা সমূহৰ পৰা। এনে ভিন্ন পৰিবেশৰ পৰা অহা বিভিন্ন শিশুৰ লগত তেওঁলোকৰ আদান-প্ৰদান হয় আৰু বন্ধুত্বও গঢ়ি উঠে। এই সময়ত শিশুৱে লগৰ বন্ধু-বান্ধৱীৰ পৰা বিভিন্ন ধৰণৰ কথা শিকে, উদাহৰণ স্বৰূপে – সাজপাৰ, আচাৰ-ব্যৱহাৰ, পঢ়া-শুনা, পৰিষ্কাৰ-পৰিচন্নতা, গীত-মাত, খেলা-ধূলা ইত্যাদি। সমনীয়া সকলৰ লগত ফুৰোতে, খোলোতে, অহা-যোৱা কৰোতে প্ৰত্যেকে-প্ৰত্যেকৰ পৰা বিভিন্ন ধৰণৰ ভাল-বেয়া বহু কথা শিকে। সেয়ে শিশুৰ সমনীয়া সকল যিবিলাকৰ লগত চলা ফুৰা কৰে, তেওঁলোক যদি সুস্থ-সবল পৰিবেশৰ পৰিয়ালৰ পৰা অহা তেনেহলে এক আদৰ্শযুক্ত সাংস্কৃতিক আচৰণ শিশুৱে গ্ৰহণ কৰিব পাৰে। ইয়াৰ বিপৰীতে আ'ক শিশুৱে বহুতো অসৎ কথা আৰু কাৰ্যও গ্ৰহণ কৰিব পাৰে। বহুক্ষেত্ৰত দেখা যায় যে শিশুৱে নিজৰ পৰিয়ালত এক আদৰ্শপূৰ্ণ সাংস্কৃতিক জীৱনাৰ্দশ গ্ৰহন কৰিলও সমনীয়াৰ প্ৰভাৱত কেতিয়াবা অসৎ বাক্য আৰু শব্দ প্ৰয়োগ কৰিবলৈ শিকে যাৰ ফলত শিশুৱে পৰিয়ালত পিতৃ-মাতৃৰ পৰা শাস্তিও পাব লগা হয়। সমনীয়া সমূহৰ জৰিয়তে শিশু তথা সমাজৰ প্ৰতিজন মানুহেই সমাজৰ বহুখিনি কথাই শিখে সেয়ে সামাজিকীকৰণৰ ক্ষেত্ৰত সমনীয়া সমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি সমাজতত্ব বিদ সকলে মন্তব্য কৰিছে।

---

**শিক্ষানুষ্ঠান** (Educational Institution) ঃ

---

শিক্ষানুষ্ঠান বা বিদ্যালয় হ'ল শিশুৰ সামাজিকীকৰণৰ অত্যন্ত গুৰুত্বপূৰ্ণ কৰ্তা। বিদ্যালয়ে শিশুসকলক লিখিবলৈ আৰু পঢ়িবলৈ শিকায়, বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলক নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা, পৰিস্কাৰ-পৰিচ্ছনতা, অনুশাসনশীলতা, বাধ্যকতা আদিৰ শিক্ষাও প্ৰদান কৰে। এনেধৰণৰ শিক্ষাই শিশুক সমাজৰ উপযুক্ত ব্যক্তি হোৱাত সহায় কৰে। বিদ্যালয়ক এখন উন্নত সভ্য সমাজ () বুলি কোৱা হয়। কাৰণ বিভিন্ন পৰিবেশৰ পৰা আহি ছাত্ৰ-ছাত্ৰী সকল বিদ্যালয়ত সমবেত হয়হি। তেওঁলোকৰ ব্যক্তিগত আচৰণ, কথা-বৰ্তা আদিৰ শুদ্ধ গঢ় লয় বিদ্যালয়ত। শ্ৰেণীকোঠাৰ সহপাঠী সকলৰ মাজত ভাৱ-চিন্তা আৰু আচৰণৰ বিনিময় ঘটে। ফলস্বৰূপে নিজৰ বেয়া গুণবোৰ আতঁৰ হৈ এক শুদ্ধ সংস্কৃতিয়ে গঢ় লৈ উঠে যাক আমি এখন উন্নত সভ্য সমাজ বুলি ক'ব পাৰো। ভৱিষ্যতে এজন সু-নাগৰিক হ'বলৈ শিক্ষানুষ্ঠানে শিশুৰ বাবে ভেটি ৰচনা কৰে। শিক্ষানুষ্ঠানৰ বিভিন্ন শ্ৰেণীৰ পাঠ্যপুথিত থকা অনেক গল্প, কবিতা, কাহিনী, আখ্যান-উপাখ্যান, গীত মাত আদিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলক নৈতিকতা, দেশপ্ৰেম আদিৰ জ্ঞান দিয়ে। তাৰোপৰি সমাজৰ বাবে কাম কৰিবলৈ উৎসাহিত কৰে, লগতে অসামাজিক কাৰ্যৰ পৰা বিৰত থাকিবলৈ জ্ঞান দিয়ে। বিদ্যালয়ত এনে লগে বহি শিক্ষা গ্ৰহন কৰোঁতে, খেলা ধূলা কৰোঁতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বন্ধুত্ব ভাব গঢ়ি উঠে। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পাৰস্পৰিক ত্যাগ, সহিষ্ণুতা, সহযোগিতা, মানৱীয়তা আৰু সামাজিকতা গুণ আহৰণত বিদ্যালয়ে সহায় কৰে। বিদ্যালয় বিলাকত ছাত্ৰ-ছাত্ৰী সকলক নিয়ন্ত্ৰণ কৰিবৰ বাবে, বিদ্যালয়ৰ প্ৰতি দায়বদ্ধতা ভাৱ সৃষ্টি কৰাবাৰ বাবে বিভিন্ন ধৰণৰ ব্যৱস্থা কৰা হয়। ছাত্ৰ একতা সভা,সাধাৰণ সম্পাদক, খেল বিভাগৰ সহকাৰী সম্পাদক, বৰ্গমন্ত্ৰী শ্ৰেণী প্ৰতিনিধি আদি বিভিন্ন পদৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন

দায়িত্ব পালন কৰিবলৈ দিয়া হয়। এনে ব্যৱস্থাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলক গণতান্ত্ৰিক চেতনাৰ জ্ঞান দিয়াৰ উপৰিও সমাজৰ দায়িত্ব পালনৰ শিক্ষাও প্ৰদান কৰা হয়। বিদ্যালয় বিলাকত মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক, আৰু নম্ৰ ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা থাকে। এনে ধৰণৰ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলক পঢ়া শুনা, খেলা ধূলাৰ প্ৰতি আগ্ৰহী কৰি তোলে। বিদ্যালয় বিলাকত শাস্তি প্ৰদানৰ ব্যৱস্থাও ৰখা হয়। এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলক অসৎ কাৰ্যৰ পৰা বিৰত থাকিবলৈ শিকায়। দিহা পৰামৰ্শ, মৰম স্নেহ আদিয়েও ছাত্ৰ-ছাত্ৰী সকলক জীৱনৰ উন্নতিত প্ৰেৰণা দিয়ে। চমুতে কবলৈ গ'লে শিশুৱে ভৱিষ্যত জীৱনৰ প্ৰায় অধিকাংশ জ্ঞান-শিক্ষা বিদ্যালয়তেই লাভ কৰে।

---

**ধৰ্মীয় অনুষ্ঠান** (Religious Institutions) ঃ

---

শিশুৰ সামাজিকীকৰণ প্ৰক্ৰিয়াত ধৰ্মীয় বিশ্বাস আৰু ধৰ্মীয় অনুষ্ঠানবোৰৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ। সমাজৰ প্ৰত্যেকটো পৰিয়ালেই কিছুমান ধৰ্মীয় ৰীতি-নীতি, বিশ্বাস আদি মানি চলে। এনেধৰণৰ ৰীতি-নীতি, বিশ্বাসবোৰে শিশুৰ সামাজিকীকৰণত সহায় কৰে। ধৰ্মীয় ৰীতি-নীতি বিলাকে শিশু তথা মানুহৰ অন্তৰ শোধিত কৰাত সহায় কৰে। পৃথিৱীৰ সকলো সমাজতে ধৰ্মৰ প্ৰভাৱ দেখা যায়। ধৰ্মীয় আচৰণ, নীতি শিক্ষা আদিৰ জৰিয়তে শিশু বিলাকক সদাচাৰী আৰু নৈতিক ভাৱাপন্ন কৰি তোলা হয়। এনেধৰণৰ শিক্ষাই তেওঁলোকক জীৱনৰ প্ৰতি সচেতন কৰাৰ উপৰিও সমাজৰ লগত খাপ খাই চলাত সহায় কৰে। ধৰ্মীয় অনুষ্ঠান বুলি কওতে আমি নামঘৰ, মন্দিৰ, মছজিদ, গীৰ্জা, বৌদ্ধ বিহাৰ ইত্যাদি বোৰৰ কথা উল্লেখ কৰিব লাগিব। এনেধৰণৰ ধৰ্মীয় অনুষ্ঠানবোৰৰ দ্বাৰা শিশু তথা মানুহে সাম্যবাদী চেতনা, ঈশ্বৰ বিশ্বাস, সত্য, দয়া, ক্ষমা আদি শিক্ষা লাভ কৰিব পাৰে। এনেধৰণৰ শিক্ষাই শিশুক উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলাত সহায় কৰে।

**প্ৰচাৰ মাধ্যম আৰু গণ মাধ্যম** (Publicity and MassMedia) ঃ

প্ৰচাৰ মাধ্যম আৰু গণ মাধ্যম সমূহৰ যোগেদিও শিশুৰ সামাজিকীকৰণ কৰা হয়। সাম্প্ৰতিক কালত বিশ্বৰ সকলোদেশৰ সকলো সমাজতেই প্ৰচাৰ মাধ্যমৰ যোগেদি গণ সংযোগ ঘটোৱা হৈছে আৰু বিভিন্ন শিক্ষা-প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। প্ৰচাৰ মাধ্যম সমূহ হ'ল– দৈনিক, সাপ্তাহিক, পষেকীয়া, মাহেকীয়া আদি বিভিন্ন সংবাদ পত্ৰ সমূহ। ইয়াৰোপৰি আলোচনী, ৰেডিঅ', চিনেমা, দূৰ্ৰদৰ্শন আদিকো প্ৰচাৰ মাধ্যম বুলি কোৱা হয়। সাম্প্ৰতিক আধুনিক সমাজবোৰত প্ৰচাৰ মাধ্যম সমূহৰ দ্বাৰা শাৰীৰিক, মানসিক আৰু বৌদ্ধিক অনেক ধৰণৰ আৱশ্যকীয় শিক্ষা প্ৰদান কৰা হৈছে। বাতৰি কাকত সমূহত বিভিন্ন ধৰণৰ গল্প, কবিতা, সাধুকথা, পৌৰাণিক আখ্যান, নৈতিকবাণী প্ৰচাৰ কৰে, যিবোৰ পঢ়ি শুনি তথা ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান লাভ কৰিব পাৰে। তদুপৰি চিত্ৰ প্ৰতিযোগিতা, গল্প, ৰচনা, কবিতা আদিৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত কৰা, কৌতুক, সাঁথৰ আদিৰ প্ৰচাৰে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নত উৎসাহ যোগোৱা পৰিলক্ষিত হয়। দুৰ-দৰ্শন, চিনেমা, ৰেডিঅ' বিলাকেও বিবিধ জ্ঞান, নতুন নতুন ভাৱাদৰ্শ, মূল্যবোধ আদিৰ ওপৰত বাস্তৱ তথ্য প্ৰচাৰ কৰে, যিবোৰে ছাত্ৰ-ছাত্ৰী, শিশু আৰু জনসাধৰণক শিক্ষিত কৰি তোলে আৰু পৰিবৰ্তন মুখী সমাজৰ নুতন ধাৰাৰ লগত খাপ খাই চলিবলৈ সহায় কৰে। প্ৰচাৰ মাধ্যম সমূহত জাতি-জনজাতি, গ্ৰাম্য, নগৰীয়া, পাহাৰীয়া আদি বিভিন্ন সমাজবোৰৰ সংস্কৃতি, মূল্যবোধ, জীৱন নিৰ্বাহ প্ৰণালী, পৰম্পৰা, বৰ্তমান নৃত্য-গীত আদি প্ৰচাৰ আৰু ব্যাখ্যা দি সেই বিলাকৰ ওপৰত শিক্ষা আৰু জ্ঞান লাভ কৰাত সহায় কৰে। গতিকে দেখা যায় যে শিশু, ছাত্ৰ-ছাত্ৰী আৰু মানুহৰ সামাজিকীকৰণত প্ৰচাৰ মাধ্যম সমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

---

**অন্যান্য স্বেচ্ছামূলক সংগঠনৰ ভূমিকা** (Role of other voluntary organization)ঃ

---

সমাজৰ পৰিবৰ্তন আৰু মানুহৰ প্ৰয়োজনৰ তাগিদাত সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ধৰণৰ সংগঠনৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে শিশুৰ বাবে মইনা পাৰিজাত, মহিলা সকলৰ মহিলা সমিতি, যুৱকৰ বাবে যুৱক সংঘ, কৰ্মচাৰী সকলৰ কৰ্মচাৰী পৰিষদ ইত্যাদি। এই বিলাকৰ উপৰিও খেলা-ধূলা, সাহিত্য আৰু সংস্কৃতি আদি চৰ্চ্চাৰ বাবেও সমাজত অনেক ধৰণৰ সংগঠন আছে। এনেধৰণৰ সংগঠন বোৰৰ যোগেদি জীৱনত অনেক শিক্ষা আৰু জ্ঞান লাভ কৰিব পাৰি। শিশুৰ প্ৰতিভা গঢ় লোৱা আৰু বিকাশ সামূহিক মনোভাৱ সৃষ্টি, সহায়-সহযোগিতা, আন্তৰিকতা, আচাৰ-ব্যৱহাৰ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, নিয়মানুবৰ্তীতা, কলাসুলভ জ্ঞান বিকাশ আদি ক্ষেত্ৰত মইনা পাৰিজাত সংগঠন বোৰৰ বৰঙণী অতি গুৰুত্বপূৰ্ণ। তেনেদৰেই মানুহৰ জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন শ্ৰেণীৰ লোক এই সামাজিক সংগঠনবোৰে সামাজিকীকৰণ প্ৰক্ৰিয়াত বিশেষ ভূমিকা পালন কৰা দেখা যায়। পৰিয়াল আবেষ্টনিৰ মাজত আৱদ্ধ হৈ চলা-মহিলা সকলৰ ওপৰত মহিলা সংগঠনৰ প্ৰভাৱ স্পষ্ট ৰূপত দেখা যায়। মহিলা সংগঠনৰ সভানেত্ৰী, সম্পাদিকা, আৰু সদস্যা সকলে সংগঠনৰ নীতি নিয়ম মানি চলা, নতুন নীতি গ্ৰহণ কৰি সংগঠনৰ লক্ষ্য-আদৰ্শ পূৰণ কৰিবলৈ চেষ্টা কৰা আদি কাৰ্যই মহিলা সকলক গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি সচেতন কৰি তোলে। তাৰোপৰি কিতাপ, আলোচনী, বাতৰি কাকত আদি পঢ়াৰ প্ৰতি আৰু দেশৰ খা-খবৰ, চৰকাৰী আঁচনি আদিৰ ওপৰত মনোযোগ দিয়াত সহায় কৰে। এনেধৰণৰ সংগঠনৰ প্ৰভাৱত মহিলা সকলে অধিকশিক্ষা আৰু জ্ঞান লাভ কৰি নিজকে একোগৰাকী সমাজৰ উপযুক্ত সদস্যা হিচাপে গঢ়ি তুলিবলৈ সক্ষম হোৱা দেখা গৈছে। সমাজৰ স্বেচ্ছামূলক বিভিন্ন সংগঠনৰ সমূহৰ সদস্যা সকলে নিজ নিজ সংগঠনৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিবলৈ শিকে

আৰু এনে ধৰণৰ স্বভাৱে প্ৰতিজন সদস্যক সমাজৰ প্ৰতি, সমাজৰ মান-প্ৰতিমান, প্ৰমূল্য আদিৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলাত সহায় কৰে।

---

**ৰাষ্ট্ৰ** (The State) ঃ

---

সামাজিকীকৰণ প্ৰক্ৰিয়াত ৰাষ্ট্ৰৰ প্ৰভাৱো গুৰুত্বপূৰ্ণ। আমি সকলোৱেই একোখন ৰাষ্ট্ৰৰ নাগৰিক। নাগৰিক হিচাপে আমাৰ দেশৰ প্ৰতি কৰিবলগীয়া বহুতো দায়িত্ব আৰু কৰ্তব্য আছে। নিজৰ দেশৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলাটো আমাৰ প্ৰধান কৰ্তব্য। প্ৰতিখন ৰাষ্ট্ৰৰে সংবিধান আছে। এই সংবিধান বিলাকত বিভিন্ন নিয়ম-নীতি বান্ধি থোৱা হৈছে যাতে এই নিয়ম বোৰ সকলো নগৰিকেই মানি চলি দেশত শান্তি, ঐক্য, সম্প্ৰীতি আদি ৰক্ষা কৰিব পাৰে। আমি ভাৰত ৰাষ্ট্ৰৰ নাগৰিক হিচাপে ইয়াৰ সংবিধান প্ৰত্যেকেই মানি চলা উচিত। ভাৰতবৰ্ষৰ সংবিধানে ভাৰত এখন ধৰ্মনিৰপেক্ষ সাৰ্বভৌমিক গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি ঘোষণা কৰিছে আৰু তেনেদৰেই নাগৰিক সকলক চলা ফুৰা কৰিবলৈ শিকোৱা আৰু বাধ্য কৰোৱা হৈছে। ৰাষ্ট্ৰৰ সংবিধানে বান্ধি দিয়া নিয়ম নীতি বোৰ উলংঘা কৰিলে দেশত অশান্তিৰ সৃষ্টি হয়। সেয়ে এনে কাৰ্য কৰোতাক ৰাষ্ট্ৰই শাস্তি প্ৰদান কৰে। সংবিধানে আমাৰ ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলাত সহায় কৰে।

---

**সামাজিকীকৰণৰ গুৰুত্ব** (Significance of Socialization) ঃ

---

সামাজিকীকৰণ এক জীৱনজোৰা প্ৰক্ৰিয়া। শিশু তথা মানুহৰ জীৱনৰ ওপৰত এই প্ৰক্ৰিয়াৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। এই প্ৰক্ৰিয়া শিশুৰ জন্মৰ পৰা বৃদ্ধাৱস্থাৰ মৃত্যুৰ আগমূহুৰ্তলৈকে চলি থাকে বুলি কোৱা হয়। বিভিন্ন ধৰ্মীয় শাস্ত্ৰত সামাজিকীকৰণ প্ৰক্ৰিয়া শিশু মাতৃৰ গৰ্ভত থকা দিনৰ পৰাই আৰ হয় বুলি পোৱা গৈছে। হিন্দুৰ অন্যতম মহাকাব্য মহাভাৰতৰ

অন্যতম চৰিত্ৰ অভিমন্যুৰ জীৱন কাহিনীত এই কথাৰ প্ৰমান পোৱা যায়। সামাজিকীকৰণৰ গুৰুত্বৰ প্ৰধান দিশটো হৈছে- যে ই মানুহক সাধাৰণ প্ৰাণীৰ পৰা সমাজৰ সদস্যলৈ ৰূপান্তৰিত কৰে।

মানুহ সামাজিক প্ৰাণী (Man is a social being)। এই কথা গ্ৰীক দাৰ্শনিক এৰিষ্টটলেও কৈ গৈছে। মানুহ সমাজপ্ৰিয় তথা সামাজিক প্ৰাণী হ'লেও জন্মতেই শিশুৱে সমাজৰ ৰীতি-নীতি, পৰম্পৰা, মূল্যবোধ আদি শিকি নাহে। জন্মতে এটি মানৱ শিশু কেৱল জৈৱ প্ৰাণী হিচাপে পৃথিৱীলৈ আহে। তাৰ পাছত সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সেই অজান শিশুটি সামাজিক প্ৰাণীত পৰিণত হয়। সামাজিকীকৰণে এটি শিশুক মানুহলৈ পৰিবৰ্তন কৰেআৰু তাৰ পাছত মানুহ হৈ পৰে সমাজৰ এজন উপযুক্ত ব্যক্তি। সামাজিকীকৰণ প্ৰক্ৰিয়া নথকাহেতেন হয়তো মানুহ আৰু হিংস্ৰ পশুৰ মাজত বিশেষ পাৰ্থক্য পৰিলক্ষিত নহ'লহেতেন। সামাজিকীকৰণৰ অবিহনে শিশুৰ জৈৱিক দেহৰ বিকাশ হ'ব পাৰে, কিন্তু সাংস্কৃতিক মানবীয়গুণ আৰু মানসিক জগতৰ বিকাশ কেতিয়াও সম্ভৱ নহয়। সামাজিকীকৰণ প্ৰক্ৰিয়াৰ সুবিধা নোপোৱা, আৰু সমাজৰ পৰা পৃথকে ৰক্ষা শিশুৰ মানবীয় সামাজিক আৰু সাংস্কৃতিক দিশ যে বিকাশ নহয় তাৰ বিভিন্ন উদাহৰণ পোৱা যায়। সেই উদাহৰণবোৰ বিশ্লেষণ কৰিলেই সামাজিকীকৰণৰ গুৰুত্ব সম্পৰ্কে বুজিব পাৰি। সমাজতত্ত্ববিদ্ কিংচলি ডেভিচে সমাজ তথা ব্যক্তিৰ সান্নিধ্যৰ পৰা পৃথকে ৰখা শিশুৰ মানসিক আৰু মানৱীয় ব্যৱহাৰৰ বিকাশ যে নহয় সেই সম্পৰ্কত আগবঢ়োৱা দুটি উদাহৰণ তলত উল্লেখ কৰা হ'ল।

কিংচ্লি ডেভিচে উল্লেখ কৰা প্ৰথম উদাহৰণ হ'ল যে আন্না নামৰ এজনী জাৰজ সন্তান আছিল। মাকৰ দুষ্কাৰ্যৰ বাবে খং উঠি ককাকে তাইক নি এটা আন্ধাৰ কোঠাত আৱদ্ধ কৰি থয়। তাইৰ লালন-পালনত কোনেও মন দিয়া নাছিল। অতি লেতেৰা কাপোৰ পিন্ধি সাধাৰণভাৱে জীয়াই আছিল। তাইৰ মুখ-মণ্ডলত কোনো অনুভূতি প্ৰকাশ পোৱা নাছিল। কোনো ধৰণৰ ভাৱ প্ৰকাশৰ

শব্দ তাই উচ্চাৰণ কৰিব পৰা নাছিল। দুবছৰ বয়সত তাইক সেই অন্ধকুপৰ পৰা উলিয়াই অনা হৈছিল। দেখা গ'ল যে এই সমছোৱাত তাইৰ দৈহিক বিকাশহে হৈছিল। মানৱ সন্তান হিচাপে তাইৰ কোনো আচৰম গঢ় লোৱা নাছিল। তাই কোনো সম্বোধনাত্মক শব্দ ক'ব জনা নাছিল। অন্ধকুপৰ পৰা আনি যেতিয়া তাইক ছবছৰ বয়সত মানুহৰ স্পৰ্শত আৰু পৰিয়ালৰ সদস্যসকলৰ লগত ৰখা হৈছিল তেতিয়া তাই খেলা-ধূলা কৰা, শব্দ উচ্চাৰণেৰে মনৰ ভাৱ প্ৰকাশ কৰা, পৰিস্কাৰকৈ থকা, লগৰ সমনীয়াৰ লগত হাঁহি ধেমালি কৰা ইত্যাদি বহুতো খিনি মানৱীয় আচৰণ শিকিবলৈ সক্ষম হৈছিল। মুঠতে তাইৰ শৰীৰ আৰু মনৰ বহুতো উন্নতি হৈছিল। কিন্তু দুভাগ্যজনকভাৱে পাণ্ডু ৰোগত ভূগি প্ৰায় দহ বছৰ বয়সত তাইৰ মৃত্যু হৈছিল। এই উদাহৰণৰ পৰা সামাজিকীকৰণৰ গুৰুত্ব আমি অতি সহজেই বুজিব পাৰোহক।

কিংচলি ডেভিচে উল্লেখ কৰা দ্বিতীয়টো উদাহৰণ হ'ল যে ইজাবেলা নামৰ এটি জাৰজ সন্তানে ক'লা আৰু বোবা মাকৰ লগত এটি অন্ধকুপত বাস কৰিছিল। সেয়ে ইজাবেলাই কথা-বৰ্তা পতা, বা শব্দ উচ্চাৰণ আদি কৰিব পৰা নাছিল। ভাষাৰ পৰিবৰ্তে তাই কিছুমান অচিনাকি শব্দহে উচ্চাৰণ কৰিছিল। মাকৰ বাহিৰে অন্য মানুহলৈ তাই ভয় কৰিছিল। কিন্তু তাইক প্ৰায় চাৰে ছবছৰ বয়সত সেই অন্ধকুপৰ পৰা উদ্ধাৰ কৰি বিশেষজ্ঞ সকলে বিভিন্ন প্ৰশিক্ষণ দিছিল। দেখা গ'লযে প্ৰশিক্ষণৰ ফলত তাই বিভিন্ন ধৰণৰ শব্দ উচ্চৰণ, বাক্য ব্যৱহাৰ, সুন্দৰভাৱে মনৰ ভাৱ প্ৰকাশ, ছপা আখৰ চিনিব আৰু পঢ়িব পৰা, সাধু কথা পঢ়া আৰু আনক কোৱা ইত্যাদি জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল। বিদ্যালয়ত নামভৰ্তি কৰি দিয়াৰ পাছত অন্যান্য শিশুসকলৰ দৰেই খেলা-ধূলা, প্ৰতিযোগিতাত অংশ লোৱা, ইত্যাদি দিশত তাই আগুৱাই যাবলৈ সক্ষম হৈছিল। আন্নাতকৈ ইছাবেলাই অতি সোনকালে উন্নতি কৰিব পাৰিছিল। ইয়াৰ কাৰণ হ'ল আন্নাই অন্ধকুঠৰীত অকলে আছিল আৰু ইছাবেলাই মাকৰ লগত আছিল। সমাজতত্ত্ববিদ কিংছলি ডেভিচৰ উদাহৰণ দুটাৰ পৰা আমি সামাজিকীকৰণৰ

প্ৰভাৱ বা গুৰুত্ব স্পষ্ট ভাৱে উপলব্ধি কৰিব পাৰোঁ। এটা জৈৱিক দেহধাৰী মানৱ শিশুক উপযুক্ত সামাজিক প্ৰাণী গঢ়ি তোলাত সামাজিকীকৰণে বিশেষ ভাৱে সহায় কৰে।

সামাজিকীকৰণৰ দ্বিতীয় গুৰুত্ব পূৰ্ণ বা প্ৰয়োজনীয় দিশটো হ'ল এই যে মানৱ শিশু বা মানুহৰ ব্যক্তিত্ব গঠন আৰু প্ৰতিভা বিকাশত সামাজিকীকৰণে সহায় কৰে। সমাজত বস-বাস কৰিবলৈ যিবোৰ গুণৰ প্ৰয়োজন সেই গুণৰ সমষ্টিয়ে হ'ল ব্যক্তিত্ব। মানুহৰ ব্যক্তিত্বই গঢ় লয় কেৱল সামাজিকীকৰণৰ সহায়ত। সুস্থ-সৰল সামাজিকীকৰণ প্ৰক্ৰিয়াই ব্যক্তিক সমাজত শান্তিৰে জীৱন যাপন কৰিবলৈ উপযুক্ত কৰি গঢ়ি তোলে।

মানৱ জীৱনৰ ওপৰত সামাজিকীকৰণৰ প্ৰভাৱ আৰু গুৰুত্বৰ তৃতীয় দিশটো হ'ল যে- সামাজিকীকৰণে ব্যক্তিক শৃঙ্খলাবদ্ধ আৰু নিয়মানুবৰ্তিতাৰ মাজেৰে সমাজত জীৱন যাপন কৰিবৰ কাৰণে প্ৰয়োজনীয় শিক্ষা আৰু জ্ঞান দিয়াত সহায় কৰে। সামাজিকীকৰণৰ অৰ্থ হ'ল সামাজিক শিক্ষা প্ৰদান। এই সামাজিক শিক্ষাই সামাজিক আচৰণ বোৰ নিয়ন্ত্ৰিত কৰে। সামাজিকীকৰণৰ জৰিয়তে সমাজৰ ব্যক্তিসকলে সামাজিক প্ৰতিমান, নীতি-নিয়ম আৰু আচাৰ-ব্যৱহাৰ, মূলবোধ, আদৰ্শ আদিৰ শিক্ষালাভ কৰে। এনেধৰণৰ শিক্ষা আৰু জ্ঞানে আমাক সমাজত শৃংখলাবদ্ধ আৰু নিময় নীতি অনুসৰি জীৱন যাপন কৰাত সহায় কৰে।

সামাজিকীকৰণৰ গুৰুত্বৰ চতুৰ্থ দিশটো হ'ল যে ইয়াৰ সহায়ত সমাজত ব্যক্তিসকলে বিভিন্ন ভূমিকা তথা দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ শিকে। প্ৰত্যেক জন ব্যক্তিয়ে সমাজত লিঙ্গ আৰু বয়স অনুযায়ী বিভিন্ন ধৰণৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিব লাগে। এই দায়িত্ব আৰু কৰ্তব্যবিলাক কেনেকৈ পালন কৰিব লাগে সেই সম্পৰ্কে সামাজিকীকৰণে শিক্ষা বা জ্ঞান দিয়ে। উদাহৰণস্বৰূপে,– শিশু কালত জ্ঞান-বিদ্যা আয়ত্ব কৰা। শিক্ষানুষ্ঠানলৈ যোৱা, পিতৃ-মাতৃ, গুৰু আৰু জেষ্ঠ্যজনক সন্মান কৰা ইত্যাদি। পৰিয়ালত ভাই-ককাইৰ,

বাই-ভনীৰ লগত মিলা-প্ৰীতিয়ে বাস কৰা, পিতৃ-মাতৃক সহায় কৰা ইত্যাদি। সুস্থ-সৰল সামাজিকীকৰণ প্ৰক্ৰিয়াই উক্ত ধৰণৰ কৰ্তব্য পালনৰ বাবে শিশুক শিক্ষা প্ৰদান কৰে।

সামাজিকীকৰণৰ প্ৰয়োজনীয়তাৰ অন্যতম দিশ হ'ল যে ই শিশু তথা সমাজৰ সদস্য সকলক জ্ঞান তথা দক্ষতা বৃদ্ধিত সহায় কৰে। সামাজিকীকৰণ হ'ল এনে এটা পদ্ধতি যিটোৱে এটি শিশুক বিভিন্ন জ্ঞানৰ প্ৰশিক্ষণ দিয়ে, যি জ্ঞানে সমাজত স্বাভাৱিক ভাৱে জীৱন যাপন কৰাত সহায় কৰে। তাৰোপৰি এনেধৰণৰ জ্ঞান আৰু শিক্ষাৰ দক্ষতাই শিশুক তেওঁৰ ভৱিষ্যত জীৱনত সাংস্কৃতিক, অৰ্থনৈতিক, শিক্ষা, বৃত্তি, ৰাজনৈতিক ধৰ্মীয়, আৰু পাৰিবাৰিক দিশৰ দায়িত্ব অতি সফলতাৰে পালন কৰাৰ বাবে উপযুক্ত কৰি তোলে।

সামাজিকীকৰণ প্ৰক্ৰিয়াৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হ'লযে ইয়াৰ দ্বাৰা সমাজৰ ৰীতি-নীতি, ভাৱধাৰা, বিশ্বাস, ভাষা-সাহিত্য, সংস্কৃতি এটা স্তৰ বা প্ৰজন্মৰ পৰা পাছৰ প্ৰজন্ম সকললৈ হস্তান্তৰ কৰা হয়। সামাজিকীকৰণৰ কৰ্তা বিলাকে শিশু সকলক সমাজৰ পৰম্পৰাৰ বিষয়ে জ্ঞান দিয়ে।

সামাজিকীকৰণ প্ৰক্ৰিয়াৰ অন্যতম দিশ হৈছে যে ইয়াৰ দ্বাৰা ব্যক্তিক সঠিক পথেৰে আগুৱাই গৈ জীৱনৰ লক্ষ্যস্থানত উপনীত হবলৈ সহায় কৰা হয়। উৎসাহ,প্ৰেৰণা যোগোৱা হয়। সমাজৰ প্ৰতিজন সদস্যৰে নিজা আশা, আকাঙ্খ্যা, লক্ষ্য আৰু উদ্দেজশ্য থাকে। এনেধৰণৰ ব্যক্তিগত আশা আকাঙ্খ্যা বা ব্যক্তিসকলৰ স্বাৰ্থৰ লগত সমাজৰ আশা-আকাঙ্খাৰ সংগতি নাথাকিবও পাৰে। ব্যক্তিসকলে যদি কেৱল নিজৰ আশা আকাঙ্খ্যা মতেই চলিব বিচাৰে তেনে হ'লে সমাজত অশান্তিৰ সৃষ্টি হব। সেয়ে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ যোগেদি শিশুসকলক এনে শিক্ষা দিয়া হয় যাতে তেঁওলোকে সমাজৰ লক্ষ্য আৰু আশানুযায়ী কৰ্তব্য সম্পাদন কৰে। এনে শিক্ষাই সমাজৰ শান্তি আৰু ঐক্য ৰক্ষাত সহায় কৰে।

সামাজিকীকৰণৰ জৰিয়তেহে সমাজৰ সামাজিক শৃংখলাৰ স্থায়ীত্ব ৰক্ষা কৰিব পাৰি। সমাজৰ নৱ প্ৰজন্মক সমাজৰ ভাৱধাৰা, ৰীতি-নীতি, সাংস্কৃতি

আৰু লক্ষ্যৰ বিষয়ে সামাজিকীকৰণৰ দ্বাৰা শিকোৱা হয়। এনেদৰে এচাম প্ৰজন্মৰ পৰা আন এচাম প্ৰজন্মলৈ এনে শিক্ষাৰ হস্তান্তৰ হৈ চলি থকাৰ বাবেই সমাজ আৰু সংস্কৃতিৰ ধাৰাহিকতা ৰক্ষা হয়। ইয়াৰ ফলত সমাজৰ স্থায়ীত্ব অক্ষুন্ন থাকে। সমাজৰ শিশু তথা সদস্যসকলৰ জীৱনৰ ওপৰত সামাজিকীকৰণ প্ৰক্ৰিয়াৰ গুৰুত্বৰ অতি উল্লেখনীয় দিশটো হ'ল - যে ইয়াৰ সহায়ত শিশুৰ উজল ভৱিষ্যত গঢ়লৈ উঠে। সামাজিকীকৰণ হ'ল একমাত্ৰ শক্তিশালী প্ৰক্ৰিয়া যিটোৱে সমাজ আৰু ইয়াৰ সদস্যসকলৰ লক্ষ্য পূৰণ আৰু ভৱিষ্যত গঢ়াত সহায় কৰে। সমাজৰ প্ৰজন্ম সকলক সমাজ জীৱনৰ প্ৰয়োজনীয় গুণখিনি আয়ত্বৰ বাবে যদি যথোপযুক্ত প্ৰশিক্ষণ দিয়া হয়, তেনে শিক্ষাৰ পৰা শিশুৰ ভৱিষ্যৎ উজল হোৱাৰ উপৰিও সমাজত শান্তি আৰু শৃঙ্খলাই বিৰাজ কৰে আৰু এখন সুষ্ঠ মানৰ সমাজত গঢ় লৈ উঠাত সহায়ক হয়।

---

## ১.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ?

---

সামাজিকীকৰণ পাঠটিত কৰা আলোচনাৰ পৰা আমি শিকিলো যে –

- ব্যক্তি আৰু সমাজৰ এক নিবিড় সম্পৰ্ক আছে। সমাজ বিহীন ব্যক্তি আৰু ব্যক্তি বিহীন সমাজৰ কোনো স্থিতি নাথাকে।
- সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া। যি প্ৰক্ৰিয়াই সমাজৰ শিশু তথা সদস্য সকলক সমাজৰ ৰীতি-নীতি, প্ৰতিমান, মূল্যবোধ, সংস্কৃতি আদিৰ বিষয়ে শিক্ষা দি সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলাত সহায় কৰে।
- সামাজিকীকৰণ এক জীৱন জোৰা প্ৰক্ৰিয়া। জন্মৰ পৰা মৃত্যুৰ আগমূহুত্বলৈকে এই প্ৰক্ৰিয়া ধাৰাবাহিক ৰূপে চলি থাকে।
- সামাজিকীকৰণ শিশু তথা ব্যক্তি জীৱনৰ বিভিন্ন স্তৰৰ মাজেদি পৰিচালিত হয়।

- শিশু তথা ব্যক্তিসকলক সমাজৰ বিভিন্ন কৰ্তাৰ দ্বাৰা সামাজিকীকৰণৰ শিক্ষা দিয়া হয়।
- সামাজিকীকৰণে শিশু আৰু সমাজৰ আন আন সদস্য সকলৰ আচৰণ গঢ় দিয়াত সহায় কৰে।
- সামাজিকীকৰণে সমাজৰ সদস্যসকলৰ ভৱিষ্যৎ জীৱনৰ উজল কৰাত সহায় কৰে আৰু সমাজৰ সংস্কৃতিৰ ধাৰাবাহিকতা ৰক্ষা কৰে।
- সামাজিকীকৰণে সমাজৰ সদস্য সকলক শৃঙ্খলাবদ্ধ জীৱন যাপন কৰাৰ প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰে।
- সামাজিকীকৰণে ব্যক্তিৰ ব্যক্তিত্ব গঠন আৰু বিকাশত সহায় কৰে।
- সামাজিকীকৰণে সমাজৰ স্থায়ীত্ব, ঐক্য-সংহতি, আৰু শান্তি শৃঙ্খলা ৰক্ষাত সহায় কৰে।

---

## ১.৯ অগ্ৰগতি খতিয়ান ঃ

---

(ক) সঁচানে মিছা লিখাঃ

(১) সামাজিকীকৰণ প্ৰক্ৰিয়াৰ প্ৰভাৱ কেৱল শিশু বা কেঁচুৱা অৱস্থাতহে স ৱ হয়।

☐

(২) সামাজিকীকৰণৰ প্ৰধান কৰ্তা মাতৃ।

☐

(৩) সামাজিকীকৰণে শিশুক সমাজৰ এজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তুলিব নোৱাৰে।

☐

(৪) সুস্থ সামাজিকীকৰণ ব্যক্তিত্ব গঠনৰ প্ৰধান আহিলা।

☐

(খ) তলত দিয়াবোৰৰ উত্তৰ লিখা।

(১) সমাজৰ পৰা পৃথক কৰি ৰখা শিশুৰ পৰা প্ৰকৃত সামাজিক আচৰণ আশা কৰিব পাৰিনে?

.....................................................................................................

.....................................................................................................

.....................................................................................................

(২) শিশু তথা ব্যক্তিৰ জীৱনত সামাজিকীকৰণ প্ৰক্ৰিয়াৰ শেষ সীমা আছে নে?

.....................................................................................................

.....................................................................................................

.....................................................................................................

(৩) কি কাৰণে সমাজে ইয়াৰ সদস্য সকলক সামাজিকীকৰণৰ শিক্ষা দিবলৈ বিচাৰে।

.....................................................................................................

.....................................................................................................

.....................................................................................................

---

## ১.১০ অগ্ৰগতি খতিয়ান উত্তৰ ঃ

---

(ক) (১) মিছা (২) সঁচা (৩) মিছা
(৪) সঁচা

(খ) (১) সমাজৰ পৰা আঁতৰি থকা বা পৃথকে ৰখা শিশুৰ পৰা প্ৰকৃত সামাজিক আচৰণ আশা কৰিব নোৱাৰি। তাৰ বহুতো উদাহৰণ পোৱা যায়।

(২) শিশু তথা ব্যক্তিৰ জীৱনত সামাজিকীকৰণৰ শেষ সীমা নাই। কাৰণ ই হ'ল এক জীৱনজোৰা ধাৰাবাহিক প্ৰক্ৰিয়া।

(৩) ব্যক্তিৰ ব্যক্তিগত জীৱন তথা সামাজিক জীৱনত শান্তি-শৃঙ্খলা ৰক্ষা কৰা আৰু সমাজৰ সদস্য সকলক সমাজৰ সামূহিকতাৰ প্ৰতি সমৰূপতা প্ৰকাশ কৰি কিম্বা সমাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি জীৱন যাপন কৰিবৰ কাৰণেই সমাজে ইয়াৰ সদস্য সকলক সামাজিকীকৰণ কৰিবলৈ বিচাৰে।

---

## ১.১১ স াব্য প্ৰশ্ন ঃ

---

(১) সামাজিকীকৰণৰ অৰ্থ প্ৰকাশ কৰা। সমাজত ইয়াৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(২) সমাজৰ পৰা পৃথকে ৰখা শিশুৰ পৰা প্ৰকৃত সামাজিক আচৰণ আশা কৰিব পাৰিনে? উপযুক্ত উদাহৰণ সহ লিখা।

(৩) শিশুৰ সামাজিকীকৰণত পৰিয়ালৰ ভূমিকা আলোচনা কৰা।

(৪) সামাজিকীকৰণৰ সংজ্ঞা দিয়া। ইয়াৰ বৈশিষ্ট্যবোৰ লিখা।

(৫) সামাজিকীকৰণৰ বিভিন্ন স্তৰ বোৰ আলোচনা কৰা।

........................................................................................................................

........................................................................................................................

........................................................................................................................

(৬) সামাজিকীকৰণৰ কৰ্তা (Agencies) সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

........................................................................................................................

........................................................................................................................

........................................................................................................................

---

## ১.১২ অধিক জানিবলৈ ঃ

---

- চি.এন. শঙ্কৰ ৰাও ঃ সমাজতত্ত্ব, প্ৰাথমিক নীতি।
- ড° শৰৎ শৰ্মা ঃ সমাজতত্ত্ব, ষ্টুডেন্টচ্ ষ্ট'ৰচ, গুৱাহাটী।
- ড° জ্যোতি প্ৰসাদ শইকীয়া আৰু অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক ঃ সাধাৰণ সমাজতত্ত্ব, অৰুণ প্ৰকাশ, গুৱাহাটী।

# পাঠ গোট নং - ২

# সামাজিক নিয়ন্ত্রন

**(নম্বৰ ২০)**

**পাঠ গোট গাঁথনিঃ**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ আৰু সংজ্ঞা

১.৩ সামাজিক নিয়ন্ত্ৰণৰ প্ৰকাৰ

১.৪ সামাজিক নিয়ন্ত্ৰণৰ কৰ্তা

১.৫ সামাজিক নিয়ন্ত্ৰণৰ গুৰুত্ব

১.৬ আমি কি শিকিলো

১.৭ অগ্ৰগতিৰ খতিয়ান

১.৮ অধিক জানিবৰ বাবে

১.৯ সম্ভাব্য প্ৰশ্নাৱলী

---

## ১.০ উদ্দেশ্য ঃ

---

সামাজিক নিয়ন্ত্ৰণ পাঠ গোটটি অধ্যয়ন কৰি তোমালোকে –

- সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ নিৰ্ণয় কৰিব পাৰিবা।
- সামাজিক নিয়ন্ত্ৰণৰ গুৰুত্ব বিশ্লেষণ কৰিব পাৰিবা।
- ব্যক্তি আৰু সামাজিক নিয়ন্ত্ৰণৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰিব পাৰিবা
- সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ সম্বন্ধ ব্যাখ্যা কৰিব পাৰিবা।

- মানৱ সমাজত সামাজিকীকৰণ আৰু নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা বিশ্লেষণ কৰিব পাৰিবা।
- সামাজিক নিয়ন্ত্ৰণ প্ৰক্ৰিয়াই সমাজত কেনেকৈ শান্তি-ঐক্য আৰু সম্প্ৰীতি ৰক্ষা কৰে সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।
- সামাজিক নিয়ন্ত্ৰণৰ প্ৰকৃত উ শ্যসমূহ বিস্তৃতভাৱে জানিব পাৰিবা।
- সামাজিক নিয়ন্ত্ৰণৰ বিভিন্ন কৰ্তাসমূহে কেনেকৈ আমাক শান্তিপূৰ্ণ জীৱন যাপনত সহায় কৰে সেই বিষয়ে অনুধাৱন কৰিব পাৰিবা।

---

## ১.১ প্ৰস্তাৱনা ঃ

---

মানৱ সমাজ পদ্ধতিৰ অতি গুৰুত্বপূৰ্ণ দিশ হ'ল 'নিয়ন্ত্ৰণ'। নিয়ন্ত্ৰণ অবিহনে সমাজৰ সদস্য সকলৰ ব্যক্তিগত জীৱন তথা সামাজিক জীৱনৰ শান্তি-শৃঙ্খলা, স্থিতি আৰু উন্নতি স ৱ নহয়। ব্যক্তিৰ সমষ্টিয়েই সমাজ।ব্যক্তিসকলে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি শিকি সেইমতে সমাজত চলিবলৈ চেষ্টা কৰে। ফলস্বৰূপে সমাজত শান্তি-শৃঙ্খলা ৰক্ষা হয়। প্ৰত্যেকজন মানুহৰে নিজ নিজ আশা-আকাঙ্খা, আৰু স্বাৰ্থ আছে। আনকি মানুহৰ সামূহিক জীৱন তথা সামাজিক জীৱনৰ সৰ্বপ্ৰথম মূল আধাৰ হ'ল স্বাৰ্থ। মানুহে প্ৰথমে নিজৰ ব্যক্তিগত স্বাৰ্থপূৰণ কৰিবৰ বাবে সামূহিকভাৱে জীৱন যাপন কৰিবলৈ বাধ্য হয়। কিন্তু এটা কথা আমি মনত ৰাখিব লাগিব যে সকলো মানুহৰে স্বাৰ্থ থাকিলেও স্বাৰ্থবোৰ একে নহয়। এনে অৱস্থাত যদি প্ৰত্যেক মানুহে নিজৰ স্বাৰ্থ পূৰণৰ বাবে নিজৰ ৰুচি অনুযায়ী কৰ্ম কৰে বা কৰিবলৈ স্বাধীনতা পায়, তেন্তে সমাজত অৰাজকতা আৰু বিশৃঙ্খলতাৰ সৃষ্টি হ'ব। ফলস্বৰূপে মানুহৰ সামাজিক জীৱন অস্থিৰ হৈ পৰিব। সেয়ে মানুহৰ কাৰ্য-কলাপৰ ওপৰত সমাজে এনে এক ব্যৱস্থা আৰোপ কৰিবলগীয়া হয়, যাতে সকলো মানুহে কিছুমান নিৰ্দ্ধাৰিত আচৰণৰ জৰিয়তে

নিজৰ নিজৰ স্বাৰ্থ পূৰণ কৰি সকলোৱেই শান্তিপূৰ্ণভাৱে সমাজত বসবাস কৰিবলৈ সুবিধা পায়। সমাজৰ সদস্যসকলক সামাজিক মূল্যবোধ, প্ৰতিমান আৰু নিয়ম-নীতি অনুসৰি চলিবলৈ বাধ্য কৰোৱা ব্যৱস্থা আৰু প্ৰক্ৰিয়াটোকে সামাজিক নিয়ন্ত্ৰণ বোলা হয়। সামাজিক নিয়ন্ত্ৰণ এখন নাৱৰ গুৰিব'ঠাৰ দৰে। ব'ঠা অবিহনে যেনেদৰে নাও আৰু ইয়াৰ যাত্ৰীসকল লক্ষ্যভ্ৰষ্ট হৈ ধ্বংসৰ ফালে গতি কৰে ঠিক তেনেদৰে সামাজিক নিয়ন্ত্ৰণ নহলেও মানৱসমাজ অস্থিৰ আৰু বিশৃঙ্খলিত হৈ পৰিব। সেয়ে এই নিয়ন্ত্ৰণ ব্যৱস্থা সমাজত অতি প্ৰাচীন কাৰলে পৰা চলি অহাৰ প্ৰমাণ পোৱা গৈছে। অতী প্ৰাচীন কালত মানুহে যেতিয়া অঘৰী হৈ একো একোটা দলত বাস কৰি অৰণ্যৰ মাজত ঘূৰি ফুৰিছিল তেতিয়াও তেওঁলোকক এজন দলপতিয়ে নিয়ন্ত্ৰণ কৰি চলাই লৈ ফুৰিছিল। অৰণ্যৰ মাজত কি কৰিব লাগে, কোনটো পথে যাব, খাদ্য সংগ্ৰহ কেনেদৰে কৰিব, বিপদ আহিলে কিদৰে তাৰ সন্মুখীন হ'ব আদি নিৰ্দ্দেশবোৰ দলপতিয়ে দিছিল। দলপতিজনৰ নিৰ্দেশ মতে চলাৰ বাবেই সকলোৰে জীৱন ৰক্ষা পৰিছিল আৰু স্বাৰ্থ পূৰণ হৈছিল। সেয়ে সামাজিক নিয়ন্ত্ৰন পদ্ধতিৰ প্ৰচলন অতি প্ৰাচীন বুলি মন্তব্য কৰিব পাৰি। এটা কথা দেখা যায় যে জন্মগ্ৰহন কৰোতে আমি সকলোৱেই মুক্ত আৰু স্বাধীন। কিন্তু জন্মৰ পাছৰে পৰা সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে সামাজিক শিক্ষা গ্ৰহণ কৰাৰ লগে লগে আমি সকলো লাহে লাহে পৰাধীন হৈ পৰোঁহক। কাৰণ সমাজত ব্যক্তিয়ে কেৱল নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে, নিজৰ লাভৰ বাবেই কাম কৰিব নোৱাৰে, এইক্ষেত্ৰত লোকৰ কথাও ভাবিব লগা হয়। অৰ্থাৎ সামাজিক নিয়ন্ত্ৰণৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈহে আমি সমাজত কাৰ্য সম্পাদন কৰিব লাগিব। সেয়ে সমাজ দাৰ্শনিক ৰুছোই (Rousseau) তেওঁৰ 'সামাজিক চুক্তি' (Social Contract) নামৰ গ্ৰন্থখন কেইটামান অতি দৰকাৰী বাক্যৰে এনেদৰে লিখিছে যে - "Man is born free and everywhere he is in chains" অৰ্থাৎ জন্মতে মানুহ মুক্ত বা স্বাধীন, কিন্তু তাৰ পাছৰ পৰা মানুহ শিকলিত বন্দী। সমাজ দাৰ্শনিক ৰুছোৰ উক্ত মন্তব্যৰ সৰল অৰ্থ এই যে

জন্মৰ পাছৰ পৰা মানুহে বিভিন্ন ধৰণৰ সীমাবদ্ধতাৰ মাজত চলিব লগা হয়। এই সীমাবদ্ধতা আৰু ‘শিকলি’ ডালেই হৈছে সামাজিক নিয়ন্ত্রন। এই নিয়ন্ত্রন পদ্ধতিৰ প্ৰভাৱত ব্যক্তিয়ে সামাজিক আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম মানি চলিবলৈ বাধ্য হয়। অন্যথাই সমাজত বিশৃঙ্খলতাৰ সৃষ্টি হ'ব। চমুতে সামাজিক নিয়ন্ত্রণ হ'ল এনে এক প্ৰক্ৰিয়া আৰু প্ৰচেষ্টা যাৰদ্বাৰা সমাজৰ সদস্য সকলক সমাজৰ নীতি-নিয়ম, সংস্কৃতি আদি মানি চলিবলৈ, কৰিবলৈ বাধ্য কৰা হয়।

---

## ১.২ সামাজিক নিয়ন্ত্রণৰ অৰ্থ আৰু সংজ্ঞা (Meaning and Definition of Social Control)ঃ

---

সামাজিক নিয়ন্ত্রণৰ অৰ্থ হ'ল সমাজৰ সদস্যসকলক সমাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলিবলৈ বাধ্য কৰা এক বিশেষ ব্যৱস্থা। ইয়াৰ প্ৰকৃত অৰ্থ আৰু স্বৰূপ বুজিবলৈ হ'লে আমি সমাজতত্ত্ববিদসকলে আগবঢ়োৱা সংজ্ঞাসমূহ আলোচনা কৰিব লাগিব। সামাজিক নিয়ন্ত্রণৰ বিষয়ে সংজ্ঞা দিয়া বিভিন্ন সমাজতত্ত্ববিদ সকলৰ ভিতৰত মাত্ৰ কেইজনমানৰ সংজ্ঞাহে তলত উল্লেখ কৰা হ'ল। আমেৰিকাৰ বিশিষ্ট সমাজতত্ত্ববিদ ই.এ. ৰ'চ (E. A. Ross) এ ১৯০১ চনত তেওঁৰ Social control নামৰ গ্ৰন্থখনত সামাজিক নিয়ন্ত্রণৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়াইছে। সমাজতাত্ত্বিক আলোচনাৰ প্ৰসঙ্গত সৰ্বপ্ৰথমে ৰ'চেই সামাজিক নিয়ন্ত্রণ (Social Control) ৰ অৱধাৰণা (Concept)ৰ ওপৰত আলোচনা আগবঢ়ায়। ৰুচৰ মতে - ‘‘সামাজিক নিয়ন্ত্রণ এনে এটা কৌশল পদ্ধতি যাৰ দ্বাৰা সমাজত ইয়াৰ সদস্যসকলক সমাজৰ স্বীকৃত আচৰণসমূহৰ প্ৰতি সমৰূপতা প্ৰদৰ্শন কৰি চলিবলৈ বাধ্য কৰে’’। (Social Control refers to the "system of device whereby society brings its members into conformity with the accepted standards of behaviour)।

অন্যতম সমাজতত্ত্ববিদ অগবার্ন (Ogburn) আৰু নিমকফে (Nimkoff) 'A Handbook of Sociology' নামৰ গ্ৰন্থত সামাজিক নিয়ন্ত্ৰণ সম্পৰ্কে আলোচনা আগবঢ়াইছে। তেওঁলোকৰ মতে - ''সমাজত শৃঙ্খলা প্ৰতিষ্ঠা কৰিবলৈ আৰু প্ৰতিষ্ঠিত নীতি-নিয়মবিলাক পালন কৰিবলৈ সমাজে হেঁচা প্ৰয়োগ কৰা পদ্ধতিয়ে হৈছে সামাজিক নিয়ন্ত্ৰণ'' (Social Control are "the patterns of presure which society exerts to maintain order and established rules")।

সমাজতত্ত্ববিদ মেনহেইমে (Mannheim) তেওঁৰ "Systematic Sociology" নামৰ গ্ৰন্থত মন্তব্য কৰিছে যে - ''সামাজিক শৃঙ্খলা ৰক্ষা কৰি থাকিবলৈ মানুহৰ আচৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা উপায়ৰ সমষ্টিকে সামাজিক বোলা হয়।'' (Social Control isthe sum of those methods by which a society tries to influence human behaviour to maintain a given order)

সমাজতত্ত্ববিদ মেক আইভাৰ আৰু পেজৰ মতে - ''সামাজিক নিয়ন্ত্ৰণ হ'ল এনে এক পদ্ধতি, যি পদ্ধতিয়ে সামাজিক সংগতি আৰু পৰিবৰ্তনশীলতা অটুট ৰাখি এক কৰ্মশীল প্ৰক্ৰিয়া হিচাপে পৰিগণিত হয়'' (Social Control is meant the way in which the entire social order coheres and maintains itself how to operate as a whole, as a changing equilibrium)। অন্য এজন সমাজতত্ত্ববিদ জে.এছ. ৰোছক (J.S. Roucok) ৰ মতে - ''সামাজিক নিয়ন্ত্ৰণ হৈছে কিছুমান পৰিকল্পিত বা অপৰিকল্পিত প্ৰক্ৰিয়াৰ সমষ্টি, যি প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন ব্যক্তিক নিজৰ নিজৰ মূল্যবোধ আৰু ৰীতি-নীতিৰ প্ৰতি অনুগত হ'বলৈ শিকোৱা হয় বা বাধ্য কৰোৱা হয়''। (Social Conrol is a collective term used to refer to those processes planned or unplanned, by which individuals are taught, persuaded or compelled to conform to the usages and life-values of groups).

সমাজতত্ত্ববিদ জি.এ. লেণ্ডবাৰ্গৰ মতে - ''যিবোৰ সামাজিক আচৰণে ব্যক্তি নাইবা ব্যক্তি সমষ্টিক প্ৰতিষ্ঠিত নীতি-নিয়ম মানি চলিবলৈ

বাধ্য কৰে, সেই আচৰণৰ সমষ্টিয়েই হৈছে সামাজিক নিয়ন্ত্রণ।'' (Social Control designates those social behaviours which influence individuals or groups toward conformity to established or desired norms).

সামাজিক নিয়ন্ত্রণৰ বিষয়ে ওপৰত উল্লেখ কৰা বিভিন্ন সমাজতত্ত্ববিদ সকলৰ সংজ্ঞাৰ পৰা এইটোৱেই প্ৰতীয়মান হয় যে সমাজৰ প্ৰচলিত প্ৰথা, লোকাচাৰ, ৰীতি-নীতি, আদৰ্শ, লক্ষ্য, কৰ্মপদ্ধতি ইত্যাদিৰ প্ৰতি সমাজৰ ব্যক্তিসকলক অনুগত হৈ চলিবলৈ বাধ্য কৰোৱা এক ব্যৱস্থা।

---

## ১.৩ সামাজিক নিয়ন্ত্রণৰ প্ৰকাৰ (Types of Social control)ঃ

---

সামাজিক নিয়ন্ত্রণ মানৱ সমাজৰ এক অবিচ্ছেদ্য অঙ্গ। কাৰণ নিয়ন্ত্রণ অবিহনে মানৱজীৱন তথা সুস্থিৰ মানৱ সমাজ এখনৰ কথা ভাবিব নোৱাৰি। মানৱ সমাজৰ বাবে অতি প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ সামাজিক নিয়ন্ত্রণক বিভিন্ন সমাজতত্ত্ববিদে বিভিন্ন ভাগত বিভক্ত কৰিছে। সেয়ে তলত এই নিয়ন্ত্রণৰ প্ৰকাৰবোৰৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল।

সমাজতত্ত্ববিদ কাৰ্ল মেনহেইমে (Karl Mannheim) সামাজিক নিয়ন্ত্রণ পদ্ধতিক দুটা ভাগত বিভক্ত কৰিছে। এবিধ হ'ল - প্ৰত্যক্ষ সামাজিক নিয়ন্ত্রণ (Direct Social Control) আৰু আনবিধ হ'ল - পৰোক্ষ সামাজিক নিয়ন্ত্র ণ (Indirect Social Control) । সমাজতত্ত্ববিদ বটোম'ৰেও (Bottomore) সামাজিক নিয়ন্ত্রণক প্ৰত্যক্ষ আৰু পৰোক্ষ এই দুটা ভাগত ভাগ কৰিছে।

---

### প্ৰত্যক্ষ সামাজিক নিয়ন্ত্রণ (Direct Social Control) ঃ

---

মানৱ সমাজত এনে বহুতো সমূহ আছে যিবোৰ ইয়াৰ সদস্যসকলৰ কাৰ্য্যৱলী, আচৰণ আদিৰ ওপৰত প্ৰত্যক্ষভাৱে বা পোনপটীয়াভাৱে নিয়ন্ত্রণ আপোপ হয়। তেনেধৰণৰ পোনপটীয়া নিয়ন্ত্রণৰ ব্যৱস্থাকে প্ৰত্যক্ষ নিয়ন্ত্রণ বুলি

কোৰা হয়। উদাহৰণ স্বৰূপে - পৰিয়াল, ওচৰ চুবুৰীয়া, লগৰ সমনীয়া আদি। এই সমূহবোৰে ইয়াৰ সদস্যসকলৰ ওপৰত প্ৰত্যক্ষ ভাৱে প্ৰভাৱ বিস্তাৰ কৰে আৰু হেঁচা প্ৰয়োগ কৰে যাতে এই সমূহীয়া নীতি নিয়ম মানি চলা হয়। পৰিয়াল, প্ৰতিবেশী আৰু লগৰ বন্ধু-বান্ধৱ আদিৰ প্ৰভাৱ সদস্যসকলৰ গাত গভীৰভাৱে পৰে। সাধাৰণতে এনে প্ৰাথমিক সমূহবোৰৰ ইচ্ছাৰ বিৰুদ্ধে মানুহে কাম কৰিবলৈ আগ্ৰহ নকৰে। কাৰণ তেনে কৰিলে পিতৃ-মাতৃয়ে বা ওচৰ-চুবুৰীয়াই বেয়া পাব। পিতৃ-মাতৃ, ককাই-ভাই, বাই-ভনী, সমনীয়া আৰু প্ৰতিবেশীৰ পৰামৰ্শ, সিদ্ধান্ত, সমোলোচনা, প্ৰশংসা, গ্লানি আদিৰ দ্বাৰা ব্যক্তিসকলৰ আচৰণ নিয়ন্ত্ৰিত হৈ থাকে। এনেধৰণৰ নিয়ন্ত্ৰণক প্ৰত্যক্ষ নিয়ন্ত্ৰণ বুলি কোৰা হয়।

---

**পৰোক্ষ সামাজিক নিয়ন্ত্ৰণ (Inirect Social Control) ঃ**

---

চমুতে প্ৰত্যক্ষ সামাজিক নিয়ন্ত্ৰণৰ বিপৰীতমুখী নিয়ন্ত্ৰণক পৰোক্ষ সামাজিক নিয়ন্ত্ৰণ বোলা হয়। মানৱ সমাজত এনে বহুতো দ্বিতীয়কসমূহ আছে, যিবোৰে ইয়াৰ সদস্যসকলৰ আচাৰ-ব্যৱহাৰ, কাৰ্য্যৱলী আদিৰ ওপৰত পৰোক্ষভাৱে প্ৰভাৱ পেলায় বা নিয়ন্ত্ৰণ আৰোপ কৰে। তেনে নিয়ন্ত্ৰণক পৰোক্ষ নিয়ন্ত্ৰণ বোলে। সাধাৰণতে প্ৰত্যক্ষ বা পোনপটীয়া নিয়ন্ত্ৰণ প্ৰাথমিক সমূহবোৰৰ দ্বাৰা আৰু পৰোক্ষ নিয়ন্ত্ৰণ দ্বিতীয়ক সমূহৰ দ্বাৰা কাৰ্যকৰী কৰা হয়। উদাহৰণ হিচাপে - আইন, চৰকাৰ, ৰাষ্ট্ৰ, সংবিধান, আদিক পৰোক্ষ নিয়ন্ত্ৰণৰ মাধ্যম বা কৰ্তা বুলি বিবেচনা কৰা হয়। দেশৰ নাগৰিকে যদি সংবিধান মানি নচলে, আইন উলংঘা কৰে তেনেহ'লে শাস্তি পোৱাৰ ভয় থাকে। অৰ্থাৎ আইন অমান্য বা ভঙ্গ কৰিলে, কঠোৰ শাস্তি বিহা হয়। তেনেদৰে ধৰ্মীয় নীতি-নিয়ম মানি নচলিলে কিম্বা বিৰোধিতা কৰিলে সমাজৰ অন্যান্য লোকৰ পৰা তিৰস্কাৰ পোৱা আৰু সমাজচ্যুত আদি হোৱাৰ সম্ভাৱনা থাকে। তেনেদৰে সমাজত কোনো সদস্যই

অপৰাধমূলক কাৰ্য কৰিলে চৰকাৰী প্ৰশাসনৰ দ্বাৰা নিয়ন্ত্ৰণ বা বাধা আৰোপ কৰা হয়। শিক্ষা বিষয়ক কৰ্মত নিয়ন্ত্ৰণ আৰোপ কৰা হয় শিক্ষানুষ্ঠানৰ দ্বাৰা। ভাৰত ৰাষ্ট্ৰৰ পটভূমিত বসবাস কৰা নাগৰিক তথা সদস্যসকলে ভাৰত এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে মানিবই লাগিব আৰু অস্পৃশ্যতা মনোভাৱ ত্যাগ কৰি চলিব লাগিব। অন্যথাই সংবিধান তথা ৰাষ্ট্ৰীয় আইনৰ ওচৰত দায়ী হ'ব লাগিব। সেয়েহে ভাৰতীয় নাগৰিকসকলে ভাৰতৰ সংবিধানক সন্মান জনাই চলিবলৈ বাধ্য। এনেদৰেই সমাজে যিবোৰ নিয়ন্ত্ৰণ কাৰ্য পৰোক্ষভাৱে কাৰ্যকৰী কৰে সেইবোৰকে পৰোক্ষ নিয়ন্ত্ৰণ বোলে।

কিম্বল ইয়ং (Kimball Young) নামৰ সমাজতাত্বিকজনে সামাজিক নিয়ন্ত্ৰণক ইতিবাচক (Positive) আৰু নেতিবাচক (Negative) হিচাপে দুটাভাগত বিভক্ত কৰিছে।

---

## ইতিবাচক সামাজিক নিয়ন্ত্ৰণ (Positive Social Control)ঃ

---

যিসকল সদস্য তথা ব্যক্তিয়ে তেওঁলোকে বসবাস কৰা সমাজখনৰ প্ৰচলিত নীতি নিয়ম, আচাৰ-ব্যৱহাৰ, মূল্যবোধ, আদি মানি চলে, তেনেধৰণৰ লোকক সমাজে প্ৰশংসা কৰে আৰু পুৰস্কৃত কৰি আদৰ্শ দেখুৱাই এনে দৰে। পুৰস্কাৰ দিয়া বা প্ৰশংসা কৰা কাৰ্যই অন্যব্যক্তি সকলক সমাজৰ নিয়ম-নীতি মানি চলিবলৈ উৎসাহ যোগায়। এনেধৰণৰ উৎসাহ আৰু প্ৰেৰণা যোগোৱা নিয়ন্ত্ৰণক ইতিবাচক নিয়ন্ত্ৰণ বোলা হয়।

---

## নেতিবাচক সামাজিক নিয়ন্ত্ৰণ (Negative Social Control)ঃ

---

সমাজত এনে বহু লোক আছে, যিসকল সমাজবিৰোধী কামত লিপ্ত হয় আৰু নিজ স্বাৰ্থক প্ৰাধান্যতা দি চুৰি ঠগ আৰু প্ৰৱঞ্চনা আদি কাৰ্য কৰি সমাজ জীৱনত 'বিষ-বাস্পৰ' সৃষ্টি কৰে। তেনে লোকক সমাজে তিৰস্কাৰ,

জৰিমণা, বা সমাজচ্যুত কৰি সমাজত শান্তি ৰক্ষা কৰিবলৈ চেষ্টা কৰে। এনেধৰণৰ নিয়ন্ত্ৰণকেই নেতিবাচক সামাজিক নিয়ন্ত্ৰণ বুলি কোৱা হয়। সমাজৰ পৰা শাস্তি পোৱাৰ ভয়ত সদস্যসকলে সামাজিক ৰীতি-নীতি, মূল্যবোধ, প্ৰতিমান আৰু পৰম্পৰা আদি মানি নিজৰ আচৰণ নিয়ন্ত্ৰিত কৰিবলৈ চেষ্টা কৰে।

আকৌ কোনো কোনো সমাজতত্ত্ববিদে সামাজিক নিয়ন্ত্ৰণক আৰু দুটা ভাগত বিভক্ত কৰা দেখা যায়। সেই দুবিধ হ'ল - বিধিবদ্ধ (Formal) বা ঔপচাৰিক আৰু অ-বিধিবদ্ধ (Informal) বা অনৌপচাৰিক নিয়ন্ত্ৰণ।

---

**বিধিবদ্ধ বা ঔপচাৰিক নিয়ন্ত্ৰণ (Formal Control) ঃ**

---

যিবোৰ নিয়ন্ত্ৰণ আনুষ্ঠানিকভাৱে প্ৰণয়ন কৰা হয়, সেইবোৰক বিধিবদ্ধ বা ঔপচাৰিক নিয়ন্ত্ৰণ বুলি কোৱা হয়। সমাজৰ বহুতো লোকে নিজৰ স্বাৰ্থপূৰণৰ বাবে সমাজৰ নীতি-নিয়ম, সামাজিক প্ৰমূল্য, নৈতিকতা ভঙ্গ কৰি অসামাজিক কামত লিপ্ত হৈ সমাজৰ অনেক অপকাৰ সাধন কৰে। সেইবাবে সমাজতে কিছুমান সংস্থাৰ জৰিয়তে যেনে - আইন, বিচাৰালয়, আৰক্ষী, প্ৰশাসন, সৈন্য বাহিনী আদিৰ দ্বাৰা ব্যক্তিসকলৰ আচৰণ নিয়ন্ত্ৰণ কৰে। এনে নিয়ন্ত্ৰণ ব্যৱস্থাকে বিধিবদ্ধ বা ঔপচাৰিক নিয়ন্ত্ৰণ বুলি কোৱা হয়। এনে পদ্ধতিও কিছুমান স্থায়ী নীতি-নিয়ম প্ৰনয়ণ কৰি কাৰ্যকৰী কৰা হয়। এনেদৰে প্ৰনয়ণ কৰা প্ৰত্যেক নিয়মৰে কাৰ্য পৰিসৰ, অনুশাসন কি ধৰণৰ হ'ব, এই নিয়বোৰ কোনে কেনেকৈ প্ৰয়োগ কৰিব এই বিষয়ে স্পষ্টভাৱে প্ৰকাশ কৰি থোৱা থাকে। এনেধৰণৰ ঔপচাৰিক বা বিধিবদ্ধ নিয়মবোৰ লিখিতৰূপত থাকে আৰু প্ৰয়োজন অনুসৰি সময়ে সময়ে এই নীতিবোৰ বিধিগতভাৱে পৰিবৰ্তন কৰা হয়।

**অনৌপচাৰিক নিয়ন্ত্ৰণ (Informal Control) ঃ**

সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা লোকাচাৰ, জনৰীতি, প্ৰথা, প্ৰতিমান, মূল্যবোধ, সাংস্কৃতিক পৰম্পৰা আদিৰ দ্বাৰা ব্যক্তিসকলৰ কাৰ্যকলাপ দৈনন্দিন জীৱন যাপন কৰা পদ্ধতিৰ ওপৰত যি হেঁচা প্ৰয়োগ কৰা হয় তাকে অনৌপচাৰিক নিয়ন্ত্ৰণ বোলে। চমুতে সমাজৰ নীতি-নিয়ম আৰু মূল্যবোধ আদিৰ দ্বাৰা ইয়াৰ সদস্যসকলৰ আচৰণ নিয়ন্ত্ৰণ কৰা ব্যৱস্থাকেই অ-বিধিবদ্ধ বা অনৌপচাৰিক সামাজিক নিয়ন্ত্ৰণ বুলি কোৱা হয়। অনৌপচাৰিক নিয়ন্ত্ৰণবোৰ লিখিত অৱস্থাত পোৱা নাযায়। কিন্তু এনে নিয়ন্ত্ৰণৰ ভিতৰত কিছুমান ধৰা-বন্ধা বিধি বিধান আৰু অনুশাসনৰ ব্যৱস্থা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে ধৰ্মৰ ক্ষেত্ৰত কোনো মানহে নিজ ধৰ্ম বিবৰ্জিত কৰ্মত লিপ্ত হ'লে তাৰবাবে বিশেষ ধৰণৰ শাস্তি দিয়া দেখা যায়। তেনেদৰে সমাজৰ সামূহিক স্বাৰ্থত আঘাত কৰা কাৰ্য কৰিলেও ব্যক্তিৰ ওপৰত বিশেষ ব্যৱস্থা লোৱা হয়। সাধাৰণতে গ্ৰাম্য কৃষিজীৱি সমাজ, জনজাতীয় বা আদিম প্ৰকৃতিৰ সমাজবোৰত অনৌপচাৰিক নিয়ন্ত্ৰণৰ প্ৰভাৱ বিস্তৃতভাৱে দেখা যায়। সেইবুলি আধুনিক সমাজবোৰত ইয়াৰ প্ৰভাৱ নাই বা দুৰ্বল বুলি ক'ব নোৱাৰি।

## ১.৪ সামাজিক নিয়ন্ত্ৰণৰ কৰ্তা (Agencies) বা উপায় (Means)ঃ

সামাজিক নিয়ন্ত্ৰণ মানৱ সমাজ ব্যৱস্থাৰ এটি গুৰুত্বপূৰ্ণ দিশ। সমাজৰ সদস্যসকলক সমাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলিবলৈ বাধ্য কৰোৱাই হৈছে সামাজিক নিয়ন্ত্ৰণৰ অন্যতম উ শ্য। কিন্তু সাধাৰণতে আমাৰ মনলৈ প্ৰশ্ন আহে যে সমাজৰ সদস্যসকলক সমাজৰ ৰীতি-নীতিবোৰ মানি চলিবলৈ কোনে বাধ্য কৰে? কি উপায় বা ব্যৱস্থাৰ দ্বাৰা সামাজিক নিয়ন্ত্ৰণ কৰা হয়? সমাজৰ সদস্যসকলৰ আচৰণক নিয়ন্ত্ৰণ কৰা ক্ষেত্ৰত সমাজৰ কিছুমান

উপায় বা ব্যৱস্থা আছে। সেই উপায় বা ব্যৱস্থাসমূহক দুটা ভাগত বিভক্ত কৰিব পাৰি। এটা হ'ল আনুষ্ঠানিক উপায় আৰু আনটো হ'ল অনানুষ্ঠানিক উপায়। এই উপায়সমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

---

**সামাজিক নিয়ন্ত্ৰণৰ আনুষ্ঠানিক উপায় (Formal Means of Social Control)ঃ**

---

সমাজৰ সদস্যসকলক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত সমাজৰ কিছুমান বিশেষ সংস্থা, সংগঠন তথা অনুষ্ঠানে প্ৰভাৱ বিস্তাৰ কৰে। অৰ্থাৎ যিবোৰ আনুষ্ঠানিক উপায়ৰ দ্বাৰা সমাজৰ ব্যক্তিসকলক সমাজৰ প্ৰতি সমৰূপতা বা আনুগত্য প্ৰকাশ কৰি চলিবলৈ বাধ্য কৰোৱাই, তাকে আনুষ্ঠানিক নিয়ন্ত্ৰণ বোলে। আনুষ্ঠানিক নিয়ন্ত্ৰণৰ উপায় সমূহৰ উদাহৰণ হ'ল - আইন, পুলিচ, শিক্ষাপদ্ধতি, ধৰ্মানুষ্ঠান, ৰাষ্ট্ৰ ইত্যাদি। এতিয়া আমি আনুষ্ঠানিক উপায়সমূহে সমাজৰ সদস্যসকলক কেনেদৰে নিয়ন্ত্ৰণ কৰে সেই বিষয়ে আলোচনা কৰোঁহক।

**আইন (Law)ঃ** সামাজিক নিয়ন্ত্ৰণৰ আনুষ্ঠানিক প্ৰতিনিধি, কৰ্তা বা উপায়সমূহৰ ভিতৰত আইনৰ গুৰুত্ব সৰ্বাধিক। আইন মানে এখন ৰাষ্ট্ৰই ৰাজনৈতিক কৰ্তৃত্বৰ দ্বাৰা লিখিতভাৱে প্ৰকাশ কৰা আৰু প্ৰৱৰ্ত্তন কৰা এনে কিছুমান বিধি আৰু অনুবিধি যিবোৰ প্ৰয়োগ কৰিবৰ বাবে চৰকাৰে শক্তি প্ৰয়োগ কৰিব পাৰে। হলেণ্ড **(Holland)**ৰ মতে - ''সাৰ্বভৌম ৰাজনৈতিক কৰ্তৃপক্ষই জনসাধাৰণৰ আচৰণ, কাৰ্যপ্ৰণালী নিয়ন্ত্ৰণ কৰা উদ্দেশ্যে ৰচনা কৰা সাধাৰণ নিয়মসমূহেই হ'ল আইন।'' আইন ভঙ্গ কৰোতাক নিয়মমতে বিচাৰ কৰি শাস্তি দিয়া হয়। আইনবোৰ সদায় লিখিত ৰূপত থাকে। যিকোনো আইনগত নিয়মৰ অৰ্থ, ব্যাখ্যা আৰু কাৰ্যৰ পৰিসৰৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰি থোৱা থাকে। কিছুমান বিশেষ নীতি-নিয়মৰ মাজেদি আইন ৰচনা কৰা হয়। আমাৰ দেশত লোকসভা

বা বিধান সভাৰ জৰিয়তে আইন প্ৰণয়ন কৰা হয়। আইনৰ দ্বাৰা প্ৰৱৰ্তন কৰা নীতি-নিয়মবোৰ ভঙ্গ কৰিলে আইনৰ ধাৰণানুযায়ী পুলিচ, আদালত আদিৰ দ্বাৰা শাস্তি প্ৰদান কৰি তেনে কাৰ্যৰ পৰা ব্যক্তিক বিৰত থাকিবলৈ আইনে বাধ্য কৰে। আইনৰ অন্যতম উদ্দেশ্য হৈছে সামাজিক নিয়ন্ত্ৰণ অধিক কাৰ্যকৰী কৰি তোলা। সমাজত বসবাস কৰা বহুতো ব্যক্তিয়ে সমাজৰ নৈতিক, ধৰ্মীয়, সামাজিক মূল্যবোধ, সামাজিক বিচাৰ বিবেচনা আওকান কৰি নিজৰ স্বাৰ্থপূৰণৰ বাবে বিভিন্ন ধৰণৰ সমাজ বিৰোধী কামত লিপ্ত হয়। ফলত সমাজত অশান্তি, অনৈক্য আদি বৃদ্ধি হয়। সেয়ে মানুহ যাতে সমাজ বিৰোধী কাৰ্যত লিপ্ত নহয় অৰ্থাৎ অসামাজিক কাৰ্যক বাধা প্ৰদান তথা নিয়ন্ত্ৰণ কৰিবৰ বাবেই আইনৰ সৃষ্টি কৰা হৈছে। আইন অমান্য কৰি কাৰ্য- কৰোঁতাক দণ্ড দিয়া হয়। সেয়ে শাস্তি বা দণ্ড পোৱাৰ আশঙ্কাত মানুহে আইনবিৰোধী কাৰ্যৰ পৰা নিজক আঁতৰাই ৰাখে। আইন নথকা হ'লে মানুহে নিজৰ ইচ্ছানুযায়ী প্ৰবৃত্তি আৰু কামনা পূৰ কৰিলেহেঁতেন, যাৰ ফলত মানৱ সমাজ পশু সমাজলৈ ৰূপান্তৰিত হ'লহেতেন।

এইটো নহয় যে আইনৰ দ্বাৰা কেৱল যে সমাজবিৰোধী কাৰ্যকে নিয়ন্ত্ৰণ বা বাধা আৰোপ কৰা হয়। আইনৰ দ্বাৰা সমাজৰ ব্যক্তিসকলক নিজৰ নিজৰ কৰ্তব্যসমূহ নিয়াৰিকৈ কৰিবলৈকো বাধ্য কৰা হয়। উদাহৰণস্বৰূপে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ এজন উচ্চপদস্থ চৰকাৰী বিষয়াই নিজৰ দায়িত্ব আৰু কৰ্তব্য নিয়ম অনুযায়ী পালন কৰিব লাগিব। নহ'লে সেই বিষয়াজন আইনমতে দণ্ডনীয় হ'ব। এনেদৰে আইনে এহাতেদি সমাজবিৰোধী কাৰ্য ৰোধ কৰে আৰু অন্যহাতে মানুহক নিজৰ দায়িত্ব আৰু কৰ্তব্য নিয়মমতে পালন কৰিবলৈ বাধ্য কৰায়। জনজাতীয় আৰু কৃষিপ্ৰধান গ্ৰাম্য সমাজতকৈ পৰিবৰ্তনমুখী উদ্যোগ প্ৰধান আধুনিক সমাজবিলাকত আইনৰ প্ৰভাৱ বেছি।

**শিক্ষা পদ্ধতি (Education System) ঃ** আনুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণ ব্যৱস্থাৰ অন্যতম উদাহৰণ হ'ল শিক্ষাপদ্ধতি। প্ৰাচীন সমাজতকৈ আধুনিক সমাজবোৰত

আনুষ্ঠানিক শিক্ষাৰ গুৰুত্ব বৃদ্ধি পাইছে। আধুনিক শিক্ষাপদ্ধতিয়ে শিশুক সামাজিকীকৰণ আৰু নিয়ন্ত্ৰণত সহায় কৰিছে। শিক্ষাৰ জৰিয়তে মানুহক সৰুকালতে সমাজৰ ৰীতি-নীতি, মূল্যবোধ, নৈতিকতা, উচিত-অনুচিত আদিৰ বিষয়ে জ্ঞান দিয়া হয়। শিক্ষাৰ জৰিয়তে মানুহ নিজৰ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সচেতন হয়। শিক্ষাৰ প্ৰভাৱত মানুহৰ মনৰ ৰক্ষনশীলতা, ধৰ্মান্ধতা, সংকীৰ্ণতা, অস্পৃশ্যতা, অন্ধবিশ্বাস আদি দূৰ হয়। ন্যায়, সমতা আৰু ভাতৃত্বৰ ভাৱ শিক্ষাই মানুহৰ মনলৈ অনাত সহায় কৰে। সামূহিকতা, সামাজিক আৰু বৈজ্ঞানিক চিন্তাধাৰাৰ উন্মেষ ঘটায় শিক্ষাই। তাৰোপৰি আনুষ্ঠানিক শিক্ষা পদ্ধতিয়ে সহায় সহযোগিতা, আন্তৰিকতা, মৰম-স্নেহ, সহনশীলতা, ক্ষমা, পৰোপকাৰ আদি মানবীয় গুণবোৰৰ গঠন আৰু বিকাশত সহায় কৰে। এনে গুণ আৰু জ্ঞানৰ দ্বাৰা ব্যক্তিয়ে সমাজৰ প্ৰতিমান আৰু প্ৰমূল্যৰ প্ৰতি অনুগত হৈ চলাৰ প্ৰয়োজনীয়তা উপলি  কৰে। লগতে নিজৰ আচাৰ, ব্যৱহাৰ, কাৰ্যকলাপবোৰক নিয়ন্ত্ৰিত ৰূপত পৰিচালনা কৰে। ফলত সমাজত শান্তি আৰু  সম্প্ৰীতি ৰক্ষা হয়। শিক্ষানুষ্ঠান বিলাকত প্ৰাৰ্থনা সভা পতা হয়। এনে প্ৰাৰ্থনা কাৰ্যই শিশুক ঈশ্বৰ সম্পৰ্কীয় জ্ঞান দিয়ে আৰু শিশুক ক্ৰমে আধ্যাত্মিক হোৱাত সহায় কৰে। ঈশ্বৰলৈ ভয় কৰা মানুহে অসৎ কাৰ্যৰ পৰা স্বভাৱিকতেই আঁতৰি থাকে।

শিক্ষানুষ্ঠান বিলাকত বিভিন্ন ধৰণৰ নিয়ম-নীতি থাকে আৰু ছাত্ৰসকলে সেই নিয়মবোৰ মানি চলিব লাগে। অন্যথাই স্কুল কৰ্তৃপক্ষৰ ওচৰত জগৰীয়া হৈ শাস্তি, নিন্দা আদিও ভোগ কৰিব লগা হয়। তাৰোপৰি শিক্ষানুষ্ঠান বিলাকত ৰুটিনৰ যি ব্যৱস্থা থাকে, সেই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা, শৃঙ্খলাবদ্ধতা আদি শিক্ষা দিয়ে। এই শিক্ষাই সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণত সহায় কৰে। পাঠ্যপুথি বিলাকৰ পৰা পোৱা জ্ঞানেও শিশুসকলক নিয়ন্ত্ৰণ কৰে। বিদ্যালয়ৰ নিয়ম-নীতি পালন কৰি চলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক বাধ্য কৰোৱা হয়। তাৰোপৰি শিক্ষানুষ্ঠানৰ নিয়ম-নীতি সুন্দৰভাৱে পালন কৰি শিক্ষাত কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হোৱা সকলক কৰ্তৃপক্ষৰ

তৰফৰ পৰা প্ৰশংসা, জলপানী, পুৰস্কাৰ আদি দিয়াৰ ব্যৱস্থাইও ছাত্ৰ-ছাত্ৰীসকলক নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন আৰু নিয়ন্ত্ৰনাধীন হোৱাত প্ৰৰণা দিয়ে।

**ধৰ্ম (Religion) ঃ** আনুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণৰ অন্যতম কৰ্তা আৰু উপায় হৈছে ধৰ্ম। ধৰ্মৰ প্ৰধান আধাৰ হ'ল আলৌকিক শক্তিৰ ওপৰত থকা গভীৰ বিশ্বাস। এই অলৌকিক শক্তিক ভগৱান বা ঈশ্বৰ, দেৱ-দেৱী, গছ-লতা, ভূত, প্ৰেতাত্মা আদি ৰূপত ধাৰণা কৰা হয়। মানুহে আলৌকিক শক্তিক সন্তুষ্ট কৰিবৰ বাবে পূজা, প্ৰাৰ্থনা আদি সম্পন্ন কৰে। এই সত্তাক তুষ্ট কৰিবলৈ হ'লে অপৰাধ বা অপকৰ্মৰ পৰা আতঁৰি থাকিব লাগিব বুলি মানুহে একান্তভাৱে বিশ্বাস কৰে। এনে ঐশ্বৰিক শক্তিৰ বিশ্বাসে মানুহৰ চিন্তা-ভাৱনা, আচাৰ-ব্যৱহাৰ আৰু কাৰ্যপ্ৰণালীক নিয়ন্ত্ৰিত কৰা দেখা যায়।

ধৰ্মত বিভিন্ন ধৰণৰ নিয়ম-নীতিৰ কথা আছে। এইবিলাক মানি চলাটো বাধ্যতামূলক। ধৰ্মীয় নীতিবোৰ অৱজ্ঞা কৰাটো বা ভঙ্গ কৰাটো অপৰাধ বুলি গণ্য কৰা হয়। এনে নিয়ম ভঙ্গ কৰিলে দৈহিক সুখ, সাংসাৰিক কল্যান সম্ভৱ নহয় বুলি মানুহে বিশ্বাস কৰে। সেই বাবে মানুহে সততে ধৰ্মীয় নিয়ম-নীতি মানি, নিজৰ আচৰণ নিয়ন্ত্ৰিত কৰি চলিবলৈ চেষ্টা কৰে। ফলত সামাজিক নিয়ন্ত্ৰন সহজ হৈ পৰে।

ধৰ্মত পাপ-পূণ্যৰ বিচাৰ আছে। সমাজৰ বাবে, দহৰ হিতৰ বাবে কৰা কাৰ্যই হ'ল পূণ্য, অন্যহাতে নিজৰ লাভৰ বাবে আনৰ অন্যায় কৰাটোৱে হ'ল পাপ। পূণ্য কাৰ্যক সৎ আৰু পাপ কাৰ্যক অসৎ বুলি গণ্য কৰা হয়। পাপ-পূণ্যৰ বিচাৰৰ ওপৰত নিৰ্ভৰ কৰি স্বৰ্গ আৰু নৰকৰ ধাৰণা কৰা হৈছে। এনে ধাৰণাই মানুহৰ কাৰ্য-কলাপ নিয়ন্ত্ৰনত সহায় কৰে।

পৃথিৱীৰ প্ৰত্যেক ধৰ্মৰে সাধনা, উপাসনা আদি কৰা কিছুমান স্থান আছে। এই স্থানবোৰক নিজ নিজ ধৰ্মৰ লোকে অতি পৱিত্ৰস্থান বুলি গণ্য কৰে। উদাহৰণস্বৰূপে - নামঘৰ, সত্ৰ, মন্দিৰ, মছজিদ, গীৰ্জা, বৌদ্ধবিহাৰ

ইত্যাদি। এনেধৰণৰ ধৰ্মীয় অনুষ্ঠানলৈ কেনেদৰে যাব লাগে, কি সাজ-কাপোৰ পিন্ধি যোৱা উচিত, তাত গৈ কি কৰা উচিত আদি বিশেষ ধৰণৰ বিধি-বিধান, ধ্যান-ধাৰণা মানুহৰ আছে। এনে ধ্যান-ধাৰণা আৰু বিধিবোৰে অতি সহজতে মানুহক নিয়ন্ত্ৰণ কৰিব পাৰে। ধৰ্মীয় অনুষ্ঠান বোৰৰ নিয়ম-নীতি উপেক্ষা কৰি কোনেও চলিব নিবিচাৰে, এনেদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে ধৰ্মৰ জৰিয়তে প্ৰত্যেক সমাজতেই সামাজিক শৃঙ্খলা আৰু নিয়ন্ত্ৰণ বজাই ৰখাত সহায়ক হৈছে।

**ৰাষ্ট্ৰ (The State) ঃ** আনুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণৰ এক শক্তিশালী কৰ্তা হৈছে ৰাষ্ট্ৰ। ৰাষ্ট্ৰত এখন লিখিত সংবিধান থাকে। সংবিধানৰ এই দফা বা বিধিবোৰ প্ৰত্যেকজন নাগৰিকে মানি চলিব লাগে। এখন ৰাষ্ট্ৰৰ নাগৰিক সকলৰ প্ৰধান আৰু পৱিত্ৰ কৰ্তব্য হৈছে - দেশৰ সংবিধানখনক সন্মান কৰাটো। ৰাষ্ট্ৰৰ উন্নতি আৰু অখণ্ডতা ৰক্ষা কৰাত নাগৰিকসকলৰ বিশেষ ভূমিকা আছে। ভাৰতবৰ্ষৰ সংবিধানত সন্নিবিষ্ট দফাবোৰ ভাৰতীয় নাগৰিক হিচাপে আমি প্ৰত্যেকজনেই মানি চলিলে জাতীয় সংহতি ৰক্ষা হ'ব। এখন ৰাষ্ট্ৰত চৰকাৰ থাকে। চৰকাৰৰ দ্বাৰা নানা ধৰণৰ আইন প্ৰণয়ন কৰা হয়। দেশৰ জনসাধাৰণে এই আইন মানি চলিব লাগে। আইন ভঙ্গকাৰীক শাস্তি প্ৰদানৰ ব্যৱস্থা আছে। সেয়ে ৰাষ্ট্ৰৰ আইন আৰু চৰকাৰে ইয়াৰ নাগৰিকসকলৰ আচৰণ আৰু কাৰ্যৱলীক অতি সহজেই নিয়ন্ত্ৰণ কৰিব পাৰে।

---

অনানুষ্ঠানিক নিয়ন্ত্ৰণৰ কৰ্তা বা উপায় **(Agencies or Means of Informal Social Control)ঃ**

---

সামাজিক নিয়ন্ত্ৰণৰ অনানুষ্ঠানিক উপায়সমূহৰ উদাহৰণ হ'ল - পৰিয়াল, ওচৰ-চুবুৰীয়া, স্বজনীয়তাসমূহ, প্ৰথা, লোকাচাৰ, প্ৰতিমান ইত্যাদি।

**পৰিয়াল (Family)** ঃ পৰিয়াল সামাজিক নিয়ন্ত্ৰণৰ সকলোতকৈ গুৰুত্বপূৰ্ণ কৰ্তা। বিশ্বৰ প্ৰতিজন মানুহৰ জন্ম হয় পৰিয়ালত। আমি সকলোৱেই পৰিয়ালৰ একো একোজন সদস্য পৰিয়াল নামৰ প্ৰাথমিক সংস্থাটোতে জন্মগ্ৰহন কৰি শিশু লাহে লাহে ডাঙৰ দীঘল হয়। এই পৰিয়ালৰ জৰিয়তেই মানুহে সামাজিক জীৱনৰ প্ৰায়বোৰ প্ৰাথমিক কথা শিকি লয়। পৰিয়ালৰ পিতৃ-মাতৃ আৰু অন্যান্য সদস্যসকলে শিশুক আচাৰ-ব্যৱহাৰ, সামাজিক নীতি-নিয়ম, উচিত অনুচিত, সামাজিক প্ৰতিমান, মূল্যবোধ আদিৰ শিক্ষা দিয়ে। তাৰোপৰি ন্যায়, অন্যায়, পাপ-পূণ্য, মৰম স্নেহ, সহানুভূতি, সত্য, শৌচ. দয়া, ক্ষমা আদি গুণ আৰু বিচাৰ বিবেচনাৰ ধাৰণাও শিকাই দিয়ে। সমাজত কেনেকৈ চলিব লাগে, কাক কেনেদৰে সম্বোধন কৰিব লাগে, গুৰু আৰু বয়োজ্যেষ্ঠজনক কেনেদৰে সন্মান কৰিব, সাজ-পোছাক কেনেদৰে পিন্ধিব লাগে ইত্যাদি জীৱনৰ প্ৰায়বোৰ প্ৰয়োজনীয় প্ৰাথমিক শিক্ষা পৰিয়ালতেই শিকোৱা হয়। শিশুৰ নৈতিক চৰিত্ৰ পৰিয়ালতেই গঢ় লয়। এইক্ষেত্ৰত পৰিয়ালৰ অন্যান্য সদস্যতকৈ মাতৃৰ প্ৰভাৱ সকলোতকৈ বেছি। পৰিয়ালৰ অন্যতম লক্ষ্য হৈছে ইয়াৰ সদস্যসকলক সমাজৰ একো একোজন উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলা। উপযুক্ত ব্যক্তি হ'বলৈ যিবোৰ সাধাৰণ জ্ঞান আৰু শিক্ষাৰ প্ৰয়োজন সেই সকলোবোৰ পৰিয়ালতেই প্ৰদান কৰা হয়। সুস্থ-সৱল পৰিয়ালৰ পৰিবেশে শিশুৰ সুস্থ-সৱল মানসিকতা আৰু চৰিত্ৰ গঢ় লোৱাত সহায় কৰে। পৰিয়ালত লাভ কৰা শিক্ষাই ব্যক্তিসকলৰ কাৰ্যপ্ৰণালী নিয়ন্ত্ৰিত কৰে। সমূহৰ প্ৰতি, সমাজৰ প্ৰতি অনুগত্য প্ৰকাশ কৰি চলিবলৈ আমি বাধ্য হওঁ পৰিয়ালৰ প্ৰভাৱতেই। পৰিয়ালৰ পিতৃ-মাতৃয়ে আমি বেয়া কাম কৰিলে দুখ-পাব, পৰিয়ালৰ সন্মান লাঘৱ হ'ব সমাজৰ লোকে অপযশ দিব ইত্যাদি চেতনাই আমাৰ সকলোকে নিয়ন্ত্ৰণ কৰি  থাকে। সেয়ে পৰিয়াল সামাজিক নিয়ন্ত্ৰণৰ এক অতি শক্তিশালী কৰ্তা।

**ওচৰ চুবুৰীয়া বা প্ৰতিবেশী ঃ** সামাজিক নিয়ন্ত্ৰণত প্ৰতিবেশী বা ওচৰ চুবুৰীয়াৰ প্ৰভাবো উল্লেখনীয়। সাধাৰণতে আমি যি স্থানত বসবাস কৰো তাৰ আশে পাশে বসবাস কৰা লোকসকলেই চুবুৰীয়া বোলে। চুবুৰীয়াসকল আমাৰ পাৰস্পৰিক আপোন হৈ পৰে। প্ৰতিজনেই প্ৰতিজনক চিনি পায় আৰু জানে। চুবুৰীৰ সুস্থ-সৰল পৰিবেশে ইয়াৰ শিশু তথা সদস্যসকলক বিশেষভাৱে গঢ় দিয়ে। চুবুৰীৰ জ্যেষ্ঠ আৰু গুণী-জ্ঞানীসকলক আমি সন্মান আৰু ভয় কৰো। তেওঁলোকে সততেই চুবুৰীৰ ল'ৰা-ছোৱালীবিলাকৰ পঢ়া-শুনাৰ খবৰ লয় আৰু বিপদ আপদত দিহা-পৰামৰ্শ দিয়ে। চুবুৰীয়াসকলৰ সুস্থ-সৰল জীৱন যাপন কৰাৰ আদৰ্শ আৰু কিছুমান বিশেষ ধৰণৰ নীতি-নিয়ম থাকে যেনে - সন্ধ্যা সকলোৱে ঘৰত প্ৰাৰ্থনা কৰা, পঢ়াশুনা কৰা ইত্যাদি। তাৰোপৰি চিএঁৰ-বাখৰ, হাই-কাঁজিয়াৰ পৰিৱৰ্তে সহায়-সহযোগ, মিলা-প্ৰীতি আদি আচৰণ চুবুৰীবোৰত থাকে। তেনেক্ষেত্ৰত কোনো ব্যক্তিয়েই অসামাজিক কাৰ্যত লিপ্ত হ'ব নোৱাৰে; আৰু লগতে নিজক নিয়ন্ত্ৰণ কৰি চলিলৈ বাধ্য হয়।

**সামাজিক প্ৰথা (Social Customs) ঃ** সামাজিক নিয়ন্ত্ৰণত প্ৰথাৰ ভূমিকাও গুৰুত্বপূৰ্ণ। প্ৰথা হ'ল সমাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান ৰীতি বা আচৰণ বিধি। সমাজতত্ববিদ কিংছলি ডেভিছৰ মতে - ''প্ৰথা এটা বহুলাৰ্থক শব্দ, যি শব্দই লোকাচাৰ আৰু জনৰীতি সকলোকে সাঙুৰি লয়'' (Custom is a broad form embracing all of the norms classified as folk ways and mores)। অৰ্থাৎ আমি যিবোৰ ৰীতি-নীতিক লোকাচাৰ আৰু জনৰীতি হিচাপে বিবেচনা কৰোঁ, সেই সকলোবোৰ প্ৰথাৰে অংশ। সহজ ভাষাত ক'বলৈ হ'লে - সমাজত যিবোৰ ৰীতি-নীতি পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আছে, সেইবোৰেই হ'ল - সামাজিক প্ৰথা। এই প্ৰথাবোৰ পুৰুষানুক্ৰমে সমাজত প্ৰচলিত হৈ থাকে। প্ৰথাৰ উদাহৰণ হ'ল - আহাৰ-বিহাৰ, আচাৰ-ব্যৱহাৰ, সাজ-পোচাক, ইত্যাদি। পৃথিৱীৰ বেলেগ বেলেগ সমাজত বেলেগ বেলেগ প্ৰথা দেখিবলৈ পোৱা যায়।

সমাজৰ ব্যক্তিসকলে এই প্ৰথাবোৰ মানি চলিব লাগে। প্ৰথাবিলাকে ব্যক্তিৰ আচৰণ নিয়ন্ত্ৰণ কৰাত বিশেষ ভূমিকা পালন কৰে।

সামাজিক প্ৰথাবোৰ সমূহৰ দ্বাৰা অনুমোদিত কিছুমান ক্ৰিয়া-পদ্ধতি। এই ক্ৰিয়া-পদ্ধতিবোৰ মানুহে পুৰুষানুক্ৰমে গ্ৰহন কৰি আহে। সেয়ে এনেধৰণৰ ক্ৰিয়া-পদ্ধতি ত্যাগ কৰি অন্য ধৰণৰ নতুন ক্ৰিয়াপদ্ধতি গ্ৰহন কৰিবলৈ সাহস নকৰে। সেয়ে প্ৰথানুযায়ী মানুহে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ চেষ্টা কৰা দেখা যায়।

সমাজত প্ৰচলিত প্ৰথাবোৰক মানুহে পৰম শ্ৰদ্ধা আৰু বিশ্বাস কৰে। প্ৰথাই সমাজৰ মঙ্গল সাধন কৰে বুলি বিশ্বাস কৰা হয়। সেইবাবে মানুহে সামাজিক প্ৰথাৰ বিৰুদ্ধে কাম কৰিবলৈ সাহস তথা প্ৰয়াস নকৰে।

সামাজিক প্ৰথাবোৰৰ লগত সামাজিক মূল্যবোধ জড়িত হৈ থাকে। সেয়ে এই প্ৰথাবোৰ যথাযথভাৱে পালন কৰাটো সমাজৰ বাবে হিতকৰ বুলি বহুলোকে বিশ্বাস কৰি তেনেদৰেই কাৰ্য সম্পাদন কৰে। অতীতৰ পৰা চলি অহা নিয়মবোৰ পালন কৰি থকাটো নিজৰ নৈতিক কৰ্তব্য বুলি বহুলোকে বিবেচনা কৰা দেখা যায়। উদাহৰণস্বৰূপে - শনিবাৰ আৰু মঙ্গলবাৰে বাঁহ নকটা, ৰবিবাৰৰ দিনা গীৰ্জাত প্ৰাৰ্থনা কৰা, শুক্ৰবাৰে মছজিদত নামাজ পঢ়া, শনি আৰু মঙ্গলবাৰে দাড়ি চুলি নকটা, বছৰৰ মূৰত পিতৃ-মাতৃৰ শ্ৰাদ্ধ পতা, একাদশী, অমাৱস্যা তিথি পালন কৰা, আঁউসী, একাদশী তিথিত তাঁত নলগোৱা, জীয়াৰী মাকৰ ঘৰলৈ নোযোৱা ইত্যাদি ধৰণৰ বিভিন্ন নিয়ম-নীতি মানি চলাটো পৱিত্ৰ কৰ্তব্য বুলি বহুলোকে আজিও বিশ্বাস কৰি আছে।

সামাজিক প্ৰথাবোৰ হ'ল প্ৰাচীন কালৰেপৰা পুৰুষানুক্ৰমে চলি অহা কিছুমান ৰীতি-নীতি। পূৰ্বতে এই ৰীতি-নীতিবোৰ ঈশ্বৰ, ঋষিমুনি তথা পূৰ্বপুৰুষসকলৰ জৰিয়তে সৃষ্টি বুলি গণ্য কৰে। সেয়ে মানুহে এই নীতি-নিয়ম মানি কৰ্তব্য কৰিবলৈ বাধ্য।

**স্বজন পদ্ধতি (Kinship system) ঃ** বিবাহ আৰু জন্মৰ জৰিয়তে সমাজত আমি বিভিন্ন মানুহৰ লগত আত্মীয়তা গঢ়ি তোলো। এনেদৰে গঢ়লোৰা আত্মীয়লোকৰ সমষ্টিকেই স্বজন পদ্ধতি বোলে। সমাজত সম্বোধন পদ্ধতিৰ দ্বাৰা স্বজন পদ্ধতিৰ লোকসকলৰ মাজৰ সম্পৰ্ক পৰিস্ফুট হয়। যেনে - ককা, নাতি, আইতা, বৰমা, বৰদেউতা, মামা-মামী, ভাগিন, জেঠাই, জেঠো, পেহা-পেহী ইত্যাদি। এইলোকসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক থকাৰ উপৰিও এজনৰ প্ৰতি আনজনৰ বিশেষ দায়িত্ব আৰু কৰ্তব্যও থাকে। বিশেষকৈ কণিষ্ঠসকলৰ কাৰ্য-কলাপ, পঢ়া-শুনা আদিৰ ওপৰত জ্যেষ্ঠসকল প্ৰভাৱ গুৰুত্বপূৰ্ণ। আনকি আমাৰ চৰিত্ৰ গঠনৰ ওপৰতো স্বজনসকলৰ পাৰস্পৰিক প্ৰভাৱ পৰে। সেয়ে মিতিৰ কুটুমে বেয়া পোৱা, পচন্দ নকৰা কাৰ্য আমি সাধাৰণতে কৰিবলৈ ইচ্ছা নকৰো। তলত আমাৰ চিন্তা-ভাৱনা, কাৰ্যপ্ৰণালী এক নিয়ন্ত্ৰিত ৰূপ পৰিচালিত হয়।

**লোকাচাৰ (Mores) ঃ** লোকাচাৰ হ'ল একান্তই পালনীয় কিছুমান লোকৰীতি। প্ৰতিখন সমাজতেই কিছুমান নিয়ম-নীতি বাধ্যতামূলক মানি চলিব লগা হয় যাক আমি লোকাচাৰ বোলো। সমাজৰ সদস্যসকলে এই লোকাচাৰ কঠোৰভাৱে মানি চলিব লাগে। লোকাচাৰ ভঙ্গ কৰাটো সমাজৰ বাবে অমঙ্গলজনক অৰ্থাৎ লোকাচাৰ ভঙ্গ কৰিলে সমাজৰ সামূহিক স্বাৰ্থত আঘাত পৰে। সেয়ে লোকাচাৰ ভঙ্গ কৰিলে সমাজে শাস্তি আৰু নিন্দা দিয়ে। গতিকে সামাজিক স্বাৰ্থ ৰক্ষাৰ বাবে, সমাজৰ গৰিহনা আৰু শাস্তিৰ সন্মুখীন নহবৰ  কাৰণে সমাজৰ সদস্যসকলে নিজৰ আচৰণ নিয়ন্ত্ৰণ কৰি চলে।

**জনমত (Public opinion) ঃ** সমাজৰ অধিকাংশ লোকৰ একে মতকে জনমত বুলি কোৱা হয়। সামাজিক নিয়ন্ত্ৰনৰ ক্ষেত্ৰত জনমতৰ এক বিশেষ প্ৰভাৱ আছে। সমাজত কিছুমান কাৰ্য বা আচৰণক ভাল-বেয়া, উচিত-অনুচিত বুলি

সমাজৰ লোকসকলে মন্তব্য প্ৰকাশ কৰে। তাৰোপৰি ভাল কামক প্ৰশংসা আৰু বেয়া কামক নিন্দা দিয়ে। সেয়ে আমি সমাজত কাৰ্য কৰোঁতে সমাজৰ লোকসকলৰ মতামতৰ প্ৰতিও সচেতন হ'ব লগা হয়। অৰ্থাৎ আমাৰ আচৰণৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাত জনমতৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেয়ে কেতিয়াবা আমি আমাৰ একান্ত ইচ্ছা থকা স্বত্বেও সমাজত কিছুমান কাৰ্য, আচৰণ আদি কৰিব নোৱাৰো। কেৱল আমাৰ ব্যক্তিগত জীৱনেই নহয় একো একোখন গণতান্ত্ৰিক দেশৰ শাসন ব্যৱস্থাতো জনমতৰ ভূমিকা গুৰুত্বপূৰ্ণ।

এনেদৰেই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কৰ্তা বা উপায়ৰ দ্বাৰা সমাজত নিয়ন্ত্ৰণ ৰক্ষা কৰিবলৈ চেষ্টা কৰা হয়। সামাজিক নিয়ন্ত্ৰণৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে।

---

## ১.৫ সামাজিক নিয়ন্ত্ৰণৰ গুৰুত্ব (Significance of Social Control)ঃ

---

সামাজিক নিয়ন্ত্ৰণ মানৱ সমাজ তথা ব্যক্তিজীৱনৰ অতি প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ অবিহনে সুস্থিৰ সামাজিক জীৱন পদ্ধতিৰ কথা কল্পনাও কৰিব নোৱাৰি। সামাজিক নিয়ন্ত্ৰণৰ অৰ্থই হ'ল যে সমাজৰ প্ৰচলিত নীতি নিয়মবোৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি চলিবলৈ বাধ্য কৰোৱা। আকৌ সামাজিক নিয়ন্ত্ৰণৰ যোগেদি সমাজ বিৰোধী, অনৈতিক তথা পথভ্ৰষ্টমূলক কাৰ্যৰ পৰা মানুহক বিৰত ৰাখি শান্তিপূৰ্ণ জীৱন যাপনত সহায় কৰা হয়। সামাজিক নিয়ন্ত্ৰণৰ অবিহনে মানুহ আৰু পশুজীৱনৰ বিশেষ পাৰ্থক্য নাথাকিব। সমাজত বিভিন্ন ব্যক্তিয়ে বসবাস কৰে। প্ৰত্যেকজন ব্যক্তিৰ নিজস্ব আশা- আকাঙ্খা থাকে। তাৰোপৰি সমাজত বাস কৰা লোকসকলৰ আচাৰ ব্যৱহাৰ একেধৰণৰ নহয়। তেনেস্থলত সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে যদি নিজৰ ইচ্ছানুযায়ী চলিবলৈ লয়, তেতিয়া সমাজত অৰাজকতা আৰু অশান্তিৰ সৃষ্টি হ'ব। সেয়েহে শান্তিপূৰ্ণ আৰু শৃঙ্খলাবদ্ধ জীৱন-যাপন কৰাৰ পৰিবেশ সৃষ্টিৰ বাবেই

সামাজিক নিয়ন্ত্ৰণৰ প্ৰয়োজন। সামাজিক নিয়ন্ত্ৰণৰ দ্বাৰাহে সমাজৰ স্থিৰতা ৰক্ষা কৰাটো স ৱ। সমাজৰ ৰীতি-নীতি, মানমূল্য, প্ৰমূল্য, সংস্কৃতি আৰু সকলোবোৰ ৰক্ষা কৰাত সামাজিক নিয়ন্ত্ৰণে সহায় কৰে।

সামাজিক নিয়ন্ত্ৰণৰ অবিহনে পৰিয়ালৰ দৰে প্ৰাথমিক সমূহৰ পৰা আৰ কৰি ৰাষ্ট্ৰৰ দৰে বৃহত্তৰ দ্বিতীয়ক সমূহবোৰেও নিজৰ নিজৰ অস্তিত্ব বজায় ৰাখিব নাৱোৰে কাৰণ নিয়ন্ত্ৰণে সদস্যসকলৰ আচাৰ-ব্যৱহাৰবোৰ সমাজমুখী কৰি পৰিচালিত হোৱাত সহায় কৰে। বিশ্বৰ সকলো স্তৰৰ মানৱ সমাজৰ বাবেই সামাজিক নিয়ন্ত্ৰণৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা আছে। মানৱ সমাজৰ লগত নিয়ন্ত্ৰণৰ যে এক গভীৰ সম্পৰ্ক আছে, নিয়ন্ত্ৰণ অবিহনে যে মানৱ সমাজৰ স্থায়ীত্ব স ৱ নহয়, সেই কথা উপলি কৰিয়ে মাৰ্কিন সমাজতত্ত্ববিদ এডৱাৰ্ড ৰ'ছে সামাজিক নিয়ন্ত্ৰণৰ বিষয়ে সৰ্বপ্ৰথমে অধ্যয়ন আৰু আলোচনা কৰিছিল।

## ১.৬ অগ্ৰগতিৰ খতিয়ান ঃ

ক) প্ৰথা আৰু আইনৰ দুটা পাৰ্থক্য লিখা।

........................................................................................................................

........................................................................................................................

........................................................................................................................

খ) সামাজিক নিয়ন্ত্ৰণ সম্পৰ্কে সৰ্বপ্ৰথম কোনে অধ্যয়ন কৰিছিল?

........................................................................................................................

........................................................................................................................

........................................................................................................................

গ) 'Social Control' নামৰ গ্ৰন্থখনৰ লেখক কোন? কোন চনত প্ৰকাশ হৈছিল?

........................................................................................................................

........................................................................................................................

........................................................................................................................

**খতিয়ানৰ উত্তৰ ঃ**

ক) ১। প্ৰথাবোৰ লিখিত ৰূপত নাথাকে। কিন্তু আইন লিখিতৰূপত থাকে।

২। প্ৰথা ভঙ্গ কৰিলে লঘু শাস্তি প্ৰদান কৰা হয়। কিন্তু আইন ভঙ্গ কৰিলে প্ৰাণদণ্ড পৰ্যন্ত দিয়া হয়।

খ) ই.এ. ৰ'ছে সৰ্বপ্ৰথমে সামাজিক নিয়ন্ত্ৰণ সম্পৰ্কত আলোচনা কৰিছিল।

গ) 'Social Control' নামৰ গ্ৰন্থখনৰ লেখক হ'ল Edward Ross । তেওঁ ১৯০১ চনত এই গ্ৰন্থ প্ৰকাশ কৰিছিল।

## ১.৭ অধিক জানিবৰ বাবে ঃ

ড° দুৰ্গেশ্বৰ দ'লে- সমাজ বিজ্ঞান, তৃতীয় খণ্ড, প্ৰথম ভাগ, পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি। ডিব্ৰুগড় বিশ্ববিদ্যালয়।

ড° শৰৎ শৰ্মা - সমাজতত্ত্ব, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী।

চি. এন. শঙ্কৰ ৰাও - Sociology, Primary Principles, Ram Nagar, New Delhi.

## ১.৮ সম্ভাব্য প্ৰশ্নাৱলী ঃ

১। সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ লিখা। সমাজত সামাজিক নিয়ন্ত্ৰণৰ গুৰুত্বৰ বিষয়ে লিখা।

..................................................................................................................................................

..................................................................................................................................................

..................................................................................................................................................

২। সামাজিক নিয়ন্ত্ৰণৰ উপায় বা কৰ্তাবোৰৰ বিষয়ে লিখা।

.................................................................................................................

.................................................................................................................

.................................................................................................................

৩। সামাজিক নিয়ন্ত্ৰণত পৰিয়ালৰ ভূমিকা ব্যাখ্যা কৰা।

.................................................................................................................

.................................................................................................................

.................................................................................................................

৪। আনুষ্ঠানিক নিয়ন্ত্ৰণৰ উপায়বোৰ লিখা।

.................................................................................................................

.................................................................................................................

.................................................................................................................

# সমাজতত্বৰ নীতি

## খণ্ড - 4

মূল্যাংকঃ 20

খণ্ড 4 ঃ শিৰোনাম ঃ সামাজিক স্তৰীকৰণ আৰু গতিশীলতা।
(Social Stratification and Mobility) (মুঠনম্বৰঃ 20])

প্ৰস্তাৱনা ঃ এই খণ্ডটি সমাজতত্বৰ নীতি বিষয়ৰ পাঠ্যক্ৰমৰ চতুৰ্থ পাঠ্যসূচী। এই খণ্ডটিৰ জৰিয়তে সমাজত দেখা সামাজিক বিভাজন তথা সামাজিক গতিশীলতাৰ বিষয়ে উল্লেখ কৰা হ'ব।

গোট নং 1 ঃ এই গোটত সামাজিক স্তৰীকৰণৰ অৰ্থ আৰু সংজ্ঞা, স্তৰীকৰণৰ বিভিন্ন স্বৰূপ তথা স্তৰীকৰণৰ সিদ্ধান্ত সমূহ সন্নিবিষ্ট কৰা হৈছে।

গোট নং ২ ঃ এই গোটত সামাজিক গতিশীলতাৰ ধাৰণা আৰু প্ৰকাৰ আদিৰ বিষয়ে আলোচনা কৰা হ'ব। বিভিন্ন সামাজিক গোটবিলাকৰ সামাজিক গতিশীলতা, সাম্ভাৱনীয়তা আৰু ফলাফল সম্পৰ্কে উল্লেখ কৰা হ'ব।

# গোট নং - ১

# সামাজিক স্তৰীকৰণ (Social Stratification)

**গঠন বিন্যাস ঃ**

1.0 উদ্দেশ্য

1.1 প্ৰস্তাৱনা

1.2 স্তৰীকৰণৰ অৰ্থ আৰু সংজ্ঞা

  1.2.1 প্ৰস্থিতি

  1.2.2. ভূমিকা

  1.2.3 স্তৰীকৰণৰ সংজ্ঞা।

1.3 স্তৰীকৰণৰ উপাদান।

1.4 স্তৰীকৰণৰ স্বৰূপ।

  1.4.1 বন্ধস্তৰীকৰণ

  1.4.2 মুক্ত স্তৰীকৰণ

1.5 স্তৰীকৰণৰ সিদ্ধান্তসমূহ

  1.5.1 দ্বন্দাত্মক সিদ্ধান্ত

  1.5.2 ক্ৰিয়াত্মক সিদ্ধান্ত।

1.6 সাৰাংশ

- ❖ ঘাই শব্দসমূহ
- ❖ পাঠ্য নিৰ্দেশনা
- ❖ সম্ভাব্য উত্তৰ নমুনা
- ❖ আৰ্হি প্ৰশ্ন
- ❖ প্ৰসঙ্গ

## 1.0 উদ্দেশ্যঃ

প্ৰস্তুত গোটটো অধ্যয়ন কৰাৰ পাছত ঃ

(ক) তোমালোকে সমাজৰ বিভিন্ন সামাজিক স্তৰসমূহ চিনাক্ত কৰিব পাৰিবা।

(খ) সামাজিক বিভাজনৰ কাৰণসমূহ নিৰ্দ্ধাৰণ কৰিব পাৰিবা।

(গ) স্তৰীকৰণৰ সিদ্ধান্ত দুটাৰ পাৰ্থক্য ব্যাখ্যা কৰিব পাৰিবা।

## 1.1 প্ৰস্তাৱনা ঃ

তোমালোকে আগৰ পাঠসমূহত সমাজৰ বিষয়ে অধ্যয়ন কৰি আহিছা। তোমালোকে জানা যে ব্যক্তিৰ সমষ্টিয়ে হ'ল সমাজ। মেক আইবাৰ আৰু পেজৰ মতে সমাজ সামাজিক সম্বন্ধৰ জালগোঁথনি স্বৰূপ। সমাজত বহু ধৰণৰ ব্যক্তি থাকিব পাৰে। তোমালোকে ভালদৰে মন কৰিলে দেখিবা যে সমাজৰ ব্যক্তিসকলৰ মাজত যথেষ্ট ভিন্নতা আছে। এই ভিন্নতা সমূহ শাৰীৰিক আৰু মানসিক ভিন্নতা, আৰ্থিক অৱস্থাৰ দ্বাৰা সৃষ্ট ভিন্নতা, তথা কৰ্মৰ ভিন্নতা আদি। সেইদৰে আন কিছুমান ভিন্নতা হ'ল শাসক-শাসিত, ধনী-দুখীয়া, কৃষক, মধ্যবিত্ত, উদ্যোগপতি-শ্ৰমিক আদি। এনেদৰেই সমাজত বাসকৰা ব্যক্তিসকলৰ মাজত একে সামাজিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ভাগ বা সামাজিক স্তৰৰ উৎপত্তি হয়। এই ভাগ বা স্তৰসমূহ গঢ়ি উঠাৰ প্ৰক্ৰিয়াকে সাধাৰণ অৰ্থত সামাজিক স্তৰীকৰণ বুলি ক'ব পাৰি।

প্ৰত্যেক সমাজ সামাজিক প্ৰতিমান আৰু প্ৰমূল্য অনুযায়ী পৰিচালিত হয়। এই প্ৰতিমান আৰু প্ৰমূল্যৰ আধাৰতে সমাজৰ ব্যক্তিসকলক উচ্চ, মধ্য আৰু নিম্ন আদি ভাগত ভাগ কৰা বা স্তৰীকৰণ কৰা হয়।

## 1.2 স্তৰীকৰণৰ অৰ্থ আৰু সংজ্ঞা (Meaning and Definition of Social Stratification)

বিশ্বৰ সকলো মানৱ সমাজতে সামাজিক স্তৰীকৰণ এক উল্লেখযোগ্য বৈশিষ্ট্য। সমাজত বিশেষকৈ আধুনিক জনবহুল সমাজত বিভিন্ন বৃত্তি (Occupation)ত আত্মনিয়োগ কৰা ব্যক্তিসকলে নিজকে বা আনক কিছুমান বিশেষ স্তৰত ভাগ কৰে। বৃত্তি অনুযায়ী এই ভাগবোৰ সামাজিক প্ৰস্থিতিৰ ভিত্তিত উচচ, মধ্য, নিম্ন আদি পৰ্যায়ত ভাগ কৰা হয়। এইদৰে ভাগ কৰা সামাজিক পদ্ধতিকেই সামাজিক স্তৰীকৰণ বুলি ক'ব পাৰি। অৰ্থাৎ এখন সমাজৰ জনসংখ্যাক সামাজিক প্ৰস্থিতি আৰু মৰ্য্যাদাৰ ভিত্তিত উচ্চ, মধ্য, নিম্ন আদি শ্ৰেণীত বিভক্ত কৰা পদ্ধতিয়েই হ'ল সামাজিক স্তৰীকৰণ।

সমাজত ব্যক্তি ভেদে প্ৰস্থিতি আৰু ভূমিকাৰ ভিন্নতা থকা দেখা যায়। সামাজিক স্তৰীকৰণৰ ক্ষেত্ৰত প্ৰস্থিতি আৰু ভূমিকাৰ মৰ্যদাৰ কথা বিশেষ গুৰুত্বপূৰ্ণ। পুৰুষ-মহিলা, বিবাহিত-অবিবাহিত, সৰু-ডাঙৰ, ধনী-দুখীয়া, ব্যৱসায়ী, চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী, সমাজকৰ্মী, ৰাজনৈতিক নেতা, ধৰ্মগুৰু, শিক্ষক, চিকিৎসক, গায়ক, কবি, ইত্যাদি হিচাবে মানুহৰ সমাজত সুকীয়া সামাজিক স্থান বা প্ৰস্থিতি আছে। কিন্তু সকলো প্ৰস্থিতিৰ মৰ্যদা একে নহয়। প্ৰস্থিতিৰ সতে জড়িত হৈ থকা ভূমিকাৰ গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰি মৰ্যদা নিৰ্ণয় কৰা হয়। যি বিলাক প্ৰস্থিতি অধিক গুৰুত্বপূৰ্ণ, সেইবোৰ প্ৰস্থিতিৰ মৰ্যদাও উচ্চখাপৰ। আনহাতে কম গুৰুত্বপূৰ্ণ প্ৰস্থিতিৰ মৰ্যদা নিম্নখাপৰ। উচ্চ মৰ্যদাসম্পন্ন প্ৰস্থিতিত অধিষ্ঠিত হৈ থকা ব্যক্তিসকলক উচ্চ শ্ৰেণী আৰু নিম্ন প্ৰস্থিতিৰ ব্যক্তিসকলক নিম্নশ্ৰেণীৰ লোক হিচাবে বিবেচনা কৰা হয়।

সামাজিক স্তৰীকৰণৰ বিষয়ে ভালদৰে বুজিবলৈ প্ৰস্থিতি আৰু ভূমিকাৰ বিষয়ে জনাটো প্ৰয়োজন। তলত প্ৰস্থিতি আৰু ভূমিকাৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

## 1.2.1 প্ৰস্থিতি (Status):

মেক আইবাৰ আৰু পেজৰ মতে প্ৰস্থিতি হ'ল সামাজিক কাম বা ব্যক্তিগত অৰ্হতা বা গুণাগুণৰ ওপৰত ভিত্তি কৰি সমাজে নিৰ্ধাৰণ কৰা এটা সামাজিক স্থান, যি স্থানৰ জৰিয়তে মানুহে কিছু পৰিমাণে আদৰ সন্মান লাভ কৰে আৰু ব্যক্তিগত ভাৱে কিছু প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। ("Status is the social position that determines for its possessor, apart from his personal attributes or social service, a degree of respect, prestige and influence.")

ৰৰ্বাট বায়ৰষ্টেডে আকৌ প্ৰস্থিতিক " সমুহ বা সমাজৰ অন্তৰ্গত এটি বিশেষ সামাজিক স্থান" বুলি উল্লেখ কৰিছে। এজন মানুহে ব্যক্তিগত ভাৱে নতুবা সামূহিকভাৱে এই স্থান অধিকাৰ কৰিব পাৰে। অৰ্থাৎ প্ৰস্থিতি দুই প্ৰকাৰৰ। জন্ম লব্ধ প্ৰস্থিতি (Ascribed Status) আৰু স্বলব্ধ প্ৰস্থিতি (Achieved Status) যেনে, এজন মানুহে অভিজাত পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ বাবে লাভ কৰা উচ্চ প্ৰস্থিতিক তেওঁৰ জন্ম-লব্ধ প্ৰস্থিতি বুলি গণ্য কৰা হয়। ভাৰতীয় জাতি প্ৰথাৰ জৰিয়তে এজন মানুহক প্ৰদান কৰা প্ৰস্থিতি জন্মলব্ধ প্ৰস্থিতিৰ সুন্দৰ উদাহৰণ।

নিজৰ ব্যক্তিগত প্ৰচেষ্টা, কৰ্ম, গুণ আৰু দক্ষতাৰ জৰিয়তে লাভ কৰা প্ৰস্থিতিক স্বলব্ধ (Achieved) প্ৰস্থিতি বুলি কোৱা হয়। উদাহৰণ স্বৰূপে এজন ব্যক্তিয়ে নিজ দক্ষতাৰে উচ্চ শিক্ষা লৈ উচ্চ পদত চাকৰি কৰি সমাজত উচ্চ প্ৰস্থিতি লাভ কৰিব পাৰে।

## 1.2.2 ভূমিকা (Role) ঃ

প্ৰস্থিতিৰ লগত কিছুমান দায়িত্ব, কৰ্তব্য, ক্ষমতা আৰু অধিকাৰ জড়িত হৈ থাকে। এইবোৰ কেনেকৈ পালন কৰিব লাগে এই বিষয়ে সমাজৰ এটা ধাৰণা আছে। এই ধাৰণা অনুযায়ী ব্যক্তিয়ে যি দায়িত্ব আৰু কৰ্তব্য পালন কৰে, সেইটোকে ব্যক্তিজনৰ ভূমিকা বুলি কোৱা হয়। যেনে মহাবিদ্যালয়ৰ অধ্যক্ষৰ ভূমিকা, শিক্ষক-ছাত্ৰৰ ভূমিকা ইত্যাদি।

প্ৰস্থিতি আৰু ভূমিকা সামাজিক অৱস্থাৰে দুটা অভিন্ন অংগ। এইচ্ এম জনচনে প্ৰস্থিতি আৰু ভূমিকাক একেলগ কৰি এইদৰে কৈছে, ভূমিকা আৰু প্ৰস্থিতি একে সামাজিক স্থানৰে দুটা অভিন্ন অংশ। ভূমিকা মানে কিছুমান দায়িত্ব আৰু কৰ্তব্যক বুজায়। সেইদৰে, প্ৰস্থিতিয়ে কিছুমান দাবী আৰু অধিকাৰক বুজায়।” (......These two parts of a social position we shall call its role and its status, “role” referring to obligations and stauts referring to rights. Thus every social position is a status of role.)

সমাজত এজন মানুহে দৈনন্দিন জীৱনত বহুতো দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলগীয়া হয়। যেনে এজন মানুহেই পৰিয়ালত সদস্যৰ ভূমিকা, বৃত্তিত এজন বৃত্তিধাৰী, খেলপথাৰত খেলুৱৈ, সাংস্কৃতিক ক্ষেত্ৰত সাংস্কৃতিক কৰ্মী ইত্যাদি। মানুহে যিমানেই সামাজিক প্ৰস্থিতি, সমূহ আদিত নিজকে জড়িত কৰি ৰাখে সিমানেই তেওঁৰ ভূমিকা বিভিন্ন আৰু বহুল ধৰণৰ হয়। এজন মানুহে এনেদৰে পালন কৰা ভিন ভিন ভূমিকাকে একেলগে ভূমিকা-সমষ্টি (Role Set) বুলি কোৱা হয়।

**কৰণীয় কৰ্ম – 1**

তোমাৰ সহপাঠী সকলৰ লগত প্ৰস্থিতি, ভূমিকা আৰু ভূমিকা সমষ্টি মানে কি আলোচনা কৰা আৰু আলোচনাৰ উত্তৰসমূহ তোমাৰ টোকা বহীত লিখি থোৱা ।

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

## 1.2.3 স্তৰীকৰণৰ সংজ্ঞাঃ

সামাজিক স্তৰীকৰণৰ সম্পৰ্কত কেইবাজনো সমাজত্ববিদে নিজস্ব দৃষ্টিভংগীৰে সংজ্ঞা আগবঢ়াইছে। ইয়াৰে কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল।

পি. এ. চৰকিণৰ মতে, "সামাজিক স্তৰীকৰণ হৈছে সমাজৰ জনসংখ্যাক উচ্চ বা নিম্ন শ্ৰেণীহিচাবে পদানুক্ৰমিক সংস্তৰণ কৰাৰ এক ব্যৱস্থা। ব্যক্তিক নিম্ন সামাজিক সদস্য হিচাবে প্ৰতিষ্ঠিত কৰোতে পোৱা অধিকাৰ আৰু সুবিধাৰ ভিত্তিত স্তৰীকৰণ বৰ্তি থাকে। (Social stratification means the differentiation of a given population into hierarchically super imposed classes, stratificatin involves distribution of unequal rights and privilages among the members of society)

লাণ্ডৱাৰ্গৰ মতে "উচ্চ বা নিম্ন হিচাবে মূল্যাংকৃত কৰি মানুহৰ মাজত অসমতা আৰু বিভিন্নতা সৃষ্টি কৰা সমাজৰ স্তৰীকৃত ব্যৱস্থাটোৱেই হৈছে সামাজিক স্তৰীকৰণ । (Social stratified society is on marked by

unequality by differences among people that are evaluated by them as being 'higher' or 'lower' social units).

উক্ত সংজ্ঞা সমূহ লক্ষ কৰিলে আমি দেখিবলৈ পাম যে সামাজিক স্তৰীকৰণ হ'ল এনে এক সামাজিক পদ্ধতি, যাৰ জৰিয়তে সমাজৰ মানুহক কিছুমান উচ্চ-নিম্ন আদি স্থানত বিভাজন কৰা হয়। এই ব্যৱস্থাৰ জৰিয়তে কিছুমান মানুহে বিশেষ সা-সুবিধা লাভ কৰে আৰু আন কিছুমান এনে সা-সুবিধা লাভ কৰাৰ পৰা বঞ্চিত হয়। সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য হ'ল ব্যক্তিৰ অৰ্থনৈতিক, ৰাজনৈতিক,সামাজিক আৰু ক্ষমতাৰ অসমতা।

**কৰণীয় কৰ্ম – 2ঃ**

সমাজত কি কি কাৰণত বিভাজন হয় চিনাক্ত কৰি, তোমাৰ টোকাবহীত লিখি থোৱা।

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

## 1.3 সামাজিক স্তৰীকৰণৰ উপাদান (Elements of Social statification)

সামাজিক স্তৰীকৰণৰ উপাদান বা আধাৰ বুলি ক'লে ব্যক্তিৰ সামাজিক প্ৰস্থিতি, আয় আৰু আৰ্থিক সম্পদ, ৰাজনৈতিক ক্ষমতা, ধৰ্মীয় ক্ষমতা, সাংস্কৃতিক তথা শিক্ষাগত অৰ্হতা, বৃত্তিৰ বিশেষীকৰণ আৰু জাতিৰ কথা ক'ব পাৰি।

## 1.4 সামাজিক স্তৰীকৰণৰ স্বৰূপ (Forms of Social Stratification)

সামাজিক স্তৰীকৰণ পদ্ধতিক মূলত দুটা ভাগত ভগাব পাৰি। এই দুটা হ'ল বন্ধস্তৰীকৰণ (Closed stratification) আৰু মুক্ত স্তৰীকৰণ (Open Stratificatoin)।

### 1.4.1 বন্ধ স্তৰীকৰণঃ

যিবোৰ সামাজিক স্তৰীকৰণত মানুহে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰাত বাধা আছে, অৰ্থাৎ মানুহে সামাজিক স্থানবিলাক পৰিবৰ্তন কৰিব নোৱাৰে তেনে স্তৰীকৰণক বন্ধস্তৰীকৰণ বুলি কোৱা হয়। বন্ধস্তৰীকৰণত সামাজিক স্থানবিলাক জন্মৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়। ব্যক্তিৰ প্ৰতিভা, যোগ্যতা, গুণ আৰু দক্ষতা যিয়েই নহওক মানুহে সদায় জন্ম হওঁতে যিটো স্থান অধিকাৰ কৰিছিল সেই স্থানতে থাকিব লাগে। উদাহৰণ হিচাবে ভাৰতীয় জাতি ব্যৱস্থাৰ কথা উল্লেখ কৰিব পাৰি।

জাতি সম্পৰ্কত বিভিন্ন পণ্ডিতে তেওঁলোকৰ বিশ্লেষণ আগবঢ়াইছে। সেইসকলৰ ভিতৰত ছাৰ হাৰ্বাৰ্ট ৰিজলি, ডি এন মজুমদাৰ, ৰবাৰ্ট বায়ৰষ্টেড আদিৰ নাম উল্লেখযোগ্য। ৰিজলিৰ মতে জাতি হৈছে এনে কিছুমান পৰিয়ালৰ সমষ্টি যি বোৰ পৰিয়ালে একে চৰিত্ৰৰ বৃত্তি গ্ৰহণ কৰে আৰু একে পিতৃপুৰুষ বা অলৌকিক দেৱতাৰ বংশধৰ হিচাবে নিজকে পৰিচয় দিয়ে, তেওঁলোকৰ বৃত্তি বা ব্যৱসায় বংশানুক্ৰমিক আৰু একে গোষ্ঠীৰ সম্প্ৰদায় হিচাবে যথোচিত মত প্ৰকাশ কৰিব পাৰে। জাতি ব্যৱস্থা এনে এক ৰক্ষণশীল ব্যৱস্থা, য'ত মানুহে ইচ্ছা কৰিলেও জাতিয়ে নিৰ্দেশ দিয়া আচৰণ ভঙ্গ কৰিব নোৱাৰে।

ভাৰতীয় জাতি ব্যৱস্থাই হিন্দু সমাজক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ, এই চাৰিটা প্ৰধান স্তৰ বা ভাগত বিভক্ত কৰিছে। জাতি ব্যৱস্থাক স্তৰীকৰণৰ অন্যতম প্ৰধান স্বৰূপ বুলি ধৰি লোৱাৰ কাৰণ এই যে এই ব্যৱস্থাৰ দ্বাৰা সমাজৰ জনসংখ্যাক উচ্চ নিম্ন ক্ৰমণিকাত ভাগ কৰা হয়। জাতি ব্যৱস্থামতে ব্ৰাহ্মণৰ প্ৰস্থিতি সৰ্বোচ্চ আৰু শূদ্ৰৰ প্ৰস্থিতি সৰ্বনিম্ন। জাতি জন্মৰ ওপৰত আধাৰিত। জন্মসূত্ৰৰ বাহিৰে জাতিৰ সদস্য গ্ৰহণ কৰাৰ আন কোনো উপায় নাই। গতিকে জাতি ব্যৱস্থা হ'ল বন্ধস্তৰীকৰণৰ এক উল্লেখযোগ্য উদাহৰণ।

## 1.4.2 মুক্ত স্তৰীকৰণঃ

এই স্তৰীকৰণ ব্যৱস্থাত ব্যক্তিৰ জন্মগত প্ৰস্থিতিৰ সলনি দক্ষতা আৰু গুণাৱলীৰ ওপৰতহে গুৰুত্ব দিয়া দেখা যায়। অৰ্থাৎ মুক্ত স্তৰীকৰণত যিকোনো ব্যক্তিয়েই এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ নিজৰ সামাজিক প্ৰস্থিতি সলনি কৰিব পাৰে। নিজৰ গুণ আৰু কৰ্মৰ জৰিয়তে এজন সাধাৰণ লোক যদি উচ্চ পদ মৰ্যাদাত অধিষ্ঠিত হ'ব পাৰে, তেন্তে সেই সমাজ ব্যৱস্থাক মুক্ত স্তৰীকৃত সমাজ বুলি ক'ব পাৰি। যি সমাজ ব্যৱস্থাত এটা স্তৰৰ পৰা আন এটা স্তৰলৈ সহজে গতিকৰিব পাৰে, তেনে সমাজত মুক্ত স্তৰীকৰণ দেখিবলৈ পোৱা যায়। সামাজিক শ্ৰেণী হ'ল মুক্ত স্তৰীকৰণৰ প্ৰশস্ত উদাহৰণ।

অতি প্ৰাচীন কালৰে পৰাই সকলো প্ৰকাৰৰ মানৱ সমাজত সামাজিক শ্ৰেণীৰ (Social Class) অস্তিত্ব পোৱা যায়। প্ৰখ্যাত সমাজ বিজ্ঞানী কালমাৰ্ক্সৰ ভাষাত 'মানৱ জাতিৰ ইতিহাস মানেই শ্ৰেণী সংগ্ৰামৰ ইতিহাস'' ইয়াৰ অৰ্থ হৈছে মানৱ জাতিৰ ইতিহাসত শ্ৰেণী ব্যৱস্থা আছে। এই শ্ৰেণীবোৰৰ মাজত অবিৰতভাৱে সংগ্ৰাম চলি আছে। ইয়াৰ মূলত আছে সামাজিক

শ্ৰেণীবোৰৰ মাজত থকা পৰস্পৰ বিৰোধী স্বাৰ্থৰ ক্ৰিয়া। প্ৰতিটো শ্ৰেণীয়ে নিজৰ স্বাৰ্থ বজাই ৰাখিবলৈকে এই সংগ্ৰাম চলাই থাকে। মাৰ্ক্সে সামাজিক শ্ৰেণীক অৰ্থনৈতিকভাৱে সৃষ্টি হোৱা সামাজিক বিভাজন বুলি আখ্যা দিছে। মানৱ সমাজ সংগঠিত হৈছিল প্ৰধানকৈ তিনিটা মৌলিক প্ৰয়োজন (basic needs) অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ কৰে । এই মৌলিক প্ৰয়োজনীয়তা খিনি আয়ত্ব কৰিবলৈকে এহাতেদি সংঘবদ্ধ জীৱনৰ প্ৰয়োজন হ'ল আৰু আনহাতেদি অনিবাৰ্যভাৱেই আৰ্থিক স্বাৰ্থত সুকীয়া সুকীয়া সামাজিক গোটৰ উদ্ভৱ হ'ল আৰু এনেদৰেই এই গোটসমূহ একোটাহঁত সামাজিক শ্ৰেণী হিচাবে পৰিগণিত হ'ল।

সমাজতত্ববিদসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা শ্ৰেণীৰ সংজ্ঞা আগবঢ়াইছে। এইচ এম জনচনৰ মতে সামাজিক শ্ৰেণী হৈছে একে ধৰণৰ সামাজিক প্ৰস্থিতি সম্পন্ন পৰিয়ালবৰ্গৰ সমষ্টি, যি সমষ্টিৰ পৰিয়ালসমূহে প্ৰত্যেকে প্ৰত্যেকক সম প্ৰস্থিতি সম্পন্ন হিচাবে গণ্য কৰে ।(Social class is more or less endogemous stratum consisting of families of about equal prestige who are or would be acceptable to one another for "Social" interaction that is culturally regarded as more or less symbolic of equality)। আগবাৰ্ন আৰু নিমকফেও সামাজিক শ্ৰেণীৰ সংজ্ঞা আগবঢ়াইছে। তেওঁলোকৰ মতে "সামাজিক শ্ৰেণী হৈছে দুই বা ততোধিক ব্যক্তিৰ সমষ্টি, যি সকলক সমুদায়ৰ লোকসকলে সামাজিক ভাৱে উচ্চ নিম্ন মৰ্যাদাত অধিস্থিত কৰে "। (Social class means two or more broad groups of individuals who are ranked by the memebers of the community in socially superior or inferior position)।

কালমাৰ্ক্সে অৰ্থনৈতিক অৱস্থাৰ তাৰতম্যৰ ওপৰত নিৰ্ভৰ কৰি সামাজিক শ্ৰেণীক প্ৰধান দুটা ভাগত ভাগ কৰিছে যেনে- বুৰ্জোৱা ( Bourgeoisie)

বা পুঁজিপতি আৰু (2) প্ৰলিটেৰিয়েট (Proleteriate) বা বনুৱা বা সাধাৰণ শ্ৰেণী। মাৰ্ক্সে উক্ত শ্ৰেণী দুটাৰ উপৰিও পেটি বুৰ্জোৱা (Petty bourgeoisie) বা মধ্যশ্ৰেণী এটাৰ বিষয়েও উল্লেখ কৰিছে। অৱশ্যে আন কেইজনমান সমাজত্ববিদৰ মতে শ্ৰেণীগঠনত আৰ্থিক কাৰণৰ ওপৰিও সামাজিক কাৰণ (Soical factor) নিহিত হৈ থাকে। শ্ৰেণী হৈছে সাধাৰণ অৰ্থত এনে সমূহ (Group) যি বিলাক বিশেষ প্ৰস্থিতি সম্পন্ন (Status Oriented)। একোজন মানুহৰ সামাজিক প্ৰস্থিতি, আয় আৰু সম্পদৰ বাহিৰেও ৰাজনৈতিক ক্ষমতা, ধৰ্মীয় ক্ষমতা, সাংস্কৃতিক-শিক্ষাগত অৰ্হতা, বৃত্তি আদিৰ বিশেষীকৰণৰ দ্বাৰা নিৰ্দ্ধাৰিত হ'ব পাৰে।

**আত্ম মূল্যায়ণৰ প্ৰশ্ন ঃ 1**

1¼ বন্ধ স্তৰীকৰণ আৰু মুক্ত স্তৰীকৰণ, দুয়োটাৰ বিষয়ে তোমাৰ নিজৰ ভাষাত তিনিটাকৈ বাক্য লিখা।

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

2। তলত উল্লেখ কৰা কোনটো অৱধাৰণাৰ লগত সামাজিক স্তৰীকৰণৰ পোনপটীয়া সম্পৰ্ক নাই ?

(ক) প্ৰস্থিতি

(খ) জাতি ব্যৱস্থা

(গ) সামন্ত প্ৰথা

(ঘ) নগৰী কৰণ।

..........................................................................................................................

## 1 . 4 . 3 সামাজিক শ্ৰেণীৰ বৈশিষ্ট্য (Characteristics of class) :

প্ৰত্যেক সামাজিক শ্ৰেণীৰে নিজস্ব বৈশিষ্ট্য থকাৰ বাবেহে শ্ৰেণীসমূহক এটাৰ পৰা আনটো পৃথক কৰিব পাৰি। তলত সামাজিক শ্ৰেণীৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰা হ'ল।

**(১) আন্তঃক্ৰিয়াবাহী সমূহ (Endogamous Group)**: এক শ্ৰেণীৰ লোকে একে প্ৰস্থিতি সম্পন্ন বুলি গণ্য কৰা শ্ৰেণীৰ লগতহে সামাজিক চালচলন, বৈবাহিক সম্বন্ধৰ আদান-প্ৰদান আৰু উৎসৱ পাৰ্বন আদিত ভাগ লয়।

**(2) শ্ৰেণী সচেতনতা (Class Consciousness)**ঃ প্ৰত্যেক সামাজিক শ্ৰেণীৰে নিজৰ শ্ৰেণী সচেতনতা আছে। এনে সচেতনতাৰ বশৱৰ্তী হৈ প্ৰতি শ্ৰেণীৰ লোকে আন এক শ্ৰেণীৰ তুলনাত আমিভাৱ (We feeling) আৰু তেওঁলোক ভাব (They feeling) পোষণ কৰা দেখা যায়। অৰ্থাৎ এক শ্ৰেণীৰ বাবে আনটো অন্য শ্ৰেণী হয়।

[3] **উপ-শ্ৰেণী (Sub- Class) আৰু উপ-সংস্কৃতি (Sub-culture) ঃ** শ্ৰেণী ব্যৱস্থাৰ আন এক বৈশিষ্ট্য হ'ল উপশ্ৰেণী। প্ৰত্যেক শ্ৰেণীৰ মাজত কিছুমান উপশ্ৰেণী থাকে। যেনে উচ্চ শ্ৰেণীৰ লোক সকলক ধন সম্পদৰ মাপেৰে উচ্চ-উচ্চ, উচ্চ-মধ্য , উচ্চ-নিম্ন আদি উপ-শ্ৰেণীত বিভক্ত কৰিব পাৰি।

উপ-শ্ৰেণীৰ দৰে প্ৰত্যেক শ্ৰেণীৰ নিজস্ব একোটা শ্ৰেণীগত সংস্কৃতি আছে, যি সংস্কৃতিক উপ-সংস্কৃতি বুলি কব পাৰি। এই উপসংস্কৃতিৰ লক্ষণ হ'ল যে প্ৰত্যেক শ্ৰেণীৰ মানুহে বিশেষ ধৰণৰ বয়বস্তু ব্যৱহাৰ কৰে, বিশেষ ৰীতি-নীতিৰে চলিব বিচাৰে, আৰু বিশেষ ধৰণৰ সামাজিক মূল্যত

গুৰুত্ব দিয়ে। তেওঁলোকৰ ৰুচি-অভিৰুচি, চাল-চলন, পিন্ধন-উৰণ, খোৱা -বোৱা, চিন্তা চৰ্চা, মাতকথা, ভাৱ ভংগী ইত্যাদিও আনলোকৰ পৰা পৃথক হয়।

**(4) উচ্চ নীচ ভাৱ** ( Superirity and inferiority complex) ঃ এটা শ্ৰেণীৰ লোকসকলে আনশ্ৰেণীৰ লোকসকলক উচ্চ বা নিম্ন হিচাবে বিবেচনা কৰে। সাধাৰণতে উচ্চ শ্ৰেণীৰ লোকসকলৰ মাজত উচ্চাত্মিকাভাৱ (Superiority complex) আৰু নিম্ন শ্ৰেণীৰ লোকসকলৰ মাজত নীচাত্মিকা ভাৱ (Inferiority complex) দেখা যায়।

**(5) জন্মৰ গুৰুত্ব কম** (Less importance on birth)ঃ শ্ৰেণী ব্যৱস্থাত জন্মৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়। জন্মৰ পৰিৱৰ্তে ব্যক্তিৰ গুণ, কৰ্ম, প্ৰতিভা আদিয়েহে শ্ৰেণী ব্যৱস্থাত প্ৰাধান্যতা লাভ কৰে। অৰ্থাৎ শ্ৰেণীব্যৱস্থাত ব্যক্তিয়ে এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীত অন্তভূৰ্ক্ত হ'ব পাৰে।

**কৰণীয় কৰ্ম - 3**

তোমাৰ ওচৰত থকা যিকোনো উদ্যোগ অঞ্চল যেনে ৰিফাইনেৰী, অ. এন. জি. চি. বা চাহ বাগিছা আদিলৈ গৈ সেই অঞ্চলত কাম কৰা লোক সকলৰ ভিন্ন জীৱন প্ৰণালী অধ্যয়ন কৰি লাভ কৰা অভিজ্ঞতা সমূহৰ বৰ্ণনা তোমাৰ টোকাবহীত লিখি থোৱা।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

সামাজিক শ্ৰেণীৰ বিষয়ে সাধাৰণভাৱে বৰ্ণনা কৰাটো যিমান সহজ, বাস্তৱ অৱস্থাত ইয়াৰ অস্তিত্বৰ বিষয়ে উপলব্ধি কৰাটো সিমান সহজ নহয়। অৰ্থাৎ স্পষ্ট সীমাৰেখাই সামাজিক শ্ৰেণীৰ বিভেদীকৰণ কৰিব নোৱাৰে। কেতিয়াবা উচ্চ আৰু মধ্য শ্ৰেণীৰ মানুহৰ মাজত কিছুমান উমৈহতীয়া চৰিত্ৰ দেখা যায়। সমাজত কেইটা শ্ৰেণী থাকিব পাৰে, কেনেধৰণৰ মানুহক কোনটো শ্ৰেণীত অন্তভূৰ্ক্ত কৰা হ'ব এই বিষয়ে কোনা স্পষ্ট নীতি নাই। কোনো কোনো সমাজতত্ববিদৰ মতে প্ৰতিটো সামাজিক শ্ৰেণীক আকৌ তিনিটাকৈ ভাগ কৰিব পাৰি। যেনে —

(1) উচ্চ শ্ৰেণী ঃ (ক) উচ্চ শ্ৰেণী (Upper Class)

( খ) উচ্চ মধ্য শ্ৰেণী (Upper Middle Class)

(গ) উচ্চ নিম্নশ্ৰেণী (Upper Lower Class)

2¼ মধ্য শ্ৰেণী (ক) মধ্য শ্ৰেণী (Middle Class)

(খ) মধ্য মধ্যশ্ৰেণী (Middle Middle Class)

(গ) মধ্য নিম্নশ্ৰেণী (Lower Middle Class)

3। নিম্ন শ্ৰেণী ঃ (ক) নিম্ন শ্ৰেণী (Lower Class)

(খ) নিম্ন মধ্য শ্ৰেণী (Lower Middle Class)

(গ) নিম্ন নিম্ন শ্ৰেণী (Lowe-Lower Class)

সাধাৰণতে , শিক্ষা, বৃত্তি, আয়ৰ পৰিমাণ, আচৰণ, ৰুচি, অভিৰুচিৰ ওপৰতে এজন মানুহৰ শ্ৰেণীগত অৱস্থান নিৰ্ণয় কৰা হয়। অৱশ্যে এই ভিত্তিবিলাক বহুক্ষেত্ৰত আপেক্ষিক। কাৰণ এজন মানুহক এটা শ্ৰেণীৰ অন্তৰ্ভূক্ত বুলি ধৰিলেও অন্য কাৰণত তেওঁ হয়তো সেই শ্ৰেণীৰ নহ'বও পাৰে। যেনে নিম্ন শ্ৰেণীৰ লোক এজন যদি উচ্চ শিক্ষিত, মাৰ্জিত আৰু বিশেষ প্ৰশংসনীয় গুণৰ অধিকাৰী হয়, তেন্ত তেনেলোকক নিম্ন শ্ৰেণীৰ ব্যক্তি হিচাপে গণ্য কৰাটো সহজ নহয়।

**আত্মমূল্যায়ণৰ প্ৰশ্ন ঃ 2**

1। ভাৰতীয় জাতি ব্যৱস্থা আৰু শ্ৰেণীব্যৱস্থাৰ মাজত পাঁচটা পাৰ্থক্য নিৰ্ণয় কৰা।

....................................................................................................

....................................................................................................

....................................................................................................

2। শুদ্ধ নে অশুদ্ধ বিচাৰ কৰা ঃ

(ক) বিশ্বৰ সকলো মানৱ সমাজতে স্তৰীকৰণ ব্যৱস্থা আছে।

....................................................................................................

....................................................................................................

....................................................................................................

(খ) প্ৰস্থিতি মানে এক সামাজিক স্থান।

....................................................................................................

....................................................................................................

....................................................................................................

(গ) জন্মৰ জৰিয়তে লাভ কৰা প্ৰস্থিতিক স্বলব্ধ প্ৰস্থি্তি বোলে।

....................................................................................................

....................................................................................................

....................................................................................................

(ঘ) জাতি্ ব্যৱস্থাত ব্যক্তিয়ে নিজৰ সামাজিক স্থান পৰিৰ্বতন কৰিব পাৰে।

....................................................................................................

....................................................................................................

....................................................................................................

## 1.5 সামাজিক স্তৰীকৰণৰ সিদ্ধান্ত ঃ

সমাজতাত্বিক সকলে সামাজিক স্তৰীকৰণৰ উৎপত্তিৰ সম্পৰ্কত আগবঢ়োৱা সিদ্ধান্তসমূহক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। সেই সিদ্ধান্ত দুটা হ'ল

(ক) দ্বন্দ্বাত্মক সিদ্ধান্ত (Conflict theory)

(খ) ক্ৰিয়াত্মক সিদ্ধান্ত (Functional Theory)

### 1.5.1 দ্বন্দ্বাত্মক সিদ্ধান্ত (Conflict Theory)

এই সিদ্ধান্তৰ মূখ্য প্ৰৱক্তা হ'ল কালমাৰ্ক্স আৰু তেওঁৰ সমৰ্থকসকল। এই লেখক সকলৰ মতে সামাজিক স্তৰীকৰণৰ মূল হৈছে সমাজৰ অৰ্থনৈতিক গাঁথনি। অৰ্থনৈতিক উৎপাদন পদ্ধতিয়েই সকলোধৰণৰ সামাজিক সম্পৰ্ক নিৰ্ণয় কৰে। যেতিয়াই ব্যক্তিসকলৰ মাজত অৰ্থনৈতিক বৈষম্য আহি পৰে, তেতিয়াই স্তৰীকৰণৰ সূচনা হয়। যিকোনো মানৱ সমাজৰ বাবে অৰ্থনৈতিক উৎপাদন পদ্ধতিয়েই সমাজ ব্যৱস্থাৰ মূল ভেটি।

মাৰ্ক্সৰ মতে মানৱৰ ইতিহাস মানেই শ্ৰেণী সংগ্ৰামৰ ইতিহাস। পৃথিৱীৰ সকলো সমাজতে সামাজিক শ্ৰেণী আছে আৰু এই শ্ৰেণীবোৰৰ স্বাৰ্থ পৰস্পৰ বিৰোধী, যিটো কাৰণত শ্ৰেণীৰ মাজত অৰ্ন্তদ্বন্দ্ব অব্যাহত হৈ থাকে। মাক্সৰ মতে প্ৰত্যেক সমাজতে প্ৰধানকৈ দুটা শ্ৰৈণী বিদ্যমান। এটা শ্ৰেণীয়ে উৎপাদনৰ উপাদান (Means of production) বোৰ নিয়ন্ত্ৰণ কৰে আৰু আনটো শ্ৰেণীৰ হাতত এই নিয়ন্ত্ৰণ ক্ষমতা নাই। উৎপাদন পদ্ধতিত বিপৰীত ভূমিকা পালন কৰা এই শ্ৰেণী দুটা হ'ল দাসযুগৰ মালিক আৰু দাস, সামন্তযুগৰ সামন্ত প্ৰভু বা জমিদাৰ আৰু সাধাৰণ প্ৰজা আৰু পুঁজিবাদী যুগত পুঁজিপতি আৰু সাধাৰণ শ্ৰমিক। সামন্ত প্ৰথা (Feudal system)ত অভিজাত শ্ৰেণীৰ লোকসকল

আছিল মাটিৰ অধিকাৰী আৰু সাধাৰণ শ্ৰেণীৰ লোকসকল সামাজিক তথা অৰ্থনৈতিক আদি সকলো অধিকাৰৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছিল। সামন্ত পদ্ধতিৰ পাছত পুঁজিবাদে (Capitalism) প্ৰাধান্যতা লাভ কৰাৰ যুগত বুৰ্জোৱা (Bourgeoisie) সকল উৎপাদন আহিলাৰ অধিকাৰী হৈ পৰে। আনহাতে সাধাৰণ প্ৰজাসকলৰ উৎপাদনৰ প্ৰধান আহিলা তথা মূলধন হ'ল তেওঁলোকৰ কায়িক পৰিশ্ৰম (Physical labour)। মাৰ্ক্সে বুৰ্জোৱা আৰু সাধাৰণ শ্ৰমিক এই দুই শ্ৰেণীৰ মাজত আৰু এটা শ্ৰেণীৰ কথা উল্লেখ কৰিছে, Ð মধ্য শ্ৰেণী বা পেটি বুৰ্জোৱা (Petty Bourgeoisies)। মুঠতে, উৎপাদন পদ্ধতিৰ ওপৰত ভিত্তি কৰি এক শ্ৰেণীলোকে সমাজত প্ৰতিপত্তি লাভ কৰি আনতকৈ সম্পদশালী, প্ৰভাৱশালী হৈ অধিক উন্নত মানদণ্ডৰ জীৱন যাপন কৰে। যিসকল লোক আৰ্থিক উৎপাদনৰ গৰাকী নহয় আৰু শাৰিৰীক পৰিশ্ৰমেই যাৰ একমাত্ৰ সম্বল, সেই সকলৰ আৰ্থিক অৱস্থা শোচনীয় আৰু জীৱন যাপনৰ মানদণ্ড ও নিম্ন পৰ্যায়ৰ। এইদৰে সম্পদশালী আৰু সম্পদহীন লোকসকল সমাজৰ একোটা প্ৰধান সামাজিক শ্ৰেণীলৈ পৰিগণিত হয়। কালমাক্সৰ মতে সমাজৰ লোকসকলৰ মাজত থকা এই অৰ্থনৈতিক বৈষম্যই সামাজিক স্তৰীকৰণৰ মূল কাৰণ।

দাৰেনডৰফ (Dahrendorf)এ মাৰ্ক্সৰ 'শ্ৰেণী'ৰ সলনি 'দ্বন্দ্বসমূহ' বুলি অভিহিত কৰিছে। কাৰণ শ্ৰেণীয়ে অৰ্থনৈতিক সমূহক হে বুজায়। কিন্তু কেৱল অৰ্থনৈতিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিয়েই স্তৰীকৰণৰ সৃষ্টি নহয়। ইয়াত ৰাজনৈতিক, ধৰ্মীয় আৰু সামাজিক কথাও থাকে আৰু এই সকলো বোৰৰ লগত দমন প্ৰক্ৰিয়াও জড়িত হৈ থাকে। সকলো মানৱ সমাজতে কিছুমানে আন কিছুমানলোকক নানা প্ৰকাৰে দমন কৰি ৰাখিব বিচাৰে। যিসকলে দমন কৰে সেইসকল হ'ল এক শ্ৰেণীৰ আৰু যিসকলক দমন কৰা হয় সেইসকল হ'ল আন এক শ্ৰেণীৰ মানুহ। এইদৰেই সমাজত বিভিন্ন ক্ষেত্ৰত একোটাহঁত স্তৰীকৃত সামাজিক গোট ৰচনা কৰে।

**কৰণীয় ৰ্কম – 4**

কালৰ্মাক্সৰ শ্ৰেণী আৰু ডাৰেনদফৰ দন্দ্বসমূহৰ মাজত থকা পাথক্য নিৰ্ণয় ক ৰা আৰু টোকা বহীত লিখি থোৱা।Á

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

কালৰ্মাক্স আৰু দাৰেনদৰফৰ দৰে মেক্সৱেবাৰেও স্তৰীকৰণৰ ব্যাখ্যা আগবঢ়াইছে। মেক্সৱেবাৰৰ মতে অৰ্থনৈতিক অসমতাৰ লগতে অন্যান্য কিছুমান কাৰণো জড়িত হৈ আছে। তেওঁৰ মতে, অসমানভাৱে সমাজৰ ক্ষমতা তিৰণৰ প্ৰকাশেই স্তৰীকৰণ।

মেক্সৱেবাৰে ক্ষমতাক এক প্ৰকাৰৰ সম্ভাৱনা বুলি কৈছে। তেওঁ ক্ষমতাক তিনিটা ভাগত ভগাইছে যেনে - অৰ্থনৈতিক ক্ষমতা, সামাজিক ক্ষমতা আৰু ৰাজনৈতিক ক্ষমতা। মাৰ্ক্সৰ দৰে মেক্সৱেবাৰেও অৰ্থনৈতিক ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি দুটা শ্ৰেণীৰ কথা উল্লেখ কৰিছে, এটা হ'ল উৎপাদন পদ্ধতিৰ নিয়ন্ত্ৰণ কৰোঁতা আৰু আনটো হ'ল উৎপাদন কাৰ্যত আত্মনিয়োগ কৰি জীৱন নিৰ্বাহ কৰা শ্ৰেণী।

সামাজিক ক্ষমতা, মৰ্যদা, প্ৰতিপত্তি, প্ৰতিভা আৰু প্ৰভাৱৰ জড়িয়তে মানুহে প্ৰস্থিতি লাভ কৰে। সেয়ে সমাজৰ লোকসকলৰ মাজত প্ৰস্থিতিৰ ভিন্নতা পৰিলক্ষিত হয়। একে প্ৰস্থিতি সম্পন্ন লোকসকলক একোটা নিৰ্দিষ্ট শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰিব পাৰি। এইদৰে, প্ৰস্থিতিৰ ভিত্তিত পদানুক্ৰমিক ভাৱে সমাজত উচ্চ-নিম্ন সংস্তৰণৰ সূচনা হয়।

মানুহৰ পদানুক্ৰম ৰাজনৈতিক ক্ষমতাৰ ওপৰতো নিৰ্ভৰ কৰে। ৰাজনৈতিক ক্ষমতাৰ ভিত্তিত সমাজৰ কিছুলোকে আন ব্যক্তিতকৈ অধিক মৰ্যদাসম্পন্ন প্ৰস্থিতি লাভ কৰে। যেনে শাসকীয় দলৰ সদস্য এজন বিৰোধীদলৰ সদস্যতকৈ অধিক ক্ষমতাশালী হয়। ৰাজনৈতিক ক্ষমতাৰ বিভেদীকৰণেও সমাজক স্তৰীকৃত কৰে। মেক্সৱেবাৰৰ মতে অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক এই তিনিওটা কাৰণতে সামাজিক স্তৰীকৰণ উদ্ভৱ হয়।

দ্বন্দ্বাত্মক সিদ্ধান্তই সামাজিক স্তৰীকৰণৰ একমাত্ৰ আৰু শেষ সিদ্ধান্ত নহয়, ইয়াৰ লগতে ক্ৰিয়াত্মক সিদ্ধান্তৰ কথাও স্বীকাৰ কৰিব লাগিব।

**আত্মমূল্যায়নৰ প্ৰশ্নঃ 3**

1। ক্ষমতা সম্পৰ্কত মেক্সৱেবাৰৰ বক্তব্যৰ বিষয়ে পাচোঁটা বাক্য লিখা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

2। সামাজিক স্তৰীকৰণৰ সম্পৰ্কত কালমাৰ্ক্স আৰু মেক্সৱেবাৰৰ মতৰ মাজত থকা সাদৃশ্য আৰু ৰবসাদৃশ্য সমূহ নিৰ্ণয় কৰা। (তোমাৰ উত্তৰটো দহোটা (10) বাক্যৰ ভিতৰত লিখিবা।)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 1.5.2 ক্ৰিয়াত্মক সিদ্ধান্ত (Functional Theory) :

মাৰ্ক্সৰ অৰ্থনৈতিক অৱস্থা বা ৱেবাৰৰ ক্ষমতাৰ পৰিৱৰ্তে সামাজিক কাৰ্য (Function) ক গুৰুত্ব প্ৰদান কৰি আগবঢ়োৱা সিদ্ধান্তক ক্ৰিয়াত্মক সিদ্ধান্ত হিচাবে অভিহিত কৰা হৈছে। এই সিদ্ধান্তৰ মূখ্য প্ৰৱক্তা হ'ল কিংছলি ডেভিচ (Kingsly Davis), ই মূৰে (E.Moore), বাৰ্নাৰ্ড বাৰবাৰ (B Barbar) আৰু টালকট পাৰচন (Talcott Parsons).

ক্ৰিয়াত্মক সিদ্ধান্তৰ ব্যাখ্যা অনুসৰি সামাজিক প্ৰস্থিতিৰ বিভাজনেই হ'ল সামাজিক স্তৰীকৰণৰ আধাৰ। সমাজ এখন সুচাৰুৰূপে পৰিচালিত হবলৈ হলে বিভিন্ন ধৰণৰ পদ বা প্ৰস্থিতিৰ প্ৰয়োজন। যেনে ঃ শিক্ষক, চিকিৎসক, শিক্ষাবিদ, উদ্যোগী, শ্ৰমিক, কৃষক, বিজ্ঞানী, ৰাজনৈতিক নেতা, পুৰোহিত আদি। এই পদসমূহৰ গুৰুত্ব সদায় সমান নহয়। বিভিন্ন কাৰণত কিছুমান পদৰ প্ৰতি অধিক গুৰুত্ব দিব লগীয়া হয়। উদাহৰণ স্বৰূপে যিখন সমাজত বহিঃ শত্ৰুৰ আক্ৰমণৰ ভয় থাকে, সেইখন সমাজত প্ৰতিৰক্ষাৰ পদ আৰু ভূমিকাক অধিক গুৰুত্ব দিয়া হয়। সেইদৰে উন্নত স্বাস্থ্যসেৱা ব্যৱস্থা নথকা অঞ্চলত তন্ত্ৰ-মন্ত্ৰ জনা লোক বা বেজৰ গুৰুত্ব অধিক।

ক্ৰিয়াত্মক সিদ্ধান্তৰ ব্যাখ্যা আগবঢ়োৱা আন দুজন সমাজ দৰ্শনিক ডেভিচ আৰু মূৰেৰ মূল ব্যক্তব্য হ'ল

(ক) উচ্চ নিম্ন প্ৰস্থিতি ঃ সমাজত পদ অনুযায়ী উচ্চ-নিম্ন প্ৰস্থিতি অপৰিহাৰ্য।

(খ) দক্ষতা ঃ কামৰ বিশেষীকৰণৰ বাবে দক্ষতাৰ প্ৰয়োজন। দক্ষতাসম্পন্ন লোকসকলে সমাজত উচ্চ স্থান পাবলৈ সক্ষম হয়।

(গ) প্ৰস্থিতিৰ বিভেদীকৰণ ঃ সমাজ এখন সুচাৰুৰূপে পৰিচালিত হ'বলৈ প্ৰস্থিতিৰ বিভেদীকৰণ অপৰিহাৰ্য।

টালকট পাৰছনৰ মতে স্তৰীকৰণত ব্যক্তিৰ প্ৰতিভা, কৃতিত্ব, অধিকাৰে প্ৰভাৱ পেলায়। প্ৰতিভা (গুণ) আৰু কৃতিত্বৰ জৰিয়তে অধিকাৰ আহৰণ কৰিব পাৰি। কিন্তু সমাজৰ সকলো ব্যক্তিৰে গুণ আৰু কৃতিত্ব একে নহয়; ব্যক্তিভেদে ইয়াৰ ভিন্নতা পৰিলক্ষিত হয় আৰু তাৰ ভিত্তিতে সমাজত স্তৰীকৰণ হয়।

তদুপৰি, যিবোৰ পদ আৰু ভূমিকা সমাজে অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰে, সেইবোৰৰ প্ৰতি অধিক সা-সুবিধা আৰু ক্ষমতা প্ৰদান কৰা হয়। অধিক গুৰুত্বপূৰ্ণ পদ সমূহৰ বাবে অধিক অৰ্হতা বা দক্ষতাৰ প্ৰয়োজন হয়। সেয়েহে সমাজৰ বিভিন্ন পদৰ তুলনামূলক গুৰুত্ব অনুসৰি বিভিন্ন সা-সুবিধা, পদমৰ্যদা, ক্ষমতা আৰু অধিকাৰ দিয়া হয় সেইবাবেই সমাজত স্তৰীকৰণ গঢ়ি উঠে। এইয়েই হ'ল ক্ৰিয়াত্মক সিদ্ধান্তৰ মূল কথা।

**কৰণীয় কৰ্ম – 5**

তোমাৰ সহপাঠীসকলৰ লগত ক্ৰিয়াত্মক সিদ্ধান্তৰ মূল কথা সমূহ আলোচনা কৰা। আলোচনাৰ সাৰমৰ্ম তোমাৰ টোকাবহীত সন্নিবিষ্ট কৰা ।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

যিহেতু সমাজ সংৰচনাত প্ৰচলিত হৈ থকা বিভিন্ন পদ আৰু ভূমিকাবোৰৰ গুৰুত্ব নিৰ্ণয় কৰাটো কঠিন, সেয়েহে ক্ৰিয়াত্মক সিদ্ধান্তক বিভিন্ন সমালোচকে সমালোচনা কৰিছে। সমালোচক মেলৰিন

এম টুমিনে (Melvin M. Tumin) এই সিদ্ধান্তক কঠোৰ ভাষাৰে সমালোচনা কৰি কৈছে যে এজন ইঞ্জিনিয়াৰৰ পদমৰ্যদা আৰু প্ৰস্থিতি উচ্চ কিন্তু তেওঁ নিম্ন প্ৰস্থিতিৰ সাধাৰণ শ্ৰমিক আৰু আন কৰ্মচাৰীসকলৰ সহযোগৰ অবিহনে কোনো কাম নিয়াৰিকৈ সম্পাদন কৰিব নোৱাৰে। সেইদৰে এজন প্ৰাথমিক স্কুলৰ শিক্ষতকৈ এজন মহাবিদ্যালয়ৰ অধ্যাপকৰ প্ৰস্থিতি উচ্চ; কিন্তু এওঁলোকৰ এজনৰ ভূমিকা আনজনৰ ভূমিকাতকৈ কম প্ৰয়োজনীয় বা কম গুৰুত্বপূৰ্ণ বুলি কব নোৱাৰি। এনেধৰণৰ অন্যান্য বহুতু উদাহৰণ দিব পৰা যায়। গতিকে সমালোচক সকলৰ মতে ক্ৰিয়াত্মক সিদ্ধান্তই সামাজিক স্তৰীকৰণৰ সন্তোষজনক ব্যাখ্যা আগবঢ়াব পৰা নাই। তদুপৰি ভাৰতীয় জাতি ব্যৱস্থাৰ ক্ষেত্ৰতে এই সিদ্ধান্ত প্ৰযোজ্য নহয়।

যি কি নহওক নানা কাৰণত সমাজত কিছুমান পদক বেছি গুৰুত্ব দিয়া হয় আৰু উচ্চ পদত অধিষ্ঠিত ব্যক্তিসমূহক উচ্চ শ্ৰেণী হিচাপে বিবেচনা কৰা হয়। গতিকে সামাজিক স্তৰীকৰণ প্ৰক্ৰিয়াত ক্ৰিয়াত্মক সিদ্ধান্তৰ অৰিহণাও নুই কৰিব নোৱাৰি।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ 4**

1⁄4 সামাজিক স্তৰীকৰণৰ ক্ৰিয়াত্মক সিদ্ধান্তৰ সবলতা আৰু দুৰ্বলতাসমূহ নিৰ্ণয় কৰা। (তোমাৰ উত্তৰটি পাঁচটা বাক্যত সীমিত কৰিবা।)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

2। সামাজিক স্তৰীকৰণৰ দ্বন্দ্বাত্মক আৰু ক্ৰিয়াত্মক সিদ্ধান্তৰ মাজত থকা পাৰ্থক্য সমূহ চিনাক্ত কৰা।(তোমাৰ উত্তৰটি 300 শব্দৰ ভিতৰত লিখিবা।)

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

## 1.6 সাৰাংশ ঃ

বিশ্বৰ সকলো সমাজতে সামাজিক স্তৰীকৰণ পদ্ধতি আছে। সমাজ এখনৰ জনসংখ্যাক সামাজিক প্ৰস্থিতি আৰু মৰ্যাদাৰ ভিত্তিত উচ্চ, মধ্য, নিম্ন আদি শ্ৰেণীত বিভক্ত কৰা পদ্ধতিয়েই হ'ল সামাজিক স্তৰীকৰণ।

সামাজিক স্তৰীকৰণৰ স্বৰূপ ঃ সামাজিক স্তৰীকৰণৰ মূল স্বৰূপ দুটা ঃ

**1। বন্ধ স্তৰীকৰণ ঃ**

এই স্তৰীকৰণত ব্যক্তিয়ে নিজা প্ৰচেষ্টাৰে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰিব নোৱাৰে যেনে ভাৰতীয় জাতি ব্যৱস্থা।

**2। মুক্ত স্তৰীকৰণ ঃ**

এই স্তৰীকৰণত ব্যক্তিয়ে নিজা প্ৰচেষ্টাৰে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰিব পাৰে। যেনে ঃ শ্ৰেণী ব্যৱস্থা।

**সামাজিক স্তৰীকৰণৰ সিদ্ধান্ত ঃ সামাজিক স্তৰীকৰণৰ মূল সিদ্ধান্ত দুটা হ'ল।**

**1। দ্বন্দ্বাত্মক সিদ্ধান্ত ঃ** সমাজৰ অৰ্থনৈতিক উৎপাদন পদ্ধতিয়েই সকলো ধৰণৰ সামাজিক সম্পৰ্ক নিৰ্ণয় কৰে। যেতিয়াই ব্যক্তিসকলৰ মাজত অৰ্থনৈতিক বৈষম্য আহি পৰে, তেতিয়াই স্তৰীকৰণৰ সূচনা হয়।

**2। ক্ৰিয়াত্মক সিদ্ধান্ত ঃ** সামাজিক প্ৰস্থিতিৰ বিভাজনেই হ'ল সামাজিক স্তৰীকৰণৰ আধাৰ। বিভিন্ন পদৰ তুলনামূলক গুৰুত্ব অনুসৰি বিভিন্ন সা-সুবিধা, পদমৰ্যদা, ক্ষমতা আৰু অধিকাৰ দিয়া হয়, সেইবাবেই সমাজৰ স্তৰীকৰণ সম্ভৱ হয়।

---

**ঘাইশব্দসমূহ ঃ**

---

**সামাজিক স্তৰীকৰণ ঃ** সামাজিক স্তৰীকৰণ হৈছে এনে এক পদ্ধতি, যাৰ জৰিয়তে সমাজৰ ব্যক্তিসমূহক উচ্চ-নিম্ন স্থানত বিভাজন কৰা হয়।

**প্ৰস্থিতি ঃ** প্ৰস্থিতি হৈছে একোজন মানুহৰ সামাজিক স্থান, যি স্থানৰ জৰিয়তে তেওঁ সৰ্বসাধাৰণৰ পৰা আদৰ সন্মান লাভ কৰিব পাৰে অথবা তেনে সন্মানৰ পৰা বঞ্চিত হ'বও পাৰে।

**ভূমিকা ঃ** এজন মানুহৰ সামাজিক প্ৰস্থিতিৰ পৰা তেওঁ সম্পন্ন কৰা সামাজিক কৰ্তব্য খিনিয়েই হৈছে তেওঁৰ ভূমিকা।

**সামাজিক শ্ৰেণী ঃ** সামাজিক শ্ৰেণী হৈছে সামাজিক প্ৰস্থিতি সম্পন্ন ব্যক্তিৰ সমষ্টি, যি সমষ্টিৰ সদস্যসকলে প্ৰত্যেকে প্ৰত্যেকক সমপ্ৰস্থিতি সম্পন্ন লোক হিচাপে গ্ৰহণ কৰে।

## পাঠ্য নিৰ্দেশনা ঃ

1. Sharma , K.L. (1997) : Social Stratification in India : Issues and Themes, New Delhi, Sage Publication.

2. উৎপল শইকীয়া ঃ সমাজতত্বৰ পৰিচয়।

## সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়নৰ প্ৰশ্ন (1)**

1। **বন্ধ স্তৰীকৰণ ঃ** যিবোৰ সামাজিক স্তৰীকৰণত ব্যক্তিয়ে সামাজিক স্থানবিলাক পৰিবৰ্তন কৰিব নোৱাৰে তেনে স্তৰীকৰণক বন্ধ স্তৰীকৰণ বোলে। ব্যক্তিৰ প্ৰতিভা, যোগ্যতা, গুণ আৰু দক্ষতাৰ পৰিৱৰ্তে এই স্তৰীকৰণত সামাজিক স্থানবিলাক জন্মৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়। জন্মৰ জৰিয়তে প্ৰস্থিতি লাভ কৰা ভাৰতীয় জাতি ব্যৱস্থা হ'ল বন্ধ স্তৰীকৰণৰ এক উল্লেখযোগ্য উদাহৰণ ।

2। **মুক্ত স্তৰীকৰণ ঃ** যিবোৰ সামাজিক স্তৰীকৰণত ব্যক্তিয়ে নিজৰ সামাজিক স্থান সলনি কৰিব পাৰে, তেন্তে স্তৰীকৰণক মুক্ত স্তৰীকৰণ বোলে। এনে স্তৰীকৰণ ব্যৱস্থাত নিম্ন শ্ৰেণীৰ লোক এজনেও নিজৰ গুণ আৰু কৰ্ম অনু সৰি উচ্চ শ্ৰেণীলৈ উন্নীত হ'ব পাৰে। আধুনিক শ্ৰেণী ব্যৱস্থা হ'ল মুক্তস্তৰীকৰণৰ উদাহৰণ।

(2) সামাজিক স্তৰীকৰণৰ লগত পোনপটীয়া সম্পৰ্ক নথকা অৱধাৰণাটি হ'ল।

(ঘ) নগৰীকৰণ।

## আৰ্হি প্ৰশ্ন ঃ

1। সামাজিক স্তৰীকৰণৰ সংজ্ঞা দিয়া ?

Define Social Stratitication ?

........................................................................................................................

........................................................................................................................

........................................................................................................................

2। সামাজিক স্তৰীকৰণৰ স্বৰূপৰ বিষয়ে এটি টোকা লিখা।

Write a short note on Forms of Social Stratification ?

........................................................................................................................

........................................................................................................................

........................................................................................................................

3। সামাজিক স্তৰীকৰণত জাতি আৰু শ্ৰেণী ব্যৱস্থাৰ পাৰ্থক্যসমূহ আলোচনা কৰা।

Discuss the difference between Caste and Class in Social Stratification.

........................................................................................................................

........................................................................................................................

........................................................................................................................

4। সামাজিক স্তৰীকৰণৰ দ্বন্দ্বাত্মক আৰু ক্ৰিয়াত্মক সিদ্ধান্তৰ বিষয়ে আলোচনা কৰা।

Discuss about the conflict Theory and Functional Theory of Social Stratification.

........................................................................................................................

........................................................................................................................

........................................................................................................................

## প্ৰসঙ্গ পুথি ঃ


1. H.M. Johson : Society, A Systemetic Introduction. Allied publishers.

2 W.F. Ogburn and M.F. Nimkeff : A Hand Book of Society Second edition, Indian Reprint.

3. Yogendra Singh : Social Stratification and Social change in India. New Delhi, Monhar Publishing House 1997.

# গোট নং - ২

# সামাজিক গতিশীলতা (Social Mobility)

**গঠন বিন্যাস ঃ**

1.0 উদ্দেশ্য

1.1 প্ৰস্তাৱনা

1.2 সামাজিক গতিশীলতাৰ ধাৰণা।

1.3 সামাজিক গতিশীলতাৰ সংজ্ঞা।

1.4 সামাজিক গতিশীলতাৰ বৈশিষ্ট্য।

1.5 সামাজিক গতিশীলতাৰ প্ৰকাৰ।

1.5.1 দিগন্তমুখী গতিশীলতা

1.5.2. শীৰ্ষবিন্দুক গতিশীলতা

1.5.3 অন্তঃপুৰুষ গতিশীলতা।

1.5.4 আন্তঃপুৰুষ গতিশীলতা।

1.6 সাৰাংশ

- ❖ ঘাই শব্দসমূহ
- ❖ পাঠ্য নিৰ্দেশনা
- ❖ সম্ভাব্য উত্তৰ নমুনা
- ❖ আৰ্হি প্ৰশ্ন
- ❖ প্ৰসঙ্গ পুথি

## 1.0 উদ্দেশ্য

এই পাঠটি অধ্যয়ন কৰাৰ পাচত তোমালোকে

1। সামাজিক গতিশীলতাৰ অৰ্থ আৰু সংজ্ঞা সমূহ ব্যাখ্যা কৰিব পাৰিবা।

2। বিভিন্ন প্ৰকাৰৰ সামাজিক গতিশীলতাৰ প্ৰকাৰ সমূহ বিশ্লেষণ কৰিব পাৰিবা।

3। বিভিন্ন সামাজিক গোটবিলাকৰ মাজত গতিশীলতা তুলনা কৰিব পাৰিবা।

## 1.1 প্ৰস্তাৱনাঃ

আগৰ পাঠত (গোট নং 1) সামাজিক স্তৰীকৰণৰ বিষয়ে আলোচনা কৰোতে বন্ধ স্তৰীকৰণ আৰু মুক্ত স্তৰীকৰণৰ উদাহৰণ হিচাপে জাতি ব্যৱস্থা আৰু শ্ৰেণী ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছিল। জাতি আৰু শ্ৰেণী ব্যৱস্থা স্থায়ী নহয়। সময়ৰ পৰিবৰ্তনৰ লগে লগে এই দুই ব্যৱস্থাতো কিছু পৰিবৰ্তন সাধন হৈছে। এই পৰিৱৰ্তনৰ মূল আধাৰ হ'ল সামাজিক গতিশীলতা (Social Mobility)। পৃথিৱীৰ প্ৰায় সকলোবোৰ সমাজতে সামাজিক গতিশীলতাৰ প্ৰভাৱ পৰিলক্ষিত হয়। প্ৰত্যেক সমাজতে কম-বেছি পৰিমাণে সামাজিক গতিশীলতা বিভিন্ন মাত্ৰাত ঘটি থাকে। ই এক প্ৰকাৰ ধাৰাবাহিক প্ৰক্ৰিয়া যাৰ জৰিয়তে সমাজৰ প্ৰগতি আৰু পৰিবৰ্তন সম্ভৱ হয় আৰু সমাজক গতিশীল কৰাত সহায় কৰে। গ্ৰাম্য সৰল জীৱনৰ পৰা ক্ৰমশঃ নগৰীয়া জীৱন গ্ৰহণ নতুবা পুৰণিক এৰি নতুনক গ্ৰহণ কৰা, পৰম্পৰাগত বৃত্তিৰ সলনি নতুন বৃত্তি গ্ৰহণ আদিক সামাজিক গতিশীলতা বুলি ক'ব পাৰি। এনে পৰিবৰ্তনে সামাজিক প্ৰমূল্যতো পৰিৱৰ্তন আনে। চমুকৈ কবলৈ হলে

এক বিশেষ সামাজিক শ্ৰেণী, সমূহ বা স্তৰৰ লোকে যেতিয়া নিজৰ মৌলিক চৰিত্ৰ এৰি আন এটা চৰিত্ৰত অন্তৰ্ভূক্ত হৈ পৰে, তেতিয়া সেই প্ৰক্ৰিয়াটোকে সামাজিক গতিশীলতা বোলা হয়।

## 1.2 গতিশীলতাৰ ধাৰণা ঃ

এটা বিশেষ সামাজিক স্থান বা স্তৰৰ পৰা আন এটা সামাজিক স্থান বা স্তৰলৈ ব্যক্তি আৰু সমূহৰ সামাজিক স্থানৰ পৰিবৰ্তন হোৱাকে সামাজিক গতিশীলতা বোলা হয়। অথবা এটা সামাজিক শ্ৰেণীয়ে আন এটা সামাজিক শ্ৰেণীলৈ উন্নীত হোৱা বা অৱনমিত হোৱাকৈ সামাজিক গতিশীলত। (Social Mobility) বুলি ক'ব পাৰি। সামাজিক গতিশীলতাৰ লগত ব্যক্তিৰ জীৱন শৈলী (Life style) আৰু জীৱনৰ সুযোগতা (life opportunity) অৰ্ন্তনিহিত হৈ আছে। সমাজতত্বৰ অভিধান অনুসৰি সামাজিক গতিশীলতা মানে সামাজিক স্তৰীকৰণৰ উৰ্দ্ধগামী বা অধঃ গামী বিৰ্বতন, যিটো, উলম্ব বা শীৰ্ষক বিন্দু গতিশীলতাৰ অনুৰূপ শব্দ। (Social mobility means the movement up or down, a system of stratification, i.e it is synoymous with vertical social mobility).

## 1.3 সামাজিক গতিশীলতাৰ সংজ্ঞা ঃ

সামাজিক গতিশীলতাৰ বিষয়ে বিভিন্ন সমাজবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। সমাজ জীৱনৰ লগত সামাজিক গতিশীলতাৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। সমাজতত্ববিদ অগবাৰ্ন আৰু নিমকফৰ মতে সামাজিক স্তৰীকৰণৰ লগত দুটা বিশেষ দিশ জড়িত হৈ আছে Ð অসমতা (Inequality) আৰু সুযোগতা (Oppertunity) অগবাৰ্নি আৰু নিমকফৰ ব্যাখ্যা অনুসৰি "Opportunity means changes for changing and improving one's social

status. Opportunity is related to social mobility, or change in social status, although mobility may be downward as well as up ward,"। অৰ্থাৎ সুযোগতাই (Opportunity) ব্যক্তিৰ সামাজিক প্ৰস্থিতিৰ পৰিবৰ্তন আৰু উন্নয়ন সূচায়। সামাজিক গতিশীলতাৰ লগত সুযোগতাৰ সম্বন্ধ আছে আৰু ই প্ৰস্থিতিৰ পৰিৰৰ্তন সাধন কৰে। সামাজিক গতিশীলতা উৰ্দ্ধমুখী বা অধঃমুখী হ'ব পাৰে।

বাৰ্নাড বাৰবাৰৰ মতে উচ্চ বা নিম্ন শ্ৰেণীৰ লোকৰ মাজত উদ্ধমুখী বা অধঃমুখী ভাৱে চালনা হোৱা সামাজিক প্ৰক্ৰিয়াৰ গতিকে সামাজিক গতিশীলতা বুলি কোৱা হয়। যিকোনো কাৰণত যদি উচ্চ শ্ৰেণীৰ লোকে তেওঁলোকতকৈ তুলনামূলক ভাৱে নিম্নশ্ৰেণীৰ লোকে লোৱা ভূমিকা গ্ৰহণ কৰে তেন্তে তেওঁলোকো নিম্নশ্ৰেণীৰ লোক হিচাপে পৰিগণিত হ'ব। তাৰ ফলত যি গতিশীলতাৰ সৃষ্টি হ'ব সেইয়া অধঃমুখী সামাজিক গতিশীলতা (Downward Social mobility)। ঠিক তেনেকৈ একোজন ব্যক্তিয়ে নিজৰ প্ৰচেষ্টা আৰু গুণৰাশিৰে নিম্নশ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈ উন্নীত হ'ব পাৰে; ইয়াকে উৰ্দ্ধমুখী সামাজিক গতিশীলতা (Upward social mobility) বোলে।

**কৰণীয় কৰ্ম – 1**

তোমাৰ চিনাকি লোকসকলৰ মাজত দেখা সামাজিক গতিশীলতাৰ বিষয়ে সহপাঠীসকলৰ লগত আলোচনা কৰি যি ফলাফল পালা তোমাৰ টোকাবহীত লিখি থোৱা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

সামাজিক গতিশীলতাৰ যোগেদি ব্যক্তিয়ে নিজৰ গুণ আৰু দক্ষতাৰ জৰিয়তে নিজৰ সামাজিক স্থান পৰিৱৰ্তন কৰিব পাৰে। ইয়ং আৰু মেকে কৈছে যে সমাজৰ এক বিশেষ প্ৰস্থিতি প্ৰাপ্তলোকৰ যদি প্ৰস্থিতিৰ পৰিবৰ্তন ঘটি অন্য শ্ৰেণী বা স্তৰপ্ৰাপ্ত হয়, তেন্তে তাকেই সামাজিক গতিশীলতা বোলা হয়। মুঠতে ব্যক্তিৰ প্ৰস্থিতিৰ পৰিবৰ্তন প্ৰক্ৰিয়াকে সামাজিক গতিশীলতা (Social Mobility) বুলি ক'ব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ 1**

সামাজিক গতিশীলতাৰ সংজ্ঞা সমূহ বিশ্লেষণ কৰা।

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

..................................................................................................................

## 1.4 সামাজিক গতিশীলতাৰ বৈশিষ্ট্য ঃ (Characterisitics of Social Mobility) ঃ

সামাজিক গতিশীলতাৰ কেইটামান বৈশিষ্ট তলত উল্লেখ কৰা হ'ল।

**1। বিশ্বজনীনতা ঃ** পৃথিৱীৰ প্ৰায় সকলো সমাজতে সামাজিক গতিশীলতা পৰিলক্ষিত হয়। উদ্যোগিক সমাজ, কৃষক সমাজ, জনজাতীয় সমাজ বা অজনজাতীয় সমাজ সকলোতে সামাজিক গতিশীলতা দেখিবলৈ পোৱা যায়।

**2। গতিশীলতাৰ সম্প্ৰসাৰণৰ তাৰতম্য ঃ** সামাজিক গতিশীলতাৰ সম্প্ৰসাৰণৰ হাৰ সকলো সমাজতে একে নহয়। আধুনিক উদ্যোগিক সমাজতকৈ গ্ৰাম্য কৃষক সমাজত গতিশীলতাৰ গতি মন্থৰ।

**3¼ প্ৰস্থিতিৰ পৰিবৰ্তন ঃ** সামাজিক গতিশীলতাৰ যোগেদি ব্যক্তিৰ প্ৰস্থিতিৰ পৰিবৰ্তন সম্ভৱ হয়। সংস্কৃতকৰণ, পাশ্চাত্যকৰণ, উদ্যোগীকৰণ, নগৰীকৰণ তথা আধুনিকীকৰণ প্ৰক্ৰিয়াৰ যোগেদি সমাজৰ কোনো এক শ্ৰেণীয়ে আন এক শ্ৰেণীলৈ গতি কৰিব পাৰে।

**4। প্ৰতিভা আৰু গুণঃ** ব্যক্তিৰ সামাজিক স্থান লাভ কৰাৰ ক্ষেত্ৰত জন্মলব্ধ প্ৰস্থিতিৰ বিপৰীতে স্বলব্ধ প্ৰস্থিতিক গুৰুত্ব দিয়া হয়। ব্যক্তিয়ে নিজ প্ৰতিভা, গুণ আৰু দক্ষতাৰ ভিত্তিত এটা স্তৰৰ পৰা আন এটা স্তৰলৈ গতি কৰিব পাৰে।

**5। নাৰীৰ সামাজিক স্থানৰ পৰিবৰ্তন ঃ** সামাজিক গতিশীলতাৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল নাৰীৰ সামাজিক স্থানৰ পৰিবৰ্তন। বৰ্তমান যুগত সমগ্ৰ বিশ্বতে নাৰীৰ সম অধিকাৰক স্বীকৃতি প্ৰদান কৰাৰ বাবে নাৰীৰ সামাজিক গতিশীলতা বৃদ্ধি পাইছে।

---

## 1.5 সামাজিক গতিশীলতাৰ প্ৰকাৰ (Types of Social Mobility) ঃ

---

সমাজতত্ববিদ সকলে সামাজিক গতিশীলতাক তলত দিয়া ধৰণে কেইটামান ভাগত ভাগ কৰিছে।

1। দিগন্তমুখী গতিশীলতা

2। শীৰ্ষবিন্দুক গতিশীলতা

3¼ অন্তঃপুৰুষ গতিশীলতা।

4। আন্তঃপুৰুষ গতিশীলতা।

## 1.5.1 দিগন্তমুখী গতিশীলতা (Horizontal Mobility) ঃ

একে স্তৰ বা শ্ৰেণীত থাকি নিজৰ সামাজিক প্ৰস্থিতি সলনি নকৰাকৈ এটা পদৰ পৰা আন এটা পদলৈ গতি কৰাকে দিগন্তমুখী গতিশীলতা বা আনুভূমিক গতিশীলতা (Horizontal Mobility) বুলি কোৱা হয়। উদাহৰণ স্বৰূপে এজন ডাক্তৰে যদি চৰকাৰী চিকিৎসালয়ৰ চাকৰি এৰি, ব্যক্তিগত চিকিৎসালয়ত চাকৰি লয়, তেন্তে এই গতিশীলতাক দিগন্তমুখী গতিশীলতা বুলিব পাৰি। এনে গতিশীলতাত ব্যক্তিৰ প্ৰস্থিতিৰ কোনো পৰিবৰ্তন নঘটে। সেইদৰে এজন শিক্ষক একে পদতে থাকি আন এখন বিদ্যালয়ত যোগদান কৰেগৈ তেন্তে তেখেতৰ প্ৰস্থিতিৰ কোনো পৰিবৰ্তন নঘটে, কেৱল তেখেতৰ কৰ্মস্থানৰ হে পৰিবৰ্তন হ'ব। এনে গতিশীলতাৰ অনুভূমিক দিশত (কেৱল কৰ্মস্থান) হে পৰিবৰ্তন হয় বাবে এই গতিশীলতাক আনুভূমিক গতিশীলতা বুলিও কোৱা হয়।

## 1.5.2 শীৰ্ষবিন্দুক গতিশীলতা (Vertical Mobility) ঃ

কোনো ব্যক্তি বা সমূহৰ নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ অথবা উচচস্তৰৰ পৰা নিম্নস্তৰলৈ হোৱা গতিশীলতাক শীৰ্ষ বিন্দুক গতিশীলতা বোলা হয়। পিটিৰিম চৰকিনৰ মতে ব্যক্তিৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ স্থানৰ পৰিৱৰ্তনকে শীৰ্ষ বিন্দুক গতিশীলতা বোলে। (Vertical Social Mobility is the relations involved in a transition of an individual ( or a social object) from one Social stratun to another)। গতিশীলতাৰ দিশৰ ওপৰত নিৰ্ভৰ কৰি এই গতিশীলতাক পুনৰ দুটা ভাগত ভাগ কৰিব পাৰি। (ক) উৰ্ধগামী গতিশীলতা (Upward Mobility) আৰু (খ) অধঃ গামী গতিশীলতা (Downward Mobility)।

কোনো কোনো সমাজতত্ববিদৰ মতে ব্যক্তিৰ আৰ্থ-সামাজিক দিশত সংঘটিত পৰিবৰ্তনক শীৰ্ষবিন্দুক গতিশীলতা বোলে। তেওঁলোকৰ মতে যিসকল সম্পদশালী আৰু যাৰ আয়ৰ পৰিমাণ ক্ষিপ্ৰগতিত উৰ্দ্ধগামী হয়, তেওঁলোকৰ সামাজিক গতিশীলতাক উৰ্দ্ধমুখী গতিশীলতা বুলি ক'ব পাৰি। আনহাতেদি যি সকলৰ গতিশীলতা ইয়াৰ বিপৰীত হয়, তেওঁলোকৰ গতিশীলতাক অধঃগামী বা নিম্নগামী গতিশীলতা বোলে। উদাহৰণ স্বৰূপে এজন দৰিদ্ৰলোকে যদি আৰ্থিক উন্নয়নৰ বুনিয়াদ গঢ়ি সম্পদশালী ব্যক্তিলৈ পৰিবৰ্তিত হয়, তেন্তে তেওঁৰ গতিশীলতা হ'ব উৰ্দ্ধমুখী। আনহাতেদি যদি কোনো ক্ষমতাশালী লোক, ক্ষমতাচ্যুত বা, পদচ্যুত হয়, তেন্তে তেওঁৰ গতিশীলতা অধঃমুখী গতিশীলতা হ'ব।

**কৰণীয় কৰ্ম – 2**

তুমি চিনি পোৱা লোক সকলৰ মাজত পৰিলক্ষিত হোৱা উৰ্দ্ধমুখী আৰু অধঃমুখী গতিশীলতাৰ এখন তালিকা প্ৰস্তুত কৰা আৰু তোমাৰ টোকাবহীত লিখি থোৱা।

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

### 1.5.3 অন্তঃপুৰুষ গতিশীলতা (Intragenerational Mobility) ঃ

এটা নিম্ন প্ৰস্থিতি সম্পন্ন ল'ৰাই যদি পিতৃৰ নিম্ন প্ৰস্থিতিৰ পৰিৱৰ্তে নিজৰ দক্ষতা আৰু অৰ্হতাৰ জৰিয়তে এটাৰ পাচত এটাকৈ উচ্চ সামাজিক প্ৰস্থিতি লাভ কৰে, তেন্তে তেনে গতিশীলতাক অন্তঃপুৰুষ গতিশীলতা

(Intragenerational Mobility) বোলা হয়। উদাহৰণস্বৰূপে এজন চতুৰ্থ শ্ৰেণী কৰ্মচাৰীৰ ল'ৰাই যদি স্বলব্ধ প্ৰস্থিতিৰ জৰিয়তে নিম্ন পদবীৰ পৰা উচ্চ প্ৰশাসনিক বিষয়া হিচাপে প্ৰতিস্থিত হয় তেন্তে সেইটো হ'ব অন্তঃপুৰুষ গতিশীলতা। এনে গতিশীলতা একে পুৰুতে আৰু একেজন ব্যক্তিৰ জীৱনতে ঘটে।

## 1.5.4 আন্তঃপুৰুষ গতিশীলতা (Intergenerational Mobility)ঃ

এটা নিম্নবংশ বা শ্ৰেণীৰ সন্তানে পিতৃৰ পৰিচয় গ্ৰহণ কৰি থকা সময়ত লাভ কৰা প্ৰস্থিতি আৰু নিজগুণ বা দক্ষতাৰে লাভ কৰা উচ্চপদবীত যি প্ৰস্থিতিৰ পৰিবৰ্তন ঘটিল বা গতিশীলতা লাভ কৰিলে সেই গতিশীলতাক আন্তঃ পুৰুষ গতিশীলতা বোলে। পিতৃ বা প্ৰথম পুৰুষৰ প্ৰস্থিতিৰ সলনি সন্তান বা দ্বিতীয় পুৰুষৰ জীৱনত ঘটা গতিশীলতাকে আন্তঃপুৰুষ গতিশীলতা (Intergenerational Mobility) বোলা হয়। উদাহৰণ স্বৰূপে পুনৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী জনৰ পুত্ৰ ই উচ্চপদবী গ্ৰহণ কৰাৰ পাচত লাভ কৰা প্ৰস্থিতিৰ কথাকে উল্লেখ কৰিব পাৰি। আন্তঃপুৰুষ গতিশীলতাক বৃত্তিমুখী গতিশীলতা (Career Mobility) বুলি ও ক'ব পাৰি।


আমেৰিকাৰ বৃত্তিগত সংৰচনাৰ বিষয়ে অধ্যয়ন কৰি ব্লু আৰু ডানকানে (Blau and Duncan) ব্যক্তিৰ বৃত্তিত প্ৰভাৱ পেলোৱা কেইটামান দিশৰ কথা উল্লেখ কৰিছে।

1। শিক্ষাৰ পৰিমাণ (Amount of Education)

2। ব্যক্তিৰ প্ৰথম বৃত্তিৰ প্ৰকৃতি (The nature of the person's first job)

3¼ পিতৃৰ বৃত্তি (Father's occupation)

ব্লু আৰু ডানকানৰ গতিশীলতাৰ আৰ্হিটো তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি।




উক্ত আৰ্হিত গতিশীলতাত প্ৰভাৱ পেলোৱা দিশসমূহ কাঁড় চিহ্নৰ দ্বাৰা দেখুওৱা হৈছে। আন্তঃপুৰুষ গতিশীলতাত ব্যক্তিৰ পুৰুষানুক্ৰমে হোৱা গতিশীলতাক বুজায়।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ 2**

1¼ দিগন্তমুখী গতিশীলতা আৰু শীৰ্ষবিন্দুক গতিশীলতাৰ মাজত থকা পাৰ্থক্য সমূহ চিনাক্ত কৰা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

2। উৰ্দ্ধমুখী গতিশীলতা আৰু অধঃমুখী গতিশীলতাৰ বিষয়ে এটা টোকা লিখা [300 শব্দৰ ভিতৰত)।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## সাৰাংশ ঃ

**সামাজিক গতিশীলতা ঃ** এক বিশেষ সামাজিক শ্ৰেণী, সমূহ বা স্তৰৰ লোকে যেতিয়া নিজৰ মৌলিক চৰিত্ৰ এৰি অন্য এটা স্তৰৰ অন্তভূৰ্ক্ত হয়, তেতিয়া তাকে সামাজিক গতিশীলতা বোলে। সামাজিক গতিশীলতা এক ধাৰবাহিক প্ৰক্ৰিয়া।

**সামাজিক গতিশীলতাৰ প্ৰকাৰ ঃ** সামাজিক গতিশীলতাৰ প্ৰকাৰ সমূহ হ'ল।

1। দিগন্তমুখী বা অনুভূমিক গতিশীলতা।

2। শীৰ্ষবিন্দুক গতিশীলতা, ই দুই প্ৰকাৰৰ

(ক) উৰ্দ্ধমুখী আৰু (2) অধঃমুখী বা নিম্নমুখী গতিশীলতা।

3। অন্তঃপুৰুষ গতিশীলতা

4। আন্তঃপুৰুষ গতিশীলতা।

**ঘাই শব্দসমূহ ঃ** সামাজিক গতিশীলতা, দিগন্তমুখী গতিশীলতা, শীৰ্ষবিন্দুৰ গতিশীলতা, অন্তঃ পুৰুষ আৰু আন্তঃপুৰুষ গতিশীলতা।

## পাঠ্য নিদেৰ্শনা ঃ


1। আহমেদ, বুঢ়াগোহাঁই আৰু চেতিয়া (2005) An Introduction to Sociology, Banalata, DBR.

2। জে.পি শইকীয়া (2006) সমাজতত্ব পৰিচয়, বণলতা ঃ ডিব্ৰুগড়।


## সম্ভাব্য উত্তৰ নমুনা ঃ

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ 1**

এটা বিশেষ সামাজিক স্থান বা স্তৰৰ পৰা আনএটা স্তৰলৈ ব্যক্তি আৰু সমূহৰ সামাজিক স্থানৰ পৰিবৰ্তন হোৱাকে সামাজিক গতিশীলতা বুলি কোৱা

হয়। সমাজ জীৱনৰ লগত সামাজিক গতিশীলতাৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। অগবান আৰু নিমকফৰ মতে সামাজিক স্তৰীকৰণৰ লগত দুটা বিশেষ দিশ জড়িত হৈ আছে Đ অসমতা আৰু সুযোগতা। সামাজিক গতিশীলতাৰ লগত সুযোগতাৰ সম্বন্ধ আছে আৰু ই প্ৰস্থিতিৰ পৰিবৰ্তন সাধন কৰে। বাৰ্নাড বাৰবাৰৰ মতে উচ্চ বা নিম্ন শ্ৰেণীৰ লোকৰ মাজত উদ্ধমুখী বা অধঃমুখী ভাৱে চালনা হোৱা সামাজিক প্ৰক্ৰিয়াৰ গতিকে সামাজিক গতিশীলতা বুলি কোৱা হয়।

---

**আৰ্হি প্ৰশ্ন ঃ**

---

2। সামাজিক গতিশীলতাৰ প্ৰকাৰৰ বিষয়ে আলোচনা কৰা। (Discuss about the types of Social mobility)

3। চমুটোকা লিখা (Write shrot notes)

(ক) দিগন্তমুখী গতিশীলতা (Horizontal Mobility)

(খ) শীৰ্ষবিন্দুক গতিশীলতা (Vertical Mobility)

---

**প্ৰসঙ্গ পুথি ঃ**

---


1. Bierstedt, R : The Social Order : An Introduction to Sociology, New York, 1962.
2. Gupta D.(Ed) (1992): Social stratrification, Oxfored University Press, Delhi.
3. MacIver and Page : Society - An Introductory Analysis : Indian Reprint, 1983.
4. Vidya Bhusan and D.R. Sach deva : An Introduction to Sociology, Kitab Mahal, Allabhad.

# সমাজতত্ত্বৰ নীতি

## খণ্ড - ৫
## সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পৰিবৰ্ত্তন

### (মূলাংকণ-২০)

এই খণ্ডটি সমাজতত্ত্বৰ নীতি বিষয়ৰ পাঠ্যক্ৰমৰ পঞ্চম পাঠ্যসূচী। এই খণ্ডটি দুটা গোটত ভাগ কৰা হৈছে।

প্ৰথম গোটটি (গোট নং ১) ত সামাজিক প্ৰক্ৰিয়া, যেনে সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষ আদি অৱধাৰণাৰ সংজ্ঞা, প্ৰকাৰ, বৈশিষ্ট, আত্মমূল্যায়ণৰ প্ৰশ্ন, আলোচনাৰ সামৰণি, পাঠ্য নিদেশনা আৰু প্ৰসঙ্গ পুথিৰ তালিকা আদি দিয়া হৈছে।

সেই দৰেই দ্বিতীয় গোটটি (গোট নং ২) ত সামাজিক পৰিবৰ্ত্তনৰ সংজ্ঞা, কাৰক সমূহ, সামাজিক পৰিবৰ্ত্তনৰ তত্ত্ব, আলোচনাৰ সামৰণি, আত্মমূল্যায়নৰ প্ৰশ্ন, আৰ্হি প্ৰশ্ন, পাঠ্য নিৰ্দেশনা আৰু প্ৰসঙ্গ পুথিৰ উল্লেখ কৰা হৈছে।

# খণ্ড-৫
# সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পৰিৱৰ্তন

## প্ৰস্তাৱনা

আগৰ খণ্ডসমূহৰ ভিন ভিন গোটসমূহৰ অধ্যয়নৰ জৰিয়তে তোমালোকে অৱগত হ'লা যে সমাজ বোৱতী নদীৰ দৰে। এচাম মানুহ আহিছে আৰু এচাম মানুহ গৈছে। অৰ্থাৎ মানুহ প্ৰবাহমান হৈ আছে। সামাজিক সম্বন্ধৰ জৰিয়তে আমি সামাজিক বান্ধোন স্থায়ীকৈ ৰাখিছো। সামাজিক সম্বন্ধৰ এই পৰিৱৰ্তনশীল গতিটোকে সামাজিক প্ৰক্ৰিয়া বোলা হয়। অন্যহাতে পৰিৱৰ্তনশীলতা মানৱ সমাজৰ এক মৌলিক বৈশিষ্ট্য। সামগ্ৰিকভাৱে এই পৰিবৰ্তনশীলতাকে সামাজিক পৰিবৰ্তন বুলি কোৱা হয়। সামাজিক বিষয়ৰ এই খণ্ডৰ **প্ৰথম গোটটোত** আমি সামাজিক প্ৰক্ৰিয়া আৰু **দ্বিতীয় গোটটিত** সামাজিক পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰিম।

# গোট ঃ ১

# সামাজিক প্ৰক্ৰিয়াঃ সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষ

**(নম্বৰঃ ১০)**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ সামাজিক প্ৰক্ৰিয়াৰ অৰ্থ

১.২.১ সামাজিক প্ৰক্ৰিয়াৰ সংজ্ঞা

১.২.২ সামাজিক প্ৰক্ৰিয়াৰ প্ৰকাৰ

আত্ম মূল্যায়নৰ প্ৰশ্ন

১.৩ সহযোগিতাৰ অৰ্থ

১.৩.১ সহযোগিতাৰ সংজ্ঞা

১.৩.২ সহযোগিতাৰ বৈশিষ্ট্য

আত্ম মূল্যায়নৰ প্ৰশ্ন

১.৪ প্ৰতিযোগিতাৰ অৰ্থ

১.৪.১ প্ৰতিযোগিতাৰ সংজ্ঞা

১.৪.২ প্ৰতিযোগিতাৰ বৈশিষ্ট্য

আত্ম মূল্যায়নৰ প্ৰশ্ন

১.৫ সংঘৰ্ষৰ অৰ্থ

১.৫.১ সংঘৰ্ষৰ সংজ্ঞা

১.৫.২ সংঘৰ্ষৰ বৈশিষ্ট্য

আত্ম মূল্যায়নৰ প্ৰশ্ন

১.৬ সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজৰ পাৰ্থক্য

১.৭ সহযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্য

১.৮ প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজত পাৰ্থক্য

আত্ম মূল্যায়নৰ প্ৰশ্ন

১.৯ সামৰণি

(১) ঘাই শব্দসমূহ

(২) পাঠ্য নির্দেশনা

(৩) আৰ্হি প্ৰশ্ন

(৪) প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্যঃ

এই পাঠটি অধ্যয়ন কৰাৰ পাছত তোমালোক তলত দিয়া দিশকেইটাত সমর্থ হ'বা।

সামাজিক প্ৰক্ৰিয়াৰ অর্থ আৰু সংজ্ঞা বুজিব আৰু লিখিব পাৰিবা।

সামাজিক প্ৰক্ৰিয়াৰ কিছুমান প্ৰকাৰ- সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ অর্থ ব্যাখ্যা কৰিব পাৰিবা।

সামাজিক প্ৰক্ৰিয়াৰ উপৰোক্ত প্ৰকাৰসমূহৰ মাজত পাৰ্থক্যসমূহ চিনাক্ত কৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনাঃ

সমাজৰ অন্যতম উপাদান (Element) হৈছে সামাজিক সম্বন্ধ (Social Relationship)। দুই বা ততোধিক ব্যক্তিৰ মাজত হোৱা সম্বন্ধই হৈছে সামাজিক সম্বন্ধ। সামাজিক ক্ৰিয়াৰ (Social Action) জৰিয়তে আমি এই সম্বন্ধ প্ৰকাশ কৰোঁ। উল্লেখযোগ্য যে যি অর্থপূর্ণ ক্ৰিয়াৰ দ্বাৰা এই সম্বন্ধ স্থাপন হয় যিয়েই হৈছে সামাজিক ক্ৰিয়া। যেনে কথা বতাৰাৰে মনৰ ভাৱ প্ৰকাশ কৰা।

ভিন ভিন সামাজিক ক্ৰিয়াই সামাজিক আন্তঃক্ৰিয়াৰ (Social interaction) সৃষ্টি কৰে। এই আন্তঃক্ৰিয়াই মানৱ আচৰণ আৰু সামাজিক

জীৱন গঠন কৰে। ইয়াৰ ধাৰাবাহিকতাকে সাধাৰণ অৰ্থত সামাজিক প্ৰক্ৰিয়া বোলা হয়। সামাজিক প্ৰক্ৰিয়াক কেইবাটাও প্ৰকাৰত বিভক্ত কৰিব পাৰি। সমাজতত্ত্বত পোন প্ৰথমে সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে জৰ্জ চিমেল, কিংছলি ডেভিছ, পাৰ্ক আৰু বাৰ্গেছ আদিয়ে আলোচনা আগবঢ়াইছিল। সি যি কি নহওঁক, এই পাঠটিত আমি সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে তোমালোকৰ লগত আলোচনা কৰিম।

## ১.২ সামাজিক প্ৰক্ৰিয়াৰ অৰ্থ

তোমালোকে নিশ্চয় অনুমান কৰিব পাৰিছা যে নিৰৱচ্ছিন্নভাৱে চলি থকা মানুহৰ ক্ৰিয়া আৰু আন্তঃক্ৰিয়াই হৈছে সামাজিক প্ৰক্ৰিয়া। অৰ্থাৎ সামাজিক প্ৰক্ৰিয়াৰ এক স্থায়ী ৰূপ আছে। এইখিনিতে সামাজিক ক্ৰিয়া আৰু আন্তঃক্ৰিয়াৰ বিষয়ে কিছু উল্লেখ কৰা হওঁক। সমাজতত্ত্ববিদ মেক্স ৱেবাৰৰ মতে, ''ক্ৰিয়াৰ জৰিয়তে প্ৰকাশ পোৱা আচৰণত উদ্দেত্নশ্যধৰ্মীতা থাকে... ক্ৰিয়া সামাজিক। কাৰণ ইয়াত কৰ্তাৰ উ শ্য থাকে আৰু সামূহিক আচৰণো সন্নিবিষ্ট হয়'' (১৯৪৭ঃ৮৮)। বিশেষাত্মক চিন্তাধাৰাৰ প্ৰতিষ্ঠাপক জৰ্জ চিমেলে সামাজিক প্ৰক্ৰিয়াক আন্তঃক্ৰিয়াৰ দৃষ্টিকোণেৰে আলোচনা কৰিছিল। তেখেতে সমাজতত্ত্বত সৰ্ব্বপ্ৰথমে কৈছিল যে সামাজিক জীৱনৰ বিভিন্ন দিশ যেনে অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় আদিৰ জৰিয়তে সামাজিক সম্বন্ধবিলাক প্ৰতিযোগিতা, সংঘৰ্ষ, সহযোগিতা আদি ৰূপত প্ৰকাশ পায়। এই সামাজিক সম্বন্ধবিলাকৰ পাৰস্পৰিক নিৰ্ভৰশীলতাই আন্তঃক্ৰিয়া হিচাপে সমাজত প্ৰবাহমান হৈ থাকে।

### ১.২.১ সামাজিক প্ৰক্ৰিয়াৰ সাধাৰণ সংজ্ঞা

উপৰোক্ত আলোচনাটিৰ পৰা তুমি নিশ্চয় বুজি পাইছা যে সামাজিক প্ৰক্ৰিয়াৰ সংজ্ঞা দাঙি ধৰোতে আমি সামাজিক ক্ৰিয়া আৰু সামাজিক

আন্তঃক্রিয়াক আধাৰ হিচাপে ল'বলগীয়া হয়। এইখিনিতে এক তুলনামূলক উদাহৰণ দাঙি ধৰিছোঁ। ধৰা হ'ওক সমাজ এখন হৈছে খেলপথাৰ, য'ত সমাজৰ সদস্যসকল খেলুৱৈ, খেলৰ নিয়মক সামাজিক প্ৰতিমান (Norms) আৰু খেলুৱৈৰ দায়িত্বক ভূমিকা (Role) হিচাপে ধৰা হ'ল। এই সমগ্ৰ পৰিস্থিতিটোক সামাজিক গাঁঠনি (Structure) বুলি কোৱা হ'ল। এই কাল্পনিক খেলখল খেলালে যি ক্রিয়া প্রকাশ পাব, সিয়েই হৈছে আন্তঃক্রিয়া।

সামাজিক আন্তঃক্রিয়াৰ কাৰণে সংস্পৰ্শ, সজাগতা তথা সংযোগ প্ৰধান উপাদান। আৰ্নল্ড গ্ৰীনে কৈছে যে সমস্যা সমাধানৰ প্ৰচেষ্টাৰে ব্যক্তি তথা সমূহৰ পাৰস্পৰিক প্ৰভাৱক বাস্তৱ ৰূপদিয়াৰ ক্রিয়াকে সামাজিক আন্তঃক্রিয়া বোলা হয় (১৯৫৬ঃ৫১)। সামাজিক আন্তঃক্রিয়া সমাজৰ এক চিৰন্তন বৈশিষ্ট্য। এই আন্তঃক্রিয়াই সামাজিক সম্বন্ধৰ পৰিৱৰ্তনৰ পথ সূচল কৰে। সামাজিক আন্তঃক্রিয়াৰ ধাৰাবাহিকতাই হৈছে সামাজিক প্ৰক্ৰিয়া।

## ১.২.২ সামাজিক প্ৰক্ৰিয়াৰ প্ৰকাৰ

সমাজতাত্ত্বিকসকলে সামাজিক প্ৰক্ৰিয়াক প্ৰকৃতি অনুসৰি দুটা ভাগত বিভক্ত কৰিছে। সেয়া হৈছে সংযোজক (Conjunctive) আৰু বিয়োজক (Disdunctive)। অন্যহাতে ইয়াৰ প্ৰকাৰৰ (Types) সম্পৰ্কে বিভিন্ন সমাজতাত্ত্বিকে ভিন ভিন ধৰণেৰে বিশ্লেষণ কৰিছে। এই ক্ষেত্ৰত পাৰ্ক আৰু বাৰ্গেছৰ আলোচনা উল্লেখযোগ্য। তেওঁলোকে সামাজিক প্ৰক্ৰিয়াক চাৰিটা ভাগত বিভক্ত কৰিছে। যেনে– সহযোগ, সংঘৰ্ষ, উপযোগীকৰণ আৰু সদৃশীকৰণ। সাম্প্ৰতিক কালত সমাজতত্ত্বত সামাজিক প্ৰক্ৰিয়াক সহযোগিতা (Cooperation), প্ৰতিযোগিতা (Competition), সংঘৰ্ষ (Conflict), সদৃশীকৰণ (Assimitation) আৰু উপযোগীকৰণ (Accomodation)এই পাঁচটা ভাগত ভগোৱা দেখা যায়। সহযোগিতা, সদৃশীকৰণ আৰু উপযোগীকৰণক

সংযোজক তথা প্ৰতিযোগিতা তথা সংঘৰ্ষক বিয়োজক সামাজিক প্ৰক্ৰিয়াৰ আধাৰত বিচাৰ কৰা হয়।

সামাজিক আন্তঃক্ৰিয়া সুক্ষ্ম, জটিল আৰু গতিশীল। সেয়েহে সামাজিক প্ৰক্ৰিয়াৰ বিভাজনবোৰৰ মাজত সীমাৰেখা টনাটো নিতান্তই কঠিন। সামাজিক এটা প্ৰকাৰৰ গতিক আন এটাৰ পৰা পৃথক কৰি অধ্যয়ন কৰোতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে অন্তৰ্দ্বন্দ্ব হৈছে সংঘৰ্ষৰ এক প্ৰাথমিক অৱস্থা। অন্যহাতে বহুক্ষেত্ৰত সহযোগিতাৰ মাজতো অন্তদ্বন্দৰ উপস্থিতি থাকে। উদাহৰণস্বৰূপে পতি-পত্নীৰ সহযোগিতাৰ মাজতো অন্তদ্বন্দ থাকিব পাৰে। মান-অভিমানৰ জৰিয়তে এই অন্তদ্বন্দ প্ৰকাশ পায়। এই মান-অভিমানেই ভৱিষ্যতে বুজাবুজিৰ পথ সুগম কৰি তেওঁলোকৰ মাজত সহযোগিতাৰ মাত্ৰা বঢ়াই তোলে। সি যি কি নহওক, পৰিস্থিতি অনুসৰি দুই বা ততোধিক সামাজিক প্ৰক্ৰিয়াৰ প্ৰকাৰে সহাৱস্থান কৰিব পাৰে নতুবা সংলগ্ন হৈ থাকে। পাঠ্যক্ৰম অনুসৰি আমি এতিয়া সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ বিষয়ে আলোচনা কৰিম। তাৰ আগতে আত্মমূল্যায়নৰ দুটি মান প্ৰশ্ন অৱতাৰণা কৰিছোঁ।

---

**আত্মমূল্যায়নৰ প্ৰশ্ন**

---

(১) সামাজিক ক্ৰিয়া বুলিলে কি বুজা?

..........................................................................................

..........................................................................................

..........................................................................................

(২) সামাজিক প্ৰক্ৰিয়াৰ অৰ্থ চমুকৈ দাঙি ধৰা।

..........................................................................................

..........................................................................................

..........................................................................................

(৩) সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে অধ্যয়ন আগবঢ়োৱা দুজনমান সমাজতাত্ত্বিকৰ নাম উল্লেখ কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

(৪) সামাজিক প্ৰক্ৰিয়াৰ প্ৰকাৰসমূহ উল্লেখ কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

## ১.৩ সহোযোগিতাৰ অৰ্থ

লেটিন শব্দ Co (একেলগে)আৰু Operation (কাৰ্য কৰা)সংলগ্ন হৈ Co-operation (সহযোগিতা) শব্দৰ সৃষ্টি হৈছে। যেতিয়া দুজন বা ততোধিক ব্যক্তি বা সমূহে সমূহীয়া উ শ্য লৈ একেলগে কাৰ্য সম্পন্ন কৰিবলৈ আগবাঢ়ে তেতিয়া সেই সামাজিক প্ৰক্ৰিয়াকে সহযোগিতা বোলা হয়। সহযোগিতা হৈছে সামাজিক জীৱনৰ প্ৰাথমিক আধাৰ। সহযোগিতাক সংযোজক সামাজিক প্ৰক্ৰিয়াৰ ভিতৰত ধৰা হয়।

## ১.৩.১ সহযোগিতাৰ সংজ্ঞা

সমাজতাত্ত্বিক ফেয়াৰ চাইল্ডে সহযোগিতাৰ বিষয়ে এনেদৰে কৈছে, ''ব্যক্তি বা সমূহে সংগঠিতভাৱে কোনো প্ৰচেষ্টাক কম-বেছি পৰিমাণে একত্ৰিত কৰি কোনো উমৈহতীয়া লক্ষ্য পূৰণ কৰাৰ পদ্ধতিয়েই হৈছে সহযোগিতা'' (১৯৪৪)। অৰ্থাৎ সহযোগিতা হৈছে একে উ শ্য সাধনৰ বাবে কৰা যৌথ

প্ৰচেষ্টা। সহযোগিতাত থকা মূল উপাদান দুটা হৈছে উমৈহতীয়া লক্ষ্য আৰু সংগঠিত প্ৰচেষ্টা।

মেক আইভাৰ আৰু পেজৰ মতে সহযোগিতাক দুটা প্ৰধান ভাগত ভগাব পাৰি (১৯৯৩ঃ৬৩)। সেয়া হৈছে–

(১) প্ৰত্যক্ষ সহযোগিতা, আৰু

(২) প্ৰৰোক্ষ সহযোগিতা।

যি সহযোগিতাৰ জৰিয়তে ব্যক্তিৰ বা সমূহে মুখামুখী সম্পৰ্কৰে (Face to face relationship) উমৈহতীয়া লক্ষ্য সাধনৰ বাবে কাৰ্য কৰে তাকে প্ৰত্যক্ষ সহযোগিতা বোলা হয়। প্ৰত্যক্ষ সংঘবদ্ধতা হৈছে প্ৰত্যক্ষ সহযোগিতাৰ মূল উপাদান। একেলগে খেলাধূলা, অধ্যয়ন, উপাসনা আদি কৰা এই সহযোগিতাৰ উদাহৰণ। আপদ-বিপদ বা সংকটকালত মানুহে আচৰণ কৰা সংঘবদ্ধতাও প্ৰত্যক্ষ সহযোগিতাৰে দৃষ্টান্ত। ভৌতিক সান্নিধ্য আৰু অনানুষ্ঠানিকতাৰ মূখ্য ভূমিকা এই সহযোগিতাত দেখা যায়।

যি সহযোগিতাৰ জৰিয়তে সদস্যসকলে, 'মুখামুখী সম্পৰ্ক'ক গৌণ কৰি পাৰস্পৰিক বৈসাদৃশ্যমূলক ভূমিকাৰে সম উদ্দেশ্য সাধনৰ ক্ষেত্ৰত কাৰ্য সম্পাদন কৰে তাকে পৰোক্ষ সহযোগিতা বোলা হয়। অন্যহাতে এনে সহযোগিতাত সদস্যসকলে নিজৰ নিজৰ নিৰ্দিষ্ট ভূমিকা পালন কৰি সামূহিক স্বাৰ্থ পূৰণ কৰে। উদাহৰণ স্বৰূপে প্ৰশাসনীয় গোট, ৰাজনৈতিক দল, উদ্যোগিক প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদিত দেখা পোৱা ভূমিকাৰ বৈসাদৃশ্য আৰু কৰ্ম পদ্ধতিৰ বিভাজনে আমাক পৰোক্ষ সহযোগিতাৰ চিত্ৰ দাঙি ধৰে। ভৌতিক সান্নিধ্য অথবা অনানুষ্ঠানিকতা ইয়াৰ প্ৰধান বৈশিষ্ট্য নহয়। এনে সহয়োগিতাত এজনৰ ভূমিকা আনজনৰ পৰিপূৰকো নহয়।

বহুতো সমাজতত্ত্ববিদে প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগিতাক প্ৰাথমিক আৰু দ্বিতীয়ক সহযোগিতা হিচাপে বিচাৰ কৰিছে। কিন্তু সকলো ক্ষেত্ৰতে প্ৰাথমিক আৰু দ্বিতীয় সহযোগিতাক প্ৰত্যক্ষ আৰু পৰোক্ষ সহযোগিতাৰ

পৰিপূৰক বুলি ক'ব পৰা নাযায়। সাধাৰণতে পৰিয়াল বা বন্ধুবৰ্গৰ মাজত প্ৰাথমিক সমূহৰ বৈশিষ্ট্যৰে প্ৰাথমিক সহযোগিতা সৃষ্টি হয়। ইয়াত মৰম-চেনেহ, ৰাগ-অনুৰাগ, শ্ৰদ্ধা-ভক্তি আদি হৈছে প্ৰধান আহিলা। প্ৰাথমিক সহযোগিতাৰ বিপৰীতে দ্বিতীয়ক সহযোগিতাত থাকে নৈব্যক্তিক (Impersonal) সম্পৰ্ক। উদ্যোগিক প্ৰতিষ্ঠান, প্ৰশাসনীয় কাৰ্যালয় আদিত থকা দ্বিতীয়ক সহযোগিতাৰ বৈশিষ্ট্য হৈছে ইয়াত থকা আনুষ্ঠানিকতা। যিহেতু দ্বিতীয়ক সমূহ মানে এক অৰ্থত প্ৰাথমিক সমূহৰে যৌথ ৰূপ, সেয়েহে প্ৰাথমিক সহযোগিতাক অপসাৰণ কৰি দ্বিতীয়ক প্ৰতিযোগিতাই ইয়াৰ পৰিপূৰ্ণতা আনিব নোৱাৰে। সাধাৰণতে প্ৰাথমিক আৰু দ্বিতীয় সমূহৰ সহযোগিতা স্বাভাৱিক আৰু দ্বিতীয়ক সমূহৰ পৰিকল্পিত। কিন্তু দৈনন্দিন জীৱনত আমি পদে পদে তাৎক্ষনিকভাৱে অনেক ধৰণৰে সহযোগিতাত জড়িত হৈ থাকো। উদাহৰণ স্বৰূপে এখন বজাৰৰ (Market) কথাই উল্লেখ কৰা হওঁক। বজাৰত সৃষ্টি হোৱা ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত সহযোগিতাত ব্যক্তিস্বাৰ্থহে মূখ্য বিষয়। এজন বিক্ৰেতাই সামগ্ৰী বিক্ৰী কৰাৰ উ শ্য হৈছে ব্যক্তিকেন্দ্ৰিক। এই ক্ষেত্ৰত প্ৰয়োজনৰ খাতিৰত ক্ৰয়-বিক্ৰয়ৰ যি সহযোগিতা প্ৰকাশ পায় তাৰ জৰিয়তে পাৰস্পৰিক আৱশ্যকতাসমূহ পৰিপূৰণ কৰা হয়। গতিকে ইয়াতো সহযোগিতা মূল মাধ্যম হৈ পৰে।

## ১.৩.২ সহযোগিতাৰ বৈশিষ্ট্য

সামাজিক প্ৰক্ৰিয়াৰ ভিতৰত সহযোগিতাৰ প্ৰভাৱেই হৈছে সবাতোকৈ ব্যাপক। সহযোগক নিৰ্ভৰ নকৰাকৈ মানুহ জীয়াই থকাটো সম্ভৱ নহয়। সমাজ যেনে অৱস্থাতে নাথাকক লাগে সহযোগিতাৰ উপস্থিতি একান্ত প্ৰয়োজনীয়। মানৱ জীৱনৰ এনে এটা ক্ষেত্ৰ নাই যিটোক সহযোগিতাৰ পৰা পৃথক কৰি বিচাৰ কৰিব পৰা যায়। আদিম কালৰ পৰা সাম্প্ৰতিক কাললৈকে মানৱ জীৱনত সহযোগিতাই সামাজিক পৰিৱৰ্তনৰ চকা ঘুৰাই আহিছে। আজিৰ

কলা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উৎকৰ্ষ সাধন আৰু সাফল্যৰ মূলতে আছে সহযোগিতা। জাতীয়তাবাদ, দেশপ্ৰমেৰ পৰা মানৱীয়তাৰ প্ৰবৃত্তি, এই সকলোতে সহযোগিতা ব্যাপ্ত হৈ আছে। সহযোগিতাৰ বৈশিষ্ট্যসমূহ চমুকৈ তলত দিয়া ধৰণেৰে আলোচনা কৰিব পাৰি।

**(১) পাৰস্পৰিক নিৰ্ভৰশীলতাঃ**

পাৰস্পৰিক নিৰ্ভৰশীলতা মানৱ সমাজৰ অন্যতম উপাদান। আনকি গৰ্ভস্থ সন্তানৰ প্ৰাণ আৰু দৈহিক-মানসিক বিকশো নিৰ্ভৰ কৰে পতি-পত্নীৰ পাৰস্পৰিক প্ৰত্যক্ষ সহযোগিতাৰ ওপৰত।

**(২) সামাজিক সংহতিৰ আধাৰশিলাঃ**

আমাৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে সহযোগিতাৰ আৱশ্যকতা অসীম। উদাহৰস্বৰূপে ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবাসীৰ আন্দোলনমুখী সহযোগিতাই এক মহান জাতি গঢ়াত সৰ্ব্বব্যাপক ভূমিকা গ্ৰহণ কৰিলে। ফলত ভাৰত স্বাধীন হ'ল।

**(৩) সামাজিক প্ৰতিমানক স্থায়ীত্ব প্ৰদানঃ**

পাৰস্পৰিক সহযোগিতাৰ ফলত প্ৰতিমানসমূহ সমাজত জীয়াই থাকে। তোমালোকে জানা যে সমাজে গ্ৰহণ কৰা কৰ্মৰ মানদণ্ডকে প্ৰতিমান বোলা হয়।

**(৪) মানসিক প্ৰক্ৰিয়াঃ**

ব্যক্তিৰ মনত্বত্ব গঠন কৰা সত্বাৰ স্বাভাৱিক বিকাশত সহযোগিতাই কেনে ভূমিকা লয় তাক পৰিয়ালৰ প্ৰাথমিক কাৰ্যসমূহ বিচাৰ কৰিলেই অনুমান কৰিব পাৰি। সামাজিকীকৰণত পৰিয়ালৰ সদস্যসকলৰ সহযোগিতাই ব্যক্তিত্ব বিকাশত সক্ৰিয় আৰু মূল ভূমিকা গ্ৰহণ কৰে। শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশত পিতৃ-মাতৃ আৰু শিশুৰ বুজাবুজিয়ে প্ৰধান স্থান লয়।

ঠিক তেনেকৈ শিক্ষানুষ্ঠাত শিক্ষক-শিক্ষাৰ্থী তথা অভিভাৱকৰ সম্পৰ্কই সহযোগিতাৰ ভূমিকা গ্ৰহণ কৰে। এনেদৰে সহযোগিতাই আমাৰ মানসিক প্ৰক্ৰিয়াত প্ৰভাৱ পেলায়।

---

**আত্ম-মূল্যায়নৰ প্ৰশ্নঃ**

---

(১) সহযোগিতা বুলিলে কি বুজা?

..............................................................................................

..............................................................................................

..............................................................................................

(২) সহযোগিতাৰ সংজ্ঞা আগবঢ়োৱা।

..............................................................................................

..............................................................................................

..............................................................................................

(৩) সহযোগিতাক কেইটাভাগত ভগাব পাৰি? কি কি?

..............................................................................................

..............................................................................................

..............................................................................................

(৪) সহযোগিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

..............................................................................................

..............................................................................................

..............................................................................................

---

## ১.৪ প্ৰতিযোগিতাৰ অৰ্থ

মানুহৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ অৰ্থে ঘাইকৈ প্ৰতিযোগিতাৰ উদ্ভৱ হয়। প্ৰয়োজনীয়তাৰ কোনো দিনেই অন্ত নাই। কোনো কোনো ক্ষেত্ৰত

মানুহে জৈৱিক, মানসিক আৰু সামাজিক প্ৰয়োজনীয়তাৰ পূৰ্ণতা সাধন কৰা যেন লাগিলেও প্ৰকৃততে মানুহৰ কামনা-বাসনা অপূৰ্ণ হৈয়ে থাকে। এটা প্ৰয়োজনীয়তাৰ সাময়িক বিৰতিত অন্য এটা আৱশ্যকীয় অভাৱৰ সৃষ্টি হয়। অৰ্থনীতিবিদসকলে সেই কাৰণেই কৈছে যে মানুহৰ অভাৱৰ শেষ নাই। অভাৱৰ পাছত অভাৱ পূৰণৰ তাড়নাই প্ৰতিযোগিতাৰ গতিত নিৰৱচ্ছিন্নতা আনি দিয়ে। প্ৰতিযোগিতা সামাজিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে জড়িত বিষয়। কোনো কোনো ক্ষেত্ৰতে ই সামাজিক অন্তৰ্দ্বন্দ্বৰো সূত্ৰপাত কৰে। যাৰ ফলত সংঘৰ্ষৰ বাট মুকলি হয়। তোমালোকে অনুমান কৰিব পাৰিছা যে প্ৰতিযোগিতা সৃষ্টিৰ কাৰণ বহুমুখী। আৰ্থ-সামাজিক, ৰাজনৈতিক, বিজ্ঞান-প্ৰযুক্তিবিদ্যা, সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে ক্ষমতা, মৰ্যদা, যশস্যা আদি প্ৰাপ্তিৰ উদ্দেশ্যৰে মানুহে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে প্ৰতিযোগিতাৰ অন্তহীন ক্ষেত্ৰত নামি পৰে।

## ১.৪.১ প্ৰতিযোগিতাৰ সংজ্ঞা

সমাজতাত্ত্বিক বগাৰডাছৰ (Bogardus)ৰ সংজ্ঞা অনুসৰি প্ৰতিযোগিতা হৈছে সীমিত বস্তু লাভৰ প্ৰতি চলা চাহিদাৰ যুঁজ। অৰ্থাৎ প্ৰয়োজনতকৈ যোগানৰ মাত্ৰা কম হ'লে স্বাভাৱিকতেই সীমিত যোগানৰ মাজতে মানুহে অগ্ৰাধিকাৰ ল'বলৈ উদ্‌গ্ৰীৱ হৈ থাকে। এই উদ্‌গ্ৰীৱতাৰ ফলত মানুহৰ মাজত প্ৰাপ্তিৰ বাবে যি প্ৰক্ৰিয়া চলে সিয়ে হৈছে প্ৰতিযোগিতা। কিংছলি ডেভিছে প্ৰতিযোগিতাক সংগ্ৰাম (Struggle)ৰ সংবৰ্ধিত (Modified)ৰূপ বুলি আখ্যা দিছে। (১৯৬৬ঃ৬২)। তেওঁ কৈছে যে প্ৰতিযোগিতাৰ বাবে নিৰ্দ্দিষ্ট নিয়ম আছে। এইবিলাকে প্ৰতিযোগীসকলৰ আচৰণক নিয়ন্ত্ৰণ কৰে। নিয়মসমূহ লিখিত নতুবা প্ৰতিমানৰূপে প্ৰচলিত হৈ থাকে। ৰাজনৈতিক ক্ষেত্ৰত নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকলৰ মাজত, খেলপথাৰত খেলুৱৈৰ মাজত, শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ মাজত, বজাৰত

বিক্ৰেতাৰ মাজত নিজৰ নিজৰ প্ৰাপ্তিৰ বাবে চলি থকা প্ৰক্ৰিয়াক প্ৰতিযোগিতাৰ উদাহৰণ হিচাপে দাঙি ধৰিব পাৰি।

## ১.৪.২ প্ৰতিযোগিতাৰ বৈশিষ্ট্য

প্ৰতিযোগিতাৰ বৈশিষ্ট্যসমূহ তলত দিয়াৰ দৰে আলোচনা কৰিব পাৰি-

**(ক) অসচেতন কাৰ্যঃ** ইয়াৰ অৰ্থ হ'ল প্ৰতিযোগিতা প্ৰত্যক্ষভাৱে বিষয়বস্তুৰ লগতহে জড়িত, প্ৰতিযোগীৰ লগত নহয়। অৰ্থাৎ প্ৰতিযোগিতাত লক্ষ্য সাধন হৈছে মূখ্য বিষয়। বহল অৰ্থত প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলৰ বিশেষত্ব ব্যক্তিগতভাৱে বিচাৰ কৰাৰ পৰিৱৰ্তে সদস্যতাৰ (Membership) দিশতহে বিচাৰ কৰা হয়।

**(খ) বিশ্বজনীন প্ৰক্ৰিয়াঃ** অভাৱ মানুহৰ কাৰণে এক চিৰন্তন বিষয়। সীমিত যোগানৰ পৰিপ্ৰেক্ষিতত পৃথিৱীৰ সকলো সমাজতে সকলো ক্ষেত্ৰতে প্ৰতিযোগিতা বিৰাজ কৰে। এই অভাৱ পূৰণৰ তাগিদাতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰা চলি আছে। বিশ্বব্ৰহ্মাণ্ডতে অধ্যয়নৰ সীমাবদ্ধ নাৰাখি মহাকাশলৈকে পৰিব্যাপ্ত কৰিছে বৈজ্ঞানিক চিন্তা।

**(গ) অবিচ্ছিন্নতাঃ** প্ৰতিযোগিতা এক অবিচ্ছিন্ন প্ৰক্ৰিয়া। উদাহৰণস্বৰূপে মানুহৰ অৰ্থনৈতিক ক্ৰিয়াৰ জৰিয়তে অৰ্থনৈতিক অভাৱ পূৰণৰ মানসিকতা জন্ম হয়। অৱশ্যে অভাৱ প্ৰতিযোগিতাৰ উৎস হ'লেও প্ৰতিযোগিতাৰ বহিঃপ্ৰকাশ অভাৱৰ যথোচিত মূল্যাঙ্কন কৰিব পৰা অৰ্হতাৰ উপৰতহে নিৰ্ভৰ কৰে।

**(ঘ) মানসিকতা ওপৰত নিৰ্ভৰশীলঃ** মানসিকতাৰ অৱস্থা অনুসৰি অভাৱৰ ধাৰণা ভিন্ন হ'ব পাৰে। উদাহৰণস্বৰূপে কোনো ব্যক্তিৰ এটা বস্তু বা লক্ষ্য ইতিমধ্যে প্ৰাপ্তি হ'ব পাৰে। অথচ চৌপাশৰ অভাৱ পূৰণৰ অঘোষিত প্ৰতিযোগিতাত তেওঁৰ মানসিক অৱস্থা আক্ৰান্ত হৈ পুনৰ একে বস্তু বা লক্ষ্য

প্ৰাপ্তিৰ বাবে তেওঁ প্ৰতিযোগিতাত নামিব পাৰে। সাম্প্ৰতিক কালৰ ভোগবাদী দৰ্শনত এনেধৰণৰ অভাৱ সৃষ্টি হৈছে। সেয়েহে প্ৰতিযোগিতাক মানসিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল বুলি কোৱা হয়।

মানৱ সমাজৰ ক্ৰমবিকাশত সহযোগৰ দৰে প্ৰতিযোগিতাইও অংশগ্ৰহণ কৰি আহিছে। আদিম মানৱ সন্তানে সংগ্ৰাম কৰি প্ৰতিকূল প্ৰাকৃতিক অৱস্থাৰ পৰা জীয়াই থকা অভিজ্ঞতা আহৰণ কৰিছিল। সংগ্ৰামৰ এই চৰিত্ৰই ক্ৰমান্বয়ে প্ৰতিযোগিতাৰ ক্ষেত্ৰ তৈয়াৰ কৰিলে। সহযোগৰ ফলত গঢ় লোৱা আত্মপ্ৰতিষ্ঠাৰ আৱশ্যকতাত প্ৰতিযোগিতাৰ প্ৰাসঙ্গিকতা অতি জৰুৰী হৈ পৰিল। সীমিত সামগ্ৰীসমূহ অসীমিত ব্যক্তিৰ মাজত আয়ত্ব কৰা মানসিকতাৰ ফলত প্ৰতিযোগিতামূলক মনোভাৱ গঢ় লৈ উঠিল। মানুহৰ সামাজিক সম্পৰ্কত নতুন বৈশিষ্ট্য সংযোগ হ'ল।

সুস্থ প্ৰতিযোগিতাই মনলৈ আত্মবিশ্বাস আনে। ফলাফল লাভ কৰিবলৈ এনে বিশ্বাস মানুহৰ মনত দৃঢ় প্ৰতিজ্ঞ হৈ সচেতনতাৰে আগবাঢ়িবলৈ প্ৰেৰণা যোগায়। সুস্থ প্ৰতিযোগিতা সমগ্ৰ মানৱজাতিৰ কল্যানৰ বাবে উল্লেখযোগ্য ইন্ধন। অৱশ্যে সামাজিক সংহতিৰ ক্ষেত্ৰত সহযোগিতাৰ দৰে ই প্ৰাথমিক কাৰক নহয়। অনিয়ন্ত্ৰিত সামাজিক সংহতি আৰু একচ্ছত্ৰীবাদৰহে (Monopoly) বাট মুকলি কৰে। প্ৰতিযোগিতা সদায় নিয়ন্ত্ৰনাধীন সৰল আৰু সামাজিক প্ৰগতিৰ (Progress) পৃষ্ঠপোষক হোৱা উচিত।

---

**আত্মমূল্যায়নৰ প্ৰশ্ন**

---

(১) প্ৰতিযোগিতা মানে কি?

..........................................................................................

..........................................................................................

..........................................................................................

(২) প্ৰতিযোগিতাৰ সংজ্ঞা আগবঢ়োৱা।

..........................................................................................

..........................................................................................

..........................................................................................

(৩) প্ৰতিযোগিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

..........................................................................................

..........................................................................................

..........................................................................................

## ১.৫ সংঘৰ্ষৰ অৰ্থ

প্ৰতিযোগিতাৰ সম্পৰ্কে কৰা উপৰোক্ত আলোচনাত আমি প্ৰসঙ্গক্ৰমে সংঘৰ্ষৰ (Conflict) কথা উল্লেখ কৰিছোঁ। ব্যক্তি অথবা সমূহৰ প্ৰতিযোগিতাই যেতিয়া প্ৰতিকূলধৰ্মী ৰূপ লয় তেতিয়া ই সংঘৰ্ষলৈ পৰিণত হয়। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে সংঘৰ্ষ প্ৰতিযোগিতাৰে নামান্তৰ। লক্ষ্য সাধনৰ প্ৰচেষ্টা মাত্ৰেই সংঘৰ্ষৰ সূত্ৰপাত নুবুজায়। নিৰ্দ্ধাৰিত প্ৰতিমানৰ লগত সংগতি ৰাখি সামাজিক মূল্যবোধক জড়িত কৰি অনাৰ আশা-আকাঙ্খাক আঘাত কৰিলেও সংঘৰ্ষৰ অৱতাৰণা নহয়। যেতিয়া প্ৰতিযোগিতা বিদ্বেষমূলক হয়, তেতিয়া সংঘৰ্ষৰ ৰূপ ল'ব পাৰে। অৰ্ন্তদ্বন্দ্ব হৈছে সংঘৰ্ষ সৃষ্টিৰ এটি অন্যতম কাৰণ। এই অৰ্ন্তদ্বৰ্ন্দ্বৰ উপস্থিতি সকলো সমাজতে কম-বেছি পৰিমাণে অনুভূত হৈ থাকে। ফলত সংঘৰ্ষই নিজৰ বাট বুলিবলৈ অনুকূল পৰিৱেশ পায়। সংঘৰ্ষক কিন্তু প্ৰেৰণাৰ উৎস বুলি কোনো ক্ষেত্ৰতে ক'ব পৰা নাযায়।

## ১.৫.১ সংঘৰ্ষৰ সংজ্ঞা

সমাজতাত্ত্বিক আৰ্নল্ড গ্ৰীনৰ মতে আনৰ ইচ্ছাক বিৰুদ্ধাচৰণ, প্ৰতিবন্ধন অথবা দমন কৰিবলৈ কৰা ব্যক্তি বা সমূহৰ ইচ্ছাকৃত প্ৰচেষ্টাকে সংঘৰ্ষ (Conflict) বোলা হয়। অৰ্থাৎ সংঘৰ্ষ হৈছে এনেধৰণৰ সামাজিক প্ৰক্ৰিয়া য'ত ব্যক্তি বা সমূহে বিপৰীত শক্তিক, ভয় বা হিংসাৰ দ্বাৰা আত্মস্বাৰ্থ পূৰণ কৰিবলৈ চেষ্টা কৰে। এনে উ শ্য সাধন কৰিবলৈ ব্যক্তি বা সমূহৰ মাজত চলা প্ৰতিহিংসামূলক প্ৰতিহত কাৰ্যই হৈছে সংঘৰ্ষ। প্ৰতিহিংসাৰ ফলত সংঘৰ্ষৰ সূত্ৰপাত হয়। ক্ষমতা, মৰ্যদা কিম্বা স্বাধীনতা আদিৰ প্ৰশ্নক লৈ হোৱা প্ৰতিহিংসাৰ দহনে সংঘৰ্ষৰ সৃষ্টি কৰে।

## ১.৫.২ সংঘৰ্ষৰ বৈশিষ্ট্য

(১) সংঘৰ্ষ হৈছে পৰিজ্ঞাত কাৰ্য্য (Conscious action)। কাৰণ সংঘৰ্ষৰ জড়িয়তে প্ৰতিদন্দ্বীসকলে পৰস্পৰক প্ৰতিহত কৰিবলৈ আপ্ৰান চেষ্টা কৰে। পাৰ্ক আৰু বাৰ্গেছৰ মতে সংঘৰ্ষত প্ৰতিদন্দ্বীসকলৰ এনে চূড়ান্ত আবেগ আৰু অসীম ধৈৰ্য থাকে, যাৰ জৰিয়তে তেওঁলোকে হিংসাত্মক কাৰ্য কৰিবলৈ আগবাঢ়ে।

(২) সংঘৰ্ষ হৈছে এটা বিচ্ছিন্ন প্ৰক্ৰিয়া (Lacks continuity)। ভিন ভিন সমাজত ভিন ভিন অৱস্থাৰ পৰিপ্ৰেক্ষিতত সংঘৰ্ষৰ সূত্ৰপাত হয়। সময়ৰ প্ৰয়োজনীয়তাৰ সংঘৰ্ষৰ সূত্ৰপাত হয়। সময়ৰ প্ৰয়োজনীয়তা ইয়াত অবান্তৰ। অৰ্থাৎ আকস্মিকভাৱে সংঘৰ্ষৰ জন্ম হৈ পিছমূহূৰ্ততে ইয়াৰ পশ্চাদগমন হ'ব পাৰে।

(৩) সংঘৰ্ষ ব্যক্তিজনিত ক্ৰিয়া (Personal activity)। অৰ্থাৎ প্ৰতিদ্বন্দ্বী সকল এনেধৰণেৰে জড়িত হৈ থাকে যে পৰস্পৰক পৰাভূত কৰাটোতে তেওঁলোকৰ লক্ষ্য প্ৰাথমিকভাৱে সন্নিবিষ্ট হৈ থাকে।

(৪) সংঘৰ্ষৰ চৰিত্ৰ বিশ্বজনীন (Universal)। ইয়াৰ কাৰণসমূহ বহুমুখী কাৰণে ইয়াক বিশ্বজনীন বুলি কোৱা হয়। উদাহৰণস্বৰূপে জীয়াই থকাৰ মৌলিক আৱশ্যকতা পূৰণ কৰিবলৈ মানুহে সীমিত যোগানৰ মাজত থকা কাৰণেও সংঘৰ্ষত লিপ্ত হোৱা দেখা যায়। ইয়াৰ বাহিৰেও মানুহৰ শ্ৰেণী সংঘৰ্ষ, জাতি সংঘৰ্ষ আদি অনেক প্ৰকাৰৰ প্ৰক্ৰিয়া সমাজত অহৰহ চলিয়েই আছে।

সমাজতত্ত্ববিদসকলে সংঘৰ্ষক ভিন ভিন ভাগত বিভাজন কৰিছে। কিছুমানৰ মতে ইয়াৰ দুটা প্ৰকাৰ আছে, প্ৰত্যক্ষ আৰু পৰোক্ষ। জে. বি. চিতেম্বৰৰ মতে সংঘৰ্ষ দুই প্ৰকাৰৰ। যেনে– ব্যক্তিজনিত বা ব্যক্তিগত (Personal or individual) আৰু দলীয়া বা সামূহিক (Group or corporate)। ব্যক্তিৰ ৰুচি-অভিৰুচিৰ আকস্মিক পৰিবৰ্তনে ব্যক্তিজনিত সংঘৰ্ষৰ সূত্ৰপাত কৰে। এই আৰ  নিয়ে সমূহৰ মাজৰ প্ৰতিমানত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ধৰ্মীয় উন্মাদনা, জাতিগত বিদ্বেষ, সাম্প্ৰদায়িকতা আদি দলীয় সংঘৰ্ষৰ অন্যতম উৎস। মাত্ৰা (Degree) অনুসৰি সংঘৰ্ষক দুই ধৰণৰে বিভাজন কৰা হয়। সেয়া হৈছে– সুপ্ত (Latent) আৰু জাগ্ৰত (Overt) সংঘৰ্ষ। উদাহৰণস্বৰূপে দুখন দেশৰ মাজত যুদ্ধ চলিলে সেয়া জাগ্ৰত সংঘৰ্ষ হ'ব। আনহাতে যুদ্ধৰ আগৰ কালছোৱাত দেশ দুখনৰ মাজত চলি থকা আদৰ্শৰ নীৰৱ সংঘৰ্ষক সুপ্ত সংঘৰ্ষ বুলিব পৰা যায়। অৱশ্যে যুদ্ধ নিজে সংঘৰ্ষ নহয়, ই সংঘৰ্ষৰ বহিঃপ্ৰকাশিত এটা ৰূপ।

---

**আত্মমূল্যায়নৰ প্ৰশ্ন**

---

(১) সংঘৰ্ষৰ অৰ্থ দাঙি ধৰা।

..............................................................................................

..............................................................................................

..............................................................................................

(২) সংঘৰ্ষৰ সংজ্ঞা আগবঢ়োৱা।

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

(৩) সংঘৰ্ষৰ প্ৰকাৰ সমূহ কেনেকুৱা?

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

(৪) সংঘৰ্ষৰ বৈশিষ্ট্যসমূহ চমুকৈ দাঙি ধৰা।

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## ১.৬ সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজৰ পাৰ্থক্য

সহযোগিতা আৰু প্ৰতিযোগিতা মাজৰ মূল পাৰ্থক্যসমূহ তলত দিয়া ধৰণৰ–

(১) সহযোগিতা হৈছে সামাজিক জীৱনৰ প্ৰাথমিক আৰু মৌলিক প্ৰক্ৰিয়া। সহযোগিতা অবিহনে সমাজৰ অস্তিত্ব নাই।

প্ৰতিযোগিতা হৈছে সীমিত সংখ্যক প্ৰাপ্তি লাভৰ প্ৰতি চলা চাহিদাৰ যুঁজ। মানুহৰ অন্তহীন প্ৰয়োজনীয়তাসমূহ সীমিত অৱস্থাৰ পৰিপ্ৰেক্ষিতত লাভ কৰিবলৈ ব্যক্তি বা সমূহৰ মাজত চলা প্ৰচেষ্টাই হৈছে প্ৰতিযোগিতা।

(২) সহযোগিতাক সংযোজক (Conjunctive) প্ৰক্ৰিয়া বোলা হয়।

অন্যহাতে প্ৰতিযোগিতাক বিয়োজক (Disjunctive) প্ৰক্ৰিয়া বুলি কোৱা হয়।

(৩) সহযোগিতা হৈছে প্ৰত্যক্ষভাৱে সামাজিক সংহতিৰ আধাৰশিলা। সহযোগিতাই সমূহৰ সদস্যসকলৰ মাজত আনুভূতিক সংহতি স্থাপনৰ জৰিয়তে ব্যক্তিত্ব গঢ়ি তোলে আৰু কোনো কোনো ক্ষেত্ৰত ব্যক্তি স্বতন্ত্ৰতাক নিষ্ক্ৰিয় কৰি সম অধিকাৰৰ প্ৰতি আনুগত্যৰ সৃষ্টি কৰে।

প্ৰতিযোগিতা পৰোক্ষভাৱেহে সামাজিক সংহতিৰ আধাৰ। সীমিত সামগ্ৰী অসীমিত ব্যক্তিৰ বা সমূহৰ মাজত আয়ত্ব কৰা প্ৰৱণতাৰ ফলত প্ৰতিযোগিতামূলক মনোভাৱৰ জন্ম হয়। ফলত মানুহৰ সম্পৰ্কত নতুন বৈশিষ্ট্যৰ সংযোগ হয়।

(৪) সহযোগিতা এক চিৰন্তন প্ৰক্ৰিয়া। সমাজ নামৰ ধাৰণা গঢ় লৈ উঠিছে সহযোগিতাৰ আধাৰত।

প্ৰতিযোগিতাৰ কাৰণ বহুমুখী। অন্তহীন প্ৰতিযোগিতাই সমাজক গতিশীল কৰি ৰাখিছে।

## ১.৭ সহযোগিতা আৰু সংঘৰ্ষৰ মাজত পাৰ্থক্য

সহযোগিতা আৰু সংঘৰ্ষৰ মাজৰ মূলত পাৰ্থক্যসমূহ তলত উল্লেখ কৰা হ'ল-

(১) সহযোগিতাক সংযোজক সামাজিক প্ৰক্ৰিয়া বোলা হয়। অন্যহাতে সংঘৰ্ষক বিয়োজক সামাজিক প্ৰক্ৰিয়া বুলি কোৱা হয়।

(২) সহযোগিতা হৈছে সামাজিক সংহতিৰ আধাৰশিলা। অন্যহাতে সংঘৰ্ষক কোনোপধ্যে সামাজিক সংহতিৰ আধাৰশিলা বুলিব নোৱাৰি। কাৰণ ই এনে এক প্ৰক্ৰিয়া য'ত ব্যক্তি বা সমূহে বিপৰীত পক্ষক বয় বা হিংসাৰে আত্মস্বাৰ্থ পূৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰে।

(৩) সহযোগিতা হৈছে অবিচ্ছিন্ন প্ৰক্ৰিয়া। অন্যহাতে আকস্মিকভাৱে সংঘৰ্ষৰ জন্ম হৈ ইয়াৰ বিলুপ্তি ধৰিব পাৰে। অৱশ্যে ইয়াৰ প্ৰতিক্ৰিয়া বহু পিছলৈকে চলি থাকে।

## ১.৮ প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্য

প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজৰ মূল পাৰ্থক্যসমূহ তলত উল্লেখ কৰা হ'ল –

(১) প্ৰতিযোগিতাৰ বাবে নিৰ্দিষ্ট নীতি নিয়ম থাকে। লিখিত বা অলিখিত এই দুয়ো ধৰণৰ এই নীতি-নিয়মসমূহক দেখা যায়। এইবিলাকে প্ৰতিযোগীসকলৰ আচৰণ নিয়ন্ত্ৰণ কৰে।

কিন্তু সংঘৰ্ষ কোনো নীতি-নিয়মৰ দ্বাৰা পৰিচালিত নহয়। মূলতঃ প্ৰতিহিংসাই সংঘৰ্ষক পৰিচালনা কৰে।

(২) প্ৰতিযোগিতাই আত্মবিশ্বাস আনে। এনে বিশ্বাসে মানুহক পৰাজয়ৰ গ্লানিৰ প্ৰতি সজাগ কৰি দৃঢ় প্ৰতিজ্ঞ হৈ নিজৰ প্ৰাপ্তিৰ বাবে সচেতনতাৰে আগবাঢ়িবলৈ অনুপ্ৰেৰণা দিয়ে।

সংঘৰ্ষক অনুপ্ৰেৰণাৰ উৎস বুলি কোনো কাৰণতে ক'ব নোৱাৰি। কাৰণ ইয়াৰ মূল চালিকা শক্তি হৈছে প্ৰতিহিংসা।

(৩) প্ৰতিযোগিতা এক অবিচ্ছিন্ন (Continous) ধাৰাৰ প্ৰক্ৰিয়া। এই অবিচ্ছিন্নতাই সামাজিক পৰিবৰ্তন আৰু বিকাশত ইন্ধন হিচাপে কাম কৰি আছে। অন্যহাতে সংঘৰ্ষ হৈছে এক বিচ্ছিন্ন প্ৰক্ৰিয়া। ই বিদ্বেষমূলক আৰু সামাজিক প্ৰগতিৰ অন্তৰায়।

(৪) প্ৰতিযোগিতাক অসচেতন (Unconscious) বুলি কোৱা হয়। ইয়াৰ অৰ্থ হ'ল ই প্ৰত্যক্ষভাৱে বিষয়বস্তুৰ লগতহে জড়িত। প্ৰতিযোগীৰ লগত নহয়। ইয়াৰ বিপৰীতে সংঘৰ্ষ হৈছে আবেগজনিত। এই আবেগৰ লক্ষ্য হৈছে বিপৰীত পক্ষক হিংসা-বিদ্বেষেৰে পৰাভূত কৰা।

## আত্মমূল্যায়নৰ প্ৰশ্ন

(১) সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজত পাৰ্থক্যসমূহ দাঙি ধৰা।

..................................................................................................................

..................................................................................................................

..................................................................................................................

(২) সহযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্যসমূহ উল্লেখ কৰা।

..................................................................................................................

..................................................................................................................

..................................................................................................................

(৩) প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্যসমূহৰ বিষয়ে আলোচনা কৰা।

..................................................................................................................

..................................................................................................................

..................................................................................................................

## ১.৯ সামৰণি

ইতিমধ্যে আমি সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিলোঁ। পাঠ্যক্ৰম অনুসৰি সামাজিক প্ৰক্ৰিয়াৰ অৰ্থ তথা ইয়াৰ তিনিটা প্ৰকাৰৰ বিষয়ে আলোচনা কৰা হ'ল। আমি নিশ্চয় মন্তব্য কৰিব পাৰো যে সামাজিক প্ৰক্ৰিয়া হৈছে সামাজিক সম্বন্ধৰ গতিশীলতাৰ ধাৰাবাহিকতা। আমাৰ সামূহিক জীৱনৰ প্ৰতি ক্ষেত্ৰতে সামাজিক প্ৰক্ৰিয়াই ক্ৰিয়া কৰি আছে। এই প্ৰক্ৰিয়াত কোনো প্ৰকাৰক সমাজ অনুক্ৰমে অধিক ক্ৰিয়াশীল অৱস্থাত পোৱা যায়। অন্যহাতে কোনো প্ৰক্ৰিয়াৰ অধিক ক্ৰিয়াশীল অৱস্থাই অন্য প্ৰক্ৰিয়াক ক্ৰিয়াশীল কৰি

তোলে। উল্লেখযোগ্য যে সামাজিক সংহতিত সংযোজক প্ৰক্ৰিয়াৰ গুৰুত্ব অতি আৱশ্যকীয়। কোনো এখন সমাজত সংযোজক প্ৰক্ৰিয়াৰ প্ৰভাৱ বিযোজকতকৈ কম হ'লে সামাজিক সংহতিত বিপদ আহি পৰে। সি যি কি নহওক সামাজিক প্ৰক্ৰিয়া সামাজিক সম্বন্ধৰ সাৰ্বজনীন ক্ৰিয়াত্মক ধাৰা।

## ঘাই শব্দসমূহ

(১) সামাজিক প্ৰক্ৰিয়া

(২) সামাজিক সম্বন্ধ

(৩) সামাজিক জীৱন

(৪) সামাজিক ক্ৰিয়া

(৫) সামাজিক আন্তঃক্ৰিয়া

(৬) বিশেষাত্মক চিন্তাধাৰা

(৭) সহযোগিতা

(৮) প্ৰতিযোগিতা

(৯) সংঘৰ্ষ

(১০) সামাজিক প্ৰতিমান

(১১) ভূমিকা

(১২) সামাজিক গাঁথনি

(১৩) সংযোজক

(১৪) বিয়োজক

(১৫) উপযোগীকৰণ

(১৬) সদৃশীকৰণ

(১৭) অন্তদ্বন্দ্ব

(১৮) প্ৰাথমিক সমূহ

(১৯) দ্বিতীয়ক সমূহ

(২০) প্ৰবৃত্তি

(২১) একচ্ছত্ৰীবাদ

(২২) অভাৱ

(২৩) যোগান

(২৪) চাহিদা

(২৫) সামাজিক প্ৰগতি

(২৬) সামাজিক পৰিৱৰ্তন

## পাঠ্য নিৰ্দ্দেশনা


1. Johnson, H.M : Sociology - A Systematic Introduction; Allied Publishers, New Delhi, 1991.
2. Bierstedt, R.: The Social order : An Introduction to Sociology, New York, 1962.
3. MacIver, R.M. and Pae, C.H. : Society: An introductory analysis, MacMillan, New Delhi, 1993.
4. Young K, and Mack, R.W. : Sociology of Social life, East West Press, New Delhi, 1972.
5. Bora, B. : Samaj Tatta Parichoy, Bidya Bhawan, Jorhat, 2005.


## আৰ্হি প্ৰশ্ন

(১) সামাজিক প্ৰক্ৰিয়াৰ সংজ্ঞা আগবঢ়োৱা। ইয়াৰ প্ৰকাৰ সমূহ কি কি? চমুকৈ উল্লেখ কৰা।

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

(২) সহযোগিতা বুলিলে কি বুজা? ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে লিখা।

........................................................................................................

........................................................................................................

........................................................................................................

(৩) প্ৰতিযোগিতাৰ অৰ্থ দাঙি ধৰা। ইয়াৰ বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

(৪) সংঘৰ্ষ মানে কি? সংঘৰ্ষৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

(৫) সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজত পাৰ্থক্যসমূহ ব্যাখ্যা কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

(৬) সহযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

(৭) প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজত পাৰ্থক্যসমূহৰ বিষয়ে আলোচনা কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

## প্ৰসঙ্গ পুথি


1. Weber, Max : The Theory of Social and Economic Organization; Oxford University Press, New York, 1947.

2. Green Arnold : Sociology; Mac Graw Hill, New York, 1956.

3. Fairchild, H.P. : Dictionary of Sociology; Philosphical Liberary, New York,1944.

4. MacIver, R.M. & Page, C.H. : Society : An Introductory Analysis: MacMillan, New Delhi, 1993.

5. Bogardus, E.S: The Development of Social Thought, Vakils, Bombay, 1969.

6. Davis, Kingsley : Human Society : MacMillan, New York, 1966.

# খণ্ড-৫

# সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পৰিৱৰ্তন

(মুঠ নম্বৰঃ ২০)

## গোট ঃ ২

## শিৰোনামঃ সামাজিক পৰিবৰ্তনঃ অৰ্থ, কাৰক আৰু তত্ত্ব (বিৱৰ্তন আৰু সংঘৰ্ষ)

**গঠন-বিন্যাস**

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ সামাজিক পৰিবৰ্তনৰ অৰ্থ

২.২.১ সামাজিক পৰিবৰ্তনৰ সংজ্ঞা

২.২.২ সামাজিক পৰিবৰ্তনৰ ভিন ভিন কাৰকসমূহ

আত্ম মূল্যায়নৰ প্ৰশ্ন

২.৩ সামাজিক পৰিৱৰ্তনৰ তত্ত্বসমূহ

২.৩.১ সামাজিক পৰিবৰ্তনৰ বিবৰ্তন তত্ত্ব

২.৩.২ সামাজিক পৰিবৰ্তনৰ সংঘৰ্ষ তত্ত্ব

আত্ম মূল্যায়নৰ প্ৰশ্ন

২.৪ সামৰণি

(১) ঘাই শব্দসমূহ

(২) পাঠ্য নিৰ্দেশনা

(৩) আৰ্হি প্ৰশ্ন

(৪) প্ৰসঙ্গ পুথি

## ১.০ উদ্দেশ্যঃ

এই পাঠটি অধ্যয়ন কৰাৰ পাছত তোমালোকে তলত দিয়া দিশকেইটা বুজিবলৈ সমৰ্থ হ'ব।

সামাজিক পৰিবৰ্তনৰ অৰ্থ আৰু সংজ্ঞাৰ বিষয়ে লিখিব পাৰিবা।

সামাজিক পৰিবৰ্তনৰ ভিন ভিন কাৰকসমূহৰ বিষয়ে জানিবা।

সামাজিক পৰিবৰ্তনৰ বিবৰ্তন আৰু সংঘৰ্ষ তত্ত্বৰ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা

আমি 'পৰিৱৰ্তন' নামৰ পাঠটি ভিন ভিন প্ৰসঙ্গত প্ৰায়েই ব্যৱহাৰ কৰো। ইয়াৰ অৰ্থ আমি অনুভৱ কৰিব পাৰো। সমাজত ঘটি থকা পৰিবৰ্তনৰ ক্ষেত্ৰত 'সামাজিক পৰিবৰ্তন' নামৰ শব্দ দুটাৰ অৱতাৰনা কৰা হয়। সামাজিক পৰিবৰ্তন এক বিশ্বজনীন প্ৰক্ৰিয়া। উদাহৰণস্বৰূপে আমাৰ পৰিয়াল পদ্ধতি, ধৰ্মীয় পদ্ধতি ৰাজনৈতিক ব্যৱস্থা, অৰ্থনীতি আদিত পৰিৱৰ্তন ঘটি থাকে। অৱশ্যে এই পৰিৱৰ্তন বা সালসলনিৰ গতি সমাজ আৰু সময় অনুসৰি ভিন্ন প্ৰকৃতিৰ হয়। কিন্তু নিৰবচ্ছিন্নভাৱে প্ৰতিখন সমাজতে পৰিৱৰ্তন চলি থাকে। পৰিৱৰ্তনশীলতা মানৱ সমাজৰ পদ্ধতিৰ মূল গাঁঠনি। সামাজিক সম্বন্ধত পৰিবৰ্তন ঘটি আহিছে। সি যি কি নহওক, সামাজিক পৰিবৰ্তনৰ বিভিন্ন কাৰক আছে। সমাজতত্ত্বৰ সামাজিক পৰিৱৰ্তন তথা ইয়াৰ কাৰকসমূহৰ ওপৰত ভিন ভিন দৃষ্টিকোণেৰে আলোচনা হৈছে। এইখিনিতে সামাজিক পৰিবৰ্তনৰ সম্পৰ্কে বিশেষ ধৰণেৰে আলোচনা কৰা কেইজনমান সমাজতাত্ত্বিকৰ নাম উল্লেখ কৰা হ'ল। তেখেতসকল হৈছে মেক আইভাৰ, পেজ, কিংছলি ডেভিছ, জনচন, অগবাৰ্ণ আদি। পাঠ্যক্ৰম অনুসৰি আমি এতিয়া তেখেত সকলৰ মত সমূহ আলোচনা কৰিম।

## ২.২ সামাজিক পৰিবৰ্তনৰ অৰ্থ

সামাজিক পৰিবৰ্তন হৈছে এক ধাৰা বাহিক প্ৰক্ৰিয়া। ই অতি প্ৰাচীন কালৰ পৰাই চলি আহিছে। কাৰণ পৰিবৰ্তন সমাজৰ এক স্বাভাৱিক চৰিত্ৰ। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰা একেদিনাই হোৱা নাই। মানুহৰ জ্ঞান আৰু কৰ্মস্পিহাই এই জয়যাত্ৰা সম্ভৱ কৰি তুলিছে। মানৱ ইতিহাস পঢ়িলে সামাজিক পৰিবৰ্তনৰ কাৰক, ইয়াৰ বৈশিষ্ট্য, মানৱ জাতিৰ উত্থান-পতনৰ ঘটনাৱলী আদিৰ বিষয়ে আমি জানিব পাৰো। সামাজিক পৰিবৰ্তন একে সময়তে সামগ্ৰিকভাৱে নঘটে। স্থান-কাল অনুসৰি ইয়াৰ ধাৰা আৰু মাত্ৰা ভিন্ন প্ৰকৃতিৰ হয়। উদাহৰস্বৰূপে আমাৰ দেশত অৰ্থনীতি ব্যৱস্থাত যেনেদৰে পৰিবৰ্তন সাধন হৈছে ঠিক তেনেদৰে পৰম্পৰাগত জাতি ব্যৱস্থাত পৰিবৰ্তন অহা নাই। মুঠৰ ওপৰত আমাৰ চৌপাশৰ বিভিন্ন পদ্ধতিবোৰৰ সাল-সলনিবিলাক লক্ষ্য কৰিলে সামাজিক পৰিবৰ্তনৰ বিষয়ে উপলব্ধি কৰিব পৰা যায়।

### ২.২.১ সামাজিক পৰিবৰ্তনৰ সংজ্ঞা

সামাজিক পৰিবৰ্তনৰ কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল।

(১) মেক আইভাৰ আৰু পেজৰ সংজ্ঞা মতে সামাজিক পৰিবৰ্তনৰ অৰ্থ হৈছে সামাজিক সম্বন্ধৰ পৰিবৰ্তন (১৯৯২ঃ৫১১)। মেক আইভাৰ আৰু পেজে সমাজক সামাজিক সম্বন্ধৰ জালগোঠঁনি বুলি উল্লেখ কৰিছে। জালৰ দৰে বিস্তৃত এই সামাজিক সম্বন্ধ সমাজ সংৰচনাৰ মূল আধাৰ। সামাজিক সম্বন্ধত নিৰবচ্ছিন্নভাৱে সালসলনি আৰু পৰিবৰ্তন ঘটি আছে। এই পৰিবৰ্তনে আমাৰ সমাজৰ সংৰচনাত পৰিবৰ্তনৰ সূচনা কৰিছে। ইয়াকে সামাজিক পৰিবৰ্তন বোলা হয়।

(২) কিংছলি ডেভিছৰ সংজ্ঞা মতে মানুহ যিহেতু সামাজিক জীৱ, সেয়েহে সামাজিক পৰিবৰ্তনে মানুহক পৰিবৰ্তন কৰে। মানুহৰ পৰিবৰ্তনৰ অৰ্থ

হৈছে সামাজিক আচৰণত নতুন মূল্যবোধৰ আগমন। সামাজিক পৰিবৰ্তনে সাংস্কৃতিক পৰিবৰ্তনৰ বাট গঢ়ি যায়। ডেভিছৰ মতে সাংস্কৃতিক পৰিবৰ্তনৰ অৰ্থ সামাজিক পৰিবৰ্তনতকৈ বহল। উল্লেখযোগ্য যে সামাজিক পৰিবৰ্তনৰ ফলত ভাষাৰ বিকাশ, কলাৰ গঠন, সাংগীতিক শৈলী আদিত যি পৰিবৰ্তন দেখা যায় সি সাংস্কৃতিক পৰিবৰ্তনৰ ছবি দাঙি ধৰে।

(৩) হেৰী এম, জনচনৰ মতে সামাজিক পৰিবৰ্তনক সামাজিক সংৰচনাৰ আধাৰত চাব পাৰি। সাধাৰণ অৰ্থত সামাজিক সংস্থাত হোৱা মূল্যবোধৰ পৰিবৰ্তনে সামাজিক পৰিবৰ্তনৰ প্ৰক্ৰিয়া নিৰ্দ্ধাৰণ কৰে।

## ২.২.২ সামাজিক পৰিবৰ্তনৰ ভিন ভিন কাৰকসমূহ

সামাজিক পৰিবৰ্তন এক ধাৰাবাহিক প্ৰক্ৰিয়া। এইখিনিতে প্ৰশ্ন হয় যে সামাজিক পৰিবৰ্তনৰ উৎস-বিলাক কি কি? কেনেধৰণৰ কাৰকে সামাজিক পৰিবৰ্তনত ইন্ধন হিচাপে ক্ৰিয়া কৰে। এনে প্ৰশ্নৰ উত্তৰ বিচাৰি থকা হৈছে যদিও সমাজ-তাত্বিকসকলে এই সন্দৰ্ভত ঐক্যমতত উপনীত হ'ব পৰা নাই। সমাজতাত্বিকসকলে কিছুমান শিতানক সামাজিক পৰিবৰ্তনৰ কাৰক হিচাপে আলোচনা কৰিছে। সেই বিলাক হ'ল জনসংখ্যা, সামাজিক মূল্যবোধ, অৰ্থনীতি, ৰাজনীতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, সংস্কৃতি আদি। সি যি কি নহওক আমি পাঠ্যক্ৰম অনুসৰি সামাজিক পৰিবৰ্তনৰ বিবৰ্তন আৰু সংঘৰ্ষতত্ত্বৰ বিষয়ে আলোচনা কৰিম।

## আত্ম মূল্যায়নৰ প্ৰশ্ন

(১) সামাজিক পৰিবৰ্তনৰ অৰ্থ দাঙি ধৰা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

(২) সামাজিক পৰিবৰ্তনৰ সংজ্ঞা আগবঢ়োৱা।

................................................................................................

................................................................................................

................................................................................................

(৩) সামাজিক পৰিবৰ্তনৰ কাৰকসমূহ কি কি?

................................................................................................

................................................................................................

................................................................................................

## ২.৩ সামাজিক পৰিবৰ্তনৰ তত্ত্বসমূহ

আমি কেবল কোনো এটা কাৰককে স্বয়ংসম্পূৰ্ণ হিচাপে সামাজিক পৰিবৰ্তনৰ কাৰণ হিচাবে দাঙি ধৰিব নোৱাৰো। কাৰণ, সামাজিক পৰিবৰ্তন হৈছে সাংস্কৃতিক আৰু সভ্যতাৰ আধাৰ। অন্যহাতে সামাজিক পৰিৰ্ৱতনৰ প্ৰকৃতি অতি জটিল। ইয়াৰ গতি আৰু মাত্ৰাৰ একাধিক কাৰক জড়িত হৈ থাকিব পাৰে। এইখিনিতে সামাজিক পৰিবৰ্তনৰ অন্যতম দুটা দিশৰ (Direction) কথা উল্লেখ কৰা হওক। সেয়া হৈছে সংখ্যাগত (Quantitative) আৰু গুণগত (Qualitative)। উদাহৰণস্বৰূপে পুৰুষ-নাৰীৰ সমানুপাত, নগৰৰ সংখ্যা বৃদ্ধি ইত্যাদি সংখ্যাগত সামাজিক পৰিবৰ্তনৰ দিশ। ঠিক তেনেকৈ জনসাধাৰণৰ কৰ্মস্পৃহা বৃদ্ধি বা হ্ৰাস, বিজ্ঞানসন্মত চিন্তাধাৰাৰ বিকাশআদিসামাজিক পৰিবৰ্তনৰ গুণগত দিশৰ উদাহৰণ। সি যি কি নহওক, সমাজতাত্ত্বিকসকলে কেইটামান শিতানক সামাজিক পৰিবৰ্তনৰ উৎস হিচাপে দাঙি ধৰিছে। যেনে- জনসংখ্যা, অৰ্থনীতি, প্ৰযুক্তিবিদ্যা, সংস্কৃতি আদি। অন্যহাতে সামাজিক পৰিবৰ্তনৰ তত্ত্বসমূহক (Theory) বিবৰ্তন, ভৌগোলিক, অৰ্থনৈতিক, সংঘৰ্ষ আদি বিভাগত বিভক্ত কৰি আলোচনা কৰিছে। তলত আমি পাঠ্যক্ৰম অনুসৰি বিবৰ্তন আৰু সংঘৰ্ষ তত্ত্বৰ বিষয়ে আলোচনা কৰিম।

## ২.৩.১ সামাজিক পৰিবৰ্তনৰ বিবৰ্তন তত্ত্ব

সাধাৰণ অৰ্থত বিবৰ্তন মানে হৈছে এটা অৱস্থাৰ পৰা অন্য এটা অৱস্থালৈ হোৱা ৰূপান্তৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত সমাজ সৰল অৱস্থাৰ পৰা ত্ৰমাৎ জটিল অৱস্থালৈ পৰ্যবসিত হয়। সমাজ বিজ্ঞানীসকলে এই বিবৰ্তন নামৰ প্ৰক্ৰিয়াৰ আঁত ধৰি কৈছে যে সমাজো এই প্ৰক্ৰিয়াৰ জৰিয়তে পৰিবৰ্তিত হৈ আহিছে। তেওঁলোকে মত পোষন কৰি কৈছে যে মানৱ সমাজত সৰল ব্যৱহাৰ ক্ৰমাগতভাৱে জটিল আৰু বৃহত্তৰ ব্যৱস্থালৈ পৰিবৰ্তিত হৈছে।

প্ৰাৰম্ভিককালৰ সমাজতত্ববিদ আৰু নৃতত্ত্ববিদসকলে চিকাৰ আৰু অৰণ্যৰ পৰা খাদ্যসংগ্ৰহ, পশুপালন, কৃষিকৰ্ম, উদ্যোগ স্থাপন আদিৰ জৰিয়তে হোৱা পৰিবৰ্তন প্ৰক্ৰিয়াকে সামাজিক বিবৰ্তনৰ সাধাৰণ সূত্ৰ হিচাপে ধৰি লৈছিল। বিবৰ্তন (Evolution), প্ৰগতি (Progress), বৃদ্ধি (Growth), উন্নয়ন (Development) এই প্ৰতিটো অৱধাৰণাৰে সুকীয়া সুকীয়া অৰ্থ আছে। সমাজতত্ত্বৰ অধ্যয়নৰ ক্ষেত্ৰৰ সম্প্ৰসাৰণৰ লগে লগে সামাজিক পৰিবৰ্তনৰ বিষয়ে অধ্যয়ন কৰিবলৈ এই ধাৰণাসমূহক আহিলা হিচাপে ধৰা হ'ল। বিবৰ্তনৰ তত্বসমূহক চাৰিটা ভাগত বিভক্ত কৰি অধ্যয়ন কৰিব পাৰি। যেনে- (১) একদিশদৰ্শী (Unilinear), (২) বিশ্বজনীন (Universal), (৩) পুনৰাবৰ্তন (Cyclical) আৰু বহুদিশদৰ্শী (Multilineal)। প্ৰথমটো ভাগত আছে অগষ্ট কট, হেনৰী মৰ্গেন আদি তত্ববিদ। দ্বিতীয়টো ভাগত হাৰ্বৰ্ট স্পেনচাৰ, ইমাইল দূৰখেইম আদি আছে। তৃতীয়টোত আছে অছৱাল্ড স্পেঙলাৰ, আৰ্নল্ড টয়নবী আদি। ঠিক তেনেকৈ শেষৰ ভাগত আছে জুলেয়ন ষ্টেৱাৰ্ড, টালকট পাৰচন্‌ছ আদি। তলত ইয়াৰ মাজৰ পৰা দুজন সমাজতাত্বিকৰ বিবৰ্তন তত্বৰ বিষয়ে চমুকৈ আলোচনা কৰো আহা।

অগষ্ট কটক আমি সমাজতত্বৰ পিতৃ আখ্যা দিওঁ। সি যি কি নহওক তেখেতৰ 'ক্ৰমবিকাশৰ তিনিটা স্তৰ'' (Low of three stages)

নামৰ আলোচনাত বিবৰ্তনৰ কথা পৰোক্ষভাৱে পোৱা যায়। কটৰ মতে ক্ৰমবিকাশ এটা ধাৰাবাহিক তথা স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ জৰিয়তে সংস্কৃতি আৰু সভ্যতা আবহমান কালৰ পৰা প্ৰবাহিত হৈ আহিছে। কটে মানৱজাতিৰ এই ক্ৰমবিকাশক তিনিটা স্তৰত বিভক্ত কৰিছে। সেয়া হৈছে– দৈৱিকি স্তৰ (Theological stage), আধিভৌতিক স্তৰ (Metaphysical stage) আৰু বৈজ্ঞানিক বা প্ৰত্যক্ষবাদী স্তৰ (Scientific or Positivistic stage)। তেওঁৰ মতে প্ৰথম স্তৰত মানুহৰ চিন্তাধাৰা তথা ক্ৰিয়াকলাপ সম্পূৰ্ণৰূপে দৈৱক শক্তিৰ প্ৰতি থকা বিশ্বাসৰ দ্বাৰা পৰিচালিত হৈছিল। মানুহে গভীৰভাৱে বিশ্বাস কৰিছিল যে এক বা একাধিক অতিপ্ৰাকৃতিক (Super natural) শক্তিয়েই হৈছে সকলো প্ৰাকৃতিক ঘটনাৰ কাৰণ। সেয়ে জন্ম-মৃত্যু, বেমাৰ-আজাৰ আদিৰ সৃষ্টি, স্থিতি আৰু ধ্বংসৰ মূল। সেয়েহে মানুহৰ সমগ্ৰ চিন্তা আৰু ক্ৰিয়াকলাপ এই শক্তিৰ দ্বাৰা পৰিচালিত হৈছিল। আধিভৌতিক স্তৰক দৈৱিক স্তৰৰ সংশোধিত স্তৰ বুলি ক'ব পাৰি। এই স্তৰত স্থিতি, ঘটনাৱলী আৰু পৰিবৰ্তনক অমূৰ্ত ধাৰণা (Abstract conception) আৰু যুক্তিৰে (Reason) ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হৈছিল। কটৰ মতে ইয়াৰ পাছৰ স্তৰটোৱেই হৈছে প্ৰত্যক্ষবাদী স্তৰ। সকলোবিলাক প্ৰাকৃতিক, জাগতিক তথা সামাজিক ঘটনাক তথ্য আৰু যুক্তিৰ সহায়ত বিচাৰ কৰা হয় বাবে এই স্তৰক বৈজ্ঞানিক স্তৰ বুলি কোৱা হয়। কেৱল যুক্তি-তৰ্কৰ পৰিবৰ্তে নিৰ্ভৰযোগ্য তথ্য-পাতিৰে ঘটনাৰ সত্যতা স্বীকাৰ কৰি সমস্যা সমাধানৰ পথ উদ্ভাৱন কৰাটো হৈছে এই স্তৰৰ অন্যতম বৈশিষ্ট্য।

হাৰ্বাট স্পেন্‌চাৰে পোনপ্ৰথমবাৰৰ বাবে সমাজতত্ত্বত বিবৰ্তন (Evolution) ধাৰণাক স্পষ্টভাৱে ব্যৱহাৰ কৰে। তেখেতৰ সমসাময়িক ডাৰউইনে আগবঢ়োৱা প্ৰাণীজগতৰ বিবৰ্তন তত্ত্বই স্পেন্‌চাৰক প্ৰভাৱান্বিত কৰিছিল। অৱশ্যে স্পেন্‌চাৰে এই ক্ষেত্ৰত নিজস্ব দৃষ্টিভংগী আগবঢ়াইছিল।

ভৌতিক জীৱনত ক্ৰমবিকাশৰ জৰিয়তে পৰিবৰ্তন ঘটাটো যেনেকৈ স্বাভাৱিক নিয়ম, ঠিক তেনেকৈ সামাজিক জীৱনতো পৰিবৰ্তন ঘটাটো অনিবাৰ্য নিয়ম। অৰ্থাৎ সকলো মানৱ সমাজেই বিবৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে পৰিবৰ্তিত হয়। স্পেনচাৰে কৈছে যে মানৱ সমাজ আৰু জীৱদেহৰ মাজত বহুতো সাদৃস্য দেখা যায়। উদাহৰণ স্বৰূপে, (ক) জৈৱিক অংগৰ দৰে সমাজেও ইয়াৰ অজৈৱিক পৰিসৰৰ পৰিবৰ্তন ঘটায় (খ) বিবৰ্তনৰ লগে লগে জীৱ দেহৰ যেনেদৰে জটিলতা প্ৰাপ্তি ঘটে ঠিক তেনেকৈ এখন সমাজৰ গাঁঠনি বৃদ্ধিয়ে সমাজখনক জটিলতা প্ৰদান কৰে ইত্যাদি।

স্পেনচাৰৰ মতে সামাজিক বিবৰ্তন এক ধাৰাবাহিক পৰিবৰ্তন প্ৰক্ৰিয়া আৰু ইয়াৰ চৰিত্ৰ ক্ৰমবৰ্দ্ধমান। মানৱ জাতিৰ চিৰন্তন বিৰামহীন ক্ৰিয়াকলাপে ইয়াৰ ধাৰাবাহিকতা জীয়াই ৰাখিছে। অন্যহাতে এই ধাৰাবাহিকতা অবিহনে সমাজৰ অস্তিত্ব অবান্তৰ। শাৰীৰিক অৱয়বৰ যেনেদৰে প্ৰাৰ ি ক স্তৰ হৈছে এক জীৱকোষ আৰু সৰল গঠন ঠিক তেনেকৈ মানব সমাজো আছিল ক্ষুদ্ৰ ক্ষুদ্ৰ দলেৰে গঠিত। জীৱদেহৰ ক্ৰমবিকাশৰ জটিলতাৰ দৰে। সমাজৰ ক্ৰমবিকাশৰ জটিলতা আৰু সমাজৰ ক্ৰমবিকাশেও ভিন ভিন সংস্থা যেনে ৰাজনীতি, অৰ্থনীতি আদিত ভিন্নতা তথা জটিলতাৰ সৃষ্টি কৰি আহিছে। সমাজ সাদৃশ্যপূৰ্ণ (Homogeneous) অৱস্থাৰ পৰা বৈসাদৃশ্যপূৰ্ণ (Heterogenous) অৱস্থালৈ ৰূপান্তৰিত হৈ আহিছে।

## ২.৩.২ সামাজিক পৰিবৰ্তনৰ সংঘৰ্ষ তত্ব

তোমালোকে এই খণ্ডৰে প্ৰথম গোটটোত সংঘৰ্ষ (Conflict)ৰ বিষয়ে অৱগত হৈছা। সামাজিক পৰিবৰ্তনত সংঘৰ্ষ এক এৰাব নোৱাৰা বিষয়। মানুহে সদায়ে সংঘৰ্ষহীন সমাজৰ কথা কল্পনা কৰি আহিছে। কিন্তু সমাজৰ স্থিতি আৰু পৰিবৰ্তনত সদায়েই ই এক উৎস হিচাপে পৰিগণিত হৈ আহিছে।

জৈৱ দিশৰ পৰা চালেও দেখা যায় যে পৃথিৱীত মানুহৰ জন্ম আৰু অস্তিত্ব ৰক্ষাৰ সংগ্ৰামো সংঘৰ্ষৰ এক নামান্তৰহে মাথোন। কালক্ৰমত মানুহে যিবোৰ সংস্থা গঢ়ি তুলিছে তাতো সংঘৰ্ষক অন্যতম উপাদান হিচাপে পোৱা যায়। উদাহৰণস্বৰূপে প্ৰায়বোৰ ধৰ্মতে টকা সূতলৈ দি ব্যৱহাৰ কৰাটো ধৰ্মীয় আদৰ্শৰ পৰিপন্থী। কিন্তু অৰ্থনৈতিক প্ৰগতিত সূতত ধন ধাৰলৈ ব্যৱহাৰ কৰি মূলধন গঠন কৰাটো এক অন্যমত গৃহীত উপায়। সমাজৰ প্ৰতিটো সংস্থা বা পদ্ধতিৰ জন্ম বিকাশ অথবা জটিলতা প্ৰাপ্তিৰ বাবে সংঘৰ্ষই প্ৰত্যক্ষ বা প্ৰৰোক্ষভাৱে ক্ৰিয়া কৰি আহিছে।

সমাজতাত্ত্বিক বট'মূৰে (১৯৬৬ঃ২৭৭) কেইটামান অৱস্থাৰ পটভূমিত সংঘৰ্ষৰ ভূমিকা বিচাৰ কৰিছে। দুখন বা ততোধিক দেশ বা সমাজৰ মাজত হোৱা সংঘৰ্ষৰ ফলত সেইবোৰত নতুন ভাবাদৰ্শ, কৰ্ম-পদ্ধতি আদি প্ৰচলিত হয়। উদাহৰণস্বৰূপে আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ ফলত দুয়োখন দেশৰ মাজত সংস্কৃতিৰ যি আদান-প্ৰদান ঘটিল সি সুদুৰপ্ৰসাৰী হিচাপে চিহ্নিত হ'ল। ঠিক তেনেকৈ বৃটিছ উপননিবেশিকতাত ভাৰতত প্ৰাচ্য আৰু পাশ্চাত্য মূল্যবোধৰ যি সংঘৰ্ষ হ'ল সি আধুনিকতাৰ পটভূমিত সামাজিক পৰিবৰ্তন ঘটোৱাত সহায় কৰিলে। বৃটিছৰ বিৰুদ্ধে হোৱা জাতীয় আন্দোলনে ভাৰতীয় সত্বাক সবল ৰূপত দাঙি ধৰিলে। একেখন সমাজৰে অন্তভূক্ত বিভিন্ন দল বা শ্ৰেণীৰ মাজত হোৱা সংঘৰ্ষইও সামাজিক পৰিবৰ্তনৰ বাট মুকলি কৰে। উদাহৰণস্বৰূপে অৰ্থনৈতিক ক্ষেত্ৰত উদ্যোগত মালিক বনাম শ্ৰমিক শ্ৰেণীৰ মাজত নিজৰ স্বাৰ্থ ৰক্ষা বা সুৰক্ষাৰ বাবে সুপ্ত বা জাগ্ৰতভাৱে সংঘাত চলি থাকে। ইয়াৰ ফলত নতুন নতুন ব্যৱস্থাৰ জন্ম হয়।

কাৰ্ল মাৰ্ক্সে Communist Manitesto নামৰ গ্ৰন্থত কৈছে যে মানৱ ইতিহাস মানেই হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস। ইতিহাসৰ বিভিন্ন সময়ত আমি এই শ্ৰেণীসমূহক মালিক আৰু দাস, জমিদাৰ আৰু ৰায়ত,

উদ্যোগৰ মালিক আৰু বনুৱা বা শ্ৰমিক আদি ৰূপত পাই আহিছো। মূলত দুটা মেৰুত বিভক্ত এই শ্ৰেণীসমূহৰ চৰিত্ৰ ইটো সিটোৰ বিপৰীত। মাৰ্ক্সৰ মতে এই দুটা শ্ৰেণীয়ে আৱহমান কালৰ পৰাই দুই মেৰুত অৱস্থান কৰি আহিছে। দুই শ্ৰেণীৰ মাজত চলা শ্ৰেণী সংগ্ৰামে সমাজক পুনৰ গঠন কৰিছে। মাৰ্ক্সৰ মতে বস্তুজগতৰ পৰা ভাৱজগতৰ সৃষ্টি হৈছে। মানুহৰ ভাৱ বা চিন্তা বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা সৃষ্ট আৰু পৰিচালিত। তেখেতৰ মতে দ্বন্দ্ব (Dialectics) হৈছে ''বাস্তৱ পৃথিৱী আৰু মানুহৰ চিন্তাধাৰাৰ গতিৰ সাধাৰণ সূত্ৰ'' (১৯৭০ঃ৩৬২)। দ্বান্দ্বিক প্ৰক্ৰিয়াক তিনিটা স্তৰত দেখা যায়। সেয়া হৈছে স্থাপনা (Thesis), প্ৰতিস্থাপনা (Antithesis) আৰু সমন্বয় (Snythesis)। তেওঁৰ মতে যিকোনো এটা বিষয়ৰ স্থিতি এক বিশেষ সময়ত বিশেষ ৰূপত থাকে। এনে অৱস্থাতে কিছুমান বিপৰীত অৱস্থাই প্ৰতিস্থাপনাৰ সৃষ্টি কৰে। পুৰণি আৰু নতুনৰ সংঘাটে এক নতুন অৱস্থাৰ সৃষ্টি কৰে। এনে দ্বান্দ্বিক প্ৰক্ৰিয়াৰ জৰিয়তে মানৱ সমাজত পৰিৰ্তন ঘটে। উল্লেখযোগ্য যে সমন্বয় অৱস্থাৰ পৰাও পুনৰ দ্বন্দ্বৰ সৃষ্টি হয় আৰু দ্বন্দ্বৰ পিচত সমন্বয়ৰ সৃষ্টি হয়।

সমাজতত্ত্বৰ সংঘৰ্ষ তত্ত্ব এক উল্লেখযোগ্য বিষয়। এই তত্ত্বৰ ওপৰত যিসকল সমাজতত্ত্ববিদে আলোচনা আগবঢ়াইছিল তেওঁলোকৰ ভিতৰত ৰাফ্ ডাহৰেন্ডৰ্ফ, চি ৰাইট মিল্‌ছ, থেডৰ এডৰ্ন, আৰভিং লুইছ হৰউইজ, ৰনডাল কলিনচ্, লেৱিছ কজাৰ আদিৰ নাম উল্লেখযোগ্য। সংঘৰ্ষক সামাজিক পৰিবৰ্তনৰ এক উৎস হিচাপে আলোচনা কৰোতে প্ৰত্যেকৰ নিজস্ব দৃষ্টিভংগী আগবঢ়াইছিল। উদাহৰণস্বৰূপে ডাহ্‌ৰেন্ডৰ্ফৰ মূল আধাৰ আছিল কৰ্তৃত্ব (Authority)। অৰ্থাৎ সামাজিক শ্ৰেণীসমূহৰ নিজৰ নিজৰ কৰ্তৃত্বৰ বাবে বিপৰীত শ্ৰেণীৰ সৈতে সংঘৰ্ষৰ সূত্ৰপাত হয় আৰু সিয়ে প্ৰচলিত সমাজ গাঁঠনিত পৰিবৰ্তনৰ সূচনা কৰে। ঠিক তেনেকৈ মিল্‌ছৰ মূল ব্যক্তব্য আছিল যে সমাজৰ

দূৰ্ব্বল শ্ৰেণীয়ে সবল শ্ৰেণীৰ পৰা স্বত্বাধিকাৰ প্ৰাপ্তিৰ বাবে যুঁজিবলগীয়া হয়। ইয়াৰ ফলশ্ৰুতিত সামাজিক পৰিবৰ্তন দ্ৰুত হয়।

বহুতো সমাজতত্ত্ববিদে কৈছে যে সংঘৰ্ষক সামাজিক পৰিবৰ্তনৰ উৎস বুলি ক'ব নোৱাৰি। অধ্যাপক কহেনৰ মতে বহু ক্ষেত্ৰত সংঘৰ্ষই পৰিবৰ্তনত বাধাহে প্ৰদান কৰে। উদাহৰণৰূপে কোনো চৰকাৰী আঁচনিয়ে হয়তো সমাজত সুদূৰ প্ৰসাৰী পৰিবৰ্তন আনিব পাৰে। এই পৰিবৰ্তনে জনজীৱনৰ মানদণ্ড বঢ়াই তুলিব পাৰে। কিন্তু অপ্ৰত্যাশিত ভাৱে যদি ন্যস্ত স্বাৰ্থই ইয়াৰ বিৰোধিতা কৰি সংঘৰ্ষত অৱতীৰ্ন হয়, তেতিয়া সেই সংঘৰ্ষ পৰিবৰ্তনৰ বাবে পৰিপন্থী হ'ব। সি যিয়ে নহওক সংঘৰ্ষক সামাজিক পৰিবৰ্তনৰ অন্যতম কাৰক হিচাপে বিবেচনা কৰা হয়। অৱশ্যে এই প্ৰসংগত সংঘৰ্ষৰ স্থিতিক কিছুমান দিশত চাবলগীয়া হয়। যেনে– ভিন ভিন সমাজৰ মাজত হোৱা সংঘৰ্ষ, একেখন সমাজৰ মাজতে বিভিন্ন শ্ৰেণী বা সামাজিক দলৰ মাজত হোৱা সংঘৰ্ষ, পুৰুষানুক্ৰমিক সংঘৰ্ষ আদি। বিশেষকৈ যি সংঘৰ্ষ সমাজ গাঁঠনিৰ পৰিবৰ্তনৰ বাবে আসন্ন তেনেবিলাকৰ সামাজিক পৰিবৰ্তন অৱধাৰিত হৈ পৰে। এইক্ষেত্ৰত মাৰ্ক্সে আগবঢ়োৱা শ্ৰেণী সংগাম (Class stuggle) তত্ত্বক দাঙি ধৰিব পাৰি। উল্লেখযোগ্য যে সংঘৰ্ষ সামাজিক পৰিবৰ্তনৰ অন্যতম উপাদান হ'লেও পৰিবৰ্তনৰ ফলতো সংঘৰ্ষৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে পৰিবৰ্তনৰ ফলত পাশ্চাত্য শিক্ষিতসকলৰ প্ৰধান নেতৃত্বতে গঢ় হৈ উঠিছিল স্বাধীনত আন্দোলন আৰু গঢ়ি উঠিছিল মহান জাতিসত্ত্বা। আধুনিক সমাজত চলি থকা বহু সংঘৰ্ষৰ মূল পটভূমি হৈছে ৰাজনৈতিক, শিক্ষা পদ্ধতি তথা অৰ্থনৈতিক পৰিবৰ্তন। অৰ্থাৎ সামাজিক পৰিবৰ্তনৰ সৈতে সংঘৰ্ষ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

## আত্মমূল্যায়নৰ প্ৰশ্ন

(১) সামাজিক পৰিবৰ্তনৰ তত্ত্বসমূহ কেনেধৰণৰ?

..........

..........

..........

(২) সামাজিক পৰিবৰ্তনৰ বিবৰ্তন তত্ত্বৰ বিষয়ে আলোচনা দাঙি ধৰা।

..........

..........

..........

(৩) সামাজিক পৰিবৰ্তনৰ সংঘৰ্ষ তত্ত্বৰ বিষয়ে আলোচনা কৰা।

..........

..........

..........

## ২.৪ সামৰণি

এই গোটটিত আমি সামাজিক পৰিবৰ্তনৰ বিষয়ে আলোচনা কৰিলো। তোমালোকে নিশ্চয় অৱগত হ'লা যে সমাজতত্ত্বত সামাজিক পৰিবৰ্তন এক গুৰুত্বপূৰ্ণ বিষয়। সামাজিক পৰিবৰ্তনৰ বিষয়ে অনুভৱ কৰিবলৈ হ'লে আমি পাৰ হৈ অহা সমাজ জীৱনলৈ চালেই অনুধাৱন কৰিব পাৰিম। আমি আমাৰ দৈনন্দিন জীৱন লক্ষ্য কৰিলেই এই পৰিবৰ্তন সমূহ পৰিলক্ষিত হয়। সামাজিক পৰিবৰ্তন নিৰবচ্ছিন্নভাৱে চলি আহিছে। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ স্তৰ পাওঁতে আমি অতীতৰ অলেখ স্তৰ পাৰহৈ আহিছো। সি যি নহওক সামাজিক পৰিবৰ্তনক আমি সংখ্যাগত আৰু গুণগত এই দুটা দিশত আলোচনা কৰিব পাৰো। অন্যহাতে

সমাজতত্ত্ববিদসকলে সামাজিক পৰিবৰ্তনৰ ভিন ভিন কাৰক চিনাক্ত কৰিছে। এই কাৰকবিলাকৰ আধাৰত ভিন ভিন তত্ত্ব দাঙি ধৰিছে। তত্ত্বসমূহৰ আধাৰত বিভিন্ন ধৰণৰ গোষ্ঠীৰ বিশ্লেষণ হৈছে। পাঠ্যক্ৰম অনুসৰি আমি এই গোষ্ঠীসমূহৰ পৰা কেইজনমান সমাজতত্ত্ববিদৰ বিবৰ্তন আৰু সংঘৰ্ষ তত্ত্বৰ বিষয়ে আলোচনা কৰিলো। মুঠৰ ওপৰত সমাজ বুলিলে পৰিবৰ্তন থাকিবই। অৱশ্যে এই পৰিবৰ্তন স্থান আৰু কাল অনুযায়ী ক'ৰবাত একেবাৰে ধীৰ আৰু কৰবাত অতি দ্ৰুত।

## ঘাই শব্দসমূহ

(১) সামাজিক পৰিবৰ্তন

(২) সামাজিক সম্বন্ধ

(৩) সামাজিক সংস্থা

(৪) সামাজিক মূল্যবোধ

(৫) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা

(৬) বিবৰ্তন

(৭) সংঘৰ্ষ

(৮) প্ৰগতি

(৯) বৃদ্ধি

(১০) উন্নয়ন

(১১) একদিশদৰ্শী

(১২) বিশ্বজনীন

(১৩) পুনৰাবৰ্তন

(১৪) বহুদিশদৰ্শী

(১৫) ক্ৰমবিকাশ

(১৬) সংস্কৃতি আৰু সভ্যতা

(১৭) দৈৱিক স্তৰ

(১৮) আধিভৌতিক স্তৰ

(১৯) প্ৰত্যক্ষবাদী স্তৰ

(২০) অতি প্ৰাকৃতিক শক্তি

(২১) অমূৰ্ত ধাৰণা

(২২) যুক্তি

(২৩) দ্বন্দ্ব

(২৪) স্থাপনা

(২৫) প্ৰতিস্থাপনা

(২৬) সমন্বয়

(২৭) কৰ্তৃত্ব

(২৮) শ্ৰেণী সংগ্ৰাম

## পাঠ্য নিৰ্দ্দেশনা

1. Martindale, Don : The Nature and Types of Sociological theory, Boston, 1960.

2. Coser, L. : The Functions of Social Conflict, Press, New York, 1956.

3. Bierstedt, R.: The Social Order, New York, 1962.

4. MacIver, R.M. and Page, C.H. : Society: An introductory analysis, MacMillan, New Delhi, 1993.

5. Young K, and Mack, R.W. : Sociology of Social life, East West Press, New Delhi, 1972.

6. Bora, B. : Samaj Tatta Parichoy, Bidya Bhawan, Jorhat, 2005.

---

## আৰ্হি প্ৰশ্ন

(১) সামাজিক পৰিবৰ্তনৰ সংজ্ঞা দিয়া। সামাজিক পৰিবৰ্তনৰ তত্ত্বসমূহ কেনেধৰণৰ।

.................................................................................................

.................................................................................................

.................................................................................................

(২) বিবৰ্তন বুলিলে কি বুজা? সামাজিক পৰিবৰ্তনৰ বিবৰ্তন তত্ত্বৰ বিষয়ে আলোচনা কৰা।

.................................................................................................

.................................................................................................

.................................................................................................

(৩) সামাজিক পৰিবৰ্তনৰ সংঘৰ্ষ তত্ত্বৰ বিষয়ে এক বিশ্লেষণ দাঙি ধৰা।

.................................................................................................

.................................................................................................

.................................................................................................

## প্রসঙ্গ পুথি

Bottomore, T.B. : Socioilogy, Unwin University Books, London, 1966, p-279

Mary, K. and Engles, F.: Selected Works, Vol.3. Mascow, 1970. p-362.

আত্ম শিকন সামগ্ৰী

Bachelor of Arts (General)
SECOND SEMESTER

# সমাজতত্ত্ব

## পাঠ্যক্ৰম — SOCG : 201

# সমাজতত্ত্বৰ নীতি

## খণ্ড - ১, ২, ৩, ৪ আৰু ৫

| | | |
|---|---|---|
| খণ্ড-১ | ঃ | সমাজতত্ত্বৰ মৌলিক অৱধাৰণাসমূহ |
| খণ্ড-২ | ঃ | সামাজিক সমূহ |
| খণ্ড-৩ | ঃ | সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ |
| খণ্ড-৪ | ঃ | সামাজিক স্তৰীকৰণ আৰু গতিশীলতা |
| খণ্ড-৫ | ঃ | সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পৰিৱৰ্তন |

মুক্ত আৰু দূৰশিক্ষা সঞ্চালকালয়
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

# SOCIOLOGY

## COURSE : SOCG - 201

### BLOCK-1 : BASIC CONCEPTS OF SOCIOLOGY

**Contributor :**

**Chura Giri**
Head, Department of Sociology
Margherita College
Margherita, Assam

**Editor :**

**Dr. S. Sarmah**
Honorary Teacher
Directorate of Distance Education
Dibrugarh University
Assam

### BLOCK-2 : SOCIAL GROUPS

**Contributor :**

**Jyoti Prasad Saikia**
Asstt. Professor, Department of Sociology
Moran Mahila Mahavidyalaya, Moran

### BLOCK-3 : SOCIALIZATION AND SOCIAL CONTROL

**Contributor :**

**Dr. Dhiren Chandra Kalita**
Head, Department of Sociology
Kakojan College, Jorhat

**Editor :**

**Dr. S.C. Sarma**
Directorate of Distance Education
Dibrugarh University, Dibrugarh

**BLOCK-4 : SOCIAL STRATIFICATION AND MOBILITY**

**Contributor :**

**Ms. Hamida Khatun**
Associate Professor
Department of Sociology
Demow College, Sibsagar, Assam.

**BLOCK-5 : SOCIAL PROCESS & SOCIAL CHANGE**

**Contributor :**

**Dr. Bipul Kumar Gogoi**
Associate Professor
Department of Sociology
Demow College, Sibsagar, Assam.

**Editor :**

**Dr. S.C. Sarma,**
Directorate of Distance Education
Dibrugarh University, Assam

**ISBN NO. 978-93-82785-76-7**

© Copy right by Directorate of Open and Distance Learning, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Open and Distance Learning, Dibrugarh University by the Director, DODL, D.U. and printed at Lakhimi Press, Dibrugarh, Assam.

**Acknowledgement**

The Directorate of Open And Distance Learning, Dibrugarh University duly acknowledges the financial assistance from the Distance Education Council, IGNOU, New Delhi for preparation of this Self-Learning Material.

# সমাজতত্ত্ব

## পাঠ্যক্রম : সমাজতত্ত্ব-২০১

## খণ্ড-১

## সমাজতত্ত্বৰ মৌলিক অৱধাৰণাসমূহ

## বিষয়সূচী


পৃষ্ঠা

**গোট ১ : সমাজ আৰু সম্প্ৰদায়** **১-২২**

উদ্দেশ্য, প্ৰস্তুৱনা, সমাজ, সমাজৰ সংজ্ঞা, সমাজৰ বৈশিষ্ট্য, সমাজৰ মূল উপাদান, সম্প্ৰদায়ৰ সংজ্ঞা, সম্প্ৰদায়ৰ বৈশিষ্ট্য, সম্প্ৰদায়ৰ মূল উপাদান, সামৰণি।

**গোট ২ : সংস্থা আৰু সমিতি** **২৩-৩৮**

উদ্দেশ্য, প্ৰস্তাৱনা, সংস্থা, সংস্থাৰ সংজ্ঞা, সংস্থাৰ বৈশিষ্ট্য, সংস্থাৰ উপাদান, সমিতি, সমিতিৰ সংজ্ঞা, সমিতিৰ বৈশিষ্ট্য ,সমিতিৰ উপাদান অগ্ৰগতিৰ নিৰীক্ষণ, সামৰণি

**গোট ৩ : সামাজিক প্ৰতিমান আৰু প্ৰমূল্য** **৩৯-৫৫**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিক প্ৰতিমান, সামাজিক প্ৰতিমানৰ সংজ্ঞা, সামাজিক প্ৰতিমানৰ বৈশিষ্ট্য, সামাজিক প্ৰতিমানৰ উপাদান, সামাজিক প্ৰমূল্য, সামাজিক প্ৰমূল্যৰ সংজ্ঞা, সামাজিক প্ৰমূল্যৰ বৈশিষ্ট্য, সামাজিক প্ৰমূল্যৰ উপাদান, সামৰণি

**গোট ৪ : প্ৰস্থিতি আৰু ভূমিকা** **৫৬-৭৮**

উদ্দেশ্য, প্ৰস্তাৱনা, প্ৰস্থিতি, প্ৰস্থিতিৰ সংজ্ঞা, প্ৰস্থিতিৰ বৈশিষ্ট্য, প্ৰস্থিতিৰ প্ৰকাৰ, ভূমিকা, ভূমিকাৰ সংজ্ঞা, ভূমিকাৰ বৈশিষ্ট্য, ভূমিকাৰ প্ৰকাৰ, সামৰণি।

# খণ্ড-২

# সামাজিক সমূহ

# খণ্ড-৩

# সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ

## বিষয়সূচী

পৃষ্ঠা


**খণ্ড-২ঃ সামাজিক সমূহ** (Social Groups)

**গোট ১ ঃ সামাজিক সমূহ** **৮০-১১২**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিক সমূহৰ ধাৰণা, সামাজিক সমূহৰ সংজ্ঞা, সামাজিক সমূহৰ বৈশিষ্ট বা চৰিত্ৰ, সামাজিক সমূহৰ প্ৰকাৰ, প্ৰাথমিক আৰু দ্বিতীয়ক সমূহৰ পাৰ্থক্য, অধ্যয়নটিৰ পৰা আমি কি শিকিলো, অগ্ৰগতিৰ খতিয়ান, সম্ভাব্য প্ৰশ্নাৱলী, অধিক জানিবৰ বাবে

**খণ্ড-৩ঃ সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ**
(Socialization and Social Control)

**গোট ১ : সামাজিকীকৰণ** **১১৩-১৪১**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিকীকৰণৰ ধাৰণা, সামাজিকীকৰণৰ অৰ্থ আৰু সংজ্ঞা, সামাজিকীকৰণৰ বৈশিষ্ট্য, সামাজিকীকৰণৰ স্তৰ, সামাজিকীকৰণৰ অভিকৰ্তা, সামাজিকীকৰণৰ গুৰুত্ব, অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ, অধিক জানিবলৈ অগ্ৰগতিৰ খতিয়ান, স  াব্য প্ৰশ্ন

**গোট ২ : সামাজিক নিয়ন্ত্ৰণ** **১৪২-১৬৪**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিক নিয়ন্ত্ৰণৰ অৰ্থ আৰু সংজ্ঞা, সামাজিক নিয়ন্ত্ৰণৰ প্ৰকাৰ, সামাজিক নিয়ন্ত্ৰণৰ কৰ্তা, সামাজিক নিয়ন্ত্ৰণৰ গুৰুত্ব, আমি কি শিকিলো, অগ্ৰগতিৰ খতিয়ান, অধিক জানিবৰ বাবে, সম্ভাব্য প্ৰশ্নাৱলী

# সামাজিক স্তৰীকৰণ আৰু গতিশীলতা

# খণ্ড-৫

# সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পৰিৱৰ্তন

## বিষয়সূচী


---

**খণ্ড-৪ঃ সামাজিক স্তৰীকৰণ আৰু গতিশীলতা**
(Social Strafication and Mobility)

---

**গোট ১ : সামাজিক স্তৰীকৰণ** **১৬৬-১৯২**

উদ্দেশ্য, প্ৰস্তাৱনা, স্তৰীকৰণৰ অৰ্থ আৰু সংজ্ঞা, প্ৰস্থিতি, ভূমিকা, স্তৰীকৰণৰ উপাদান, স্বৰূপ, বন্ধ স্তৰীকৰণ, মুক্ত স্তৰীকৰণ, স্তৰীকৰণৰ সিদ্ধান্তসমূহ, দ্বন্দাত্মক সিদ্ধান্ত, ক্ৰিয়াত্মক সিদ্ধান্ত, সাৰাংশ

**গোট ২ : সামাজিক গতিশীলতা** **১৯৩-২০৪**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিক গতিশীলতাৰ ধাৰণা, সংজ্ঞা, বৈশিষ্ট্য, প্ৰকাৰ, দিগন্তমুখী গতিশীলতা, শীৰ্ষ বিন্দুক গতিশীলতা, অন্তঃপুৰুষ গতিশীলতা, আন্তঃপুৰুষ গতিশীলতা, সাৰাংশ

---

**খণ্ড-৫ঃ সামাজিক প্ৰক্ৰিয়া আৰু সামাজিক পৰিৱৰ্তন**
(Social Process & Social Change)

---

**গোট ১ : সামাজিক প্ৰক্ৰিয়া** **২০৭-২৩০**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিক প্ৰক্ৰিয়াৰ অৰ্থ, সংজ্ঞা, প্ৰকাৰ, সহযোগিতাৰ অৰ্থ, সংজ্ঞা,বৈশিষ্ট্য, প্ৰতিযোগিতাৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য, সংঘৰ্ষৰ অৰ্থ, সংজ্ঞা, বৈশিষ্ট্য, সহযোগিতা আৰু প্ৰতিযোগিতাৰ মাজৰ পাৰ্থক্য, সহযোগিতা আৰু সংঘৰ্ষৰ মাজৰ পাৰ্থক্য, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজত পাৰ্থক্য, সামৰণি

**গোট ২ : সামাজিক পৰিৱৰ্তন** **২৩১-২৪৬**

উদ্দেশ্য, প্ৰস্তাৱনা, সামাজিক পৰিবৰ্তনৰ অৰ্থ, সংজ্ঞা, ভিন ভিন কাৰকসমূহ, তত্বসমূহ, বিবৰ্তন তত্ব, সংঘৰ্ষ তত্ব, সামৰণি